


দ্বাদশ সংখ্যা
২০২৪-২৫ বৰ্ষ

১২


# শদিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

# স্রোতস্বিনী

তত্ত্বাৱধায়ক
এলিনা শইকীয়া

সম্পাদক
ববিতা সোণোৱাল

# শ্রদ্ধাঞ্জলি



“শেষ বুলিলেইতো
শেষ নহয়...
আকৌ আৰম্ভ হয়
শেষ নহয়...”

— জুবিন গার্গ




গল্পকাৰ, ঔপন্যাসিক মনালিছা শইকীয়াৰ সৈতে অন্তৰংগ আলাপৰ মুহূর্ত




গল্পকাৰ, ঔপন্যাসিক গায়ত্রী দলেৰ সৈতে অন্তৰংগ আলাপৰ মুহূর্ত



SPECTRUM 1.0 উন্মোচনৰ মুহূর্ত



'সম্বাদ' (১ম সংখ্যা, ১ম প্রকাশ) বার্ষিক বার্তালোচনীৰ উন্মোচনৰ মুহূর্ত

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কিয়দাংশ




ICSSRৰ দ্বাৰা অনুমোদিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ
মুখ্যবক্তা ড° অমিয়া ৰাজবংশী




ICSSRৰ দ্বাৰা অনুমোদিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ
মুখ্যবক্তা ড° মুকুন্দ ৰাজবংশীদেৱৰ



প্ৰতিষ্ঠা দিৱসৰ লগত জড়িত ৪র্থ বক্তৃতামালাৰ মুখ্যবক্তা,
শ্ৰীযুত দেৱৰাজ উপাধ্যায়, সদ্যপ্ৰাক্তন অধ্যক্ষ, অসম লোকসেৱা আয়োগ



৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ বন্তি প্ৰজ্বলনৰ মুহূৰ্ত



অসমৰ উচ্চ শিক্ষা বিভাগৰ সচিব শ্ৰীযুত নাৰায়ণ কোঁৰৰদেৱৰ
মহাবিদ্যালয় পৰিদৰ্শনৰ মুহূৰ্ত



প্ৰেৰণা-২০২৫ ৰ আমন্ত্ৰিত মুখ্য অতিথি
ড° সুৰজিৎ বৰকটকী আৰু ড° শ্ৰুতি মহন্ত




বিশ্বনাথ মহাবিদ্যালয়ৰ সৈতে সাংস্কৃতিক সমন্বয় অনুষ্ঠানৰ মুহূৰ্ত



সমাজতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক জিউৰাম
চাংমাইদেৱৰ বিদায় সম্বৰ্ধনাৰ মুহূৰ্ত

শদিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

# স্রোতস্বিনী

দ্বাদশ সংখ্যা

২০২৪-২৫ বৰ্ষ

তত্ত্বাৱধায়ক | **এলিনা শইকীয়া**

সম্পাদক | **ববিতা সোণোৱাল**

**Srotaswini :** The Annual Magazine of Sadiya College, Sadiya; Published by Sadiya College Students' Union & Edited by Bobita Sonowal, Session 2024-25

শদিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

# স্ৰোতস্বিনী

(২০২৪-২৫ বৰ্ষ)

দ্বাদশ সংখ্যা


## সম্পাদনা সমিতি

| | | |
|---|---|---|
| **মুখ্য উপদেষ্টা** | ঃ | ডঃ ভূপেন চুতীয়া, অধ্যক্ষ |
| | | শ্ৰীযুত বুদ্ধিকান্ত মিশ্ৰ, উপাধ্যক্ষ |
| **তত্ত্বাৱধায়িকা** | ঃ | এলিনা শইকীয়া, সহকাৰী অধ্যাপিকা |
| **উপদেষ্টা** | ঃ | শ্ৰীযুত লক্ষ্যজিৎ চিৰিং, সহযোগী অধ্যাপক |
| | | ডঃ ঋতুপৰ্ণা বুঢ়াগোহাঁই, সহকাৰী অধ্যাপিকা |
| | | ডঃ ৰাজীৱ খাটিৱড়া, সহকাৰী অধ্যাপক |
| | | ডঃ দীপেন্দ্ৰ কুমাৰ খনাল, সহকাৰী অধ্যাপক |
| | | ডঃ শাৰদী বৰা, সহকাৰী অধ্যাপিকা |
| | | হেমাশ্ৰী বাইলুং, সহকাৰী অধ্যাপিকা |
| **সম্পাদিকা** | ঃ | ববিতা সোণোৱাল |
| **ছাত্ৰ সদস্য** | ঃ | প্ৰভাত বুঢ়াগোহাঁই, অসীম বুঢ়াগোহাঁই |
| | | দেৱজিত বৰগোহাঁই, হিৰকজ্যোতি হাজৰিকা |
| | | পল্লৱী সোণোৱাল |


**প্ৰকাশক ঃ** শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

**প্ৰচ্ছদ ঃ** কৌশিক কিশলয়

**Disclaimer :** The authors are solely responsible for the contents of the articles/poem compiled in the volume. The opinions, statements and text of the magazine may not necessarily be the views of the editor and the publisher. The publisher or editor does not take any responsibility for the same in any manner. No part of this publication may be reproduced in any way without permission. Errors, if any, are purely unintentional and readers are requested to communicate such errors to editor and publisher to avoid discrepancies

**Printed at :**

Purbayon Publication Pvt. Ltd.

Panbazar, Guwahati-1, Assam, India

Email- purbayonindia21@gmail.com, website: purbayonpublication.com, Contact No : 9864422157

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ ৭/২০২৩/৩৫৯৩
১৭ পুহ, ১৪৩২ ভাস্কৰাব্দ
০২ জানুৱাৰী, ২০২৬ ইং

## শুভেচ্ছাবাণী

শদিয়া মহাবিদ্যালয় ছাত্র একতা সভাৰ বার্ষিক আলোচনী 'স্রোতস্বিনী' প্রকাশৰ প্রস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ।

মহাবিদ্যালয়, বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠানৰ বার্ষিক আলোচনীত প্রকাশিত সাহিত্যৰাজিয়ে অসমীয়া ভাষা-সাহিত্য সমৃদ্ধ কৰাত নিৰৱে কিন্তু সবলভাৱে ভূমিকা পালন কৰি আহিছে। শিক্ষানুষ্ঠান এখনৰ শিক্ষক-শিক্ষয়িত্রী, কর্মচাৰী আৰু বিশেষকৈ শিক্ষার্থীসকলৰ বাবে বার্ষিক আলোচনীখন বৌদ্ধিক কচৰৎ আৰু সাহিত্য সাধনাৰ থলী। ইয়াৰ বুকুতে ৰোপিত হয় ভৰিষ্যতৰ একোগৰাকী গল্পকাৰ, নিবন্ধকাৰ, কবি, সমালোচক, ঔপন্যাসিক তথা সম্পাদকৰ বীজ। শিক্ষানুষ্ঠানত সৃষ্টিশীলতাৰ এক পৰিৱেশ গঢ়ি তোলাত আলোচনীখনৰ এটা গুৰুত্বপূর্ণ ভূমিকা থাকে। শিক্ষানুষ্ঠান এখনৰ বার্ষিক আলোচনীখন শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোৰ ইতিহাসৰো এখন সমৃদ্ধ দলিল।

দ্রুত পৰিৱর্তনশীল প্রযুক্তিৰ পৃথিৱীখনে নতুন প্রজন্মৰ বাবে প্রচুৰ সম্ভাৱনাৰ লগতে প্রত্যাহ্বানো কঢ়িয়াই আনিছে। মহাবিদ্যালয় পর্যায়তে ছাত্র-ছাত্রীসকলক ভৰিষ্যতৰ সুযোগ আৰু প্রত্যাহ্বানসমূহৰ বিষয়ে সজাগ কৰি তুলাৰ লগতে ভৰিষ্যৎ নিয়োগ সম্ভাৱনীয়তা সম্বন্ধে সচেতন কৰাত বার্ষিক আলোচনীখনে গুৰুত্বপূর্ণ ভূমিকা ল'ব বুলি মই আশাবাদী।

মই আলোচনীখনৰ সফল প্রকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শর্মা)

**Ranoj Pegu**
**Minister**
Education & Tribal Affairs (P)

सत्यमेव जयते

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati -781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com



## MESSAGE

I am delighted to convey my heartfelt greetings to the students, faculty, and editorial team of **Sadiya College** on the publication of the Annual College Magazine **"Srotaswini"** for the year 2024–25.

A college magazine is not merely a collection of writings—it is a reflection of the intellectual vibrancy, creative spirit, and aspirations of its students and teachers. Srotaswini, true to its name, becomes a flowing stream of ideas, thoughts, and expressions that nurture a culture of learning beyond the classroom.

I appreciate the efforts of the Students' Union, the editor Miss Babita Sonowal, and the supervising teacher Mrs. Alina Saikia for bringing together this valuable compilation. I am confident that this edition will inspire students to think critically, write freely, and engage meaningfully with society.

My best wishes to Sadiya College for its continued growth and contribution to higher education in Assam. May Srotaswini continue to empower young minds and enrich academic life in the years ahead.

(Dr. Ranoj Pegu)

**Prof. Jiten Hazarika,** M.Sc., Ph.D., PGDOR
Vice-Chancellor

**DIBRUGARH UNIVERSITY**
DIBRUGARH | PIN-786 004 | ASSAM
Phone : 0373-2370239 (Office)
Email : vc@dibru.ac.in | Website : www.dibru.ac.in



# MESSAGE

I am pleased to extend my heartfelt greetings to the Sadiya College Students' Union and the entire editorial team on the publication of the 2024-25 edition of 'Srotaswini', the annual college magazine of Sadiya College. True to its name, 'Srotaswini' continues to flow as a vibrant stream of creativity, thought and youthful expression, reflecting the spirit and aspirations of our student community.

A college magazine is more than a compilation of writings—it is a testament to intellectual curiosity, artistic talent and the collective consciousness of the campus. Through essays, poems, research articles, artwork and reflections, 'Srotaswini' becomes a platform for students to voice their ideas and engage with the world around them. In an age of rapid change, such platforms nurture critical thinking, creativity and a sense of identity—all essential qualities for shaping responsible and confident individuals.

I congratulate the Students' Union, the Editorial Board and all contributors for their dedication and hard work in bringing this edition to life.

May this magazine continue to inspire students to explore their potential, express their views freely and celebrate the culture and values that define Sadiya College. I extend my best wishes for the continued growth of 'Srotaswini' and for the success of all future endeavours of the students and the institution.

**(Jiten Hazarika)**
Dated Dibrugarh, the 9th December, 2025

প্রদান বৰুৱা
সাংসদ, ১২ নং লখিমপুৰ লোকসভা সমষ্টি (অসম)
PRADAN BARUAH
MEMBER OF PARLIAMENT
(LOK SABHA)
12- LAKHIMPUR HPC (ASSAM)

सत्यमेव जयते

RESIDENCE :
Bungalow No. 8, Talkatora Road,
New Delhi-110001

Ward No. 6, Chinaichuk
Aradhol, P.O. & Dist. Dhemaji
Assam - 787 057
Mobile : +91 94350 48271, 70023 09513
Email : baruah.pradhan@gmail.com
mppradanbaruahoffice@gmail.com



# MESSAGE

It gives me immense pleasure to extend my heartfelt greetings to the entire Sadiya College fraternity on the publication of the Annual Magazine **Srotaswini** for the academic year 2024–25. A college magazine is much more than a compilation of articles—it is a vibrant reflection of the institution's academic spirit, cultural sensibilities and creative energy. *Srotaswini*, true to its name, continues to flow as a stream of ideas, talents and aspirations that inspire and connect us all.

In a world that is rapidly evolving, it is essential for young minds to cultivate curiosity, critical thinking and the courage to express themselves. I am delighted to see that this magazine provides a thoughtful platform for students and teachers to articulate their views, showcase their creativity and celebrate their achievements. Each contribution—be it literary, artistic or academic—adds to the richness of this collective effort.

I commend the Editorial Board for their dedication, patience and hard work in bringing out this edition. My appreciation also extends to the contributors whose writings and artwork make *Srotaswini* truly meaningful.

May this publication continue to inspire creativity and serve as a testament to the intellectual and cultural vibrancy of Sadiya College. I wish *Srotaswini* 2024–25 great success and hope it motivates readers to dream, explore and strive for excellence.

With warm regards and best wishes.

**(PRADAN BARUAH)**
**PRADAN BARUAH**
Member of Parliament
12-Lakhimpur HPC (Assam)

**Bolin Chetia**
M.L.A. 126 Sadiya LAC
Chairman, Assam Gas Company Ltd.
(Cabinet Rank)

RESIDENCE :
D-6, Old MLA Hostel
Dispur, Guwahati-6
99571 73606 (Mob.)



Ref.....

Date. 10-12-2025

# MESSAGE

I am immensely happy to learn that the Prestigious SADIYA COLLEGE is going to publish it's annual magazine , " ***SROTASWINI*** "( স্রোতস্বিনী) as every year. Indeed it is a praiseworthy initiative taken up regularly by the college authority in every academic session. A college magazine is regarded as the mirror of the college which clearly reflects the intellectual aspects of the college and students as well as the scenario of college . It can also be considered as a basic platform for the aspirant writers. The students can practice here for writing in different fields according to their interests. I hope that the college magazine 2024-25 will inspire the new writers to establish themselves in the field of literature by inculcating habit of writing in different fields of literature.

Undoubtedly , the SADIYA COLLEGE is a foremost educational institution which has been imparting all round quality education in the vast area of Sadiya. It has a glorious and prestigious history in the field of education which has a milestone impact in the society of Sadiya as well as all over Assam.

Hope with deep belief that the magazine,2024-25, " ***SROTASWINI*** " (স্রোতস্বিনী) of the college will be a masterpiece, elaborating the every aspects of the college and also the socio-economic,political and educational scenario of the entire SADIYA, the frontier area of Assam.

Warm greetings and best wishes to all the college family.

I wish all the success of the college in the forthcoming days.

(**Bolin Chetia**), MLA, 126 Sadiya LAC
Chairman ,Assam Gas Company Ltd.
Chairman , NEGDCL



শ্রী ভূৰন চন্দ্ৰ গগৈ
সভাপতি,পৰিচালনা সমিতি
শদিয়া মহাবিদ্যালয়।

# শুভেচ্ছাবাণী

শদিয়া সমজিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ শদিয়া মহাবিদ্যালয়। কলা, বিজ্ঞান আৰু বাণিজ্য, মহাবিদ্যালয়খনত থকা এই তিনিওটি বিভাগেই শিক্ষাৰ গুণগতমান আটুট ৰখাৰ লগতে মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাই আহিছে।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আলোচনী বিভাগৰ উদ্যোগত, মাননীয় অধ্যক্ষ দেৱৰ সহযোগত ২০২৪-২৫ বৰ্ষৰ মুখপত্ৰখন প্ৰকাশৰ খবৰ পাই অতি সুখী আৰু আনন্দিত হলোঁ।

স্বাভাৰিকতে,কোনো এখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বাতাবৰণ একপ্ৰকাৰ সজীৱ কৰি ৰখাত মুখপত্ৰ বা বছৰেকীয়া আলোচনীখনৰ গুৰুত্ব কম নহয়।

ছাত্ৰ সমাজৰ সুপ্ত প্ৰতিভা বিকাশ তথা তেওঁবিলাকৰ সৃষ্টিশীল চিন্তা ভাৱনাৰ পথ প্ৰশস্ত হওক, কলা সাধনা চৰ্চাৰ এক সুস্থ সৱল পৰিবেশ সৃষ্টি হওক।

শেষত, মাননীয় অধ্যক্ষ, আলোচনীখনৰ তত্বাৱধায়ক সমন্বিতে সম্পাদক, ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তা সন্মানীয় শিক্ষক সমাজ, লগতে ছাত্ৰ-ছাত্ৰী সকললৈ আমাৰ আন্তৰিক অভিনন্দন আৰু ইংৰাজী নতুন বছৰৰ বাবে শুভেচ্ছা জনালোঁ।

৬ ফেব্রুৱাৰী,২০২৬

শ্রী ভূৰন চন্দ্ৰ গগৈ




# মাননীয় অধ্যক্ষ ড° ভূপেন চুতীয়া

# Message from the Principal

It gives me immense pleasure to extend my warm greetings to the editorial board, contributors, and readers of Srutaswini, the Annual Magazine of the Sadiya College Students' Union for the session 2024–25.

A college magazine is far more than a compilation of articles, poems, and reports; it is a vibrant mirror reflecting the intellectual vitality, creative spirit, and cultural richness of an institution. It provides a meaningful platform for students to express their thoughts, emotions, aspirations, and innovative ideas. In the process of writing, editing, designing, and publishing, students sharpen their critical thinking, communication skills, imagination, and collaborative abilities. These are not merely academic exercises but essential components in the holistic development of personality.


In the light of the National Education Policy (NEP) 2020, the significance of a college magazine becomes even more profound. NEP 2020 emphasizes multidisciplinary education, creativity, critical inquiry, ethical reasoning, and the nurturing of constitutional values. A publication like Srutaswini embodies these principles by encouraging students from diverse disciplines to articulate their perspectives, engage in intellectual discourse, and celebrate cultural diversity. It promotes experiential learning, teamwork, leadership, and a spirit of inquiry—key pillars envisioned in the transformative framework of NEP 2020.

Furthermore, NEP 2020 highlights the importance of communication skills, innovation, and responsible citizenship. Through thoughtful articles, research-based writings, reflections on social issues, and creative expressions, this magazine can inspire students to think beyond textbooks and classrooms. It can cultivate empathy, social awareness, and a sense of responsibility toward the community and the nation.

As India aspires to become a Developed Nation by 2047, the role of young minds is pivotal. The students of today are the architects of tomorrow's India. I urge all our students to use this platform not only to showcase their talents but also to reflect on their duties as enlightened, ethical, and compassionate citizens. Let your words contribute to nation-building; let your creativity be guided by values; and let your ideas aim at innovation, inclusivity, and sustainable progress.

I congratulate the Students' Union, the Editorial Board, and all contributors for their sincere efforts in bringing out this edition of Srutaswini. May this magazine continue to inspire generations of students to think deeply, create boldly, and act responsibly.

I wish the publication grand success.



(Dr. Bhupen Chutia)
Principal
Sadiya College, Chapakhowa

# সম্পাদনা সমিতি, ২০২৪-২৫ বর্ষ



ড° ভূপেন চুতীয়া, অধ্যক্ষ
মুখ্য উপদেষ্টা



শ্রীযুত বুদ্ধিকান্ত মিশ্র, উপাধ্যক্ষ
মুখ্য উপদেষ্টা



এলিনা শইকীয়া
তত্ত্বাৱধায়ক



শ্রীযুত লক্ষ্যজিৎ চিৰিং
উপদেষ্টা



ড° ঋতুপর্ণা বুঢ়াগোহাঁই
উপদেষ্টা



ড° ৰাজীৱ খাটিৰড়া
উপদেষ্টা



ড° দীপেন্দ্র কুমাৰ খনাল
উপদেষ্টা



ড° শাৰদী বৰা
উপদেষ্টা



হেমাশ্রী বাইলুং
উপদেষ্টা



ৰবিতা সোণোৱাল
সম্পাদিকা



প্রভাত বুঢ়াগোহাঁই
সদস্য



অসীম বুঢ়াগোহাঁই
সদস্য



দেৱজিত বৰগোহাঁই
সদস্য



হিৰকজ্যোতি হাজৰিকা
সদস্য



পল্লৱী সোণোৱাল
সদস্যা

# গভীৰ শ্ৰদ্ধাঞ্জলি



ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী
আৰু মুক্ত অৰ্থনীতিৰ স্ৰষ্টা
ড° মনমোহন সিং



প্ৰখ্যাত উদ্যোগপতি
আৰু মানৱ দৰদী
ৰতন টাটা




কিংবদন্তি তবলা বাদক
জাকিৰ হুছেইন



পদ্মশ্ৰী বঁটা প্ৰাপক,
কু-সংস্কাৰৰ বিৰুদ্ধে এক প্ৰতিবাদী কণ্ঠ
বিৰুবালা ৰাভা



বিশিষ্ট সংগীত পৰিচালক
ভূপেন উজীৰ



বিশিষ্ট লেখক আৰু
ঔপন্যাসিক
অৰুণ গোস্বামী



আমেৰিকাৰ
প্ৰাক্তন ৰাষ্ট্ৰপতি
জিম্মি কাৰ্টাৰ



সাহিত্যৰ নোবেল বঁটা বিজয়ী
এলিছ মুনৰো



প্ৰখ্যাত কথাছবি নিৰ্দেশক
আৰু চিত্ৰনাট্যকাৰ
শ্যাম বেনেগাল



বিশিষ্ট গণশিল্পী
সূর্য্য দাস



প্ৰখ্যাত গজল গায়ক
পংকজ উদাস



বিশিষ্ট নাট্যকাৰ
আৰু নাট পৰিচালক
ৰতন থিয়াম

২০২৪-২৫ বৰ্ষত আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা এইসকল বিশিষ্ট ব্যক্তিলৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি।
লগতে ইয়াত নামোল্লেখ নোহোৱা দেশ, জাতি আৰু মানৱতাৰ হকে সেৱা আগবঢ়োৱা লগতে
পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত আৰু আহমেদাবাদৰ কৰুণ বিমান দূৰ্ঘটনাত
প্ৰাণ হেৰুওৱা সকলো প্ৰয়াত ব্যক্তিলৈ এই সুযোগতে আমি অশ্ৰু অঞ্জলি যাচিলোঁ।

# তত্ত্বাৱধায়কৰ কলম



আলোচনী এখনে এটা জাতি, এটা ভাষা, এখন সমাজৰ কেনেদৰে বৌদ্ধিক উৎকর্ষ সাধন ঘটাব পাৰে, তাৰ সাক্ষ্য বহু সময়ত আমি পাই আহিছোঁ। অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্রলৈকে মন কৰিলে আমি দেখা পাওঁ যে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্রতিষ্ঠাত বিভিন্ন সময়ত বিভিন্ন আলোচনীয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। নতুন চিন্তা-চেতনাৰ ধাৰবাহক এই আলোচনীসমূহত সংৰক্ষিত হৈ থাকে এক সমৃদ্ধময় নতুনৰ ইতিহাস। জনপ্রিয়, সৰু-বৰ বিভিন্ন আলোচনীৰ সমান্তৰালভাৱে মহাবিদ্যালয়সমূহৰ বার্ষিক আলোচনীসমূহৰো এক অনন্য ভূমিকা আছে। শৈক্ষিক বিষয়সমূহৰ সমান্তৰালভাৱে যুৱপ্রজন্মই অব্যাহত ৰখা ভাষা-সাহিত্য-সংস্কৃতিৰ চর্চাৰ এখন মঞ্চ হিচাপে এই আলোচনীসমূহত প্রকাশ পাই যুৱপ্রজন্মৰ নতুন চিন্তা, নতুন সৃষ্টিৰ, নতুন দর্শনৰ। এক কথাত ছাত্র-ছাত্রীৰ মানসিক উৎকর্ষৰ অনুসন্ধান পোৱা যায় এই আলোচনীসমূহত। অসমৰ একেবাৰে পূব প্রান্তত অৱস্থিত শদিয়াৰ একমাত্র উচ্চ শিক্ষা প্রতিষ্ঠান শদিয়া মহাবিদ্যালয়। অসম-অৰুণাচলৰ সীমান্তত অৱস্থিত শদিয়া এক বহুসাংস্কৃতিক-বহুভাষিক অঞ্চল আৰু এই বহুসাংস্কৃতিক পৰিৱেশে মহাবিদ্যালয়ৰ শৈক্ষিক-বৌদ্ধিক-সাংস্কৃতিক পৰিৱেশকো সমৃদ্ধ কৰি আহিছে। অন্যান্য দিশসমূহৰ লগতে মহাবিদ্যালয়ৰ যুৱপ্রজন্মৰ বৌদ্ধিক দিশৰো চর্চা গতানুগতিকভাৱে চলি আহিছে আৰু তাৰ সাক্ষ্য বহন কৰি আহিছে মহাবিদ্যালয়ৰ বার্ষিক আলোচনী "স্রোতস্বিনী"য়ে। ছাত্র-ছাত্রীসকলৰ সৃষ্টিশীল আৰু বৌদ্ধিক চর্চাক মূলতঃ অগ্রাধিকাৰ প্রদান কৰা মহাবিদ্যালয়ৰ বার্ষিক আলোচনী "স্রোতস্বিনী"ৰ এই সংখ্যাত বিগত সময়ছোৱাত ছাত্র-ছাত্রীৰ নিজা দর্শনৰ সাক্ষ্য বহন কৰিছে। শদিয়া মহাবিদ্যালয়ৰ যুৱপ্রজন্মৰ চিন্তাত ভাষা-সাহিত্য-সংস্কৃতি-সামাজিক-ৰাজনৈতিক-অর্থনৈতিক আদি বিভিন্ন বিষয় সম্পর্কীয় বিশ্লেষণে গুৰুত্ব পাইছে। লগতে ছাত্র-ছাত্রীসকলৰ কলাসুলভ সৃষ্টিশীল মনটোক সুন্দৰ ৰূপ প্রকাশ ঘটাইছে কবিতা, গল্প, চিত্রকলাৰ জৰিয়তে। অর্থাৎ মহাবিদ্যালয়ৰ যুৱপ্রজন্মৰ মাজত নিহিত হৈ থকা সৃজন-পঠন-মননৰ এক সুন্দৰ প্রতিফলন ঘটিছে এই স্রোতস্বিনীৰ এই সংখ্যাত। ইয়াৰ উপৰি সমান্তৰালভাৱে শদিয়া অঞ্চলৰ সামাজিক-সাংস্কৃতিক বৈচিত্র্য, ঐতিহ্যৰ একক ৰূপটোক পোহৰলৈ অনাৰ প্রয়াস কৰা হৈছে। প্রত্যেক বছৰৰ দৰে এই বছৰৰ বার্ষিক আলোচনীখনে স্থানীয় ৭টা ভাষাৰ লেখাক স্থান দিবলৈ সক্ষম হৈছে। আলোচনীখনৰ ই এক অনন্য বিশেষত্ব আৰু এই পৰম্পৰা ৰক্ষা কৰিব পৰাটো এক অনন্য সফলতা।

আলোচনীখনৰ তত্ত্বাৱধায়ক হিচাপে আলোচনীখনৰ পৰিকল্পনাৰ পৰা আদি কৰি প্রকাশলৈকে গোটেই প্রক্রিয়াটোতে জড়িত হোৱাৰ সুবিধা পোৱাটো এটা ভাললগা কথা আছিল। এই সময়খিনিত সম্পাদনা সমিতিৰ প্রত্যেকজন সদস্যৰ লগতে বিভিন্ন সময়ত যিসকলে পৰামর্শ-সহযোগিতা আগবঢ়াইছিল তেওঁলোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম। নির্ধাৰিত সময়ত প্রকাশৰ উপযোগী কৰি তুলি আমাক উপকৃত কৰা পূর্বায়ণ প্রকাশনৰ স্বত্বাধিকাৰী অমৃতদাৰ লগতে জড়িত সকলো কর্মকর্তাক ধন্যবাদ জনাইছোঁ। ছাত্র-ছাত্রীৰ এই সৃষ্টিশীল-বৌদ্ধিক যাত্রা চিৰপ্রবাহিত হৈ ৰওক, তাৰ শুভকামনাৰে—

এলিনা শইকীয়া

# সম্পাদকীয়



শতফুলৰ দেশ শদিয়া সমজিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ‘শদিয়া মহাবিদ্যালয়’। যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ ফলস্বৰূপে ঐতিহ্যমণ্ডিত শদিয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিল, তেখেতসকললৈ মোৰ একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ। ১৯৮২ চনত প্ৰাণ প্ৰতিষ্ঠা লাভ কৰা শদিয়া মহাবিদ্যালয়খন হৈছে সমগ্ৰ অঞ্চলটোৰ জনগণৰ গৌৰৱ তথা জ্ঞান বিকাশৰ প্ৰাণকেন্দ্ৰ।

শদিয়া মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰোঁ। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই প্ৰথমে সাহিত্য আৰু আলোচনী বিভাগৰ বিভিন্ন শিতানৰ কামসমূহ পৰ্যবেক্ষণ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ২০২৫ বৰ্ষৰ সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ উদ্যোগত আয়োজিত আন্তঃমহাবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ চলচ্চিত্ৰ সমালোচনা আৰু কবিতা সংকলন প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে শদিয়া মহাবিদ্যালয়ৰ দুজন ছাত্ৰই অংশগ্ৰহণ কৰে। ইয়াৰে চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ সুদীপ্ত চেতিয়াই প্ৰথম পুৰস্কাৰ লাভ কৰে। অংশগ্ৰহণ কৰা দুয়োজন ছাত্ৰলৈ (সুদীপ্ত চেতিয়া, প্ৰভাত বুঢ়াগোহাঁই) সহৃদয়ে ধন্যবাদ আৰু অভিনন্দন জনালোঁ।

তদুপৰি মহাবিদ্যালয়ৰ বার্ষিক সপ্তাহ সমাৰোহৰ লগতে অন্যান্য বহুকেইটা দিৱসত সাহিত্য বিভাগৰ বিভিন্ন শিতানসমূহৰ প্রতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্রতিযোগিতাসমূহত ছাত্র-ছাত্রীসকলৰ অংশগ্রহণৰ প্রতি থকা হেঁপাহবোৰে মোক যথেষ্ট উত্তেজনা আৰু সাহস দিছিল।

প্রতিটো বছৰৰ দৰে এই বছৰো শদিয়া মহাবিদ্যালয়ৰ বার্ষিক আলোচনী 'স্রোতস্বিনী' দ্বাদশ সংখ্যা (২০২৪-২৫ বর্ষ) উলিয়াবলৈ মানস কৰা হয়। গতিকে 'স্রোতস্বিনী'ৰ সম্পাদনা সমিতিৰ শিক্ষক সদস্যসকল, শিক্ষক-শিক্ষয়িত্রীবৃন্দ আৰু ছাত্র-ছাত্রীসকলৰ আশাশুধীয়া চেষ্টাত আলোচনীখনৰ কাম হাতত লোৱা হয়। মোক ইয়াৰ দায়িত্বভাৰ দিয়াৰ বাবে কৃতার্থ হৈছোঁ। এই আলোচনীখনৰ লিখনিৰ জৰিয়তে যাতে সকলোৱে জ্ঞানার্জন কৰি উন্নতিৰ শিখৰত উপনীত হ'ব পাৰে, সেয়াই মোৰ কামনা। এই প্রয়াসৰ উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ কলা-সাহিত্যৰ প্রতিভাৰ প্রচাৰ কৰা আৰু লগতে ছাত্র-ছাত্রীসকলৰ ভিতৰত থকা সৃষ্টিশীল মনটোক এক নতুন দিগন্ত দিয়া। এই বর্ষৰ আলোচনীখনৰ বহু নতুন লিখনিৰ অপৰিসীম সৃষ্টিৰাজিৰ লগতে কিছু বিশেষ শিতানো যোগ কৰা হৈছে। যাৰ যোগেদি ছাত্র-ছাত্রীসকলে এক নতুন বাট পাব বুলি আশা কৰো। লগতে স্থানীয় ৭ টা ভাষাৰ লেখাক স্থান দিয়া পৰম্পৰা ৰক্ষা কৰা হৈছে।

'স্রোতস্বিনী'ৰ সম্পাদনা সমিতিৰ উপদেষ্টা তথা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্রতিটো ক্ষেত্রতে প্রয়োজনীয় তথ্য যুগুত কৰি সহায়-সহযোগিতা আগবঢ়াই দিহা-পৰামর্শ দিয়া 'স্রোতস্বিনী'ৰ তত্ত্বাৱধায়ক এলিনা শইকীয়া বাইদেউৰ ওচৰত মই কৃতজ্ঞ। লগতে সমগ্র দিশতে দৃষ্টি নিক্ষেপ কৰি আলোচনীখনৰ কামসমূহ আগবঢ়াই নিয়া সম্পাদনা সমিতিৰ শিক্ষক সদস্যসকলক অশেষ ধন্যবাদ জনালোঁ আৰু যিসকল ছাত্র-ছাত্রী, শিক্ষাগুৰুৰে মোক বিভিন্নধৰণৰ লেখা আগবঢ়াই 'স্রোতস্বিনী' প্রস্তুত কৰিবলৈ সুবিধা প্রদান কৰিলে, তেখেতসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সন্মানপূর্বক শ্রদ্ধা তথা অকৃত্রিম মৰম আগবঢ়ালোঁ আপোন মহাবিদ্যালয়খনলৈ। আটাইৰে ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ।

শেষত অনিচ্ছাকৃত ভুল-ত্রুটিৰ বাবে ক্ষমা বিচাৰি সম্পাদকৰ একলম ইমানতে সামৰিছোঁ।

জয়তু শদিয়া মহাবিদ্যালয়
জয়তু শদিয়া মহাবিদ্যালয় ছাত্র একতা সভা

ধন্যবাদেৰে
**ৰবিতা সোণোৱাল**
সাহিত্য আৰু আলোচনী সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্র একতা সভা ২০২৪-২৫

# সূচীপত্র




**তত্ত্বাৱধায়কৰ একলম**

**সম্পাদকীয়**

**প্ৰবন্ধ**

**ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক**

- ২০২৪ বৰ্ষৰ ‘গৰীয়সী’ আলোচনীৰ সম্পাদকীয়ত প্ৰতিফলিত অসমৰ সমসাময়িক প্ৰেক্ষাপট
  **দিশা গগৈ || ১৭**
- উত্তৰ-পূৰ্বাঞ্চলকেন্দ্ৰিক অসমীয়া সাহিত্য
  **নিকীতা আচাৰ্য || ২৪**
- লুম্মৰ দাইৰ ‘নেফাৰ চিঠি’ত প্ৰকাশিত অৰুণাচলৰ সমসাময়িক প্ৰসংগ
  **সুনীতা বিশ্বকৰ্মা || ২৯**
- তিলোত্তমা মিশ্ৰৰ ‘কা মেইখাৰ ঘৰ’ উপন্যাসত প্ৰতিফলিত সামাজিক-ঐতিহাসিক প্ৰসংগ
  **তুলসা ঢুংগেল || ৩৪**
- ‘আই ক’ত নাই’ গল্পত প্ৰকাশিত প্ৰেক্ষাপট বিচাৰ
  **অনাম চেত্ৰী || ৩৭**
- বিপাশা বৰাৰ ‘জাকাৰান্দা’ উপন্যাসত মেঘালয়ৰ ঐতিহাসিক-সামাজিক প্ৰেক্ষাপট
  **নিলাক্ষী গগৈ || ৩৯**
- কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত সংগ্ৰামী চেতনা
  **পল্লৱী সোনোৱাল || ৪৩**
- ‘সাতসৰী’ আলোচনীৰ সম্পাদকীয়ত প্ৰতিফলিত অসমৰ সমসাময়িক প্ৰসংগ বিচাৰ
  **প্ৰিয়ংকা শৰ্মা || ৪৫**
- শদিয়া অঞ্চলৰ নৱ-প্ৰজন্মৰ সাহিত্য পাঠ নিৰ্বাচন ঃ এক সমীক্ষা
  **প্ৰিয়লতা গগৈ || ৪৮**
- ‘প্ৰকাশ’ আলোচনীৰ সম্পাদকীয়ত প্ৰতিফলিত অসমৰ সমসাময়িক প্ৰসংগ
  **জুলি চেতিয়া || ৫১**
- ভূপেন হাজৰিকাৰ গীতত সামাজিক চেতনা
  **কৰিস্মিতা বুঢ়াগোহাঁই || ৫৬**

**পৰিৱেশ বিষয়ক**

- পৰিৱেশ প্ৰদূষণ ঃ এক মানৱসৃষ্ট সংকট
  **ড° শাৰদী বৰা || ৫৭**







**বিজ্ঞান বিষয়ক**

- Hidden Advantage of Having Moringa Oleifera (Sajina in Assamese) in Diet
  **Dr. Rajiv Khatioda || ৬২**
- Earthworm Friend of Farmer's
  **Shumita Thausen || ৬৪**

➲ Fauna of Sadia College
**Karan Gogoi, Jupitara Gogoi, Junmoni Doley, Santa Pokhrel, Junu Chandma, Prathana Das, Nimikha Chetiapatra, Anand Prasad, Ankit Deb** || ৬৬



**শদিয়া বিষয়ক**

➲ শদিয়া অঞ্চলত প্রচলিত পৰম্পৰাগত 'নটুৱা নৃত্য' আৰু 'বিহু উৰুৱা' পর্বৰ লগত জড়িত লোককথা আৰু লোকবিশ্বাস
**ৰণ্টু বুঢ়াগোহাঁই, বৰষা গগৈ** || ৭৮
➲ শদিয়া অঞ্চলত প্রচলিত জন্ম-মৃত্যু সম্পর্কীয় লোকাচাৰ
**ৰিমঝিম গগৈ** || ৮০
➲ শদিয়া অঞ্চলত প্রচলিত শব্দসম্ভাৰ ঃ এক চমু অৱলোকন
**ৰিম্পী বুঢ়াগোহাঁই** || ৮২
➲ নব্য মাধ্যমত শদিয়াৰ সাংস্কৃতিক উপস্থাপন
**জানেকী ছেত্রী** || ৮৫

**অন্যান্য বিষয়ক ঃ**

➲ সামাজিক মাধ্যম ঃ ইয়াৰ প্রভাৱ, প্রতিকাৰ আৰু ব্যৱহাৰ
**ৰূপামণি চিৰিং** || ৮৮
➲ Knowledge Management in Libraries
**Manjula Baruah** || ৯১
➲ আমাৰ সমাজত ৰাখী বন্ধনৰ প্রাসংগিকতা
**ৰবিতা সোনোৱাল** || ৯৪
➲ ছাত্র-জীৱন আৰু ৰাজনীতি
**ৰাজকুমাৰ গগৈ** || ৯৫
➲ মহাবিদ্যালয় সপ্তাহৰ গুৰুত্ব
**সমুদ্র ফুকন** || ৯৭
➲ ৰীল জীৱন
**ৰিতুপর্ণা গগৈ** || ৯৯

**চলচ্চিত্র-সমালোচনা**

➲ 'দা গ্রেট ইণ্ডিয়ান কিটচেন' চিনেমাত নাৰী
**অদিতি গুৰুং** || ১০১
➲ কথানদী চলচ্চিত্রত অসমীয়া লোক-সাংস্কৃতিক সমল
**জিণ্টী সোনোৱাল** || ১০৩

**ভ্রমণকথা ঃ**

➲ কৰেল দ্বীপৰ পৰা বৌদ্ধ পাহাৰলৈ
**ড° নৱমল্লিকা** || ১০৮
➲ NSS NIC Camp (Hisar)ৰ ভ্রমণ অনুভৱ
**অসীম বুঢ়াগোহাঁই** || ১১২



**চুটগল্প ঃ**

➲ জীৱন বাটৰ জীয়া স্মৃতি
**খনিকা বৰগোহাঁই** || ১১৪

**অনুগল্প ঃ**

➲ গ্রন্থমেলাৰ বাকৰিত, নিয়ম, আশাহত, চিঞৰ
**ৰবিতা সোনোৱাল** || ১১৭
➲ ভয়
**দেৱজিত বৰগোহাঁই** || ১১৮
➲ বিপর্যয়
**আস্থা গগৈ** || ১১৮

**কথাশিল্প ঃ**


- বুদ্ধিৰ বল
  **অসীম বুঢ়াগোহাঁই || ১১৯**
- তাই বাৰু সঁচাই আছিলনে ?
  **আস্থা গগৈ || ১১৮**
- সময়বোৰ..., নিঃসংগতাৰ অনুভৱ
  **পল্লৱী সোনোৱাল || ১২০**
- ধূসৰ মন
  **জ্যোতিৰাজ গগৈ || ১২০**
- নির্জন ৰাতিৰ কোলাহল
  **নিলাক্ষী গগৈ || ১২১**
- ৰুণ-জুন নুপূৰে মাতে
  **প্রভাত বুঢ়াগোহাঁই || ১২১**
- ৰিয়ানৰ অন্তর্দ্বন্দ্ব
  **মলয়া অধিকাৰী || ১২২**





**কবিতা সংকলন**


- সুদীপ্ত চেতিয়াৰ কবিতা || ১২৩
- ৰবিতা সোণোৱালৰ কবিতা || ১২৪
- কৰিস্মিতা বুঢ়গোহাঁইৰ কবিতা || ১২৫
- দেৱজিত বুঢ়াগোহাঁইৰ কবিতা || ১২৫
- অভিজিত বুঢ়াগোহাঁইৰ কবিতা || ১২৬
- আস্থা গগৈৰ কবিতা || ১২৭
- আত্মবিশ্বাস
  **মৌচম দুৱৰা || ৩৬**
- মনৰ কথা
  **ৰিতুপর্ণা গগৈ || ৮৪**
- যন্ত্র (নাম-নিঃস্বার্থ)
  **পিংকী আগৰৱালা || ৯৬**
- শাওণ
  **ককি চিৰিং || ৯৮**
- জীৱনৰ এখিলা পাত
  **গীতার্থ নেওগ || ১০০**
- বিহুৰ বতৰ
  **দেৱজিত বৰগোহাঁই || ১১৬**
- নিয়ৰ
  **প্রভাত বুঢ়াগোহাঁই || ১২৮**
- বন্দী পখীৰ ডেউকাৰ কোবনি
  **পল্লৱী সোনোৱাল || ১২৮**
- বৃষ্টিমায়া
  **প্রার্থনা বুঢ়াগোহাঁই || ১২৯**
- ফাগুনৰ চেঁচা বতাহজাক
  **স্মৃতা গগৈ || ১২৯**
- নিৰিবিলি নির্জন মাজনিশা
  **পল্লৱী সোনোৱাল || ১৩০**
- জীৱনৰ অন্তিম বেলা
  **জ্যোতিৰাজ গগৈ || ১৩০**
- The talking leaf
  **Josephin perme || ১৩১**
- সিদ্ধান্ত, চাহত
  **ডাঁ দীপেন্দ্র কুমার খনাল || ১৩১**
- Ai-Jong-Law || ১৩২
- চুৰুচিকুটি (ল'ৰালি)
  **ৰবিতা দেউৰী || ১৩৩**
- Kumri
  **Senidhor Kaman || ১৩৩**
- প্রিয়
  **কৃষ্ণমায়া নিৰলা || ১৩৪**
- গোলাম হোইনত
  **ডাঁ দীপেন্দ্র কুমার খনাল || ১৩৪**



**কথোপকথন ঃ**


➲ পুৰণি শদিয়া আৰু ভগৱতী শর্মা ঃ ঐতিহ্য অনুসন্ধান
**সাক্ষাৎ গ্রহণকাৰী ঃ ৰবিতা সোণোৱাল**
**সহযোগী ঃ ড° দীপেন্দ্র কুমাৰ খনাল**
**এলিনা শইকীয়া || ১৩৫**

**উৎকর্ষ ঃ দক্ষতা বিকাশ কোষৰ 'আমাৰ কথকতা'ৰ পৰা নির্বাচিত**

➲ গিগ অর্থনীতি ঃ আধুনিক ডিজিটেল অর্থনীতি || ১৩৮
➲ "50% Tarifif:EK Anokha Prem Yudh" || ১৩৮






➲ Whisper of Nature || ১৩৯
➲ Love in the chemistry lab || ১৪০
➲ Famous chemistry scientists on India and their contributions || ১৪০
➲ Slogan and Quotes || ১৪২
➲ Tax ki Rani-Sita Raman || ১৪৩
➲ Nature || ১৪৩




**পঠন অভিজ্ঞতা ঃ**


➲ মৃণাল কলিতাৰ বকুল ফুলৰ দৰে
**দিশা গগৈ || ১৪৪**
➲ কিতাপ পঢ়াৰ অনুভৰ
**চাৰু খাতুন || ১৪৫**


**সাফল্য ঃ**


➲ মাছৰ কথাৰে এমুঠি পুথি— এ ভেৰী ফিচি ট্রিপ
**সুদীপ্ত চেতিয়া || ১৪৭**


**অন্যান্য ঃ**


➲ সম্পাদকৰ বিভাগীয় প্রতিবেদন || ১৫১-১৫৭
➲ অধ্যক্ষসকল || ১৫৮
➲ উপাধ্যক্ষসকল || ১৫৮
➲ ছাত্র একতা সভাৰ সদস্য / সদস্য আৰু তত্ত্বাৱধায়কসকল || ১৫৮
➲ লেখক পৰিচিতি || ১৫৯

**প্রবন্ধ**

ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক




# ২০২৪ বৰ্ষৰ ‘গৰীয়সী’ আলোচনীৰ সম্পাদকীয়ত প্রতিফলিত অসমৰ সমসাময়িক প্রেক্ষাপট

**দিশা গগৈ**

সাম্প্রতিক সময়ত অসমীয়া সাহিত্যৰ গতিধাৰাত বিশেষভাৱে অৱিহণা আগবঢ়োৱা এখন মাহেকীয়া সাহিত্য আলোচনী হৈছে ‘গৰীয়সী’। গৰীয়সী আলোচনীয়ে অসমীয়া সাহিত্যৰ লগতে অসমীয়া সমাজ জীৱনলৈও গুৰুত্বপূর্ণ ভূমিকা প্রদান কৰি আহিছে। বিশেষকৈ বৌদ্ধিক সমাজত নতুন নতুন চিন্তাৰ উন্মেষ ঘটোৱাত নৱপ্রজন্মৰ লগতে বৌদ্ধিক সমাজখনকো ন ন চিন্তাৰে উৎসাহিত কৰি আহিছে।

আলোচনীখনৰ বিভিন্ন শিতানসমূহৰ লগতে সম্পাদকীয় পৃষ্ঠায়ো আলোচনীখনৰ গাম্ভীর্যতা আৰু প্রাসংগিকতা বজাই ৰখাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। প্রত্যেকটো সংখ্যাতে আলোচনীখনৰ সম্পাদকীয়সমূহে নতুন নতুন চিন্তা-ধাৰাৰে পাঠক

সমাজক উৎসাহিত কৰি আহিছে। আলোচনীখনত নৱপ্ৰজন্ম বা পাঠক সমাজক দৃষ্টিগোচৰ কৰাৰ উদ্দেশ্যে কিছুমান বিষয়বস্তু নিৰ্বাচন কৰি লোৱাৰ লগতে সমাজক প্ৰভাৱিত কৰা কিছুমান কাৰক, যেনে— সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, বৌদ্ধিক আদি কাৰকসমূহে সম্পাদকীয়ৰ শিতানত স্থান লাভ কৰে। ২০২৪ চনৰ জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ, জুন, জুলাই, আগষ্ট, ছেপ্টেম্বৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ গৰীয়সী আলোচনীৰ সম্পাদকীয়ত অসমৰ সমসাময়িক সময়ছোৱাত প্ৰতিফলিত দিশসমূহৰ এক চমু বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল—

**'গৰীয়সী' আলোচনীৰ পৰিচয় ঃ**

অসমীয়া সাহিত্য আৰু বৌদ্ধিক চিন্তাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা এখন উল্লেখযোগ্য মাহেকীয়া আলোচনী হৈছে 'গৰিয়সী'। সাম্প্ৰতিক সময়ৰ এগৰাকী উল্লেখযোগ্য ব্যক্তি তথা সাংবাদিক-সাহিত্যিক হিচাপে খ্যাত প্ৰয়াত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ উৎসাহ আৰু আগ্ৰহত 'আছাম ট্ৰিবিউন' গোষ্ঠীয়ে ১৯৯৩ চনৰ ১ অক্টোবৰত এই আলোচনী প্ৰকাশ কৰে। 'গৰীয়সী' আলোচনীৰ বৰ্তমানৰ সম্পাদক হ'ল ৰীতা চৌধুৰী। আলোচনীখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল চন্দ্ৰপ্ৰসাদ শইকীয়া। তেখেতৰ পৰৱৰ্তী সময়ত হৰেকৃষ্ণ ডেকা, লক্ষ্মীনন্দন বৰা আৰু ধ্ৰুৱজ্যোতি বৰাদেৰে আলোচনীখনৰ সম্পাদকৰ দায়িত্ব বহন কৰে। 'গৰীয়সী' আলোচনীখনে তিনিবাৰকৈ সৰ্বভাৰতীয় 'কথা' পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে।

সাহিত্য বিষয়ক গৱেষণামূলক প্ৰবন্ধ, গল্প, কবিতা আদিৰ লগতে বিজ্ঞান বিষয়ক বহু লেখা এই আলোচনীখনত প্ৰকাশিত হয়। গৰীয়সীত সমসাময়িক সমাজ জীৱনৰ চিত্ৰও প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। প্ৰতিটো সংখ্যাতে আলোচনীখনে পাঠক সমাজৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। 'গৰীয়সী'ত সাহিত্য, সমাজ আদিৰ উপৰি কিছুমান বিশেষ ব্যক্তিৰ ব্যক্তিত্ব প্ৰতিফলিত হোৱা দেখা যায়। অৰ্থাৎ কেতিয়াবা এজন বিশেষ ব্যক্তিক কেন্দ্ৰ কৰি আলোচনীখনৰ বিষয়বস্তু নিৰূপণ কৰা হয়। তেনে ব্যক্তিসকলৰ ভিতৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, অৰূপ কুমাৰ দত্ত আদিৰ নাম উল্লেখ কৰিব পাৰি। তদুপৰি 'গৰীয়সী'ত ধাৰাবাহিকভাৱে কিছুমান বিখ্যাত গ্ৰন্থও প্ৰকাশিত হৈছে, যেনে ধ্ৰুৱজ্যোতি বৰাৰ 'কালান্তৰৰ গদ্য' মামণি ৰয়ছম গোস্বামীৰ 'ছিন্নমস্তাৰ মানুহটো', পূৰবী বৰমূদৈৰ 'এটা আলিবাটৰ ইতিকথা' ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য।

এই আলোচনীখনে আৰম্ভণিৰে পৰা বৰ্তমানলৈকে পাঠক সমাজলৈ নতুন চিন্তা-ধাৰাৰ উন্মেষ ঘটোৱাত বিশেষ অহিৰণা আগবঢ়াই আহিছে।

**'গৰীয়সী' আলোচনীৰ ২০২৪ বৰ্ষত প্ৰকাশিত সম্পাদকীয়সমূহত প্ৰতিফলিত প্ৰসংগসমূহ ঃ**

**ক) আত্মসন্মানবোধ আৰু সবলীকৰণ (একত্ৰিংশ বছৰ, তৃতীয় সংখ্যা ঃ**

'গৰীয়সী' আলোচনীৰ একত্ৰিংশ বছৰৰ তৃতীয় সংখ্যাত অৰ্থাৎ ২০২৪ চনৰ জানুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে নাৰীবাদী চিন্তাধাৰা। এই সংখ্যাৰ আলোচনীখন নাৰীবাদক কেন্দ্ৰ কৰি লিখা হৈছে। সাম্প্ৰতিক সময়ত নাৰীবাদ সমগ্ৰ বিশ্বৰ সামাজিক ৰূপান্তৰৰ এক প্ৰধান চালিকা শক্তিলৈ পৰিণত হোৱা দেখা যায়। ৰীতা চৌধুৰীৰ মতে 'সমান অধিকাৰ আৰু সবলীকৰণৰ ধাৰণাক কেন্দ্ৰ কৰি গঢ়ি উঠা নাৰীবাদৰ ভেঁটিত আছে আত্মসন্মানবোধ। আত্মসন্মানবোধ, স্বতন্ত্ৰতা, আত্মবিশ্বাস আৰু নিজৰ সম্পৰ্কে যথাৰ্থ মূল্যবোধ গঢ়ি তোলাৰ লগতে নিজৰ স্থান, কণ্ঠ আৰু পছন্দ অনুসাৰে নিৰ্বাচনৰ অধিকাৰ দাবী কৰিব পৰাকৈ শক্তিশালী কৰি তোলে। ইয়াৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে সামাজিক নিয়মক প্ৰত্যাহ্বান জনাই সম অধিকাৰ দাবী কৰিব পাৰে।

তদুপৰি আত্মসন্মানবোধে শিক্ষা, স্বাস্থ্য, আৰ্থিক স্বাৱলম্বিতা, আইনী নিৰাপত্তা থকা পৰিৱেশ আদিত নাৰীৰ স্থান গঢ়ি তোলাত অৰিহণা যোগায়। সাম্প্ৰতিক সময়ৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ দৰেই নাৰীও সহজে বিকাশৰ সুবিধাৰ লগতে সবলীকৰণো সহজসাধ্য হয়। বৰ্তমানৰ সময়ত নাৰী সবলীকৰণৰ বাবে ৰাষ্ট্ৰসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। নতুন গৱেষণা, নতুন আঁচনি, নতুন আইনেৰে লিংগভিত্তিক বিভাজন, বৈষম্য আৰু অন্যায়ৰ বিপৰীতে শক্তিশালী সমাজ ব্যৱস্থা গঢ়ি তোলাৰ লগতে নাৰীৰ শিক্ষা, স্বাস্থ্য আইনী নিৰাপত্তা আদিৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। আনহাতে টেকন'লজিৰ দ্ৰুত বিকাশৰ ফলত সামাজিক বিন্যাসত পুৰুষসকলো নানা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ধৰিছে। সেয়ে পুৰুষ আৰু নাৰী উভয়ে লিংগ ভিত্তিক পৰিচয়ৰ সীমাবদ্ধতাৰ পৰা ওলাই আহি নিৰাপদ আৰু সুবিকশিত সমাজ আৰু ৰাষ্ট্ৰ গঢ়ি তুলিব পাৰে।

গতিকে ক'ব পাৰি যে সম্পাদকে এই সংখ্যাৰ সম্পাদকীয়ত পুৰুষ আৰু নাৰীৰ আত্মসন্মানবোধ আৰু সবলীকৰণৰ কথা বুজাব বিচাৰিছে। এখন সমাজৰ বিকাশৰ পথত পুৰুষ আৰু নাৰীৰ সমানে গুৰুত্ব আছে।

**খ) শিল্প, সাহিত্য আৰু সমাজ (একবিংশ বছৰ, চতুর্থ সংখ্যা)**

২০২৪ চনৰ 'গৰীয়সী' আলোচনীৰ ফেব্রুৱাৰী মাহৰ সম্পাদকীয় শিতানত প্রকাশিত হয় শিল্প, সাহিত্য আৰু সমাজৰ লগত জড়িত এগৰাকী উল্লেখযোগ্য সাহিত্যিক অৰূপ কুমাৰ দত্তৰ সম্পর্কে। তেখেতে 'গৰীয়সী'ত পূর্ণকালীনভাৱে সাহিত্য চর্চা কৰাৰ লগতে ৰাষ্ট্রীয় আৰু আন্তর্জাতিকভাৱে

সাম্প্রতিক সময়ত নাৰীবাদ সমগ্র বিশ্বৰ সামাজিক ৰূপান্তৰৰ এক প্রধান চালিকা শক্তিলৈ পৰিণত হোৱা দেখা যায়। বীতা চৌধুৰীৰ মতে 'সমান অধিকাৰ আৰু সবলীকৰণৰ ধাৰণাক কেন্দ্র কৰি গঢ়ি উঠা নাৰীবাদৰ তেতিয়া আছিল আত্মসম্মানবোধ।'

স্বীকৃতি লাভ কৰা অসমৰ এজন প্রথিতযশা লেখক। শিল্পী, সাহিত্যিকসকলে সমাজ এখনৰ পৰিচয় নির্মাণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁলোকে সমাজৰ মূল্যবোধৰ নির্মাণত সক্রিয় অংশগ্রহণৰ লগতে মানৰ অভিজ্ঞতাক চহকী কৰি তোলে। বীতা চৌধুৰীৰ মতে— 'সৃষ্টিশীলতাৰ মাজেৰে মানুহৰ চেতনাৰ সৈতে অনুৰণিত হোৱা ধাৰণাবোৰৰ প্রকাশ ঘটে।' শিল্পী-সাহিত্যিকসকলে সংস্কৃতিৰ পৰিচয়ো বহন কৰে। তেওঁলোকক প্রয়োজনীয় সহায়-সহযোগ আৰু ব্যৱস্থা গঢ়ি তোলাটোও সমাজৰ দায়িত্ব। সমাজে তেওঁলোকৰ সৈতে সাংস্কৃতিক আৰু বৌদ্ধিক কথোপকথনত সক্রিয়ভাৱে জড়িত হ'লেহে সমাজৰ সাংস্কৃতিক আৰু বৌদ্ধিক বাতাবৰণ ঊর্ধ্বমুখী হ'ব।

অসমৰ সমাজ জীৱনলৈ গুৰুত্বপূর্ণ অৰিহণা আগবঢ়োৱা এগৰাকী উল্লেখযোগ্য শিল্পী-সাহিত্যিক হ'ল অৰূপ কুমাৰ দত্ত। তেখেতক সৃষ্টিশীল মানুহৰ প্রতিনিধি বুলি কোৱা হয়। যিসকলে জীৱনৰ প্রাথমিক প্রয়োজনসমূহৰ ক্ষেত্রত যথাযথ নিৰাপত্তাৰ অভাৱৰ বাবে গভীৰ জীৱনবোধ, জ্ঞান আৰু প্রজ্ঞাৰ অধিকাৰী হৈয়ো নিজৰ সৃষ্টিশীলতাক উজাৰি দিব নোৱাৰে। অৰূপ কুমাৰ দত্তই অসম আৰু উত্তৰ-পূর্বাঞ্চলক বিশ্বৰ সন্মুখলৈ লৈ যোৱাত নিজৰ লেখাৰে যথেষ্ট অৰিহণা আগবঢ়াইছে যদিও এতিয়ালৈকে তাৰ প্রকৃত মূল্যায়ন হোৱা নাই। প্রতিখন দায়িত্বশীল সমাজেই কুমাৰ দত্তৰ লগতে অনেক শিল্পী-সাহিত্যিকৰ সৃষ্টিশীলতাক মূল্যায়ন কৰিব পাৰিব।

এই সংখ্যাৰ আলোচনীখনৰ অৰূপ কুমাৰ দত্তৰ জীৱন আৰু সৃষ্টিৰ ওপৰত আলোকপাত কৰাৰ প্রয়াস কৰা হৈছে। তেখেতৰ জৰিয়তে সমাজৰ সৃষ্টিশীল ব্যক্তিসকলে প্রাথমিক প্রয়োজনসমূহৰ ক্ষেত্রত পোৱা অভাৱৰ ফলত নিজৰ সৃষ্টিশীলতাক উজাৰি দিবলৈ সক্ষম নোহোৱা দৃশ্য প্রকাশিত হৈছে।

**গ) সংমিশ্রিত সমাজৰ সৌন্দর্য আৰু অসমীয়া শিখসকল (একবিংশ বছৰ, পঞ্চম সংখ্যা)**

'গৰীয়সী' আলোচনীৰ একত্রিংশ বছৰৰ পঞ্চম সংখ্যাত অসমৰ সম্বন্ধয়ৰ দিশ প্রতিফলিত হৈছে। অসমলৈ বিভিন্ন কাৰণত বিভিন্ন লোক আহি থিতাপি লৈছিল। তাৰে ভিতৰত এটা উল্লেখযোগ্য জাতি হ'ল সুদূৰ পঞ্জাবৰ পৰা অহা শিখ ধর্মাৱলম্বী লোকসকল, যি এসময়ত অসমীয়া সমাজ জীৱনৰ লগত খাপ খাই পৰিল।

অসমীয়া সমাজখন বহুতো জাতি-উপজাতিৰে মিশ্রিত এখন জনবহুল সমাজ। পাৰস্পৰিক শ্রদ্ধা, বিশ্বাস, গ্রহণীয়তা, স্বীকৃতি, সহযোগিতা আদিৰে মিশ্রিত সমাজখনক একতাৰ বান্ধোনেৰে বান্ধি ৰাখিছে। অসমলৈ অহা শিখসকলে অসমীয়া সমাজ ব্যৱস্থাৰ লগতে সাহিত্যৰ ক্ষেত্রতো গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে। অসমীয়া শিখসকল সংখ্যালঘু হোৱা হেতুকে এইক্ষেত্রত সমাজে উচিত ব্যৱস্থা কৰাৰ প্রয়োজন। তেওঁলোকৰ সংৰক্ষণ আৰু বিকাশৰ বাবে ৰাষ্ট্রই সুবিধা প্রদান কৰা আৱশ্যক। তদুপৰি তেওঁলোকৰ সংস্কৃতি আৰু ধর্মীয় নিদর্শনবোৰ সংৰক্ষণ, গুৰুদ্বাৰা আদি ৰক্ষণাবেক্ষণ আৰু

ইতিহাস সংস্কৃতিৰ নথি-তথ্যৰ সংৰক্ষণ আদি বিভিন্ন ক্ষেত্ৰত সহযোগ সমৰ্থন কৰিবলৈ চৰকাৰৰ আগ্ৰহে এক ইতিবাচক উৎসাহিত কৰিব। সেয়ে শিখসকলক অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ বুলি ক'ব পাৰি। অসমীয়া সমাজ জীৱনক সমৃদ্ধ কৰাত এওঁলোকে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে অসমৰ বৃহত্তৰ জনজীৱনত সাংস্কৃতিক বিনিময়ৰ মঞ্চখন। জনগোষ্ঠীসমূহৰ মাজত থকা বন্ধুত্ব, সহযোগিতা, বিশ্বাস আদিয়ে সমৃদ্ধ কৰি ৰাখিছে।

**ঘ) 'গৰীয়সী' তিনিটা দশক (একত্ৰিংশ বছৰ, অষ্টম সংখ্যা)**

'গৰীয়সী' আলোচনীয়ে আৰম্ভণিৰে পৰা একত্ৰিংশ বছৰপৰ্যন্ত কৰা সকলো কাৰ্যৰ চমু আভাস দিব বিচাৰিছে ২০২৪ চনৰ জুন মাহত প্ৰকাশিত আলোচনীখনৰ সম্পাদকীয়ত। অৰ্থাৎ 'গৰীয়সী'ৰ তিনিটা দশকৰ চমু আভাস দাঙি ধৰিছে।

মানুহৰ সভ্যতাৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্য সমাজৰো পৰিৱৰ্তন হোৱা দেখা যায়। সপ্তদশ শতিকাৰ শেষ আৰু অষ্টাদশ শতিকাত ইউৰোপ আৰু আমেৰিকাত কলনিয়েল পিৰিয়ডত সমগ্ৰ বিশ্বজুৰি বিয়পি পৰা নতুন ধ্যান-ধাৰণাৰ প্ৰভাৱে ভাৰত তথা অসমলৈ কঢ়িয়াই আনে নতুন দৃষ্টিভংগী। সাহিত্যই এখন সমাজৰ ইতিহাস সামৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশতো অৰিহণা যোগায়। এনেদৰে সাংস্কৃতিক আৰু সাহিত্যিকৰ বিকাশত অৰিহণা যোগোৱা এটা গুৰুত্বপূৰ্ণ অংশ হ'ল সাহিত্য আলোচনীসমূহ। এই আলোচনীসমূহত এটা নিৰ্দিষ্ট সময়ৰ বিভিন্নজন লেখকৰ লেখাবোৰ সন্নিৱিষ্ট হৈ থাকে। এই লেখাবোৰত সমকালীন সমাজ জীৱনৰ দিশ, নতুন ধ্যান-ধাৰণাৰ প্ৰতিফলন ঘটা দেখা যায়।

সাহিত্য আলোচনীৰ ইতিহাসত সময়ৰ পৰিৱৰ্তনৰ লগে লগে বহুতো নতুন নতুন বিষয়ৰ সংযোজন ঘটিছে। অসমৰ লেখক সমাজে সাহিত্য আলোচনীৰ জৰিয়তে সাহিত্যৰ ক্ষেত্ৰখন আগু�ৰাই নিয়াত যথেষ্ট অৰিহণা আগবঢ়াইছে। অৰুণোদয়, জোনাকী, ৰামধেনু আলোচীৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক সময়লৈকে অসমৰ বহুতো লেখকে অৰিহণা যোগাই আহিছে। সাহিত্য আলোচনীত অৱদান আগবঢ়োৱা এনে এজন লেখক তথা সাংবাদিক আৰু 'গৰীয়সী'ৰ প্ৰথম সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া, সঞ্চালক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ প্ৰচেষ্টাত 'গৰীয়সী' আলোচনীখন প্ৰকাশ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত তিনিগৰাকী বিশেষ ব্যক্তিয়ে 'গৰীয়সী'ৰ সম্পাদকৰ দায়িত্ব পালন কৰে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্য আলোচনীৰ ক্ষেত্ৰতো এক নতুন ধাৰাৰ সৃষ্টি হয়। বিংশ শতিকাৰ শেষৰফালে অসমীয়া সাহিত্য আলোচনীত সংযোজন হয় অনলাইন আলোচনীৰ। ১৯৮৪ চনত প্ৰথম অনলাইন সাহিত্য আলোচনী 'ছুইফ্ট কাৰেণ্ট' প্ৰকাশ হয় যদিও ই ডাটাবেছ হিচাপেহে ব্যৱহাৰ হৈছিল। ১৯৯৫ চনত 'মিচিচিপি ৰিভিউ' প্ৰথম সম্পূৰ্ণ অনলাইন আলোচনী হিচাপে যোগ হয়।

সমাজৰ বিভিন্নজনে লেখকৰ উন্নতমানৰ লেখাসমূহ বিচাৰি উলিয়াই সম্পাদকে 'গৰীয়সী'ৰ পাতত প্ৰকাশ কৰি আহিছে। অসমৰ লেখকসকলৰ কবিতা, গল্প, বিজ্ঞান বিষয়ক লেখাসমূহৰ পৰা উন্নতমানৰ লেখাসমূহ আলোচনীখনত প্ৰকাশিত কৰে। লেখকসকলৰ ন ন সৃষ্টিৰ বিকাশৰ বাবে গৰীয়সীৰ প্ৰচেষ্টা অব্যাহত আছে।

**ঙ) শ্ৰৱণ বাধাগ্ৰস্ত শিশু আৰু সৰস্বতী বাগধ্বনিৰ অৰিহণা (একত্ৰিংশ বছৰ, নৱম সংখ্যা)**

'গৰীয়সী'য়ে প্ৰতিটো সংখ্যাতে এক নতুন বিষয়ক কেন্দ্ৰ কৰি লেখাসমূহ প্ৰকাশ কৰে। ২০২৪ চনৰ জুলাই মাহত এই আলোচনীখনে শ্ৰৱণ বাধাগ্ৰস্ত শিশু আৰু সৰস্বতী বাগধ্বনিয়ে আগবঢ়োৱা অৰিহণাৰ বিষয়ে কিছু আভাস দাঙি ধৰিছে।

বিভিন্ন সময়ত এনে কিছুমান ব্যক্তিৰ জন্ম হয়, যিবোৰে সমাজৰ কল্যাণৰ বাবে নিজকে সমৰ্পিত কৰি দিয়ে। অসমতো এনে কিছুমান লোক আছে, যিসকলে নীৰৱে নিজৰ কামবোৰ কৰি যায়। শ্ৰৱণ শক্তি বা বাক্‌শক্তিহীন লোকসকলেও ৰাষ্ট্ৰৰ উন্নতিৰ বাবে অৰিহণা আগবঢ়াই থৈ গৈছে। এনে লোকসকলক ভাষা শিকাবৰ বাবে মুনীন্দ্ৰ নাথ কলিতাই সৰস্বতী বাক্‌ধ্বনি, নামেৰে এক বিশেষ পদ্ধতি প্ৰতিষ্ঠা কৰিছিল। শ্ৰৱণ শক্তি আৰু বাক্‌শক্তিহীন লোকসকলে জীৱনৰ বহুতো সময়ত প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলগা হয়। তেওঁলোকে ক'বলৈ বা শিকিবলৈ অসুবিধা পোৱাৰ বাবে শিক্ষা, যোগাযোগ, চাকৰি সামাজিক অংশগ্ৰহণ, জীৱনৰ সামগ্ৰিক গুণগত মানসমূহৰ পৰা বঞ্চিত হ'বলগা হয়।

প্ৰাচীনকালৰে পৰা বিভিন্নজন দায়িত্বশীল ব্যক্তিয়ে এই শিশুসকলৰ মনৰ কথা ব্যক্ত কৰিব পৰাকৈ আৰু আন শিশুৰ দৰে স্বাভাৱিক আৰু সুস্থ জীৱন যাপন কৰিব পৰাকৈ প্ৰয়োজনীয় ব্যৱস্থা গঢ়ি তোলাৰ বাবে প্ৰয়াস কৰি আহিছে। স্পীচ্চ থেৰাপি, লিপ ৰিডিং, আইনাৰ ব্যৱহাৰ, হিয়ে�ৰিং এইড, চাইন লেংগুৱেজ আদি বিভিন্ন পদ্ধতিৰে শ্ৰৱণশক্তিহীন আৰু শ্ৰৱণ বাধাগ্ৰস্তসকলক শিক্ষাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। এই প্ৰশিক্ষকসকলক প্ৰাথমিক অৱস্থাত অৱেল এডুকেচন বা

অৱেলিজম বুলি অভিহিত কৰিছিল। আধুনিক প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ লগে লগে 'অৱেলিজম'ৰ পৰা চাইন লেংগুৱেজলৈ বিকশিত হয়।

এখন সমাজৰ বিকাশৰ বাবে সমাজে একে পৰিৱেশ আৰু সুযোগ-সুবিধাবোৰ সকলো লোককেই প্ৰদান কৰা উচিত। এনে সুযোগ-সুবিধাবোৰ প্ৰদানৰ বাবে শ্ৰৱণশিক্তিহীন শিশুসকলৰ বাবে প্ৰায় পঁচিশ বছৰজোৰা পৰিক্ৰমাত মুনীন্দ্ৰ নাথ কলিতাৰ প্ৰচেষ্টাত সৰস্বতী বাগধ্বনিৰ সৃষ্টি কৰে। এই ব্যৱস্থাৰ জৰিয়তে বাধাগ্ৰস্ত শিশুসকলক স্বাভাৱিক জীৱন-যাপন কৰিব পৰাকৈ সবল কৰি তোলে। এই প্ৰশিক্ষণ ব্যৱস্থাক বিশ্বৰ বিভিন্ন দেশে গ্ৰহণ কৰিছে যদিও এই সুবিধাসমূহ বৰ্তমানেও সকলো ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিবলৈ সক্ষম হোৱা নাই।

গতিকে ক'ব পাৰি যে এই ব্যৱস্থাসমূহৰ জৰিয়তে সন্তানৰ মাত শুনাৰ পৰা বঞ্চিত থকা মাতৃয়ে সন্তানৰ মুখৰ মাত শুনিবলৈ সক্ষম হৈছে। সন্তানৰ সহজ-সৰল জীৱন-যাপন সম্ভৱ হৈ উঠিছে। সম্পাদকীয়টোৰ জৰিয়তে সৰস্বতী বাগধ্বনিৰ গুৰুত্ব সন্দৰ্ভত কিছু আভাস প্ৰদান কৰিছে।

**চ) কামৰূপ অনুসন্ধান সমিতি এক অৱহেলিত সম্পদ (একত্ৰিংশ বছৰ, দশম সংখ্যা)**

প্ৰতিখন ৰাজ্য বা ৰাষ্ট্ৰৰে এনে এক প্ৰাচীন ইতিহাস আছে, যাক কিছুমানে অনুসন্ধান কৰে আৰু কিছুমানে কোনোধৰণৰ বিচাৰ-বিশ্লেষণ নকৰাৰ বাবে সময়ৰ লগতে জাহ যাবলগা হয়। অসমৰ প্ৰাচীন ইতিহাস অনুসন্ধান কৰাৰ উদ্দেশ্যে গঢ় লৈ উঠা এটা অনুষ্ঠান 'কামৰূপ অনুসন্ধান সমিতি'ৰ কিছু আভাস গৰীয়সীৰ একত্ৰিংশ বছৰৰ দশম সংখ্যাৰ সম্পাদকীয়ত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।

অসমৰ পঢ়াশালিত বাংলা ভাষাৰ প্ৰভাৱ পৰাৰ ফলত অসমীয়া জাতীয় জীৱনত সংকটৰ সৃষ্টি কৰে। যাৰ ফলত অসমীয়া মানুহৰ মন-মগজুত কিছুমান নেতিবাচক প্ৰভাৱে ক্ৰিয়া কৰে। তথাপি ইতিবাচক বহু কথা আছে যিবোৰে সৰ্বসাধাৰণ লোকৰ সন্মুখত যথাযথ গুৰুত্ব পোৱা নাই। দুখন সমাজৰ মাজৰ সম্পৰ্কৰ নেতিবাচক দিশসমূহক বিচাৰ কৰি শংকাৰ কাৰণসমূহ আঁতৰাই জাতীয় অস্তিত্বৰ ভেটি অধিক সুৰক্ষিত কৰিবলৈ প্ৰয়াস কৰা লোক তেনেই সীমিত।



স্বাধীনতা পূর্বৰ সময়ছোৱাত অসমীয়া জাতীয় পৰিচয়ৰ ভেটি নির্মাণত আৰু অসমৰ সমাজ জীৱনৰ উত্তৰণত অৰিহণা আগবঢ়োৱা এটা উল্লেখযোগ্য অনুষ্ঠান হৈছে 'কামৰূপ অনুসন্ধান সমিতি'। এই সমিতিখন উত্তৰ-বংগীয় সাহিত্য পৰিষদৰ কেইজনমান বিদগ্ধ পণ্ডিত গৱেষকৰ প্ৰচেষ্টাত স্থাপিত হৈছিল। ১৯১২ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত উত্তৰ বংগীয় সাহিত্য পৰিষদৰ গুৱাহাটীৰ কামাখ্যাধামত অনুষ্ঠিত পঞ্চমখন অধিৱেশনত অভ্যৰ্থনা সমিতিৰ সহকাৰী সম্পাদক গোপাল কৃষ্ণ দে'ৰ বক্তব্যৰ ফলত অধিৱেশনৰ দ্বিতীয় দিনা অর্থাৎ ৭ এপ্ৰিলত এই অনুষ্ঠানটোৰ প্ৰতিষ্ঠা কৰা হয়। এই সমিতিখন বাংলাদেশৰ হৰিগঞ্জৰ গৱেষক পণ্ডিত পদ্মনাথ ভট্টাচার্য বিদ্যাবিনোদ, নলবাৰীৰ বৰভাগ অঞ্চলৰ আঠঘৰীয়া গাঁৱৰ সংস্কৃত পণ্ডিত মহামহোপাধ্যায় ধীৱেশ্বৰাচার্য আদিৰ নেতৃত্বত প্ৰাচীন কামৰূপ আৰু অসমৰ হেৰাই যোৱা ইতিহাসক বিচাৰি উলিওৱা উদ্দেশ্যৰ প্ৰতিষ্ঠা কৰা হৈছিল। পৰৱৰ্তী সময়ত অসমৰ ভালেমান গৱেষক পণ্ডিতে অসমীয়া জাতীয় অস্তিত্বৰ ভেটি শক্তিশালীভাৱে নির্মাণ কৰাৰ লগতে অসমীয়া ইতিহাসৰ অনাৱিষ্কৃত কলাসমূহৰ আৱিষ্কাৰৰ কথাসমূহ আৱিষ্কাৰ কৰাত এই লোকসকলে অতুলনীয় অৱদান আগবঢ়াইছে।

অসমীয়া ভাষালৈ মিছনেৰীসকলে আগবঢ়োৱা অৱদানসমূহ যিদৰে অসমীয়া সমাজখনে যতন ৰাখিছে তেনেদৰে অসমীয়া জাতীয় চেতনাৰ সৈতে সমাজখনক ঐশ্বৰ্যশালী কৰি তোলে। মানুহৰ হাততে এনে কিছুমান যুগৰ সৃষ্টি হয়, য'ত এজন ব্যক্তিৰ সাহিত্যকৰ্মৰ লগতে সমাজ এখনকো প্ৰতিফলিত কৰে। সমাজ এখনৰ বিকাশৰ সাহিত্যই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

সময়ৰ লগে লগে পৰিৱর্তন হোৱা সমাজৰ লগতে সাহিত্যিক জগতখনলৈও নতুন দিশৰ আগমন ঘটে। পূর্বৰ প্ৰজন্মই দি যোৱা সাহিত্যসমূহক বর্তমানৰ প্ৰজন্মই আৰু অধিক উন্নত কৰি পাঠক সমাজলৈ আগবঢ়াই দিয়ে। ইয়াৰ পৰৱৰ্তী সময়ৰ প্ৰজন্মৰ বাবেও উত্তৰণৰ পথ মুকলি কৰাটো আৱশ্যক। অগ্ৰজ হৈ অনুজ লেখকসকলক দিকদর্শন দিয়া এনে এজন ব্যক্তি আছিল দেৱেন্দ্রনাথ আচার্য। তেখেতে পৰৱৰ্তী প্ৰজন্মৰ বিভিন্ন বিষয় লৈ গৱেষণা নির্ভৰ সাহিত্য ৰচনা কৰি থৈ গৈছে। ভাষাৰ হাতত ধৰি নেদেখা সময়লৈ কেনেকৈ উভতি যাব পাৰি, ভাষাই কেনেকৈ সময়ক বন্দী কৰে তাৰ বিষয়ে তেখেতে নতুন প্ৰজন্মক দেখাই থৈ গৈছে। আন্তর্জাতিক স্তৰত উপনীত সৃষ্টিশীল ৰচনাবোৰৰ জৰিয়তে নতুন প্ৰজন্মই অগ্ৰজ লোকসকলৰ বিষয়ে জানিব পাৰিব।

অসমীয়া সাহিত্যিক গৰিমামণ্ডিত কৰি তোলা দেৱেন্দ্রনাথ আচার্যৰ অসামান্য অৰিহণাক পাঠক সমাজৰ সম্মুখত তুলি ধৰিবলৈ গৰীয়সীয়ে এই সংখ্যাত চেষ্টা কৰিছে।

**ছ) পঞ্চমহাভূত, মানুহ আৰু প্ৰকৃতি (দ্বাত্রিংশ বছৰ, প্ৰথম সংখ্যা)**

দ্বাত্রিংশ বছৰৰ প্ৰথম সংখ্যাত অর্থাৎ ২০২৪ চনৰ নৱেম্বৰ মাহত প্ৰকাশিত 'গৰীয়সী' আলোচনীখনে সুৰজিৎ গোবিন্দ বৰুৱাৰ বিয়োগৰ লগতে পাৰিপার্শ্বিক সাহিত্যৰ বিষয়ে আলোকপাত কৰিছে। পাৰিপার্শ্বিকতা সাহিত্য মানে হৈছে সাহিত্যৰ এক ধাৰা, যি প্ৰকৃতি পৰিৱেশ আৰু মানুহৰ সৈতে ইয়াৰ সম্পর্কৰ ওপৰত আলোকপাত কৰে।

কোনো ব্যক্তিৰ মৃত্যুৱে পৰিয়ালৰ লগতে কেতিয়াবা এখন সমাজৰো অপূৰণীয় ক্ষতি সাধন হয়। আছাম 'ট্রিবিউন গোষ্ঠী'ৰ সুৰজিৎ গেবিন্দ বৰুৱাৰ আকস্মিক আৰু অভাৱনীয় বিয়োগত 'গৰীয়সী'ৰ পৰিয়ালত শূন্যতাৰ সৃষ্টি কৰি থৈ যায়। 'গৰীয়সী'ৰ প্ৰথম প্ৰকাশৰে পৰা তিনিটা বছৰে সক্রিয় সমর্থন আৰু সহযোগিতা আগবঢ়োৱা এইজন মহান ব্যক্তিৰ মৃত্যুৱে সকলোকে শোকগ্রস্ত কৰি তুলিছে।

প্রাচীন ভাৰতীয় চিন্তাধাৰাত মানুহ পঞ্চভূতেৰেই গঠিত হৈ মৃত্যুৰ পিছত পুনৰ পঞ্চভূততেই বিলীন হৈ যায়। সাম্প্রতিক কালত পাৰিপার্শ্বিক সাহিত্যই বিশেষ গুৰুত্ব লাভ কৰে। এই সাহিত্যৰ মূল বিষয়বোৰৰ ভিতৰত প্ৰকৃতি আৰু মানুহৰ মাজত থকা সহাৱস্থানৰ সম্পর্কই প্ৰধান। পৃথিৱীত থকা এই সকলোবোৰৰ মাজতেই অন্তর্নিহিত সম্পর্ক আছে। মানৱসৃষ্ট জটিলতাসমূহে জলবায়ু, বন ধ্বংস, প্রদূষণ, বিভিন্ন জন্তুৰ বিলুপ্তিৰ দৰে সংকটৰ সৃষ্টি কৰে। এই সংকটৰ পৰা বিশ্বক পৰিত্রাণ কৰিবৰ বাবে পাৰিপার্শ্বিক সাহিত্যয়ে অৰিহণা আগবঢ়াইছে। এই সাহিত্য বিশ্ব সাহিত্যৰ এক অতি গুৰুত্বপূর্ণ অংশ।

অসমীয়া সাহিত্যতো প্ৰকৃতি, পৰিৱেশ আৰু মানৱ জাতিৰ পৰম্পৰা নির্ভৰ সম্পর্কক লৈ বহু লেখাৰ সৃষ্টি হৈছে। অসমৰ প্রাকৃতিক সৌন্দর্য, জীৱ-বৈচিত্র্য, বনভূমি, নদ-নদী, পর্বতমালা আদি কৰি লোকজীৱন। আঞ্চলিক চেতনাৰ উপৰি পৰিৱেশ সংকটৰ বিভিন্ন দিশৰ ওপৰত সৃষ্টি হোৱা সাহিত্যই অসমৰ পৰিৱেশ সাহিত্যৰ ধাৰাক শক্তিশালী কৰি তুলিছে। অসমৰ সচেতন সমাজ, বিশেষকৈ নতুন প্ৰজন্মৰ মাজৰ পৰা এই সাহিত্যধাৰাক সমৃদ্ধ কৰাত অনেক লোকে অৰিহণা

**প্ৰাচীন ভাৰতীয় চিন্তাধাৰাত মানুহ পঞ্চভূতেৰেই গঠিত হৈ মৃত্যুৰ পিছত পুনৰ পঞ্চভূততেই বিলীন হৈ যায়। সাম্প্ৰতিক কালত পাৰিপাৰ্শ্বিক সাহিত্যই বিশেষ গুৰুত্ব লাভ কৰে। এই সাহিত্যৰ মূল বিষয়বোৰৰ ভিতৰত প্ৰকৃতি আৰু মানুহৰ মাজত থকা সহাৱস্থানৰ সম্পৰ্কই প্ৰধান।**

আগবঢ়াইছে। এই লেখাৰ ব্যৱস্থা কৰিবলৈ 'গৰীয়সী'য়ে প্ৰচ্ছেদ কাহিনী হিচাপে এটা শিতান এই সংখ্যাত উল্লেখ কৰিছে। ইয়াৰ জৰিয়তে পাৰিপাৰ্শ্বিক সাহিত্যৰ বিষয়ে পাঠক সমাজক কিছু আভাস দিব বিচাৰিছে।

**জ) পাথেয় অগ্ৰজ (দ্বাত্ৰিংশ বছৰ, দ্বিতীয় সংখ্যা)**

কেতিয়াবা সমাজৰ পৰা সমাজক বাট দেখুওৱা মানুহবোৰ ধাৰাবাহিকভাৱে সলনি হৈ গৈ থাকে। যেতিয়া সমাজক বাট দেখুওৱা মানুহবোৰ হেৰাই যায় তেতিয়া সমাজখনত অসহায়বোধ আৰু বিষণ্ণতাই ভৰি পৰে। তথাপি তেওঁলোকৰ অৰিহণা সমাজত ওৰে জীৱন ৰৈ যায়। তেওঁলোক পথ প্ৰদৰ্শক হিচাপে, প্ৰেৰণাৰ উৎস হিচাপে, আদৰ্শ হিচাপে, সাহস হিচাপে, প্ৰজ্ঞাৰ বাহক হিচাপে সমাজত সজীৱ হৈ থাকে। সমাজক এনেদৰে সজীৱ কৰি ৰখা এনে এজন ব্যক্তিৰ বিষয়ে ২০২৪ চনৰ নৱেম্বৰ মাহৰ গৰীয়সী আলোচনীত কিছু আভাস দিব বিচাৰিছে। সেই মহান ব্যক্তিগৰাকী হ'ল উপেন্দ্ৰ বৰকটকী। নৱ প্ৰজন্মক এনে ব্যক্তিসকলৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবেই 'গৰীয়সী'ৰ এই প্ৰচেষ্টা।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন চিন্তা-কৰ্ম, ধ্যান-ধাৰণা, নতুন বিষয়, নতুন প্ৰযুক্তিৰ লগতে পুৰণিক লগত লৈ আগবাঢ়িব লাগে। পিছে সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমত হোৱা চৰ্চাসমূহলৈ লক্ষ্য কৰিলে পুৰণি কিতাপ আৰু সৃষ্টিৰ চৰ্চা খুব কমকৈ হোৱা দেখা যায়। সাধাৰণ পাঠকসকলৰ মাজত চৰ্চিত আৰু জীৱন্ত হৈ থকা অগ্ৰজৰ অৰিহণাই সমাজৰ ঐশ্বৰ্যৰ ক্ৰমাগত বৃদ্ধিৰ বাবে বিশেষ প্ৰয়োজন।

'গৰীয়সী'য়ে প্ৰচ্ছদ কাহিনীৰ বিষয় হিচাপে অসমীয়া সাহিত্যৰ একোজন মহীৰুহৰ বিষয় সকলো দিশ সামৰি পাঠক সমাজৰ আগত তুলি ধৰাই হৈছে এই সম্পাদকীয়ৰ প্ৰধান উদ্দেশ্য। তদুপৰি তেওঁলোকৰ অৰিহণাৰ বাবে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছে।

**উপসংহাৰ ঃ**

অসমীয়া ভাষা সাহিত্যলৈ বিশেষ অৰিহণা আগবঢ়োৱা মাহেকীয়া আলোচনীসমূহত এটা নিৰ্দিষ্ট সময়ৰ সমসাময়িক সমাজ জীৱনৰ বিভিন্ন দিশসমূহ প্ৰকাশিত হয়। এই আলোচনীসমূহে বিশেষকৈ বৌদ্ধিক সমাজত ন ন চিন্তাৰ উন্মেষ ঘটোৱাত নৱপ্ৰজন্মক উৎসাহিত কৰে।

আলোচনী এখনৰ সম্পাদকীয় পৃষ্ঠাই আলোচনীখনৰ গাম্ভীৰ্যতা বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে প্ৰতিটো মাহতে আলোচনী এখনে নিৰ্দিষ্ট দিশক সামৰি বিষয়বস্তুৰ নিৰ্বাচন কৰে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক বৌদ্ধিক আদি বিষয়সমূহক সম্পাদকীয় শিতানত স্থান লাভ কৰে। এই বিষয়সমূহ পাঠক সমাজৰ মনত এক নতুন চিন্তাৰ উন্মেষ ঘটাত সহায় কৰে। এনেদৰে অসমীয়া সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা 'গৰীয়সী' মাহেকীয়া আলোচনীখন 'সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংগ হৈ পৰিছে।

আন আন অসমীয়া মাহেকীয়া আলোচনীৰ দৰে গৰীয়সীয়েও অসমীয়া সাহিত্যৰ জগতখন লৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। আলোচনীখনৰ প্ৰতিটো সংখ্যাৰে সম্পাদকীয় পৃষ্ঠাত অসমীয়া জাতীয় জীৱনৰ সমসাময়িক প্ৰেক্ষাপট ফুটি উঠে। যাৰ ফলত সাধাৰণ পাঠক সমাজে সমাজৰ বিভিন্ন দিশ, সাহিত্যৰ লগত জড়িত বিভিন্ন বিষয় আদিৰ লগত চিনাকি হোৱাৰ সুযোগ লাভ কৰে।




# উত্তৰ-পূৰ্বাঞ্চলকেন্দ্রিক অসমীয়া সাহিত্য

নিকীতা আচার্য

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব প্রান্তত অৱস্থিত সাতখন ৰাজ্যক একেলগে উত্তৰ-পূৰ্বাঞ্চল তথা সাতভনীৰ দেশ বুলি কোৱা হয়। অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মিজোৰাম, মেঘালয় নাগালেণ্ড আৰু ত্রিপুৰা ৰাজ্য লগ লাগি এই অঞ্চলটো গঠন হৈছে। বিভিন্ন প্রাকৃতিক সম্পদেৰে ভৰপূৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্রতিখন ৰাজ্য, ইয়াৰ অপৰূপ সৌন্দর্য সেউজীয়া পাহাৰ-পর্বত, গছ-বননিৰে ভৰা একোখন ৰম্যভূমি।

উত্তৰ-পূৰ্বাঞ্চলক কেন্দ্র কৰি অর্থাৎ উত্তৰ-পূৰৰ বিভিন্ন ভাষা, সংস্কৃতি আৰু লোকবিশ্বাস বিভিন্ন জাতি-জনগোষ্ঠীৰ জীৱনধাৰা, ঐতিহ্য আৰু অভিজ্ঞতাৰ প্রতিফলন অসমীয়া সাহিত্যত পোৱা যায়। য'ত কেৱল উত্তৰ পূৰৰ ভাষিক সামাজিক-সাংস্কৃতিক দিশবোৰে স্থান পাইছে। সেয়ে তেনে সাহিত্যসমূহক উত্তৰ পূৰকেন্দ্রিক সাহিত্য বুলি কোৱা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলকেন্দ্রিক অসমীয়া সাহিত্য জগতক আগুৰাই লৈ যোৱা বিশিষ্ট সাহিত্যিকসকলৰ ভিতৰত—

(ক) য়েছে দৰজে ঠংচি (খ) লুম্মেৰ দাই
(গ) বিপাশা বৰা (ঘ) ড° তিলোত্তমা মিশ্র, অন্যতম।

**১.০ সাহিত্যিকসকলৰ চমু পৰিচয় ঃ**

**(ক) য়েছে দৰজে ঠংচি ঃ** য়েছে দৰজে ঠংচিৰ 'মৌন ওঁঠ সুখৰ হৃদয়' নামৰ উপন্যাসৰ বাবে ২০০৫ চনত সাহিত্য অকাডেমী বঁটা বিজয়ী, ২০২০ চনত পদ্মশ্রী বঁটা বিজয়ী অৰুণাচল প্রদেশৰ নাগৰিক। কিন্তু সমগ্র ভাৰতৰ অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ আৰু সাহিত্যিক। তেওঁ আছিল মূলতঃ এগৰাকী অসমীয়া জনজাতীয় লেখক, য়েছে দৰজে ঠংচিৰ এখন উপন্যাস 'শৰ কটা মানুহ' অৰুণাচল প্রদেশৰ মনপা জনজাতিৰ এটি প্রচলিত পৰম্পৰাক আধাৰ কৰি লিখা এখন অসমীয়া ভাষাত ৰচিত এখন অন্যতম উপন্যাস। তেওঁৰ ভালেমান গল্প 'সংগম', 'মনোৰঞ্জন', 'প্রান্তিক', 'গৰীয়সী' আদি আলোচনীৰ পাতত সিঁচৰতি হৈ আছে।

গল্প সংকলন— 'পাপৰ পুখুৰী', 'বাঁহ ফুলৰ গোন্ধ' আদি। আত্মজীৱনী— 'হাঁহি আৰু চকুলোৰ শৈশৱ'।

**(খ) লুম্মেৰ দাই ঃ** লুম্মেৰ দাই আছিল ভাষাজননীৰ একনিষ্ঠ সাধক, পাহাৰ-ভৈয়ামৰ সম্প্রীতিৰ উজ্জ্বলতম প্রতীক। লুম্বেৰ দাই আছিল অসমীয়া ভাষাত উপন্যাস লিখা জনজাতীয় মূলৰ লেখকসকলৰ পথিকৃৎস্বৰূপ। ছাত্র অৱস্থাতে 'গিৰিবানী' নামেৰে এখন হাতে লেখা আলোচনী প্রকাশ কৰে। তাৰ পিছত মহেন্দ্র বৰঠাকুৰ আৰু বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ যোগেদি 'ৰামধেনু'ত বিভিন্ন প্রবন্ধপাতি প্রকাশ পায়। 'পাহাৰৰ শিলে শিলে' ১৯৫১, 'পৃথিৰীৰ হাঁহি' ১৯৫৩, 'মন আৰু মন' ১৯৬৮,





'কইনাৰ মূল্য' ১৯৮২ আৰু 'ওপৰ মহল' ২০০৩ চনত এই পাঁচখন উৎকৃষ্টমানৰ উপন্যাস সৃষ্টিৰে লুম্মেৰ দাইয়ে জনজাতীয় জীৱন আধাৰিত অসমীয়া উপন্যাসলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। সেয়ে অসমীয়া উপন্যাস ইতিহাসত লুম্বেৰ দাইৰ এক গুৰুত্বপূর্ণ স্থান আছে।

**(গ) বিপাশা বৰা ঃ** অসমীয়া ভাষাৰ সাহিত্য জগতৰ এগৰাকী বিশিষ্ট অসমীয়া গল্পকাৰ। তেওঁৰ প্রথম প্রকাশিত উপন্যাস হ'ল 'জাকাৰান্দা'। শ্বিলঙৰ পুৰণি আৰু সমকালীন অসমীয়া সমাজখনৰ পটভূমিৰ আধাৰত ২০১৮ চনৰ সাহিত্য অকাডেমী, যুৱ পুৰস্কাৰ বঁটা বিজয়ী গল্পকাৰ-লেখিকা বিপাশা বৰাৰ দ্বাৰা ৰচিত প্রথমখন উপন্যাস হৈছে 'জাকাৰান্দা'। তেখেতৰ প্রথমখন গল্পপুথি হৈছে 'মৌ মাখি সাম্রাজ্য'।

**(ঘ) ড° তিলোত্তমা মিশ্র ঃ** ড° তিলোত্তমা মিশ্র শ্বিলঙৰ অসমীয়া সাহিত্য জগতৰ এগৰাকী সাহিত্যিক। ১৯৯১ চনত লেখা 'স্বর্ণলতা' উপন্যাসৰ বাবে তেওঁ ভাৰতীয় ভাষা পৰিষদৰ ঈশান পুৰস্কাৰ আৰু 'কা মেইখাৰ ঘৰ' গ্রন্থৰ বাবে অৰুণাচল প্রদেশ সাহিত্য পৰিষদ আৰু অসম সাহিত্য সভাৰ 'লুম্মেৰ দাই পুৰস্কাৰ' লাভ কৰিছিল।

**উত্তৰ-পূবকেন্দ্রিক অসমীয়া ভাষা-সাহিত্যত ৰচিত উপন্যাসৰ চমু আলোচনা ঃ**

**য়েছে দৰজে ঠংচিৰ 'শৰ কটা মানুহ' ঃ** এই উপন্যাসখন টাৰাঙত ঘটা কিছুমান সঁচা ঐতিহাসিক ঘটনাৰ আধাৰত

উপন্যাসখন ৰচনা কৰা হৈছে। ১৯৫০ চনত নিধন হোৱা বহুত মনপা মানুহ, ১৯৫২ চনত টাৱাঙৰ প্ৰশাসন তিব্বত চৰকাৰৰ পৰা ভাৰত চৰকাৰলৈ হস্তান্তৰকৰণ, চীনৰ অধিকাৰ আৰু দালাই লামাৰ টাৱাং জিলাৰ মাজেদি ভাৰতত প্ৰৱেশ, চীনা আক্ৰমণ আৰু সেই আক্ৰমণত বোজা কঢ়িয়াই সীমান্তলৈ যোৱা মনপা মানুহৰ নিধন, দালাই লামাৰ দ্বাৰা চিৰাঙত কলাচক্ৰ পূজা ইত্যাদি সঁচা ঘটনাসমূহৰ আলম লৈ লিখা কাহিনীৰে উপন্যাসখনক সফল ৰূপ প্ৰদান কৰা হৈছে।

এজন শৱ কটা মানুহক কেন্দ্ৰ কৰিয়েই উপন্যাসখন ৰচনা কৰা হৈছে। এই শৱ কটা মানুহজনৰ নাম আছিল দ্যাৱগেনৰবু ওৰফে আও থাম্পা। মনপা সমাজত এই শৱ কটা কামটো তীৰ্থ কৰি অহা পুণ্যৰ সমান বুলি পৰম্পৰাগতভাৱে মানি থকা হৈছে।

উপন্যাসখনত মনপাসকলৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, খাদ্য, বিশ্বাস আদিক সুন্দৰকৈ উপস্থাপন কৰা দেখা গৈছে। শৱ কটা পৰম্পৰাকে আদি কৰি বিবাহ প্ৰথা, পূজা আদিয়ে উপন্যাসখনত এক বিশেষ স্থান লাভ কৰিছে।

**১.১ শ কটা প্ৰথা ঃ** 'শৱ কটা মানুহ' উপন্যাসখনৰ নামটোৱেই উপন্যাসখনৰ বিষয়বস্তুৰ পটভূমিক সামৰি লৈছে। অৰুণাচল প্ৰদেশৰ এটা জনজাতি হৈছে মনপা জনজাতি। এই মনপা জনজাতিৰ লোকসকলৰ শৱ কাটি মৃতদেহ সৎকাৰ কৰা প্ৰথা অতীজৰে পৰা চলি আহিছে। উপন্যাসখনত এই ধৰ্মীয়





বিশ্বাসকে ঔপন্যাসিকে মূল সুঁতি হিচাপে লৈ গল্পৰ পটভূমিৰ সৃষ্টি কৰিছে।

**১.২ উৎসৱ-পাৰ্বণ ঃ** উপন্যাসখনত মনপাসকলৰ বিভিন্ন উৎসৱৰ উদাহৰণ উল্লেখনীয়। উপন্যাসখনত মনপাসকলৰ উৎসৱ-পাৰ্বণৰ ভিতৰত টোৱগ্যা আৰু লোচেৰ উৎসৱৰ বিস্তৃত বিৱৰণ দিয়া আছে। প্ৰকৃতিৰ মনোৰম পৰিৱেশৰ মাজত টোৱগ্যা উৎসৱ পালন কৰা হয়। উৎসৱৰ সময়ত মেলাত মনপা ডেকা-গাভৰুৰ হৃদয়ৰ আদান-প্ৰদান হয়, মাজং খেলা খেলি ভাগ্য নিৰ্ণয় কৰা, একেলগে মিলি চাংচাং আৰু আৰা খোৱা আদি কাৰ্যবোৰে যেন টোৱগ্যা উৎসৱ এক অবিচ্ছেদ্য অংগ।

এনে কিছুমান পিছপৰা ঠাইৰ বাস্তৱ প্ৰতিচ্ছবি ঔপন্যাসিকে অতি সৰল ভাষাৰে স্পষ্ট ৰূপত উপন্যাসৰ ঠায়ে ঠায়ে চিত্ৰিত কৰিছে। ঔপন্যাসিকে পাতনিত উল্লেখ কৰিছে এই শৱ কটা দৃশ্য, তেওঁ নিজে চকুৰে দেখা দৃশ্য আছিল। তেখেতে মনপা আৰু চেৰদুকপেন এই দুই জনজাতিৰ বিষয়ে গৱেষণা কৰি আৰু বাস্তৱ চিত্ৰ প্ৰত্যক্ষ কৰি উপন্যাসৰ প্লটটো গঢ় দিছে। উপন্যাসৰ চৰিত্ৰ চিত্ৰন, টাৱাঙৰ ভৌগোলিক পৰিৱেশ, কাহিনী চিত্ৰ জনজাতীয় বিশ্বাস, ৰীতি-নীতি ভাব-ভাষা আদি বিভিন্ন দিশ খৰচি মাৰি অনুধাৱন কৰিলে একেমুখে স্বীকাৰ কৰিব লাগিব যে য়েছে দৰজে ঠংচিদেৰৰ শৱ কটা মানুহ এখন সফল উপন্যাস।

**১.৩ বিপাশা বৰাৰ 'জাকাৰান্দা' ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন সুন্দৰ আৰু সুবিশাল ৰাজ্য হ'ল মেঘালয়। ১৯৭২ চনত মেঘালয় এখন স্বাধীন ৰাজ্য হিচাপে গঢ় লৈ উঠিল।

অসম মেঘালয় ৰাজ্য বিভাজনৰ পটভূমি হিচাপে লৈ বহুতো কবি-সাহিত্যিকে বিভিন্ন গ্ৰন্থ ৰচনা কৰিছে। এই গ্ৰন্থসমূহৰ ভিতৰত বিপাশা বৰাৰ জাকাৰান্দা উপন্যাস এখন অন্যতম উল্লেখযোগ্য গ্ৰন্থ। 'জাকাৰান্দা' উপন্যাসখনত মূলতঃ শ্বিলঙৰ প্ৰাচীন তথা ঐতিহাসিক আৰু সমকালীন সমাজখনক দাঙি ধৰা দেখা যায়।

বিপাশা বৰাৰ জাকাৰান্দা উপন্যাসখনৰ আলোচনাৰ জৰিয়তে মেঘালয়ৰ ঐতিহাসিক প্ৰেক্ষাপটসমূহক পোহৰলৈ অনাৰ লগতে সমসাময়িক সমাজৰ সামাজিক অৱস্থিতি সম্পৰ্কে ধাৰণা স্পষ্ট হোৱাৰ অৱকাশ আছে।

**১.৪ ঐতিহাসিক প্ৰসংগ ঃ**

**অসম আৰু মেঘালয় ৰাজ্য বিভাজন আৰু ইয়াৰ পৰিণতি ঃ** ১৯৭২ চনত আগৰ সময়ছোৱাত অসমৰ ৰাজধানী আছিল শ্বিলং। অসম চৰকাৰে পাহাৰ-ভৈয়ামৰ সকলো অঞ্চলতে বিদ্যালয়সমূহত অসমীয়া ভাষাৰ প্ৰচলন কৰিছিল। কিন্তু পাহাৰত বসতি কৰা লোকসকলৰ মাজত বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। তেওঁলোকে নিজৰ স্বাধীনতাক ধৰি ৰাখিবলৈ আন্দোলনৰ সৃষ্টি কৰিছিল। বিপাশা বৰাই 'জাকাৰান্দা' উপন্যাসত উল্লেখ কৰিছে।

ইয়াৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে হিল ষ্টেট গঠন হৈ অসম আৰু মেঘালয় দুখন ৰাজ্যত বিভাজন হয়। অসমৰ ৰাজধানী পাহাৰৰ পৰা নামি গৈ ভৈয়ামৰ গুৱাহাটী হয়। ১৯৭২ চনত মেঘালয় এখন নতুন ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে আৰু ৰাজ্যিক ভাষা হিচাপে ইংৰাজী ভাষাৰ প্ৰচলন কৰে।

.....

...পাহাৰত বসতি কৰা অসমীয়া কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰে সেই ঠাই এৰি যাব বিচৰা নাছিল, সিহঁতৰ মূৰৰ ওপৰত যেন বতাহ-ধুমুহা, শিল-বৰষুণ অহাৰ দৰে হৈছিল।...

.....

'জাকাৰান্দা' উপন্যাসত ঔপন্যাসিকে উল্লেখ কৰিছে। ৰাজ্য বিভাজনৰ সুযোগ লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বাঙালী, নেপালী বহিৰাগত লোকসকলে ভৰি পৰিছিল মেঘালয়ৰ ৰাজ্যত। পাহাৰৰ খাচী লোকসকলে বহিৰাগত খিলঞ্জীয়া লোকসকলক 'দাখাৰে' বুলি সম্বোধন কৰিছিল। পাহাৰৰ খাচী জনগোষ্ঠীৰ লোকসকলে বহিৰাগত লোক বা দাখাৰেসকলক খেদিবৰ বাবে কিছুমান দল-সংগঠনৰ গঠন কৰিছিল। এই সংগঠনসমূহৰ ভিতৰত এটা বৃহৎ 'ফাইভ ষ্টাৰ' নামৰ দল সৃষ্টি হৈছিল। এই সংগঠনবোৰে অঞ্চলবিলাকত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। সৰু ল'ৰা-ছোৱালীৰ পৰা আদি কৰি বুঢ়া-বুঢ়ীলৈকে সকলোৰে মনত জাগি উঠিছিল ভয়-সংশয়ৰ। এই সংগঠনটোৰে বহিৰাগত বঙালী, অসমীয়াকে আদি কৰি সকলোৰে ওপৰত অত্যাচাৰ চলাইছিল। তেওঁলোকে য'তে তেনে মানুহক লগ পায় তাতে মাৰি পেলাইছিল। এনে পৰিস্থিতত বহু লোকে শ্বিলং এৰি ভৈয়ামলৈ গৈছিল। খাচীয়াসকলে দাবী কৰিছিল পাহাৰত কেৱল তেওঁলোকৰ ৰাজত্ব চলিব।

**১.৫ সংগঠনসমূহৰ উদ্ভগুালি ঃ** শ্বিলঙৰ সংগঠনসমূহে বহিৰাগত লোকসকলক খেদিবৰ বাবে বিভিন্নধৰণৰ কার্যপন্থা হাতত তুলি লৈছিল। শ্বিলঙৰ পুলিচে বজাৰৰ আশে-পাশে ৰখাই থোৱা মেঘালয়ৰ বাহিৰৰ গাড়ীসমূহ জ্বলাই দিছিল। ইয়াৰ লগতে ৰাস্তাৰ কাষৰ ডাঙৰ ডাঙৰ দোকানবোৰ জ্বলি শেষ হৈছিল। এই অগ্নিকাণ্ডত বহু লোকৰ মৃত্যু হৈছিল। তেওঁলোকে কাকো ভয় কৰা নাছিল। আনকি পুলিচলৈও ভয় কৰা নাছিল।

গতিকে ইয়াৰ দ্বাৰা গম পোৱা যায় যে সেই সময়ত সংগঠনসমূহৰ এনেধৰণৰ কার্যকলাপে সৃষ্টি কৰা অৰাজক পৰিস্থিতি আৰু সাধাৰণ জনতাৰ প্ৰতিও যি আচৰণ কৰিছিল তাৰ তথ্য উপন্যাসত দাঙি ধৰিছে।

**১.৬ ৰাজধানী স্থানান্তৰণ আৰু সমাজত ইয়াৰ প্ৰভাৰ ঃ** দেশ বিভাজনৰ সময়ত বিশেষকৈ পাহাৰত বসতি কৰা অসমীয়া কৃষক সমাজৰ লোকসকলে বহু শংকাত পৰিছিল। ধনী শ্ৰেণীৰ লোকসকলে ভৈয়ামত মাটি ক্ৰয় কৰি গুচি গৈছিল আৰু দুখীয়া শ্ৰেণীৰ লোকসকলে ভৈয়ামলৈ যাবলৈ অসম্ভৱ হৈ পৰিছিল। কিন্তু পাহাৰত বসতি কৰা অসমীয়া কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰে সেই ঠাই এৰি যাব বিচৰা নাছিল, সিহঁতৰ মূৰৰ ওপৰত যেন বতাহ-ধুমুহা, শিল-বৰষুণ অহাৰ দৰে হৈছিল।

১৯৭১ চনৰ পৰা শ্বিলঙত কোনো বহিৰাগত লোকে মাটি ক্ৰয় কৰিব নোৱাৰিছিল। মেঘালয় ৰাজ্যখন যিহেতু মাতৃপ্ৰধান দেশ সেইবাবে মেঘালয়ত মাটি কিনিবলৈ হ'লে মেঘালয়ৰ খাচীয়া, নগা গাভৰুক বিয়া কৰাব লাগিছিল। সেয়ে

শ্বিলং চহৰত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ লোকৰ মাজত থকা সামাজিক-সাংস্কৃতিক বৈসাদৃশ্য আৰু সেইকিনিৰ বাবে তেওঁলোকৰ মাজত হোৱা সংঘাত। উপন্যাসখনত বিভিন্ন জাতি-জনজাতিৰ লোকৰ জীৱন, সংস্কৃতি, ভাষা আদিৰ ওপৰত আলোকপাত কৰা হৈছে, যাৰ ফলত পাঠকে সেই সময়ৰ শ্বিলঙৰ চহৰৰ সামাজিক-সাংস্কৃতিক ছবিখনৰ এটা স্পষ্ট ভাষা লাভ কৰে।

ৰাজধানী স্থানান্তৰণে শ্বিলঙত বাস কৰা অসমীয়া সমাজৰ প্রতি কঢ়িয়াই অনা ভাবুকিৰ দিশটো ইয়াৰ দ্বাৰা পোহৰলৈ অনা দেখা যায়।

**১.৭ লুম্মেৰ দাইৰ 'পাহাৰৰ শিলে শিলে' ঃ** লুম্মেৰ দাইৰ 'পাহাৰৰ শিলে শিলে' উপন্যাসখন হৈছে অৰুণাচলৰ আদি সমাজৰ পটভূমিত ৰচিত প্রথমখন উপন্যাস আৰু অসমীয়া জনজাতীয় জীৱন আধাৰিত উপন্যাস পঞ্চমখন উপন্যাস। লুম্মেৰ দাইৰ উপন্যাসকেইখনে অসমীয়া সাহিত্যক সমৃদ্ধ কৰাৰ লগতে অসমীয়া সাহিত্যলৈ বৈচিত্র্যও আনিছে। অৰুণাচলৰ আদি জনজাতীয় জীৱনৰ প্রতিফলনে লুম্মেৰ দাইৰ উপন্যাসকেইখনত অসমীয়া সাহিত্যত এক সুকীয়া গুৰুত্ব প্রদান কৰাৰ লগতে ঔপন্যাসিকজনৰ এই প্রচেষ্টা উত্তৰসুৰীসকলৰ বাবে দিশ দর্শনস্বৰূপ হৈ ধৰা দিছে।

**১.৮ তিলোত্তমা মিশ্রৰ 'কা মেইখাৰ ঘৰ' ঃ** তিলোত্তমা মিশ্রৰ 'কা মেইখাৰ ঘৰ' উপন্যাসৰ কাহিনী কুৰি শতিকাৰ প্রথমার্ধৰ শ্বিলং চহৰ সামাজিক-ৰাজনৈতিক পটভূমিত লিখা এখন উপন্যাস। উপন্যাসখনত শ্বিলং চকুৰৰ বিভিন্ন জাতি-জনজাতিৰ লোকৰ জীৱন, সংস্কৃতি, ভাষা আদিৰ ওপৰত আলোকপাত কৰা হৈছে। এই উপন্যাসখনত আইতাৰ ঘৰ নামটোও উল্লখ কৰা হৈছে।

উপন্যাসখনত মূল বিষয় শ্বিলং চহৰত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ লোকৰ মাজত থকা সামাজিক-সাংস্কৃতিক বৈসাদৃশ্য আৰু সেইকিনিৰ বাবে তেওঁলোকৰ মাজত হোৱা সংঘাত। উপন্যাসখনত বিভিন্ন জাতি-জনজাতিৰ লোকৰ জীৱন, সংস্কৃতি, ভাষা আদিৰ ওপৰত আলোকপাত কৰা হৈছে, যাৰ ফলত পাঠকে সেই সময়ৰ শ্বিলঙৰ চহৰৰ সামাজিক-সাংস্কৃতিক ছবিখনৰ এটা স্পষ্ট ভাষা লাভ কৰে।

উপন্যাসখনত কাহিনীৰ মূল চৰিত্র হৈছে 'কা মেইখাৰ ঘৰ'ৰ মালিকা। 'কা মেইখাৰ ঘৰ'ৰ শ্বিলং চহৰৰ এক বিশেষ স্থান, য'ত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ মিলন ঘটে। উপন্যাসখনত দেখা যায় 'কা মেইখাৰ ঘৰ'টোৱে বিভিন্ন জাতি-জনজাতিৰ লোকৰ মাজত এক শক্তিশালী ঐক্য স্থাপন কৰে।

সেয়ে এই উপন্যাসকেইখনে উত্তৰ-পূর্বাঞ্চলকেন্দ্রিক অসমীয়া সাহিত্য জগত আগু�ৰাই নিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰিছে।

**১.৯ উপসংহাৰ ঃ** ভাৰতবর্ষৰ উত্তৰ-পূর্বাঞ্চলৰ এখন বিশাল ৰাজ্য হ'ল অসম। বিশেষক উত্তৰ-পূর্বাঞ্চলৰ অসমীয়া সাহিত্যত ৰচিত য়েছে দৰজে ঠংচিৰ শৰ কটা মানুহ, লুম্মেৰ দাইৰ 'পাহাৰৰ শিলে শিলে', 'বিপাশা বৰাৰ 'জাকাৰান্দা' আৰু তিলোত্তমা মিশ্রৰ 'কা মেইখাৰ ঘৰ' আদি উপন্যাসখনে উত্তৰ-পূর্বাঞ্চলৰ অৰুণাচল প্রদেশ, মেঘালয় আদিৰ জনগোষ্ঠীয় সমাজখনৰ ছবিখন দাঙি ধৰিবলৈ সক্ষম হৈছে। বিশেষকৈ অৰুণাচল প্রদেশৰ লোকসমাজত প্রচলিত লোকবিশ্বাসসমূহৰ চিত্রণৰ জৰিয়তে উত্তৰ-পূর্বাঞ্চলকেন্দ্রিক সাহিত্যৰ ধাৰণাৰ স্পষ্টতা পোৱা যায়।

# লুম্মেৰ দাইৰ




# প্ৰকাশিত
# অৰুণাচলৰ সমসাময়িক প্ৰসংগ

**সুনীতা বিশ্বকৰ্মা**

নেফা (NEFA)ৰ অৰ্থ হৈছে 'North-East Frontier Agency' উত্তৰ-পূব সীমান্ত সংস্থা। ই ভাৰতৰ উত্তৰ-পূব অংশত অৱস্থিত এখন প্ৰশাসনিক অঞ্চল আছিল, যাক ভাৰত চৰকাৰে প্ৰশাসনিকভাৱে পৰিচালনা কৰিছিল। ১৯৭২ চনত নেফাক কেন্দ্ৰশাসিত অঞ্চল হিচাপে ৰূপান্তৰ কৰা হয় অৰু তাৰ পিছত ২০ জানুৱাৰী, ১৯৭২ চনত এই অঞ্চলটোৰ নাম সলনি কৰি অৰুণাচল প্ৰদেশ ৰখা হয়।

অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট লেখক হৈছে লুম্মেৰ দাই। অসম আৰু অৰুণাচল প্ৰদেশৰ সীমাত অৱস্থিত পাছিঘাট অঞ্চলৰ ছিলক নামৰ এখন গাঁৱত ১৯৪০ চনৰ জুন মাহত লুম্মেৰ দাইৰ জন্ম হৈছিল। জন্মসূত্ৰে তেওঁ অৰুণাচল প্ৰদেশৰ আদি জনগোষ্ঠীৰ লোক আছিল আৰু অসমীয়া ভাষাত সাহিত্য সৃষ্টি কৰি অসম আৰু অৰুণাচলৰ সাহিত্যিক ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল।

লুম্বেৰ দাইৰ বিভিন্ন সৃষ্টিৰাজিৰ ভিতৰত 'নেফাৰ চিঠি' শীৰ্ষক প্ৰবন্ধসমূহৰ বিশেষ তাৎপৰ্য আছে। এই চিঠিৰ মূল উদ্দেশ্য হ'ল সমাজৰ প্ৰতি গভীৰ অনুভূতি প্ৰকাশ কৰা। বিশেষকৈ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ গাঁও, গৰখীয়া মানুহৰ জীৱন, কষ্ট আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ চিন্তাধাৰা দেখা পোৱা যায়। কিয়নো এই লেখাসমূহত নেফাৰ আভ্যন্তৰীণ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ প্ৰকাশৰ চেষ্টা কৰা পৰিলক্ষিত হয়। যিয়ে অৰুণাচল প্ৰদেশ তথা নেফাৰ সমসাময়িক পটভূমিৰ সাক্ষ্য বহন কৰিছে।

**১.০ ধৰ্মীয় প্ৰসংগ ঃ**

'নেফাৰ চিঠি' শীৰ্ষক প্ৰবন্ধটোত প্ৰতিফলিত সেই সময়ত নেফাত বৌদ্ধ ধৰ্মৰ বাহিৰে বাকী লোকসকলৰ এনে বিশ্বাস আছিল যে সকলো ভৌতিক পদাৰ্থৰে দেৱতা আছে। সেইবাবে এইবোৰ পদাৰ্থই যেনেকৈ উপকাৰ আৰু মংগল সাধন কৰে

তেনেকৈ অপকাৰ আৰু বিপদো চপাই আনে। ভাত মানুহৰ প্ৰধান খাদ্য। কিন্তু যদি কেতিয়াবা অসাৱধানতাত জুইত ভাত পোৰে, তেন্তে লক্ষ্মী অসন্তুষ্ট হয় আৰু মানুহক অভিশাপ দিয়ে। ভগৱানৰ অভিশাপৰ পৰিণামস্বৰূপে ধাননি শুকাই যায় আৰু পৃথিৱীত দুৰ্ভিক্ষই দেখা দিয়ে। গছ-বন নহ'লে ঘৰ সাজিব নোৱাৰে, জুই জ্বলাব নোৱাৰে। কোনে জানে বন দেৱতাই কি কি গছ-লতা কাটিবলৈ নিষিদ্ধ কৰিছে। মেথোন গাহৰি বলি দি পূজা নিদিলে মৃত্যু নিশ্চিত আহিব বুলি ভাবিছিল। এইদৰে জীৱনৰ কাৰণে প্ৰয়োজনীয় পদাৰ্থবাৰ ব্যৱহাৰ কৰোতে মানুহে প্ৰতি খোজতে প্ৰতিমুহূৰ্ততে নানান নৈবেদ্য দি সন্তুষ্ট কৰিব লাগে এইবোৰ অন্ধবিশ্বাসৰ উপৰি নেফাৰ অনা-বৌদ্ধিসকলে এজন সৃষ্টিকৰ্তা আছে বুলি বিশ্বাস কৰে। সেইজন সৃষ্টিকৰ্তা হ'ল দঞি অৰ্থাৎ সূৰ্য। দঞি অবিহনে পৃথিৱীৰ জীৱ-জন্তু, আনকি জড় পদাৰ্থৰো অস্তিত্বৰ অলীক কল্পনা। দঞি অকল সৃষ্টিকৰ্তাই নহয়, সত্য নিয়ন্তাও। তেৱেঁই স্বয়ং সত্য, সুন্দৰ, সৰ্বশক্তিমান পৰমেশ্বৰ। প্ৰকৃততে নেফাত ধৰ্মৰ স্বাধীনতা নাই বুলি তোলা অভিযোগ যুক্তিহীন। নেফাত বিভিন্ন ধৰ্মাৱলম্বী লোকে বাস কৰিছে। তাৰে ভিতৰত বৌদ্ধসকল সংখ্যাগৰিষ্ঠ। মনপা, মেম্বা আৰু ছেৰডুকপেনসকলে তিব্বতীয়পন্থী বৌদ্ধ অৰ্থাৎ মহাযান পন্থী। খামতি আৰু চিংফৌসকল দক্ষিণ-পূব এছীয়া বৌদ্ধি অৰ্থাৎ হীনযান পন্থী।

বৌদ্ধসকলৰ পিছত সংখ্যাগৰিষ্ঠ লোকসকল হ'ল দঞিপন্থী। এই গোষ্ঠীত আদি, মিচিমি, ডফলা, আপাতানি, অকা আদি লোকসকল। এই লোকসকলৰ কোনো লিপি নাই। প্ৰবাদ আছে যে আদিতে ঈশ্বৰে মানুহৰ কাৰণে লিপি তৈয়াৰ কৰি দিছিল। কিন্তু সেই লিপি পহুৰ ছালত লিখা আছিল। এবাৰ দুৰ্ভিক্ষই দেখা দিয়াত উপায় নাপাই পহুৰ ছালখিনি এইসকল মানুহে পুৰি খাইছিল। তেতিয়াৰ পৰা তেওঁলোকৰ মাজত লিখা-পঢ়া নোহোৱা হ'ল।

বৌদ্ধসকলৰ উপৰি হিন্দু আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকো নেফাত বাস কৰে। টিপাৰ জিলাৰ নক্তেসকল বৈষ্ণৱ ধৰ্মাৱলম্বী লোক। এই ধৰ্মাৱলম্বী নক্তেসকলৰ মাজত দেও পূজা প্ৰচলিত, যিটো বৈষ্ণৱ ধৰ্মত নিষিদ্ধ কৰা হৈছে। তেওঁলোকে নিজে নিজকে বৈষ্ণৱ বুলি দাবী নকৰিলে তেওঁলোকৰ বৈষ্ণৱ ধৰ্ম বুলিবৰ উপায় নাই। ভগৱান শ্ৰীকৃষ্ণ আৰু শ্ৰীমন্ত শংকৰ গুৰুৰ নাম-কীৰ্তনো তেওঁলোকৰ মাজত অপ্ৰচলিত।

বৰ্তমান শতিকাৰ দ্বিতীয় দশলৈকে নেফাত কোনো খ্ৰীষ্টান নাছিল। সেই সময়ত শদিয়াত আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে চলোৱা এখন মিছন স্কুল আছিল। সেইখন স্কুল আছিল পাছিঘাট আৰু শদিয়া অঞ্চলৰ শিক্ষাৰ কেন্দ্ৰ। বেপ্তিষ্ট মিছনেৰীসকলে স্কুলীয়া ছাত্ৰৰ মাজত এনেদৰে খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ পেলাইছিল যে বহুতো ছাত্ৰ খ্ৰীষ্টান ধৰ্মত দীক্ষিত হ'ল। সেই সময়ত মানুহবিলাকৰ বিশ্বাস

...গতিকে ক'ব পাৰি যে এই ব্যৱস্থাসমূহৰ জৰিয়তে সন্তানৰ মাত শুনাৰ পৰা বঞ্চিত থকা মাতৃয়ে সন্তানৰ মুখৰ মাত শুনিবলৈ সক্ষম হৈছে। সন্তানৰ সহজ-সৰল জীৱন-যাপন সম্ভৱ হৈ উঠিছে। সম্পাদকীয়তোৰ জৰিয়তে সৰস্বতী বাগীশ্বৰীৰ গুৰুত্ব সম্পৰ্কত কিছু আভাস প্ৰদান কৰিছে...

আছিল যে খ্ৰীষ্টান ধৰ্ম হ'ল সভ্য জাতিৰ ধৰ্ম, খ্ৰীষ্টান ধৰ্মই সভ্যতাৰ বাট দেখুৱাই দিয়ে। যি খ্ৰীষ্টান হৈছে তেওঁ সভ্যতাৰ গুপ্ত কৌশল আহৰণ কৰিব পাৰে। শদিয়া অঞ্চলৰ কিছুমান লোক খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱা দেখা যায়।

১৯৪৯ চনত স্বাধীনতা লাভৰ দুবছৰৰ পিছত শদিয়াৰ খ্ৰীষ্টান মিছনেৰী স্কুলখনৰ ব্যৱস্থাপক পাদ্ৰীজন আমেৰিকালৈ গুচি যোৱাৰ লগে লগে স্কুলখন বন্ধ হৈ গৈছিল। দিবাং উপত্যকাত অৰ্থাৎ শদিয়া অঞ্চলত স্বাধীনতাৰ আগতে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক বিৰল আছিল। কিন্তু স্বাধীনতাৰ পিছত খ্ৰীষ্টানৰ সংখ্যা তাৰ মুঠ জনসংখ্যাৰ ১৫জন হৈছে। স্বাধীনতাৰ আগতে যি অঞ্চলত এটাও গির্জা নাছিল, এতিয়া সেই অঞ্চলত ঠায়ে ঠায়ে গির্জা হৈছে। গতিকে নেফাত ধৰ্মৰ স্বাধীনতা নাই বুলি কোৱা ভুল নহয়।

**১.১ ৰাজনৈতিক প্ৰসংগ ঃ**

'নেফাৰ চিঠি'ৰ প্ৰবন্ধত প্ৰতিফলিত সেই সময়ত নেফাৰ শিক্ষিত সমাজৰ ষষ্ঠ অনুসূচী (ছিক্স ছিডিউল)ৰ প্ৰতিক্ৰিয়া অনুভূত হৈছিল। সংবিধানৰ এই দফামতে নেপাক অসমৰ অংশ বুলি কোৱা হয়। এই দফা সংশোধন নকৰাকৈ নেফাৰ ভৱিষ্যৎ অনিশ্চিত বুলি নেফাৰ শিক্ষিত সমাজে অনুভৱ কৰে। উক্ত কমিছনে পৰামৰ্শ আগবঢ়াইছে যে ষষ্ঠ অনুসূচী (ছিক্স ছিডিউল)ৰ অন্তৰ্ভুক্ত অঞ্চলবোৰক প্ৰয়োজনীয়তা অনুসৰি পূৰ্ণ স্বায়ত্তশাসন দিয়া উচিত। নেফাৰ লোকসকলে কয় যে সংবিধানৰ মতে নেফা অসমৰ অংশ হ'লেও প্ৰশাসনিকভাৱে হোৱা নাই আৰু তেনে হোৱাতো তেওঁলোকৰ মতে অসম আৰু নেফাৰ কাৰণেই মংগল। কাৰণ অসমৰ সমস্যাৱলী কম সমস্যা নহয়। তাতোকৈ ৩২ হাজাৰ বৰ্গমাইলজোৰা নেফাৰ সমস্যা অধিক আৰু জটিল। নেফা প্ৰশাসনৰ বৰ্তমান মতি-গতি আৰু কাৰ্যক্ষেত্ৰত উদাসীনতা আৰু অনুৎসাহলৈ চাই কোনো কোনোৱে মত প্ৰকাশ কৰে যে নেফাই অনতিপলমে স্বায়ত্তশাসন পোৱা উচিত। স্বায়ত্তশাসনৰ উত্তম পন্থা হ'ল কেন্দ্ৰীয়শাসিত ৰাজ্যৰ স্বীকৃতি দিয়া হোৱা নাই, তথাপি নেফাক সেই শাৰীতে ধৰা হৈছে। কেন্দ্ৰীয়শাসিত ৰাজ্য লাভ কৰিলেই নেফাৰ লোকসকলৰ ৰাজনৈতিক আকাংক্ষা পূৰ্ণ হ'ব বুলি ভাবিলে নেফাৰ স্বাৰ্থৰ অন্যায় কৰা হ'ব। নেফাৰ বৰ্তমান আৰু প্ৰাথমিক সমস্যাটো অন্যায় কৰা হ'ব। নেফাৰ বৰ্তমান আৰু প্ৰাথমিক সমস্যাটো হ'ল জীৱনধাৰাৰ সমস্যা কেন্দ্ৰীয় চৰকাৰে যে নেফাৰ দাবীক আংশিকভাৱে পূৰণ কৰাৰ জোখেৰে হৈছে বুলি ক'ব নোৱাৰে।

'NEFA Cats Money'ৰ মনোভাব লৈ কেন্দ্ৰীয় চৰকাৰে নেফাৰ উন্নয়নৰ ক্ষেত্ৰত কৃপণালি কৰিছে। কেন্দ্ৰীয় চৰকাৰে এনে ঢিলা-সোলোকা মনোভাব লোৱা আঁচনিবোৰে নেফা প্ৰশাসনে কামত খটুৱাব নোৱাৰে। 'অভাৱেই আৱিষ্কাৰৰ মূল' বুলি স্কুলীয়া ল'ৰা-ছোৱালীক শিকোৱা কথাটো নেফাৰ প্ৰশাসনৰ বিষয়াসকলে কাৰ্যত খটুৱাইছে। তেওঁলোকৰ কাৰ্যদক্ষহীনতা আৰু অকৰ্মণ্যতা দিল্লী চৰকাৰৰ দৃষ্টিগোচৰ নহয়, তাৰ বাবে বিভিন্ন ব্যৱস্থা লোৱা হৈছে। নেফাৰ লোকসকলে প্ৰাথমিক নাগৰিক স্বত্বখিনি উপভোগ কৰাৰ পৰা চিৰদিন বঞ্চিত হৈ থাকিব লাগিব। এনে জৰাজীৰ্ণ আৰু পুতৌলগা অৱস্থাৰ পৰা নেফাক উদ্ধাৰ কৰিবলৈ হ'লে যিকোনোধৰণৰ স্বায়ত্তশাসনেই গ্ৰহণযোগ্য। তেনে এটা সম্ভৱপৰ ব্যৱস্থা হ'ল কেন্দ্ৰীয়শাসিত ৰাজ্যৰ সত্তাটো। ৰাজনৈতিক বিষয়ৰ কথাটো মন গ'লেই যেতিয়াই-তেতিয়াই দিয়া-লোৱা কৰিব পৰা বস্তু নহয়। নেফা ৩২ হাজাৰ বৰ্গমাইলজোৰা এটা বিৰাট অঞ্চল।



কোনো কোনোৱে মত পোষণ কৰে যে ততাতৈয়াকৈ কেন্দ্ৰীয়শাসিত ৰাজ্য দাবীৰ সিদ্ধান্তলৈ নাহি ধৈৰ্যসহকাৰে পূৰ্ণাংগ ৰাজ্য দাবী কৰাৰ এটা নিৰ্দিষ্ট সময়লৈ অপেক্ষা কৰিলে বুদ্ধিমানৰ কাম হ'ব আৰু ই সকলোৰে পক্ষে মংগল। বৰ্তমান সময়ত নেফাৰ অৱস্থাটোৰ লগত খাপ খুৱাই চলিব পৰাটো এটা উপযুক্ত ব্যৱস্থা লোৱাটো উচিত। ই বিং কমিটীয়ে যুগুত কৰা পঞ্চায়তীৰাজ অহা অক্টোবৰত নেফাত প্ৰৱৰ্তন কৰা হ'ব। এই পঞ্চায়তীৰাজেই বৰ্তমান বঞ্চিত ব্যৱস্থাটোৰ চাহিদাখিনি কিছু পৰিমাণে পূৰণ কৰিব পাৰে বুলি কোনো কোনোৱে

মত প্ৰকাশ কৰিছে। এই সম্পৰ্কে এই কথা উল্লখ কৰিব পাৰি যে ইৰিং কমিটীয়ে যুগুত কৰা নেফা পঞ্চায়তীৰাজৰ বিধানসমূহ অসম পঞ্চায়তীৰাজৰ বিধানসমূহৰ ৰূপান্তৰ বুলি ক'লেও ভুল নহয়।

আঞ্চলিক পৰিষদত এক্সট্রা-এছিষ্টেণ্ট কমিছনাৰ নাইবা এছিষ্টেণ্ট কমিছনাৰ আৰু জিলা পৰিষদত ডেপুটী কমিছনাৰ হ'ল চেয়াৰমেন। পার্লিয়ামেণ্টত নেফাৰ প্ৰতিনিধি নাই, বিধানসভাতো নাই। গণতান্ত্ৰিক সা-সুবিধা নেফাত প্ৰৱৰ্তন কৰা নাই বাবে প্লেটফৰ্মো নাই, প্ৰেছো নাই। গতিকে নেফাৰ জনমত প্ৰকাশৰ বাবে কোনো মাধ্যম বা সুবিধা নাই। তদুপৰি এই কথা সঁচা হয় যে পঞ্চায়তীৰাজৰ সৰহভাগ সভ্য হ'ব অশিক্ষিত সমাজৰ পৰা। নেফাৰ লোকসকলে আশা কৰে যে পঞ্চায়তীৰাজ প্ৰৱৰ্তন কৰিলে অন্ততঃ কোনো কোনো ক্ষেত্ৰত নেফাৰ জনমত উত্থাপন কৰিবলৈ অসুবিধা ওলাব। কিন্তু ডেপুটী কমিছনাৰ আদি চৰকাৰী বিষয়াসকল ভয়াৰমেন হ'লে অশিক্ষিত হোৱা সভ্যসকলে জনাব বা আন কোনো প্ৰশ্ন উত্থাপন কৰিবলৈ সুবিধা লোয় নে নেপায়; নতুনবা তেওঁলোকে উত্থাপন কৰা প্ৰশ্ন আৰু দাবীবোৰ কিমান কেন্দ্ৰীয় চৰকাৰৰ চকুত পৰে সেই বিষয়ে আমি সন্দেহ কৰিব পাৰোঁ। কাৰণ নেফা প্ৰশাসনৰ বিষয়াসকলে তেওঁলোকৰ পালমৰা দৈনিক কার্যক্ৰম মতে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ নহয়, তাৰ বাবে যথাসম্ভৱ ব্যৱস্থা লৈছে।

নেফাৰ কিছুমান পঞ্চায়তীৰাজৰ বিধানসমূহ নেফাত প্ৰযোজ্য নহয়, তাৰ অনেক দৃষ্টিকোণ দেখিবলৈ পোৱা যায়। ইয়াৰ অকল এটা দৃষ্টান্তহে দিয়া হ'ল। নেফা পঞ্চায়তী বাবে নেফাৰ লোকসকলৰ আশা-আকাংক্ষা প্ৰকাশ কৰাৰ মাধ্যম হিচাপে কাম কৰিবলৈ সক্ষম হ'ব বুলি বহুতো আশা কৰিছে আৰু নেফাই কোনো ৰাজনৈতিক সত্তা লাভ নকৰালৈকে সেইটো হোৱা উচিত।

**১.২ গণতন্ত্ৰৰ প্ৰসংগ ঃ**

'নেফাৰ চিঠি' শীৰ্ষক প্ৰবন্ধত প্ৰতিফলিত গণতান্ত্ৰিক দিশসমূহৰ ভিতৰত ভাৰতৰ এনে এখন ঠাই নাই য'ত কম বেছি পৰিমাণে হিংসাত্মক আৰু জাতীয়বিৰোধী কার্য চলা নাই। কিন্তু নেফাৰ লোকসকলে তেনে কার্যকলাপক এতিয়ালৈকে প্ৰশ্ৰয় দিয়া নাই। মন কৰিবলগীয়া কথা নেফাৰ এইটো যে নেফাক জন্ম দিছিল জাতিৰ পিতাজনাৰ অহিংস নীতিয়েহে। অর্থাৎ তেওঁৰ অহিংস নীতিৰে আয়ত্ত কৰা ভাৰতৰ স্বাধীনতাই নেফাৰ জন্ম সম্ভৱপৰ কৰি তুলিছিল। জাতিৰ পিতাৰ জন্ম শতবার্ষিকীয়ে যদি নেফাৰ জন্ম সার্থক কৰি তোলে, তেন্তে এই বছৰটো নেফাৰ লোকসকলৰ বাবে বিশেষভাৱে তাৎপর্যপূর্ণ আৰু চিৰস্মৰণীয় হৈ ৰৈ যাব।

**১.৩ পঞ্চায়তীৰাজ ঃ**

ইতিমধ্যে নেফাৰ কোনো কোনো ঠাইত পঞ্চায়তীৰাজৰ সভ্যৰ নির্বাচন আৰম্ভ হৈছে। কোনো কোনো ঠাইৰ লোকে অন্ততঃ তিনিখন জিলাৰ পঞ্চায়তীৰাজৰ প্ৰৱৰ্তন স্বাগতম জনোৱা নাই। ইয়াৰ এটা কাৰণ হ'ল ইয়াৰ বিধানসমূহেৰে নেফাক পঞ্চায়তীৰাজ প্ৰৱৰ্তন কৰাটো সম্ভৱপৰ নহ'ব বুলি নেফা প্ৰশাসনৰ ওচৰত প্ৰতিবাদ জনাবলৈ লোহিত আৰু সোৱণশিৰি জিলাৰ পৰা প্ৰতিনিধি দল ইতিমধ্যে শ্বিলঙলৈ গৈছে। এনে অৱস্থাত নেফাত পঞ্চায়তীৰাজৰ প্ৰৱৰ্তন সম্ভৱ হৈ উঠে নে নাই, তাক কোৱাটো সহজ নহয়। দুখন বা তিনিখন জিলাত সম্ভৱ হৈ উঠিলে কোনো কোনো অঞ্চলত ঘোৰ বিৰেধিতা কৰাৰ সম্ভৱ আছে। এই অঞ্চলৰ লোকসকলক নেফা প্ৰশাসনে প্ৰত্যয় নিয়াব পাৰিব বুলি আশা কৰিব নোৱাৰি। গতিকে এনে জটিল পৰিস্থিতি উদ্ভৱ হোৱাৰ আশংকা আছে। এনে পৰিস্থিতিতে নেফাৰ বিৰাট স্বার্থত আঘাত হানিব পাৰে।

পঞ্চায়তীৰাজৰ বিৰোধিতা কৰা আন এটা কাৰণ হ'ল নেফাৰ লোকসকলৰ অজ্ঞতা। নেফাত জমিদাৰী প্ৰথা নাই। নৈ, বিল, হাবি, পথাৰ, গছ-গছনি আদি সকলোবোৰ সমূহীয়া সম্পত্তি। এইবোৰ ব্যৱহাৰ কৰিবলৈ সকলোৰে অধিকাৰ থাকে। নৈ বা বিলৰ পৰা মাছ ধৰিবলৈ কাৰোৰ পৰা অনুমতি ল'বলগা নহয়। হাবিত চিকাৰ কৰিবলৈ নতুবা তাৰ পৰা বাঁহ-কাঠ কাটিবলৈ কাৰো অনুমতি ল'বলৈ বাট চাবলগীয়া নহয়। কিন্তু পঞ্চায়তীৰাজ প্ৰৱৰ্তন কৰাৰ লগে লগে এইবোৰ সা-সুবিধা ভোগ কৰাৰ পৰা বঞ্চিত থাকিব লাগিব বুলি নেফাৰ লোকসকল নিশ্চিত হৈছে। তদুপৰি পঞ্চায়তীৰাজৰ কার্যভাৰ ৰাইজে বহন কৰিব লাগিব। গতিকে তাৰ খৰচো ৰাইজে বহন কৰিব লাগিব। কিন্তু নেফাৰ অধিকাংশ লোকৰ উপার্জন নাই। বজাৰৰ পৰা কিনিবলগীয়া লাগতিয়াল বস্তুখিনি কিনিবৰ কাৰণে যি এক-দুই পইচা সাঁচি থোৱা আছে সেইটোও নাথাকে। গতিকে পঞ্চায়তীৰাজৰ প্ৰৱৰ্তনে ৰাইজৰ মংগল সাধন কৰাতকৈ অমংগলৰহে সূচনা কৰিব বুলি তেওঁলোকে ভাবে।

পঞ্চায়তীৰাজৰ বিৰোধিতা কৰা আন এটা উল্লেখযোগ্য কাৰণ হ'ল নেফাৰ লোকসকলৰ ৰক্ষণশীলতা। পুৰণি প্ৰথাবোৰ এৰি নতুন ব্যৱস্থালৈ অহাটো তেওঁলোকৰ বিবেকে নসহে।

আদিসকলৰ বাহিৰে নেফাৰ জাতি-উপজাতিসকলৰ ভিতৰত অসংগঠিত গণতান্ত্রিক অনুষ্ঠান আছে বুলি ক'ব নোৱাৰি। টিপাৰ জিলাৰ নক্তেসকলৰ এটা সংগঠিত শাসন ব্যৱস্থা আছে। কিন্তু ফিউজেলিজমৰ লেখীয়া মাটি-বাৰী আৰু গাঁৱৰ আন সমূহীয়া সম্পত্তিবোৰ নির্বিবাদে ব্যৱহাৰ কৰাৰ বিনিময়ত প্রতিঘৰে মুখিয়াল পৰিয়ালৰ খেতিত প্রয়োজন অনুযায়ী মাটি দিব লাগে। মুখিয়ালৰ পদটো উত্তৰাধিকাৰী স্বত্ব আৰু ই গাঁৱৰ লোকসকলৰ একতাৰ প্রতীক।

লোহিত জিলাৰ খামতিসকলৰো এনে প্রথা আছিল। ব্রিটিছ চৰকাৰৰ শাসনাধীন হোৱাৰ লগে লগে ক্রমশঃ এই প্রথাৰ বিলুপ্তি ঘটিল। যোৱা কেইবাবছৰ ধৰি এই গণতান্ত্রিক পদ্ধতিৰ লগত খাপ খোৱাকৈ পুনৰুদ্ধাৰ কৰিবলৈ প্রচেষ্টা চলোৱা হৈছে। কামেং জিলাৰ মনপা আৰু ছেৰডুকপেনসকলে এক আধ্যাত্মিক কর্তৃত্বৰ মান-মর্যাদা আৰু ক্ষমতা লঘু কৰাৰ আশংকা আছে বুলি ভবাটো অস্বাভাৱিক নহয়।

আদিসকলৰ 'বেবাং' নামে এটা সুসংগঠিত গণতান্ত্রিক অনুষ্ঠান আছে। পঞ্চায়তীৰাজ তেওঁলোকৰ বাবে নতুন বস্তু নহয়। কিন্তু আদিসকলৰ প্রস্তুতিক বাকী লোকসকলৰ প্রস্তুতিৰ মাপকাঠী হিচাপে বিবেচনা কৰিলে ভুল নহয়। এনে অৱস্থাত তেওঁলোকক প্রত্যয় নিয়াবলৈ চেষ্টা কৰাটো প্রশাসনৰ প্রথম আৰু প্রধান কাম।


**১.৪ একপক্ষীয় শাসন ঃ**

নেফাৰ কোনো ৰাজনৈতিক সভা নাই। এডমিনিষ্ট্রেটিভ ৰিফ'র্মছ কমিছনেও ষষ্ঠ অনুসূচী (ছিক্স ছিডিউল) সংশোধনৰ পৰামর্শ আগবঢ়োৱা নাই। নেফাৰ জনমত মাধ্যম নাই। নেফাৰ জনমত ব্যক্ত কৰিবৰ কাৰণে কোৱা গণতান্ত্রিক অনুষ্ঠান নেফাত গঢ়ি নুঠাটোৰ মূলতে চৰকাৰৰ সুপৰিকল্পিত নীতি। পঞ্চায়তীৰাজ প্রৱর্তন কৰিব খোজা নেফাত গণতান্ত্রিক অনুষ্ঠান গঢ়ি উঠিছে বুলি ভাৰত চৰকাৰৰ প্রতিনিধি নেফা প্রশাসনে মুক্তকণ্ঠে ঘোষণা কৰিলেও ই এটা একপক্ষীয় শাসনতন্ত্রৰ মুখা মাথোন। আধুনিক গণতান্ত্রিক ৰাষ্ট্রত নেফাত প্রৱর্তন কৰা পঞ্চায়তীৰাজৰ ব্যৱস্থাক গণতন্ত্রৰ অনুষ্ঠান বুলি কোনো সচেতন নাগৰিকে ক'ব নোৱাৰে।

ভাৰতৰ একপক্ষীয় শাসন নেফাৰ উত্তৰ-পূব অঞ্চল আন্তর্জাতিক সীমাৰেখাত অৱস্থিত। ১৯৬২ চনৰ চীনা আক্রমণৰ সময়ত এই বিষয়ক লৈ নানা উৰাবাতৰি শুনা গৈছিল। তদুপৰি মাজে মাজে প্রেছ ৰিপ'র্টত পোৱা যায় যে নেফাৰ কিছুমান লোক চীন দেশলৈও গৈছে। নেফাৰ প্রশাসনে হয়তো ভাবে যে গণতান্ত্রিক অনুষ্ঠান নেফাত প্রৱর্তন কৰিলে চীনৰ অভিপ্রায়ৰ বাট মুকলি হ'ব। নেফাৰ লোকসকলে এতিয়ালৈকে চীনৰ অভিপ্রায় বা কোনো স্বার্থক প্রশ্রয় দিয়া নাই। চীনৰ প্রভাৱ আৰু স্বার্থশক্তিক প্রতিৰোধ কৰিব পাৰে অকল নেফাৰ থলুৱা লোকসকলৰ নৈতিক বলেহে, একপক্ষীয় শাসন বা সামৰিক শক্তিৰে নহয় আৰু তেওঁলোকৰ নৈতিক বল বৃদ্ধি হ'ব। যেতিয়া তেওঁলোকে বুজি পাব যে তেওঁলোক ভাৰতৰেই নাগৰিক। তেওঁলোকৰ দেশৰ মান-মর্যাদা অখণ্ডতা আৰু সার্বভৌমত্ব ৰক্ষা কৰাটো ভাৰতীয় নাগৰিক হিচাপে তেওঁলোকৰেই কর্তব্য। 'নাগৰিক' শব্দটো নেফাৰ লোকৰ ক্ষেত্রত এটা ভেঙুচালি মাথোন। প্রশাসনৰ দায়িত্বশীল মহলৰ মুখত নাগৰিক আৰু গণতন্ত্র শব্দ দুটা আখৈ ফুটাদি ফুটিছে। নেফাৰ লোকসকলে কোনো হিংসাত্মক কার্যত বিশ্বাস নকৰে। শান্তিপ্রিয় উপায়েৰে আৰু পাৰস্পৰিক বুজা-পৰাৰে কোনো এটা কাম সমাধান হ'লেহে সকলোৰে মংগল বুলি তেওঁলোকে বিশ্বাস কৰে। নেফাত গণতান্ত্রিক অনুষ্ঠান প্রৱর্তন কৰাৰ প্রশ্ন এতিয়ালৈকে তোলা নাই। নিজকে দেশৰ নাগৰিক বুলিবলৈ যিখিনি স্বত্বৰ দৰকাৰ সেইখিনিহে। এয়া মানৱতাৰ মুক্তি দাবীহে। চৰকাৰে এই দাবীৰ প্রতি সঁহাৰি দিয়াটো উচিত বুলি বিবেচনা নকৰে। ১৯৬৫ চনত নেফাত ভ্রম কৰা সংসদীয় প্রতিনিধি দলটোৱেও নেফাৰ এই উচিত আৰু ন্যায় দাবীক পূৰণ কৰি দিবলৈ কেন্দ্রীয় চৰকাৰৰ ওচৰত পৰামর্শ দাখিল কৰিছে। কিন্তু একপক্ষীয় শাসন ব্যৱস্থাত বাধা পৰাৰ ভয়ত সেই পৰামর্শ বিবেচনা নকৰাকৈ প্রত্যাখ্যান কৰা হ'ল।

লুম্মেৰ দাইৰ ৰচনাৱলী 'নেফাৰ চিঠি' সেই সময়ৰ নেফাৰ লোকসকলে সন্মুখীন হোৱা ব্রিটিছ চৰকাৰৰ শাসন ৰাজনৈতিক দলৰ প্রভাৱ গণতান্ত্রিক প্রসংগ, ধর্মীয় প্রসংগ, ৰাজনৈতিক প্রসংগ আদি এনেধৰণৰ দিশসমূহ প্রতিফলিত হোৱা দেখা যায়।

# তিলোত্তমা মিশ্রৰ ‘কা মেইখাৰ ঘৰ’ উপন্যাসত প্রতিফলিত সামাজিক-ঐতিহাসিক প্রসংগ




তুলসা ঢুংগেল

উত্তৰ-পূর্বাঞ্চলকেন্দ্রিক অসমীয়া সাহিত্যসমূহে অসমীয়া সাহিত্য জগতক বিশেষভাৱে সমৃদ্ধ কৰি আছে। উত্তৰ-পূর্বাঞ্চলৰ তথা অসমৰ চুবুৰীয়া ৰাজ্যসমূহৰ ঐতিহাসিক আৰু সামাজিক প্রেক্ষাপটসমূহৰ মূল আধাৰ হিচাপে লৈ ৰচনা কৰা এই সাহিত্যিক পাঠসমূহে অসমীয়া সাহিত্যৰ লগতে এই সাহিত্যিক পাঠসমূহে ইতিহাসৰ একো একোখন দলিল ৰূপত ঐতিহ্য সংৰক্ষণকাৰী হিচাপে কাম কৰি আছে বুলিব পাৰি।

উত্তৰ-পূর্বাঞ্চলৰ এখন অন্যতম ৰাজ্য মেঘালয়, অসমৰ পূর্বৰ ৰাজধানী শ্বিলঙৰ সমাজ জীৱনত অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ বিশেষ আছে। মেঘালয়ৰ ঐতিহাসিক আৰু সামাজিক প্রেক্ষাপটক কেন্দ্র কৰি ৰচিত উপন্যাসসমূহৰ ভিতৰত তিলোত্তমা মিশ্রৰ ‘কা মেইখাৰ ঘৰ’ উপন্যাসখন অন্যতম। উপন্যাসখনত স্বাধীনতাকালত মেঘালয়ত সংঘটিত হোৱা বিভিন্নধৰণৰ আন্দোলন আৰু অসমীয়া সমাজত চলি থকা বিভিন্ন প্রথাসমূহ এই উপন্যাসখনত প্রতিফলন হৈছে।

গতিকে উপন্যাসখনৰ অধ্যয়নৰ জৰিয়তে সমসাময়িক মেঘালয়ৰ ছবিখন পোহৰলৈ আহিব।

সেয়ে এই বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে। বিষয়বস্তু বিশ্লেষণ পদ্ধতিৰ জৰিয়তে উপন্যাসখনত প্রতিফলিত ঐতিহাসিক আৰু সামাজিক দিশসমূহক বিচাৰ কৰাৰ প্রয়াস কৰা হৈছে।

'কা মেইখাৰ ঘৰ' উপন্যাসখনত শ্বিলঙত স্বাধীনতাকালত সংঘটিত সমসাময়িক ঐতিহাসিক ঘটনাৰ উল্লেখ পোৱা যায়। এই উপন্যাসখনত ঔপন্যাসিকে উল্লেখ কৰিছে যে সেই সময়ত ইংৰাজ আৰু খাচী লোকসকলৰ মাজত যুদ্ধ হৈছিল। যুদ্ধৰ কাৰণ আছিল ইংৰাজসকলে খাচী পাহাৰৰ মাজেৰে পথ সাজিব বিচাৰিছিল। কিন্তু খাচী লোকসকলে ইয়াৰ বিৰোধ কৰিছিল। উপন্যাসখনত ইয়াৰ বর্ণনা এনেদৰে আছে—

'ইংৰাজসকলৰ অসমত আগমন হোৱাৰ পিছৰে পৰা তেওঁলোকে ব্রহ্মপুত্র উপত্যকা আৰু আৰু সুষমা উপত্যকাক সংযোগ কবিৰ বাবে খাচী পাহাৰৰ মাজেৰে এটা পথ সাজিবৰ বাবে সুযোগ বিচাৰি আছিল।' (পৃষ্ঠা ৩২)

কিন্তু সেই সময়ত খাচী লোকসকলৰ মাজত সন্দেহ উপজিলে যে ইংৰাজসকলে বাট-পথ সজাৰ ছলেৰে তেওঁলোকৰ স্বাধীনতাও কাঢ়িব ল'ব। সেইবাবে তেওঁলোকে ইংৰাজৰ বিৰুদ্ধে বিদ্রোহী
হৈ উঠিল আৰু যুদ্ধৰ সৃষ্টি হৈছিল। খাচী লোকসকলৰ ৰজা বীৰ তীৰত সিঙে এই যুদ্ধত উঠি পৰি লাগিছিল। উল্লিখিত বর্ণনাত ইংৰাজ আৰু খাচী লোকসকলৰ মাজত হোৱা যুদ্ধৰ ছবিখন স্পষ্ট ৰূপত প্রতিষ্ঠিত হৈছিল।

ভাৰতবর্ষৰ ৰাজনৈতিক স্বাধীনতাই কিমানখিনি পৰিৱর্তন আনিলে, তাৰ পুংখানুপুংখ বর্ণনা উপন্যাসখনত আছে। শ্বিলঙৰ এটা পৰিয়ালক কেন্দ্র কৰি আগবঢ়া কাহিনীটোত কংগ্রেছৰ আৰু মুছলিম লীগৰ নেতাসকলৰ খতিয়ান আছে—

'ভৈয়ামৰ পৰা স্বাধীনতা আন্দোলনৰ খবৰবোৰ এতিয়া খৰতকীয়াকৈ আহিবলৈ লৈছে। দেশীয় চৰকাৰ এখন পাতি শাসনভাৰ নিজৰ হাতলৈ আনিবলৈ কংগ্রেছ আৰু মুছলিম লীগৰ নেতাসকল সক্রিয় হৈ পৰিছে। তেওঁলোকৰ মূল লক্ষ্য হ'ল যিকোনো প্রকাৰে এখন চৰকাৰ গঠন কৰি শ্বিলঙত নিজৰ ৰাজনৈতিক শক্তি প্রতিষ্ঠা কৰা' (পৃষ্ঠা ১৩৮)

গতিকে কংগ্রেছ আৰু মুছলিম লীগৰ নেতাসকলৰ খতিয়ান কি আছিল, ইয়াৰ সম্পর্কে উপন্যাসখনত এনেদৰে বর্ণনা কৰা হৈছে।

ঠিক তেনেকৈ কমিউনিষ্টৰ পার্টীৰ উত্থান-পতনৰ কাৰণ সম্পর্কে এই উপন্যাসখনত বর্ণনা আছে—

'ভাৰতৰ স্বাধীনতাৰ বিষয়টোত কমিউনিষ্ট দলৰ স্থিতি কেনেধৰণৰ হ'ব সেই বিষয়ে নানা ধৰণৰ পৰস্পৰবিৰোধী মতাদর্শই দলটোৰ ভিতৰত তোলপাৰ লগাই থাকিল। প্রথমতে কমিউনিষ্টসকলৰ লক্ষ্য আছিল ভাৰতীয় স্বাধীনতাক সাম্রাজ্যবাদ আৰু সামন্তবাদবিৰোধী এক নতুন স্তৰলৈ লৈ গৈ ভাৰতীয় গণ বিপ্লৱৰ কাম গণতান্ত্রিকভাৱে সম্পন্ন কৰা। কিন্তু হঠাতে ৰাণাদিভৰ নেতৃত্বত এদল সদস্যই সশস্ত্র বিপ্লৱৰ পথ লৈ গেৰিলা যুদ্ধ কৰাৰ সিদ্ধান্ত ল'লে। লগে লগে ভাৰত চৰকাৰে দলটো নিষিদ্ধ কৰাৰ আদেশ জাৰি কৰিলে। চাৰিওফালে কমিউনিষ্টসকলক ধৰ-পাকৰ কৰা আৰম্ভ হ'ল।' (পৃষ্ঠা ১৫৩)

কমিউনিষ্ট পার্টীৰ উত্থান-পতন সম্পর্কে উপন্যাসখনত এনেদৰে বর্ণনা কৰা হৈছে।

তিলোত্তমা মিশ্রৰ এই উপন্যাসখনত সেই সময়ৰ সমসাময়িক সামাজিক ঘটনাসমূহো এই উপন্যাসখনত উপস্থাপন কৰিছে। ঔপন্যাসিকে এই উপন্যাসখনত জাতিভেদ, বাল্যবিবাহ আৰু খাচীয়া লোকসকলৰ সমাজ ব্যৱস্থাৰ দিশসমূহকো এই উপন্যাসখনত উল্লেখ কৰিছে।

সেই সময়ৰ অসমীয়া সমাজৰ মানুহৰ এনে মনোভাব আছিল যে নিজতকৈ সৰু জাতৰ ছোৱালী বিয়া কৰাটোত তেওঁলোকে বিৰোধ কৰিছিল। যেনে—

'...বাকী থাকিল হোম পুৰি বিয়া পতাৰ কথাটো। মই ক'লো যে সেইটো শাস্ত্রমতে সম্ভৱপৰ নহ'ব। গতিকে মন্দিৰত মালা সলনি কৰি বিয়া পাতিবলৈকে ঠিক কৰা হ'ল। তাৰ পিচত আইনমতে ৰেজিষ্ট্রী কৰা হ'ব। মন্দিৰলৈ ময়ো গ'লো। সকলো সুকলমে হৈ গ'ল। ধর্ম প্রভুৱে সিহঁতহালক নিশ্চয় সুখেৰে ৰাখিব। পঞ্চতীর্থই সন্তোষৰ হাঁহি এটা মাৰি কথা শেষ কৰিলে।

কথাই সিমানেইনে? জাত-পাতৰ কথাটো আপুনি এবাৰো নাভাবিলে? মানুহে কি ক'ব সেইটোও নেভাবিলে?' (পৃষ্ঠা ১২৬-১২৭)

উল্লিখিত বর্ণনাত দেখা পোৱা গ'ল যে সেই সময়ৰ সমাজত জাত-পাতক লৈ কেনে মনোভাব আছিল, তাৰ ছবিখন স্পষ্ট ৰূপত প্রতিষ্ঠিত হৈছে।

তদুপৰি সেই সময়ত অসমীয়া সমাজত ছোৱালীবোৰৰ বিবাহ খুব কম বয়সতে কৰাই দিয়া হৈছিল। সেই সময়ৰ কোনো কোনো মানুহে ভাবিছিল যে সেই সময়ৰ অসমীয়া সমাজৰ ছোৱালীবোৰে কবিতা পাঠ কৰিব নোৱাৰে, গানো গাব নোৱাৰে এনে মনোভাব তেওঁলোকৰ আছিল বুলি তেওঁ এই উপন্যাসখনত উল্লেখ কৰিছে। অৱশ্যে সেই সময়ত অসমীয়া সমাজত ছোৱালীবোৰক ন-দহ বছৰ বয়সত বিয়া কৰাই দিয়া হৈছিল।

এনেদৰে নানাধৰণে ছোৱালীবোৰক দমন কৰা হৈছিল বুলি তেওঁ এই উপন্যাসখনত উল্লেখ কৰিছে। যেনে—

'এইবাৰ দ্বাৰকানাথে আন এটা প্রসংগ লৈ আহিল ভট্ট। পিছে ছোৱালীক এনেকৈ নাচ-গান কৰি থাকিব দিব নে বিয়া-বাৰুৰ কথাও চিন্তা কৰিব?' (পৃষ্ঠা-৬৬)

উল্লিখিত বর্ণনাত সেই সময়ৰ সমাজত ছোৱালীবোৰক লৈ কেনেকুৱা মনোভাব আছিল ইয়াৰ ছবিখন স্পষ্ট ৰূপত প্রতিষ্ঠিত হৈছে।

তিলোত্তমা মিশ্রৰ দ্বাৰা ৰচিত 'কা মেইখাৰ ঘৰ' উপন্যাসত খাচী লোকসকলৰ সমাজ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা আছে। যেনে—

'খাচী সমাজত পৰিয়ালবোৰ মাতৃকেন্দ্রিক। সন্তানসকলে মাতৃৰ উপাধি লয় আৰু বিবাহৰ পিছত ছোৱালীবোৰে পতি গৃহলৈ নাযায়। পতিয়েহে পত্নীৰ ঘৰলৈ আহে। ঘৰৰ নুমলীয়া জীজনীক 'খাদু' বোলা হয়। মাতৃকুলৰ সকলো সম্পত্তিৰ গৰাকী তায়েই হয়।' (পৃষ্ঠা-৩৬)


উল্লিখিত বর্ণনাত খাচী সমাজৰ নাৰীতান্ত্রিক ছবিখন স্পষ্ট ৰূপত প্রতিষ্ঠা হৈছে।

তিলোত্তমা মিশ্রৰ 'কা মেইখাৰ ঘৰ' নামৰ উপন্যাসখনত স্বাধীনতাকালত শ্বিলঙত সংঘটিত হোৱা ঐতিহাসিক আৰু সামাজিক দিশসমূহৰ বিষয়ে এই উপন্যাসখনে সামৰি লৈছে।

'কা মেইখাৰ ঘৰ' উপন্যাসখনে শ্বিলঙৰ লোক সমাজখনৰ ছবিখন দাঙি ধৰিবলৈ সক্ষম হৈছে। বিশেষকৈ স্বাধীনতাকালত শ্বিলঙত সংঘটিত সমসাময়িক প্রসংগসমূহৰ জৰিয়তে ইয়াৰ স্পষ্ট ৰূপ পোৱা যায়। সেয়া হৈছে—

**(ক) ঐতিহাসিক প্রসংগ ঃ** ইংৰাজ আৰু খাচীসকলৰ মাজৰ যুদ্ধ, কংগ্রেছ আৰু মুছলিম লীগৰ নেতাসকলৰ খতিয়ান আৰু কমিউনিষ্ট পার্টীৰ উত্থান-পতনৰ যি ঐতিহাসিক সাক্ষ্য তাক উপন্যাসখনত স্পষ্ট ৰূপে পোৱা গৈছে।


**(খ) সামাজিক প্রসংগ ঃ** সমাজত নাৰীৰ অৱস্থান খাচীয়া সমাজ ব্যৱস্থা বাল্যবিবাহ আৰু জাতিভেদ প্রথাৰ প্রচলনৰ সাক্ষ্য বহন কৰিছে বুলিব পাৰি।



# আত্মবিশ্বাস

**মৌচম দুৱৰা**

সাগৰৰ দৰে বিশাল মনটোৱে
আকাশলংঘী সপোন দেখোঁ।
বাস্তৱত সেয়া জানো সত্য?
অতীতত হৈ যোৱা কিছুমান
ঘটনা-পৰিঘটনাই মনটোক কেতিয়াবা
বৰ বেয়াকৈ আঘাত দিয়ে।
তথাপিও জানো মনে মানে?
পর্বতৰ শিখৰৰ দৰে চিন্তা কৰে।
অতীতৰ কিছুমান কথাই
ভৱিষ্যতত আগবাঢ়ি যাবলৈ শিকায়
তথাপি জানো অতীতক
কোনোবাই পাহৰিব পাৰে?
অতীতৰ কিছুমান কথাই আৱেগৰ ঢৌ তোলে
তাক ব্যতিক্রম কৰি
আগুৱাই যোৱাটোৱেই হ'ল
আত্মবিশ্বাসৰ প্রমাণ।
ঘাত-প্রতিঘাত জীৱনলৈ আহেই
তাক চেৰ পেলাই
আগুৱাই যোৱাটোৱেই লক্ষ্য।




# ‘আই ক’ত নাই’ গল্পত প্রকাশিত প্রেক্ষাপট বিচাৰ

অনাম চেত্রী

উত্তৰ-পূৰ্বাঞ্চলৰ তথা অসমৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ড আৰু অসমৰ মাজত হোৱা সীমা বিবাদক মূল আধাৰ হিচাপে লৈ ৰচনা কৰা হৈছে এই গল্পটো। ১৯৭৯ চনৰ অসম আৰু নাগালেণ্ডৰ সীমা বিবাদ চলিছিল। সেই বিবাদত ৰাজনৈতিক ষড়যন্ত্ৰ, জনসাধাৰণৰ প্ৰতিক্ৰিয়া আৰু ভাতৃত্ববোধক কেন্দ্ৰ কৰি লিখা গল্পসমূহৰ ভিতৰত অৰুণ গোস্বামীৰ ‘আই ক’ত নাই’ গল্পটো অন্যতম।

এই গল্পটোত অসম আৰু নাগালেণ্ডৰ সীমা বিবাদৰ ফলত সাধাৰণ জনতাই ভোগ কৰা সমস্যাসমূহ দেখিবলৈ পোৱা যায়। অর্থাৎ ৰাজনৈতিক কাৰণত জনসাধাৰণে সন্মুখীন হ’বলগা সমস্যাসমূহ এই গল্পটোত প্রতিফলিত হৈছে।

গতিকে গল্পটো অধ্যয়নৰ জৰিয়তে অসম আৰু নাগালেণ্ডৰ সীমান্তৰতী লোকসকলে ভোগ কৰা সমস্যাসমূহ দেখিবলৈ পোৱা যায়। আৰু সেয়েহে ইয়াৰ অধ্যয়নৰ গুৰুত্ব

আছে। বিষয়বস্তু বিশ্লেষণৰ পদ্ধতিৰ জৰিয়তে গল্পটো প্ৰতিফলিত ৰাজনৈতিক, ভাতৃত্ববোধ, জনসধাৰণৰ প্ৰতিক্ৰিয়া আদি সকলো দিশ বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

অৰুণ গোস্বামীৰ 'আই ক'ত নাই' নামৰ গল্পটোৰ মূল বিষয়বস্তুসমূহৰ এটি চমু আভাস তলত আলোচনা কৰা হ'ল—

**১। ৰাজনৈতিক ষড়যন্ত্ৰ ঃ**

'আই ক'ত নাই' নামৰ গল্পটোত কিছু ৰাজনৈতিক ষড়যন্ত্ৰ দেখিবলৈ পোৱা যায়। এই গল্পটোত অসম আৰু নাগালেণ্ড সীমাৰ বিবাদত সাধাৰণ ৰাইজ কিদৰে সমস্যাৰ সন্মুখীন হ'বলগা হৈছিল সেই কথা উল্লেখ কৰা আছে। যিয়ে দুয়ো ৰাজ্যৰ সম্পৰ্কত দীৰ্ঘকালীন প্ৰভাৱ পেলাইছিল। ১৯৭৯ চনত আৰম্ভ হোৱা এই সীমাবিবাদত দুয়োপক্ষৰ চৰকাৰৰ মাজত ৰাজনৈতিক দিশত ঘটা মতামতৰ ফলশ্ৰুতি ভোগ কৰিবলগা হৈছিল সাধাৰণ ৰাইজে। কিন্তু সকলো ৰাইজ এই ৰাজনৈতিক কথাৰ পৰা আঁতৰি আছিল।

চৰকাৰৰ ৰাজনৈতিক কাৰণত সাধাৰণ সীমান্তৰতী লোকসকলে বিভিন্ন সমস্যা যেনে— বন্দুক, বাৰুদ, জুই আদিৰ সৈতে এক ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হৈছিল। অসম আৰু নাগালেণ্ডৰ মাজত বিবাদৰ ফলত গাঁওবাসীৰ চকুৰ আগতেই শত্ৰুপক্ষই জুই জ্বলাই গৈছিল। প্ৰাণৰ মমতাত সকলো গাঁওবাসীয়ে গাঁও এৰি তিনি মাহ ধৰি থাকিব লগা হৈছিল। সেই ৰাজনৈতিক ষড়যন্ত্ৰৰ ফলত সীমান্তৰতীসকলে বহু সমস্যা ভোগ কৰিবলগা হয়।

**২। জনসাধাৰণৰ প্ৰতিক্ৰিয়া ঃ**

'আই ক'ত নাই' গল্পটোত অসম আৰু নাগালেণ্ডৰ মাজত হোৱা সীমান্ত বিবাদত জনসাধাৰণৰ প্ৰতিক্ৰিয়া দুয়ো ৰাজ্যতে গভীৰ, সংবেদনশীল আৰু স্থানীয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। সীমান্ত অঞ্চলত থকা গাঁওবোৰত মানুহে প্ৰায়েই গুলীচালনা, ঘৰ জ্বলাই দিয়া আৰু স্থানচ্যুতিৰ দৰে ঘটনাৰ সন্মুখীন হয়।

দুয়ো পক্ষৰ চৰকাৰৰ ৰাজনৈতিক কাৰণ সামান্য জনসাধাৰণে বহুতো সমস্যাৰ সন্মুখীন হয়। সেই বাবে অঞ্চলবাসীয়ে আশা কৰিছিল যে দুই ৰাজ্যৰ সমাজত শান্তিপূৰ্ণ আৰু স্থায়ী সমাধান হয়। এই সীমান্ত বিবাদ এটা ৰাজনৈতিক আৰু প্ৰশাসনিক অৱহেলাৰ ফল, যাৰ বাবে ভুক্তভোগী হ'ল জনগণ। সেয়ে বহু লোকে ভাবিছিল যে সমস্যাটো আলোচনাৰ জৰিয়তে সমাধান হয় আৰু সীমান্ত অঞ্চলৰ শান্তিপূৰ্ণ জীৱন পুনৰ উভতি আহে।

**৩। ভাতৃত্ববোধ ঃ**


উক্ত গল্পটোত মাতৃত্ববোধৰ এক সুন্দৰ চিত্ৰ প্ৰদৰ্শন কৰিছিল। লেখকৰ কলমত নাৰীৰ মনৰ কোমলতা আৰু সন্তানৰ প্ৰতি স্নেহ অতি সুন্দৰভাৱে প্ৰকাশ পাইছে।

শত্ৰুপক্ষই যেতিয়া যুদ্ধৰ সময়ত ভেকোলাৰ গাঁওখনত অগ্নিদগ্ধ কৰিছিল, তেতিয়া প্ৰাণৰ মমতাত সকলো গাঁওবাসী পলাই যাবলৈ বাধ্য হৈছিল। ভেকোলাৰ পত্নী খুদমায়ে শুই থকা 'সোণ মানুহ'ৰ সলনি খৰ খেদাত এটা গাৰু বুকুত লৈ পলাইছিল। যেতিয়া তাই নিজৰ বুকুত সোণ মানুহৰ সলনি গাৰু এটা দেখিলে, তাই অলসভাৱে কান্দিবলৈ ধৰিলে। সকলোৱে ভাবিছে 'সোণ মানুহ' ঘৰৰ সৈতে জুই পুৰি ছাই হৈ গ'ল। তিনি মাহৰ পিছত তাই যেতিয়া পুনৰ নিজৰ ঘৰলৈ উভতি আহিল, তাই পুৰণি ঘৰ থকা ঠাইত নিজৰ ছাই বিচাৰি ফুৰিছিল। এই দৃশ্যই অতি কৰুণভাৱে তাইৰ মনত পাৰহীন বেদনা, পুত্ৰস্নেহ আৰু অসহায় অৱস্থা দেখা যায়।

সোণ মানুহক এক নাগিনী নাৰীয়ে শুই থকা অৱস্থাত অগ্নিদগ্ধ ঘৰখনৰ পৰা উদ্ধাৰ কৰি নিজৰ ঘৰলৈ লৈ গৈছিল। যদিও তাই 'সোণ মানুহ'ৰ শত্ৰুপক্ষৰ নাৰী আছিল, কিন্তু অলেখ মৰমেৰে কেঁচুৱাটোক আপোন কৰি ৰাখিছিল। তিনি মাহৰ পিচত যেতিয়া খুদমাই 'সোণ মানুহ'ক নিবলৈ আহিল তাই অতি গধুৰমনেৰে তাক বিদায় দিছিল। তাইৰ মৰমৰ ত্যাগ আৰু খুদমাইৰ নিজৰ হেৰুৱা পুত্ৰৰ প্ৰতি থকা আকুলতা আদিৰ জৰিয়তে গোস্বামীদেৱে 'আই ক'ত নাই' গল্পটোত মাতৃত্বৰ এক সুন্দৰ নিৰ্দশন দাঙি ধৰিছে।

'আই ক'ত নাই' গল্পৰ লেখক অৰুণ গোস্বামী সাৰ্থক হৈছে। লেখকে সুন্দৰভাৱে দেখুৱাবলৈ সক্ষম হৈছে যে কেনেকৈ দুখন ৰাজ্যৰ মাজত হোৱা সংঘাতে সীমান্তৰতী সৰল আৰু সাধাৰণ জনতাই কোনো ভুল নকৰাকৈ অহস্য যন্ত্ৰণা ভুগিবলগা হৈছিল। লগতে গল্পটোৰ সামৰণিৰ জৰিয়তে অৰুণ গোস্বামীয়ে দেখুৱাবলৈ সক্ষম হৈছে যে প্ৰেম আৰু মাতৃত্বই সদায় শত্ৰুতা আৰু হিংসাৰ ওপৰত জয় লাভ কৰে।

অৰুণ গোস্বামীৰ 'আই ক'ত নাই' হঠাৎ হোৱা আৰম্ভণি, অতৃপ্তিক পৰিসমাপ্তি আদিৰ সৈতে লেখকৰ আৱেগক সম্পূৰ্ণৰূপে আয়ত্ত কৰি মানৱ চৰিত্ৰ, খুদমাই ভোকোনাৰ বাস্তৱ জীৱনৰ এটি খণ্ডিত চিত্ৰত প্ৰকাশ কৰা হৈছে।




# বিপাশা বৰাৰ
# জাকাৰান্দা
## উপন্যাসত মেঘালয়ৰ ঐতিহাসিক-সামাজিক প্ৰেক্ষাপট

**নিলাক্ষী গগৈ**

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন সৌন্দৰ্যময় ৰাজ্য হ'ল মেঘালয়। ব্ৰিটিছ শাসনাধীন সময়ছোৱাত অসম আৰু মেঘালয় এখন ৰাজ্য হিচাপে সংযোগ হৈ আছিল। সেই সময়ত অসমৰ ৰাজধানী আছিল শ্বিলং। কিন্তু ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী সময়ত ১৯৭০ চনত মেঘালয় আৰু অসম কিছু সংশোধিত কাৰণত দুখন পৃথক ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছিল আৰু ১৯৭২ চনৰ ২১ জানুৱাৰীত এখন নতুন ৰাজ্য হিচাপে মেঘালয় ৰাজ্য প্ৰতিষ্ঠা হয়।

মেঘালয়ৰ দেশ বিভাজনৰ প্ৰাচীন আৰু সমসাময়িক অসমীয়া সমাজখনৰ ওপৰত আধাৰ কৰি বহুতো গ্ৰন্থৰ ৰচনা কৰি উলিয়াইছে। এই গ্ৰন্থসমূহৰ ভিতৰত 'জাকাৰান্দা' উপন্যাস বিপাশা বৰাৰ এখন অন্যতম উল্লেখযোগ্য গ্ৰন্থ।

'জাকাৰাবান্দা। উপন্যাসত মূলতঃ শ্বিলঙৰ প্ৰাচীন তথা ঐতিহাসিক আৰু সমকালীন সমাজখনক দাঙি ধৰা দেখা যায়। গতিকে উপন্যাসখনৰ আলোচনাৰ জৰিয়তে মেঘালয়ৰ ঐতিহাসিক প্ৰেক্ষাপটসমূহক পোহৰলৈ আনাৰ লগতে সমসাময়িক সমাজৰ সামাজিক অৱস্থিতি সম্পৰ্কে ধাৰণা স্পষ্ট হোৱা অৱকাশ আছে। সেয়ে
বিষয়বস্তু বিশ্লেষণৰ পদ্ধতিৰ জৰিয়তে 'জাকাৰান্দা' উপন্যাসখনক এই অধ্যয়নৰ মূল হিচাপে লৈ মেঘালয়ৰ ঐতিহাসিক আৰু সামাজিক প্ৰসংগসমূহক বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

**১.১ অসম আৰু মেঘালয় ৰাজ্য বিভাজন আৰু ইয়াৰ পৰিণতিঃ**

১৯৭০ চনৰ আগৰ সময়ছোৱাত অসম আৰু মেঘালয়

এখন ৰাজ্য হিচাপে সংযোগ হৈ আছিল। অসমৰ ৰাজধানী আছিল শ্বিলং। সেই সময়ত অসম চৰকাৰে পাহাৰ-ভৈয়ামৰ সকলো অঞ্চলৰ বিদ্যালয়সমূহত অসমীয়া ভাষাৰ বাধ্যতামূলক প্ৰচলন আছিল। যাৰ ফলত পাহাৰৰ খাচী লোকসকলৰ মাজত বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। তেওঁলোকে নিজৰ স্বকীয়তাক ধৰি ৰাখিবলৈ আন্দোলনৰ সৃষ্টি কৰিছিল। বিপাশা বৰাই 'জাকাৰান্দা' উপন্যাসত এই সন্দৰ্ভত এনেদৰে উল্লেখ কৰিছে—

'যেতিয়া অসম চৰকাৰে অসমৰ অন্তৰ্গত সকলোবোৰ বিদ্যালয়তে অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ বাবে ১৯৬০ চনত অসম চৰকাৰী ভাষা আইন প্ৰণয়ন কৰিব খুজিলে, তেতিয়াই তাৰেই তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে নিজাকৈ কৰি তুলিলে...।' (খণ্ড ১ম, অধ্যায় ১ম, পৃষ্ঠা )

ইয়াৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে হিল ষ্টেট গঠন হৈ অসম আৰু মেঘালয় দুখন পৃথক ৰাজ্য হিচাপে বিভাজন হয়। ১৯৭২ চনত মেঘালয়ে এখন নতুন ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে আৰু ৰাজ্যিক ভাষা হিচাপে ইংৰাজী ভাষাৰ প্ৰচলন কৰে। 'জাকাৰান্দা' উপন্যাসত ঔপন্যাসিকে উল্লেখ কৰিছে—

'তেওঁলোকৰ ওপৰত জোৰকৈ জাপি দিব খোজা অসমীয়াত্বৰ পোছাকযোৰ সোলোকাই মুক্ত হৈছিল পাহাৰীয়া মানুহবোৰ...।' (খণ্ড ১ম, অধ্যায় ১ম, পৃষ্ঠা ১১-১২)

ৰাজ্য বিভাজনৰ সুযোগ লৈ পূৰ্ববংগৰ পৰা বাঙালী, নেপালী আদি বহিৰাগত লোকসকল ভৰি পৰিছিল মেঘালয় ৰাজ্যত। পাহাৰৰ খাচী লোকসকলে বহিৰাগত খিলঞ্জীয়া লোকসকলক 'দখাৰে' বুলি সম্বোধন কৰিছিল। পাহাৰৰ খাচী জনগোষ্ঠীৰ লোকসকলে বহিৰাগত লোক বা দখাৰেসকলক খেদিবৰ বাবে কিছুমান দল-সংগঠনৰ গঠন হৈছিল। এই সংগঠনসমূহৰ ভিতৰত এটা বৃহৎ 'ফাইভ ষ্টাৰ' নামৰ দল সৃষ্টি হৈছিল। বিপাশা বৰাই 'জাকাৰান্দা' উপন্যাসত এই সন্দৰ্ভত এনেদৰে উল্লেখ কৰিছে—

'এতিয়া এই ফাইভ ষ্টাৰ বোলাটোৱেও টাৰ্গেট কৰি লৈছে বাঙালী-অসমীয়াক...।' (খণ্ড ১ম, অধ্যায় ৭ম, পৃষ্ঠা ৪)

এই সংগঠনটোৰ পৰা অঞ্চলসমূহত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। সৰু ল'ৰা-ছোৱালীৰ পৰা আদি কৰি বুঢ়া-বুঢ়ীলৈকে সকলোৰে মনত জাগি উঠিছিল ভয়-সংশয়ৰ। এই সংগঠনটোৱে বহিৰাগত বাঙালী, অসমীয়া আদি কৰি সকলোৰে ওপৰত অত্যাচাৰ চলাইছিল। তেওঁলোকে বহিৰাগত মানুহ য'তে লগ পাইছিল তাতে মাৰি-কাটি পেলাইছিল। ৰাতি হ'লে ঘৰবিলাকৰ ওপৰত শিল দলিওৱা, কাৰ্ফিউ, ব্লেক আউট আদি বিভিন্ন ধৰণেৰে অত্যাচাৰ কৰিছিল। বিপাশা বৰাই 'জাকাৰান্দা' উপন্যাসত উল্লেখ কৰিছে—

'ঘৰৰ টিঙত ওৰে ৰাতি শিলাবৰ্ষণ, ব্লেক আউট, কাৰ্ফিউ এইবিলাকে দখাৰেসকলক ভীতিগ্ৰস্ত কৰি ৰাখিছিল অহৰহ...।' (খণ্ড ১ম, অধ্যায় ৮ম, পৃষ্ঠা ৫-২)

শ্বিলঙত বাস কৰা অসমীয়া, বাঙালী, বিহাৰী, নেপালী আদি সকলো লোকেই এনে পৰিস্থিতিৰ সন্মুখীন হৈছিল। যাত্ৰীবাহী লোকসকলক বাছৰ পৰা নমাই হত্যা কৰাৰ ঘটনাও সংঘটিত হৈছিল। এইক্ষেত্ৰত ঔপন্যাসিকে 'জাকাৰান্দা' উপন্যাসত এনেদৰে উল্লেখ কৰিছে—

'শ্বিলং ডাউকীৰ মাজৰ লাইট লিংকট নামৰ গাঁও এখনৰ সমীপত আঠজন বাঙালী হিন্দুক বাছৰ পৰা নমাই শিলাবৰ্ষণ কৰি নিৰ্মমভাৱে হত্যা কৰা হৈছিল....।' (খণ্ড ১ম, অধ্যায় ৮ম, পৃষ্ঠা ৫২)

এনে পৰিস্থিতিত বহু লোকে শ্বিলং এৰি থৈ ভৈয়ামলৈ গৈছিল। খাচীয়াসকলে দাবী কৰিছিল পাহাৰত কেৱল তেওঁলোকৰ ৰাজত্ব চলিব আৰু দখাৰেসকলে পাহাৰ এৰি যাব লাগিব। অৰ্থাৎ তেওঁলোকে নিজৰ দেশ আৰু জাতি ৰক্ষা কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। তেওঁলোকে নিজৰ স্বকীয়তা ধৰি ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ উমান পোৱা যায়।

**১.২ মেঘালয়ত বাংলাদেশীৰ আগমনৰ ঐতিহাসিক সাক্ষ্য ঃ**

১৯৭১ চনত বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ছোৱাত বাংলাদেশৰ বঙালীসকলে মেঘালয়লৈ বেপাৰ-বাণিজ্যৰ উদ্দেশ্যে আহিছিল। বাংলাদেশৰ পৰা মেঘালয়লৈ অহা প্ৰথম ব্যক্তি দুজন গোলাম হাইদৰ আৰু কাছিমুদ্দিন মোল্লা। 'জাকাৰান্দা' উপন্যাসত ইয়াৰ উল্লেখ এনেদৰে পোৱা যায়।

'চেৰাপুঞ্জীলৈ ব্ৰিটিছ অহাৰ সমসাময়িকভাৱে চিলেট নে মৈমনসিঙৰ পৰা বেপাৰ কৰিবলৈ আহিছিল গোলাম হাইদৰ আৰু তেওঁৰ পুত্ৰ কাছিমুদ্দিন মোল্লা। তেওঁলোকেই আছিল মেঘালয়লৈ অহা প্ৰথম দুজন বাঙালী...।' (খণ্ড ২য়, অধ্যায় ১৪, পৃষ্ঠা ২৫)

১৮৭৮ চনত শ্বিলঙৰ পুলিচ বজাৰত প্ৰথমখন ডিপাৰ্টমেণ্টল ষ্ট'ৰ গোলাম হাইদৰ এণ্ড ছনছৰ প্ৰতিষ্ঠা তেওঁলোক দুজনে কৰিছিল। ইয়াৰে পিছৰ পৰাই বাংলাদেশী লোকসকল মেঘালয়লৈ অহৰহ আগমন হৈছিল। গতিকে উপন্যাসখনত বাংলাদেশী আগমন সন্দৰ্ভত যি ঐতিহাসিক তথ্য আছে, সি আজিও সাক্ষ্য বহন কৰিছে।

**১.৩ মেঘালয়ৰ জাতীয় সংগঠনসমূহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া ঃ**

শিলঙত বহিৰাগত লোকসকলক খেদিবৰ বাবে গঢ় লৈ উঠিছিল জাতীয় সংগঠনসমূহৰ। এই সংগঠনসমূহে বহিৰাগত লোকসকলক খেদিবৰ বাবে বিভিন্নধৰণৰ কার্যপন্থা হাতত তুলি লৈছিল। শিলঙৰ পুলিচ বজাৰত ৰাস্তাৰ আশে-পাশে ৰখাই থোৱা মেঘালয়ৰ বাহিৰৰ বাহনসমূহ জাতীয় সংগঠনসমূহে জ্বলাই দিছিল। ইয়াৰ লগতে ৰাস্তাৰ কাষৰ ডাঙৰ ডাঙৰ দোকানবোৰো জ্বলি শেষ হৈছিল। এই অগ্নিকাণ্ডত বহু লোকৰ মৃত্যু হৈছিল। তেওঁলোকে কাকো ভয় কৰা নাছিল। আনকি পুলিচলৈও ভয় কৰা নাছিল এই সংগঠনসমূহে। সাধাৰণ জনতাৰ লগতে পুলিচলৈও পেট্ৰ'ল বোমা দলিয়াইছিল। এই সন্দর্ভত 'জাকাৰান্দা' উপন্যাসত ঔপন্যাসিকে এনেদৰে উল্লেখ কৰিছে—

'ইতিমধ্যে কেৱল শিলঙতে বিশতকৈও অধিক অগ্নিসংযোগৰ ঘটনা সংঘটিত হৈছিল। পেট্ৰ'ল বোমা নিক্ষেপ কৰা হৈছিল সাধাৰণ জনতা আৰু পুলিচলৈ...।' (খণ্ড ২য়, অধ্যায় ১৫, পৃষ্ঠা ১০৩)

গতিকে ইয়াৰ দ্বাৰা গম পোৱা গ'ল যে সেই সময়ত সংগঠনসমূহৰ এনেধৰণৰ কার্যকলাপে সৃষ্টি কৰা অৰাজক পৰিস্থিতি আৰু সাধাৰণ জনতাৰ প্ৰতি যি অমানুষিক আচৰণ তাৰ তথ্য উপন্যাসখনত দাঙি ধৰিছে।

শিলঙৰ পুলিচ বজাৰত ৰাস্তাৰ আশে-পাশে ৰখাই থোৱা মেঘালয়ৰ বাহিৰৰ বাহনসমূহ জাতীয় সংগঠনসমূহে জ্বলাই দিছিল। ইয়াৰ লগতে ৰাস্তাৰ কাষৰ ডাঙৰ ডাঙৰ দোকানবোৰো জ্বলি শেষ হৈছিল। এই অগ্নিকাণ্ডত বহু লোকৰ মৃত্যু হৈছিল।

**১.৪ মেঘালয়ত সংঘটিত পেট্ৰ'ল বোমা বিস্ফোৰণ আৰু ইয়াৰ প্ৰভাৱ ঃ**

মানুহে পর্যটন কৰিবলৈ যোৱা পৃথিৱীৰ বিভিন্ন দেশসমূহৰ ভিতৰত মেঘালয় ৰাজ্যখন এখন অন্যতম সুন্দৰ ঠাই। মেঘালয় ফুৰিবলৈ যোৱা পর্যটনৰ ভিৰ বাৰ মাহে থাকে। কিন্তু শিলঙৰ বোমা বিস্ফোৰণৰ ফলত তালৈ পর্যটনসকলৰ যাত্ৰা বন্ধ হৈ পৰিছিল। যাৰ ফলত শিলঙৰ স্থানীয় বাসিন্দাসকলৰ দৈনিক টকা-পইচা অর্জনৰ বাট বন্ধ হৈ পৰিছিল। বিশেষকৈ ব্যৱসায়-বাণিজ্যৰ লগত সম্পর্ক থকা লোকসকলে এনে পৰিস্থিতিৰ সন্মুখীন হৈছিল। তেওঁলোকে বিচাৰিছিল অন্য দেশৰ পৰা মেঘালয় ফুৰিবলৈ অহাটোত বোমা নিক্ষেপণে বাধা দিব। ফলত শিলঙৰ সর্বসাধাৰণ জনতাক জুৰুলা কৰি পেলাইছিল। এইক্ষেত্ৰত বিপাশা বৰাই 'জাকাৰান্দা' উপন্যাসত এনেদৰে উল্লেখ কৰিছে—

'গোটেই পৰিস্থিতিটোৰ ভুক্তভোগী হৈছিল সাধাৰণ পেটে-ভাতে জীৱন প্ৰৱর্তাই থকাসকল...।' (খণ্ড ২য়, অধ্যায় ১৫, পৃষ্ঠা ১০৪)

অর্থাৎ মেঘালয়ৰ সাধাৰণ জনতাই অন্য দেশৰ লোকসকল মেঘালয় ফুৰিবলৈ অহাটো বিচাৰিছিল। কিন্তু জাতীয় সংগঠনসমূহে সেই ঠাইলৈ অহা-যোৱাটো বন্ধ কৰি দিছিল।

**২.০ 'জাকাৰান্দা' উপন্যাসত প্ৰতিফলিত সামাজিক প্ৰেক্ষাপটঃ**

**২.১ দেশ বিভাজনৰ ফলত খাচীয়া সমাজত প্ৰভাৱ ঃ**

অসমৰ পৰা মেঘালয়লৈ চাকৰিৰ সূত্ৰে যোৱা বহুতো অসমীয়া ডেকা দেশ বিভাজনৰ ফলত সেই ঠাই এৰি আহিবলগা হৈছিল। অসমীয়া ডেকাসকলৰ বহুতৰে পাহাৰৰ খাচীয়া গাভৰুৰ সৈতে আন্তৰিক সম্পর্ক স্থাপন আৰু যোগসূত্ৰ স্থাপনৰ প্ৰয়াস দেখিবলৈ পোৱা যায়। বিপাশা বৰাৰ 'জাকাৰান্দা' উপন্যাসত এই সন্দর্ভত এনেদৰে পোৱা যায়—

'সেই যুগৰ বহু অসমীয়া ডেকাই পাহাৰত চাকৰি কৰিবলৈ আহি খাচী গাভৰুৰ সৈতে সম্পর্ক স্থাপন কৰি পিছত সেই সংসাৰ এৰি থৈ গৈ ভৈয়ামত আকৌ নতুন সংসাৰ কৰিছিলগৈ...।' (খণ্ড ১ম, অধ্যায় ১ম, পৃষ্ঠা ১২)

চাকৰি কৰিবলৈ অহা অসমীয়া ডেকাসকলে পাহাৰৰ সহজ-সৰল খাচী গাভৰুসকলৰ সৈতে শাৰীৰিক সম্পর্ক স্থাপন কৰিছিল। পিছত তেওঁলোকে সেই গাভৰুক গর্ভাৰস্থাত এৰি ভৈয়ামলৈ ঘূৰি আহিছিল আৰু ভৈয়ামলৈ আহি আকৌ নতুন সংসাৰ কৰিছিল। এনে পৰিস্থিতিত সমাজৰ লঘু-লাঞ্ছনাৰ সন্মুখীন হৈ বহু পাহাৰীয়া খাচী গাভৰুৱে মৃত্যুক সাবটি লৈছিল

আকৌ কিছুমানে তেওঁলোকৰ প্ৰেমাস্পদ ডেকালৈ অপেক্ষা কৰিছিল। দেশ বিভাজনত অসম আৰু মেঘালয়ৰ সকলো যোগাযোগৰ পথ বন্ধ কৰি দিছিল। সমাজৰ উচ্ছৃংখল পৰিৱেশৰ বাবে সেই ঠাই এৰি যোৱা বহুতো অসমীয়া ডেকাই তেওঁলোকৰ পাহাৰীয়া প্ৰেমিকালৈ পঠিওৱা চিঠি ক'ৰবাত হেৰাই গৈছিল। অৰ্থাৎ এই বৰ্ণনাৰ ছবিখনেৰে সেই সময়ৰ সমাজ-সংস্কৃতিত সৃষ্টি হোৱা বিশৃংখল পৰিৱেশৰ কথাৰ উমান পোৱা যায়।

**২.২ মেঘালয়ৰ খাচীয়া সমাজৰ সামাজিক লোক-বিশ্বাস ঃ**

অসমীয়া সমাজৰ দৰে খাচীয়া সমাজৰ লোকসকলেও মৌখিকভাৱে পূৰ্বৰ পৰা প্ৰচলিত হৈ অহা লোককথাসমূহ বিশ্বাস কৰে। তেওঁলোকে আদিতে সোণৰ জখলাৰে পৃথিৱীলৈ অহা বুলি ক'ব খোজে। তেওঁলোকৰ উপাস্য দেৱতা উৱ্লেই দেৱতাৰ লগত বাস কৰা ষোল্লটা ফৈদৰ মাজৰ পৰা সাতটা ফৈদক পৃথিৱীলৈ পঠাইছিল। আন এটা স্বৰ্গত থাকি অহা 'কি হাইনিও ট্ৰেপ' ফৈদকেইটা মাক আৰু সন্তানক বান্ধি থোৱা নাড়ীডালৰ সৈতে বান্ধ খাই আছিল। সৰগ আৰু মৰতৰ মাজত সংযোগ হৈ থকা নাড়ীডাল ৰ্লেই দেৱতাই এদিন ছিঙিবলৈ আদেশ দিছিল। তেওঁলোকৰ পৰম্পৰাগত খাচী টোটেম উপাসকসকলৰ বাবে 'চ'হপেট নেং' পৱিত্ৰ শৃংগ এই পাহাৰৰ চুঙাৰ পৰাই সৰগৰ জখলাডাল সংযোগ হৈ আছিল বুলি তেওঁলোকে বিশ্বাস কৰে। বিপাশা বৰাৰ 'জাকাৰান্দা' উপন্যাসত তাৰ উমান এনেদৰে পোৱা যায়—

'প্ৰতি বছৰে ফেব্ৰুৱাৰী মাহত প্ৰথম সপ্তাহত তেওঁলোকে নিজৰ পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা যাচিবলৈ এই পাহাৰৰ টিংটোলৈ যায়...।' (খণ্ড ২য়, অধ্যায় ১৮, পৃষ্ঠা ১২২)

খাচীসকলৰ বহুতো জাতিৰ ভিতৰত 'চেং' এটা অন্যতম। তেওঁলোকে উৱ্লেই দেৱতাৰ প্ৰতি প্ৰাণ উছৰ্গা কৰিছিল। তেওঁলোকে সমাজৰ মংগলৰ কাৰণে বলি দিয়াৰ দৰে প্ৰথাৰ উমান পোৱা যায়। এইক্ষেত্ৰত 'জাকাৰান্দা' উপন্যাসত ঔপন্যাসিকে এনেদৰে উল্লেখ কৰিছে—

'এইসকলে সংকট মোচনৰ বাবে নিজেই আগবাঢ়ি আহিছিল শিৰত ৰঙা ফুল আৰু একোছা ৰঙা ফানেৰে মতা কুকুৰা এটি...। বহু যুগৰ আগেয়ে বলি দিয়া কুকুৰাটোৰ কলিজাৰ ধপ্‌ধপনিত বন্ধ হৈ গৈছিল বৰ্তমানটো।' (খণ্ড ২য়, অধ্যায় ১৮, পৃষ্ঠা ১২২)

অসমীয়া সমাজতো আহোমসকলৰ এনে বলি-বিধানৰ প্ৰচলন দেখিবলৈ পোৱা যায়। এনেক্ষেত্ৰত আহোম আৰু খাচীসকলৰ বহু পৰিমাণে মিল পোৱা যায়। অৰ্থাৎ তেওঁলোকে নিজৰ ধৰ্ম-সংস্কৃতি, ৰীতি-নীতি ধৰি ৰখাৰ চেষ্টা কৰিছিল।

খাচীয়া সমাজৰ লোকসকলে কোনো বস্তুৰ নামকৰণৰ আঁৰত একোটা কাহিনী জড়িত হৈ থাকে বুলি বিশ্বাস কৰে। তামোল-পাণ, চূণ-ধঁপাত আদি নামকৰণৰ আঁৰত একো এজন ধনী ঘৰৰ ব্যক্তি নিক মহাজন আন এজন তেওঁৰ বন্ধু দৰিদ্ৰ পৰিয়ালৰ ব্যক্তি শ্বিংৰাটি আৰু তেওঁৰ পত্নী লাক আৰু এটা চোৰৰ কাহিনী জড়িত হৈ আছে বুলি ক'ব খোজে। এইক্ষেত্ৰত 'জাকাৰান্দা' উপন্যাসত বিপাশা বৰাই উল্লেখ কৰিছে—

'যেতিয়া সেই দেৱতাই শ্বিং, লাক, নিক মহাজন আৰু চোৰটোৰ দুৰ্দশা দেখিলে, তেতিয়াই তেখেতে নিক কোৱাইক তামোল, শ্বিঙক পাণ, লাকক চূণ আৰু লুকাবলৈ অহা চোৰটোক ধঁপাতলৈ পৰিৱৰ্তন কৰিলে...।' (খণ্ড ২য়, অধ্যায় ২০, পৃষ্ঠা ১০৬)

খাচী সমাজত এনেধৰণৰ পূৰ্বৰ পৰা প্ৰচলিত হৈ অহা মৌখিক লোককথা আৰু লোক-বিশ্বাসে বিশেষভাৱে ক্ৰিয়া কৰি থকা দেখা যায়। অৰ্থাৎ ইয়াৰ পৰা তেওঁলোকৰ সমাজত প্ৰচলিত লোক-বিশ্বাস বা লোককথাৰ উমান পোৱা যায়।

**৩.১ উপসংহাৰ ঃ**

(ক) 'জাকাৰান্দা' উপন্যাসখনে মেঘালয়ৰ দেশ বিভাজনৰ ঐতিহাসিক সাক্ষ্য দাঙি ধৰিছে। বিশেষকৈ,

১। অসম আৰু মেঘালয় ৰাজ্য বিভাজন আৰু পৰিণতি,

২। মেঘালয়ত বাংলাদেশী আগমনৰ ঐতিহাসিক সাক্ষ্য,

৩। মেঘালয়ৰ জাতীয় সংগঠনসমূহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া,

৪। মেঘালয়ত সংঘটিত পেট্ৰ'ল বোমা বিস্ফোৰণ আৰু ইয়াৰ পৰিণতি,

৫। ৰাজধানী স্থানান্তৰণ আৰু অসমীয়া সমাজত ইয়াৰ প্ৰকাৰ এই দিশকেইটাৰ পৰা মেগালয়ৰ প্ৰাচীন তথা ঐতিহাসিক দেশ-জাতি ৰক্ষা কৰাৰ যি প্ৰচেষ্টা তাৰ স্পষ্ট ৰূপ পোৱা যায়।

(খ) 'জাকাৰান্দা' উপন্যাসখনে মেঘালয়ৰ লোক-সমাজখনৰ ছবিখন দাঙি ধৰিবলৈ সক্ষম হৈছে। বিশেষকৈ খাচীয়া লোক-সমাজত প্ৰচলিত লোক-বিশ্বাসসমূহৰ চিত্ৰণৰ জৰিয়তে স্পষ্টতা পোৱা যায়।



# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ
## গীতত সংগ্ৰামী চেতনা

**পল্লৱী সোনোৱাল**

বৈচিত্ৰ্যময়ী সোণালী অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ লোকসকলৰ মাজত বৈচিত্ৰ্যৰ মাজত ঐক্য হৈ নিষ্ঠাৰে জীয়াই থাকি অসমৰ অসমীয়া জাতিসত্তা গঠনৰ ক্ষেত্ৰত কলা, সাহিত্য, নাটক, সংগীত ইত্যাদিৰ মাধ্যমেৰে নিজস্ব উল্লেখনীয় বৰঙণি আগবঢ়োৱা অনন্য প্ৰতিভাসম্পন্ন মহান ব্যক্তিগৰাকীয়েই হ'ল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। এইজনা মহান ব্যক্তিয়ে জন্মগ্ৰহণ কৰিছিল ১৯০৯ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখে বৰ্তমানৰ বাংলাদেশ ঢাকাত। আৰু দেহাৱসান ঘটিছিল ১৯৩৯ চনৰ ২০ জুন তাৰিখে। 'কলাগুৰু' হিচাপে বিষ্ণুপ্ৰসাদ ৰাভা আছিল একাধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, নৃত্যশিল্পী, চিত্ৰকৰ, অভিনেতা আৰু মুক্তিযুঁজাৰু। তেখেতৰ দ্বাৰা বিৰচিত গীতবোৰ বিপ্লৱী চেতনাৰে সমৃদ্ধ আছিল।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতবোৰত সংগ্ৰামী চেতনাৰ ভাবধাৰা স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। কাৰণ তেওঁৰ প্ৰায়বোৰ গীতৰ এটা অতি উল্লেখযোগ্য বৈশিষ্ট্যই আছিল 'সংগ্ৰামী চেতনা'। ৰাভাদেৱৰ গীতবোৰত এই ভাৱধাৰা জাগ্ৰত হোৱা একমাত্ৰ লক্ষ্যই আছিল সমাজত বসবাস কৰা নিপীড়িত, নিষ্পেষিত সাধাৰণ মানুহৰ দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবিবোৰ আকৰ্ষণ কৰি তেওঁলোকক একত্ৰিত কৰাই সংগ্ৰামী বা বিপ্লৱী মনোভাব জগাই নিজকে সংগ্ৰামত বিলীন কৰি নিজস্ব প্ৰাপ্য অধিকাৰ আহৰণ কৰিবলৈ সক্ষম কৰি তোলা। ৰাভাদেৱৰ স্বদেশ-স্বজাতিৰ প্ৰতি ৰচিত গীতবোৰৰ জৰিয়তে মানুহৰ মনত আলোকিত আশা আৰু প্ৰচুৰ আত্মবিশ্বাস জগাই তুলিবলৈ সক্ষম কৰোৱাৰ লগতে সমাজত চলি থকা বিভিন্ন অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামী মনোভাব ধাৰণ কৰি পূৰ্ণভাৱে সংগ্ৰামী হ'বলৈ অনুপ্ৰাণিত কৰা। তেখেতৰ গীতবোৰ হৃদয়ত বাজি উঠিলেই শৰীৰ বন্ধ্রে বন্ধ্রে জাগি উঠে গভীৰ আত্মসত্তা আৰু ভাহি আহে বিপ্লৱী সংগ্ৰামী চেতনাৰ দৃশ্যাৱলী। ৰাভাদেৱৰ গীতবোৰৰ মাজেৰে স্বাধীনতা আন্দোলনৰ প্ৰতি জনসাধাৰণক প্ৰচুৰভাৱে আকৰ্ষিত কৰিছিল। তেওঁৰ পৱিত্ৰ এই গীতবোৰে মানুহৰ মন, মগজু আৰু হৃদয়ত জগাই তুলিছিল দেশপ্ৰেমৰ মনোভাব। আৰু সাম্ৰাজ্যবাদী ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ অনুপ্ৰাণিত কৰি মানুহৰ মাজত এক নতুন জাতীয়তাবাদৰ সৃষ্টিত উদগনি যোগাইছিল। তেওঁৰ এই ভাবধাৰাবোৰতেই সীমাবদ্ধ নাথাকি তেওঁৰ বিপ্লৱী সংগ্ৰামী গীতবোৰত স্বতঃস্ফূৰ্তভাৱে প্ৰতিফলিত হৈছিল সমাজত অতীজৰে পৰা চলি থকা বিভিন্ন অন্ধবিশ্বাস, কুসংস্কাৰ, জাতিভেদ প্ৰথা ইত্যাদিবোৰৰ সম্পৰ্কে বিৰোধী ভাবধাৰা গঢ়ি তুলি উদাত্ত দৃষ্টিভংগীৰে কঠোৰ নীতি-নিয়ম পৱিত্যাগ কৰি সঁচা অৰ্থত এখন নিৰ্মল-পৱিষ্কাৰ সুন্দৰ-সুঠাম সমাজ গঢ়িবলৈ আহ্বান জনাইছিল। প্ৰকৃতাৰ্থত তেওঁৰ গীতেৰে ব্যক্তিক নৱ দৃষ্টিভংগীৰে দৃষ্টি নিবন্ধ কৰিবলৈ শিকোৱাৰ লগতে সেই গীতৰ মাধ্যমেৰে ব্যক্তিয়ে যাতে ধনাত্মক আশাত নিমগ্ন হৈ আনন্দত আত্মহাৰা হৈ নিজস্ব আত্মবিশ্বাসেৰে জীৱন-যাপন কৰিবলৈও দৃঢ়তাৰে অনুপ্ৰাণিত কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত গীতৰ মাজত অন্তর্নিহিত হৈ থকা ইতিবাচক সংগ্ৰাম চেতনাৰ ভাবধাৰাক ব্যক্তিৰ সুপ্ত অৱস্থাত থকা বিভিন্ন গঠনমূলক প্ৰতিভাবোৰ বিকশিত কৰি সমাজৰ প্ৰকৃত উন্নয়নত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। ৰাভাদেৱৰ গীতৰ মাধ্যমেৰে সঁচা অৰ্থত স্পষ্টভাৱে সংগ্ৰামী চেতনাৰ মহত্ত্ব বুজিব পৰা যায়। সংক্ষিপ্ত ৰূপত বিভিন্ন প্ৰতিভাৰে সমৃদ্ধ কলাগুৰু বিষ্ণুপ্ৰসাদ

তেখেতৰ গীতবোৰ হৃদয়ত বাজি উঠিলেই শৰীৰ ৰন্ধ্রে ৰন্ধ্রে জাগি উঠে গভীৰ আত্মসত্তা আৰু ভাহি আহে বিপ্লৱী সংগ্ৰামী চেতনাৰ দৃশ্যাৱলী।

ৰাভাদেৱৰ গীতৰ মাজত অন্তর্নিহিত হৈ থকা প্ৰকৃত সংগ্ৰামী ভাবধাৰা সম্পৰ্কে এনেদৰে দৃষ্টি নিক্ষেপ কৰিব পাৰি।

বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা বিৰচিত এটা জাতি উল্লেখযোগ্য গীত হৈছে 'দুখীয়াৰ কলিজা নিভাৰি', এই গীতটোত তেওঁ সমাজৰ শোষিত জনতাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে আৰু তেওঁলোকৰ ওপৰত চলি থকা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি তেওঁ শোষণকাৰীসকলক কঠোৰ ভাষাৰে সমালোচনা কৰিছে আৰু দুখীয়াৰ তেজ শুহি শুহি খোৱাসকলক বিপ্লৱী মনোভাৱেৰে সাৱধান কৰি দিছে। দ্বিতীয়তে অন্য এটা গীত 'আই মোৰ ভাৰতী জননী' এই গীতটোৰ প্ৰতি যদি আমি পূৰ্ণ মনোযোগিতাৰে সাৰমর্ম বুজিব বিচাৰোঁ, তেন্তে আমি গম পাব পাৰোঁ যে ৰাভাদেৱৰ ভাৰত মাতৃৰ প্ৰতি থকা গভীৰ মৰম, শ্ৰদ্ধা প্ৰকাশ পাইছে। তেওঁ ভাৰতক মাতৃ হিচাপে কল্পনা কৰি তেতিয়াতে চলি থকা দুখ-কষ্টৰ অনুভৱ কৰিছে আৰু সেয়ে এই গীতটোৱেও স্বদেশৰ দেশপ্ৰেম আৰু জাতীয়তাবাদী চেতনা জাগ্ৰত হৈছে। ৰাভাৰ আন এটা বিপ্লৱী গীত হৈছে 'বিশ্বৰ ছন্দে ছন্দে', এই গীতটোত তেওঁ বিশ্বৰ সকলো প্ৰান্ততে থকা ব্যক্তিসকলক একতাৰ বান্ধোনেৰে বান্ধ খাই থাকিবলৈ আহ্বান জনাইছে।'

গতিকে আমি স্পষ্টভাৱেৰে মত ব্যক্ত কৰিব পাৰোঁ যে ৰাভা গীতবোৰ কেৱল মাত্ৰ সংগীত নহয়, ই এক বিপ্লৱ। তেওঁৰ গীতৰ মাজত প্ৰকৃতাৰ্থত অন্তর্নিহিত হৈ আছে স্বদেশ-স্বজাতিৰ প্ৰতি প্ৰচুৰ ভালপোৱা। তেওঁৰ গীতেৰে সাধাৰণ জনতাক সজাগ হৈ সংগ্ৰামী চেতনাৰে সমৃদ্ধ কৰাই দেশৰ ভৱিষ্যৎ ৰক্ষার্থে সংগ্ৰাম কৰিবলৈ উদগনি যোগাইছিল।




# সাতসৰী আলোচনীৰ সম্পাদকীয়ত প্ৰতিফলিত অসমৰ সমসাময়িক প্ৰসংগ বিচাৰ

প্ৰিয়ংকা শৰ্মা

**১.০ সাতসৰী আলোচনীৰ পৰিচয় ঃ**

অসমীয়া সাহিত্য আৰু বৌদ্ধিক চিন্তন বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা এখন উল্লেখনীয় মাহেকীয়া আলোচনী হৈছে 'সাতসৰী'।

সাদিন প্ৰকাশনৰ দ্বাৰা প্ৰকাশ পোৱা ভিন্ন বিষয়ৰ আলোচনীখনৰ বৰ্তমানৰ সম্পাদক হৈছে অনুৰাধা শৰ্মা পূজাৰী। বৰ্তমান কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্য। ২০০৫ চনত এই আলোচনীখন প্ৰকাশ হৈছিল। আলোচনীখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল হোমেন বৰগোহাঞি। ২০০৭ চনত এই আলোচনীখনৰ সম্পাদক হয় অনুৰাধা শৰ্মা পূজাৰী আৰু কাৰ্যবাহী সম্পাদক হয় দিগন্ত ওজা। ২০১৫ চনৰ পৰা অতনু ভট্টাচাৰ্যই কাৰ্যবাহী সম্পাদকৰূপে দায়িত্ব পালন কৰি আছে। ২০২২ চনত এই আলোচনীখন সপ্তদশ শতিকাত প্ৰকাশিত হৈ আছিল। এই আলোচনীখনৰ প্ৰকাশক দুগৰাকী হৈছে— যতীন চৌধুৰী আৰু জয়ন্ত বৰুৱা। 'সাতসৰী আলোচনীত সাহিত্য বিষয়ত গৱেষণামূলক গল্প, কবিতা, প্ৰবন্ধ আদিৰ উপৰি বিজ্ঞান বিষয়ক প্ৰবন্ধসমূহো প্ৰকাশিত হয়।

সাতসৰী আলোচনীৰ যোগেদি বৰ্তমান প্ৰজন্মক নানা বিষয়ৰ ওপৰত জ্ঞান অৰ্জনৰ সুবিধা দি তেওঁলোকৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সাতসৰী আলোচনীত সামাজিক, অৰ্থনৈতিক এনেবোৰ কাৰকৰ উপৰি এই আলোচনীত কোনো এক ব্যক্তিৰ ব্যক্তিত্ববোধ প্ৰকাশ কৰে। অৰ্থাৎ এই আলোচনীত কোনো এক বিশেষ ব্যক্তিৰ ব্যক্তিত্বক কেন্দ্ৰ কৰি বিষয়বস্তুৰ নিৰূপণ কৰে বুলি ক'ব পাৰি। তদুপৰি পাঠকক আলোচনীখনৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে কোনো কোনো চৰিত্ৰকো আলোচনীৰ এক বিষয়বস্তু হিচাপে সন্নিৱিষ্ট কৰা হৈছে। এনেদৰে পাঠক সমাজক নতুন নতুন বিষয়ৰ লগত অৱগত কৰোৱায় এই আলোচনীৰ লক্ষ্য আৰু উদ্দেশ্য।

আলোচনীখনে আৰম্ভণিৰে পৰা বৰ্তমানলৈকে পাঠক সমাজলৈ বিশেষভাৱে শৈক্ষিক, সামাজিক, সাহিত্য, সংস্কৃতিৰ লগতে আৰ্থ-সামাজিৰ উপৰি অন্যান্য দিশতো অৱদান আগবঢ়াই আহিছে। ফলত পাঠকৰ মনত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

**২.০ 'সাতসৰী' আলোচনীৰ ২০২৪ বৰ্ষত প্ৰকাশিত সম্পাদকীয়ৰ বিষয়বস্তুৰ বিশ্লেষণ ঃ**

**২.১ ঊনবিংশ বছৰ, ষষ্ঠ সংখ্যা, জানুৱাৰী**

'সাতসৰী' আলোচনীখনৰ ঊনবিংশ বছৰৰ ষষ্ঠ সংখ্যাত অৰ্থাৎ ২০২৪ বৰ্ষৰ জানুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশিত দিশ হৈছে ব্যক্তিকেন্দ্ৰিক বিশ্লেষণ। অনুৰাধা শৰ্মা পূজাৰীয়ে এক ব্যক্তিকেন্দ্ৰিক অৰ্থাৎ কোনো এক ব্যক্তিক কেন্দ্ৰ কৰি সম্পাদকীয়ত প্ৰকাশ কৰিছে আৰু সেই ব্যক্তিগৰাকীয়েই হৈছে ভট্টদেৱ। অনুৰাধা শৰ্মা পূজাৰীয়ে ভট্টদেৱ পৰিচয়ৰ বিষয়ে সম্পাদকীয়ত প্ৰকাশ কৰাৰ মূল কাৰণ হৈছে— নৱপ্ৰজন্মক ভট্টদেৱৰ দৰে মহান ব্যক্তিৰ বিষয়ে চিনাক্ত কৰি দিয়া লক্ষ্যৰে এই 'সাতসৰী' আলোচনীৰ জানুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশ কৰিছে।

অনুৰাধা শৰ্মা পূজাৰীয়ে জানুৱাৰী মাহৰ সম্পাদকীয়ত ভট্টদেৱৰ চমু পৰিচয় দাঙি ধৰিছে। ইয়াতে উল্লেখযোগ্য যে বৰ্তমান সময়ৰ বিভিন্ন গৱেষক পণ্ডিতসকলে বিচাৰ কৰিছে যে ভট্টদেৱ কেৱল ভাৰতৰে নহয়, দক্ষিণ-পূব এছিয়ান গদ্য সাহিত্যৰ জনক হিচাপে পৰিচিত।

ইয়াৰ দ্বাৰাই আমি ক'ব পাৰোঁ যে ভট্টদেৱ হৈছে এগৰাকী মহান সাহিত্যিক। যাৰ যোগেদি বহুতো ৰচনা-শৈলী বৰ্তমান সময়ত এক ইতিহাসৰূপে পৰিলক্ষিত হৈছে। কিন্তু ইয়াৰ লগতে এই কথাটোও সত্য যে বৰ্তমান প্ৰজন্মৰ বহু লোকে ভট্টদেৱ নামটোৰ পৰা অপৰিচিত বৈ বঞ্চিত হৈ আছে। সেয়ে এগৰাকী বিখ্যাত সাহিত্যিক। যাৰ যোগেদি বহুতো ৰচনা-শৈলী বৰ্তমান সময়ত এক ইতিহাসৰূপে পৰিলক্ষিত হৈছে। কিন্তু ইয়াৰ লগতে এই কথাটোও সত্য যে বৰ্তমান প্ৰজন্মৰ বহু লোকে ভট্টদেৱ নামটোৰ পৰা অপৰিচিত বা বঞ্চিত হৈ আছে। সেয়ে এগৰাকী বিখ্যাত সাহিত্যিকৰূপে সকলোৰে ওচৰত প্ৰকাশ কৰিবৰ বাবে অনুৰাধা শৰ্মা পূজাৰীয়ে প্ৰযত্ন কৰি সম্পাদকীয়ৰূপে এই বিষয়টো প্ৰকাশ কৰিছে। সাতসৰী আলোচনীৰ ঊনবিংশ বছৰৰ সপ্তম সংখ্যাত অৰ্থাৎ ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহৰ সম্পাদকীয়ত অনুৰাধা শৰ্মা পূজাৰীয়ে অসমৰ এক বিখ্যাত কবি চন্দ্ৰধৰ বৰুৱাৰ 'ধূলিকণা মধু'...' নামৰ কবিতাক এক শীৰ্ষক হিচাপে লৈ সম্পাদকীয়ত প্ৰকাশ কৰিছে। এই কবিতাটোৰ যোগেদি মানৱ সমাজ জীৱনত এক মানুহৰ মূল্য অৰ্থাৎ কোনো ব্যক্তিৰ অস্তিত্বক কিমান লোকে কিমান সময় স্মৰণ কৰে এনেবোৰ কথাৰ এই সম্পাদকীয়ত বৰ্ণনা কৰা হৈছে।

চন্দ্ৰধৰ বৰুৱাৰ 'ধূলিকণা মই...' এই কাব্যখনক শীৰ্ষক হিচাপে প্ৰতিপন্ন কৰি এজন ব্যক্তিৰ নিজৰ অস্তিত্বক লৈ থকা আত্ম-অনুভূতি সমাজ আৰু জীৱনৰ প্ৰতিগৰাকী চিন্তাধাৰাৰ প্ৰকাশ পাইছে। নিজন ক্ষুদ্ৰ অস্তিত্বক স্বীকাৰ কৰি তাকেই এক বৃহৎ মানৱতাৰ সংযোগ বিচাৰৰ কথাও উল্লখ পোৱা যায়। মানুহে নিজৰ দায়িত্ব, সমাজৰ প্ৰতি কৰ্তব্য আৰু নৈতিক শিক্ষাৰ গুৰুত্ব বুজিবলৈ এই আলোচনীৰ বিষয়ৰ যোগেদি শিকিব পাৰি।

জীৱনৰ মূল উদ্দেশ্য হ'লে হৃদয়সম্পন্ন আৰু নৈতিকভাৱে সজাগ মানুহ হোৱা। এই উদ্দেশ্য সফল কৰিবলৈ পৰিয়াল, শিক্ষক আৰু সমাজৰ এক গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰয়োজন। অনুৰাধা শৰ্মা পূজাৰীৰ মতে মানুহে যেতিয়া নিজকে ধূলিকণাৰ দৰে বুজিব পাৰে, তেতিয়াহে তেওঁ সঁচাকৈয়ে মানৱতাৰ সৈতে একাত্ম হ'ব পাৰে।

এই বিষয়টোৰ যোগেদি মানুহ, সমাজ আৰু মানস জীৱনৰ সঁচা অৰ্থ উন্মোচন কৰাৰ এটা উদ্দেশ্যৰে এই বিষয়টোক সম্পাদকীয়ত প্ৰকাশ কৰিছে।

**কুমাৰ কিশোৰ ঃ পটুৱৈৰ হৃদয়ৰ লেখকজন**

**২.৩ ঊনবিংশ বছৰ, অষ্টম সংখ্যা**

সাতসৰী আলোচনীৰ ঊনবিংশ বছৰৰ অষ্টম সংখ্যাত অৰ্থাৎ ২০২৪ চনৰ মাৰ্চ মাহৰ সম্পাদকীয়ত প্ৰকাশ কৰা বিষয় হৈছে 'কুমাৰ কিশোৰ ঃ পটুৱৈৰ হৃদয়ৰ লেখকজন'। এই বিষয়টোক অনুৰাধা শৰ্মা পূজাৰীয়ে সম্পাদকীয় ৰূপে প্ৰকাশ কৰাৰ কাৰণ হৈছে— কুমাৰ কিশোৰৰ সাহিত্যিক অৱদান আৰু লগতে লেখাৰ জনস্পৰ্শী গুণে পাঠকসকলক উদ্ভাসিত কৰা।

অনুৰাধা শর্মা পূজাৰীয়ে এই সম্পাদকীয়ত বিষয় হিচাপে প্রকাশ কৰা শীর্ষকৰ যোগেদি কুমাৰ কিশোৰ নামৰ সাহিত্যৰ গুৰুত্ব প্রকাশ কৰিছে। বিষয় অনুসৰি তেওঁ এক গভীৰ অনুভূতিশীল আৰু জনস্পর্শী সাহিত্যিক হিচাপে উপস্থাপন কৰা হৈছে। তেওঁ সদায় সহজ ভাষাতে গভীৰ লেখা লিখিছিল। তেওঁৰ লেখাসমূহে পাঠকক অতি সহজে আকর্ষিত কৰিছিল, কিয়নো সেই লেখাসমূহক পাঠক সমাজে নিজৰ জীৱন অনুভূতিৰ লগত স্পর্শ কৰি অনুভৱ কৰিব পাৰিছিল। সেয়ে তেওঁক 'পচুৰৈৰ হৃদয়ৰ লেখকজন' বুলি কোৱা হৈছে।

অনুৰাধা শর্মা পূজাৰীয়ে কুমাৰ কিশোৰ দেৱৰ চমু পৰিচয় দাঙি ধৰাৰ লগতে তেওঁৰ সাহিত্যসমূহৰ লগত জড়িত বিষয়বস্তুবোৰৰ উল্লেখ কৰিছে। তেওঁ শিশু-সাহিত্য, গল্প-উপন্যাস, নাটক আদি লিখিছিল আৰু এই সকলোবোৰ লেখা অসমীয়াৰ মাটি, মানুহ, সমাজ আৰু সময়ৰ সৈতে জড়িত। কুমাৰ কিশোৰ দেৱৰ লেখাসমূহত মানৱীয়তা, সহজ-সৰল সমাজ জীৱনৰ স্পষ্ট প্রকাশ পোৱা যায়।

তেওঁৰ লেখাত আত্মবিশ্বাস, সততা আৰু সজাগ মনৰ পৰিচয় পোৱা যায়। তেওঁৰ লেখা পঢ়িলে সমাজখনক নতুন দৃষ্টিৰে চাবলৈ উৎসাহ প্রদান কৰে।

**ভৱিষ্যতৰ সাহিত্য**

**২.৪ ঊনবিংশ বছৰ, নৱম সংখ্যা এপ্রিল**

২০২৪ বর্ষৰ সাতসৰী আলোচনীৰ এপ্রিল মাহত প্রকাশিত সম্পাদকীয়ৰ মূল বিষয় হৈছে— 'ভৱিষ্যতৰ সাহিত্য'। এই বিষয়ত অনুৰাধা শর্মা পূজাৰীয়ে উপন্যাসৰ উৎপত্তিৰ পৰা আদি কৰি সাহিত্যৰ ভৱিষ্যতৰ দিশবোৰ এক বিস্তৃত দৃষ্টিকোণেৰে সম্পাদকীয়ত বিশ্লেষণ কৰিছে।

অনুৰাধা শর্মা পূজাৰীৰ মতে সাহিত্যৰ লগতে মনো�ৰঞ্জনৰ বাবেহে পঢ়া হৈছিল, কিন্তু এতিয়া সমাজ চিন্তা আৰু আত্মবিশ্বাসৰ অন্যতম মাধ্যম হৈ পৰিছে 'সাহিত্য'। সময়ৰ সৈতে সাহিত্যৰ ভূমিকাও সলনি হৈছে। ২০২০ চনৰ মহামাৰীয়ে অর্থাৎ ক'ভিড-১৯য়ে মানুহৰ চিন্তাধাৰাত এক গভীৰ পৰিৱর্তন আনিছে বুলি উল্লেখ কৰিছে। আৰু এনে পৰিৱর্তনে মানুহৰ মানসিক পৰিৱর্তন সাহিত্যিকো এক গভীৰ ভাৱ-বিশ্লেষণলৈ লৈ গৈছে।

ভৱিষ্যতৰ সাহিত্যত কল্পনাৰ সৈতে চিন্তাৰ সংযোগ থাকিব। বিজ্ঞান, মনোবিজ্ঞান, দর্শন, ধর্ম, পৰিৱেশ আদি বিষয়ত সাহিত্যত স্থান পাব। সাহিত্য কেৱল অনুভূতিৰ নহয়, চিন্তাৰো বাহক হ'ব। ডিজিটেল মাধ্যমত সাহিত্যৰ নতুন দিশ দেখা যায়। অর্থাৎ লেখকৰ মতে ভৱিষ্যতে সাহিত্যই মাথোঁ অনুভৱ নহয়, আত্মবিশ্লেষণৰ আৰু সমাজ চিন্তাৰ আধাৰৰূপে প্রতিফলিত হ'ব।

সাহিত্যৰ ভাব-ভাষা আৰু ৰূপবো সলনি হ'ব। এইবোৰ কিতাপত সীমাবদ্ধ নাথাকি ডিজিটেল মাধ্যমৰূপে বিকাশ পাব। ভৱিষ্যতৰ সাহিত্য এজন পাঠকৰ মনোযোগ আৰু চিন্তাশীলতা আদিয়ে অনুভূত কৰিব। সাহিত্যৰ মূল উদ্দেশ্য হ'ব সমাজক পথ দেখুওৱা, চিন্তা জন্মোৱা আৰু জীৱনলৈ নতুন দৃষ্টিভংগী দিয়া।

সাহিত্যই সমাজ আৰু ৰাজনীতি দুয়োখন ক্ষেত্রতে দিশ নির্বাচন কৰিব পাৰে, অর্থাৎ সাহিত্যৰ কাম হৈছে সত্য কোৱা, সমাজৰ সমস্যা দাঙি ধৰা আৰু চিন্তা-চেতনাৰ জগত খুলি দিয়া। প্রকৃত সাহিত্যই মানুহৰ মন সলনি কৰিব পাৰে আৰু তেনে সাহিত্যই সমাজ আৰু ৰাজনীতি দুয়োকে বিশ্লেষণ কৰিব পাৰে।

অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ অৰিহণা আগবঢ়োৱা মাহেকীয়া আলোচনীসমূহে এটা নির্দিষ্ট সময়ৰ সমসাময়িক সমাজ জীৱনৰ বিভিন্ন চিন্তা-চর্চাও উন্মেষ ঘটোৱাত সহায় কৰে লগতে প্রেৰণা জগায়।

আলোচনী এখনৰ সম্পাদকীয় পৃষ্ঠাই আলোচনীখনৰ গাম্ভীর্যতা বজাই ৰখাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। প্রত্যেক মানুহক লৈ এখন আলোচনীয়ে কিছুমান দিশ সামৰি লৈ সম্পাদকীয়ৰে স্থান প্রদান কৰা হয়। সামাজিক, ৰাজনৈতিক, অর্থনৈতিক, শিক্ষাৰ বিষয়, পৰিৱেশ ব্যক্তিগত কিছু ৰচনায়ো সম্পাদকীয়ত স্থান দখল কৰাত সক্ষম হৈ পৰে। এনে বিষয়সমূহৰ জৰিয়তে পাঠক সমাজৰ মনত এক নতুন চিন্তাৰ উন্মেষ ঘটাত যথেষ্ট সহায় কৰে। এনেবোৰ অৱদান আগবঢ়োৱা এখন মাহেকীয়া আলোচনী হৈছে— 'সাতসৰী'।

সাতসৰী আলোচনীয়ে অন্য মাহেকীয়া আলোচনীসমূহৰ দৰেই অসমীয়া সাহিত্য জগতলৈ বিশেষভাৱে অৱদান আগবঢ়াই আহিছে। 'সাতসৰী' আলোচনীখনৰ প্রত্যেকটো সংখ্যাতে সমসাময়িক সমাজ জীৱনৰ প্রসংগ উক্তি হিচাপে গ্রহণ কৰি সম্পাদকীয়ত সুন্দৰভাৱে বিশ্লেষণ কৰি আলোচনীখনৰ প্রকাশ কৰে। যাৰ জৰিয়তে বর্তমানৰ সমাজক বিভিন্ন সাহিত্য, বিভিন্ন সাহিত্যিকৰ বিভিন্ন চিন্তা-চচাৰ মাজলৈ টানি নিয়ে। যিয়ে পাঠক সমাজক আলোচনীসমূহৰ ফালে অধিক আকর্ষিত কৰাত সহায় কৰে।

# শদিয়া অঞ্চলৰ নৱপ্রজন্মৰ সাহিত্য পাঠ নির্বাচন

## এক সমীক্ষা

**প্রিয়লতা গগৈ**

শদিয়া ভৌগোলিক অৱস্থিতি, সাংস্কৃতিক বৈচিত্রতা শিক্ষা, সামাজিক অৱস্থা আদিয়ে সামগ্রিকভাৱে শদিয়াৰ বৌদ্ধিক পৰিৱেশকো প্রভাৱিত কৰি আহিছে। বিশ্বায়নৰ যুগৰ প্রযুক্তিবিদ্যাৰ দ্রুত উন্নয়নৰ সমান্তৰালভাৱে এই ভৌগোলিক পৰিৱেশত নৱ প্রজন্মৰ বৌদ্ধিক উৎকর্ষণৰ স্তৰৰ সাহিত্যিক ৰুচিবোধৰ অধ্যয়নৰ আধাৰত বিশ্লেষণ কৰি চাব পাৰি। প্রস্তাৱিত শদিয়া অঞ্চলৰ নৱপ্রজন্মৰ সাহিত্য পাঠ নির্বাচন শীর্ষক অধ্যয়নত নির্দিষ্ট প্রশ্নসূচীৰ আধাৰত নৱপ্রজন্মৰ মাজত সাহিত্য পাঠ সম্পর্কীয় ধাৰণা, ৰুচিবোধ আদিক বিশ্লেষণৰ প্রয়াস কৰা হৈছে।

নির্ধাৰিত প্রশ্নসূচীৰ অন্তর্গতভাৱে প্রাপ্ত তথ্যসমূহ এনেধৰণৰ যে নৱপ্রজন্মৰ মাজত গ্রন্থ অধ্যয়ন কৰা লোকৰ পৰিমাণ ৯৬ শতাংশ। ইয়াৰে দৈনিক পঢ়া লোকৰ পৰিমাণ ৩৬ শতাংশ। বাকী সাপ্তাহিকভাৱে পঢ়া লোকৰ পৰিমাণ ২৫ শতাংশ, মাহেকীয়াভাৱে পঢ়া লোকৰ পৰিমাণ ১২ শতাংশ। এইসকলৰ ভিতৰত গ্রন্থৰ মাধ্যম বিশেষকৈ ছপা, ই-বুক, অডিঅ' বুক আদি মাধ্যমৰ ভিতৰত ছপাগ্রন্থ পঢ়া লোকৰ পৰিমাণ সর্বাধিক ৪৪ শতাংশ। বাকী ০৬ শতাংশই ই-বুক, ১২ শতাংশই অডিঅ' বুক আৰু ৪ শতাংশ ইয়াৰ কোনোটোৱে প্রয়োগ কৰা নাই। গতিকে দেখা গ'ল যে সাহিত্যপাঠ নির্বাচনৰ পূর্বে গ্রন্থ অধ্যয়ন কৰা লোকৰ সংখ্যাই তুলনামূলকভাৱে কম।

আনহাতে সাহিত্য পাঠ নির্বাচন সম্পর্কীয় নির্ধাৰিত প্রশ্নৰ প্রতি সঁহাৰি প্রদান কৰাসকলৰ ভিতৰত ৰোমাণ্টিকধর্মী সাহিত্য পাঠৰ পাঠক ৩৬ শতাংশ, ৰহস্যধর্মী ৩২ শতাংশ আৰু সকলোধৰণৰ গ্রন্থ পঢ়া পাঠক ২৪ শতাংশ। গতিকে ইয়াত দেখা গ'ল ৰোমাণ্টিকধর্মী পাঠৰ সাহিত্যৰ সংখ্যা তুলনামূলকভাৱে বেছি। আৰু গ্রন্থ পঢ়ি ভালপোৱা অর্থাৎ বেছি পঢ়া লোকৰ সংখ্যা ৬৪ শতাংশ, কম পঢ়াৰ সংখ্যা ৮ শতাংশ আৰু অলপ পঢ়াৰ সংখ্যা ২০ শতাংশ ইত্যাদি। গতিকে বাকীবোৰৰ তুলনাত বেছি পঢ়াৰ সংখ্যা অধিক।

আনহাতে কিহৰ তাগিদাত গ্রন্থ পঢ়াৰ আগ্রহ এই প্রশ্নটোৰ সঁহাৰি জনোৱা পৰিমাণসমূহ হৈছে— জনপ্রিয় ৰিভিউ ২৮ শতাংশ, অভ্যাস ৪০ শতাংশ, আনৰ পৰামর্শ ৮ শতাংশ আৰু অন্যান্য আগ্রহৰ সংখ্যা ২৮ শতাংশ। ইয়াত নৱপ্রজন্মই বাকীকেইটাতকৈ বেছি অভ্যাসৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। গ্রন্থৰ প্রতি আকর্ষিত হোৱাৰ ক্ষেত্রত কিহে বিশেষভাৱে প্রভাৱিত কৰিছে। এই প্রশ্নটোৰ অনুসৰি উত্তম সঁহাৰি জনাইছে এনেকুৱাধৰণে—



বিশেষ গ্ৰন্থ পঢ়াৰ প্ৰতি ৩৬ শতাংশ, বন্ধুবৰ্গৰ পৰা পঢ়াৰ সংখ্যা ১২ শতাংশ, শিক্ষকসকলৰ পৰা পঢ়াৰ সংখ্যা ৮ শতাংশ আৰু নিজে পঢ়াৰ সংখ্যা ৩২ শতাংশ। গতিকে এই প্ৰশ্নটোৰ প্ৰতি সঁহাৰি দেখা গ'ল যে বিশেষ গ্ৰন্থৰ প্ৰতি বেছি আকৰ্ষিত হোৱা দেখা গৈছে।

**এই নিৰ্দিষ্ট সাহিত্যপাঠ নিৰ্বাচনৰ অন্তৰালৰ কাৰকসমূহ বিচাৰ কৰা**

সাহিত্য পাঠ নিৰ্বাচনৰ অন্তৰালত বিচাৰি পোৱা কাৰকেইটা হৈছে—

১। আত্মসচেতনতা

২। অন্য ব্যক্তিৰ দ্বাৰা অনুপ্ৰেৰণা

৩। শিক্ষানুষ্ঠান

৪। সামাজিক প্ৰভাৱ

৫। প্ৰযুক্তি প্ৰভাৱ।

**১। আত্মসচেতনতা ঃ** নৱপ্ৰজন্মৰ বহু পাঠকে নিজৰ চিন্তা, অনুভৱ আৰু জীৱনৰ লক্ষ্যৰ বিষয়ে বেছি সচেতন। এই আত্মসচেতনতা সহিত্য পঢ়াৰ মাধ্যমৰ দ্বাৰা আৰু বেছি বিকশিত হয়। যিয়ে জীৱনৰ অভিজ্ঞতা, আত্মসংঘাত আৰু মানসিক উন্নয়নক স্পৰ্শ কৰে। সেইসকল বেছিকৈ সচেতনতা হোৱা বুলি ক'ব পাৰি।

**২। অন্য ব্যক্তিৰ দ্বাৰা অনুপ্ৰেৰণা ঃ** বন্ধু-বান্ধৱ শিক্ষক আৰু জনপ্ৰিয় সাহিত্যিকৰ প্ৰভাৱে নৱপ্ৰজন্মৰ সাহিত্য পাঠৰ প্ৰতি বেছি অনুপ্ৰেৰণা দিয়ে। অৰ্থাৎ কোনো এজনক অনুপ্ৰেৰক ব্যক্তি যি সাহিত্য পঢ়ে বা প্ৰশংসা কৰে এনেকুৱাধৰণৰ ব্যক্তিৰ পৰা অনুপ্ৰেৰণা পোৱা যায়।

**৩। শিক্ষানুষ্ঠান ঃ** বিদ্যালয়-মহাবিদ্যালয় বা পাঠ্যপুথিত থকা সাহিত্য পাঠৰ সহায়তো সাহিত্যৰ প্ৰতি আগ্ৰহ বাঢ়ে। কিছুমান শিক্ষকে সাহিত্যক অনুপ্ৰেৰণাৰ অংশ হিচাপে দাঙি ধৰে, যাৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্মই সাহিত্যৰ লগত গভীৰভাৱে জড়িত হৈ পৰে। (বিদ্যালয়-মহাবিদ্যালয়ত পঢ়োৱা সাহিত্য বা শিক্ষক-অধ্যাপকৰ উৎসাহে সাহিত্য পাঠৰ প্ৰতি আগ্ৰহ বঢ়ায়)।

**৪। সামাজিক প্ৰভাৱ ঃ** সমাজৰ চিন্তাধাৰা, সমস্যা আৰু সংস্কৃতিৰ, লিংগ সমতাৰ পৰিৱেশ সম্পৰ্কীয় সাহিত্যই পাঠৰ প্ৰতি সামাজিকভাৱে নৱ-প্ৰজন্মৰ ওপৰত প্ৰভাৱ পৰা দেখা যায়।

**৫। প্ৰযুক্তিৰ প্ৰভাৱ ঃ** ই-বুক, অডিঅ' বুক, ইউটিউব অৰ্থাৎ ম'বাইল আৰু ইণ্টাৰনেটৰ ডিজিটেল মাধ্যমৰ বাবে (আধুনিক পদ্ধতি) নৱপ্ৰজন্মৰ সাহিত্য পঢ়াৰ বাবে সহজ হয়, লগতে আগ্ৰহ বাঢ়ে আৰু ডিজিটেল সাহিত্যৰ দিশে বেছি আকৰ্ষণ হোৱা দেখা যায়।

**সাহিত্য পাঠৰ প্ৰতি মনোভাব আৰু প্ৰভাৱ অধ্যয়ন কৰা ঃ**

**মনোভাব ঃ**

নিৰ্দিষ্ট প্ৰশ্নসূচীৰ সমীক্ষাৰ জৰিয়তে শদিয়া অঞ্চলৰ নৱপ্ৰজন্মই সাহিত্য পাঠৰ প্ৰতি মনোভাব এনেধৰণে মত আগবঢ়াইছে—

১। বিভিন্নধৰণৰ কিতাপ পঢ়াৰ প্ৰতি উৎসাহিত কৰে।

২। নতুন নতুন গ্ৰন্থ পঢ়িবলৈ অনুপ্ৰাণিত কৰে। গ্ৰন্থ পঢ়িলে

শব্দ ভাণ্ডাৰ বিকাশ হয় আৰু বহুতো নজনা কথা জানিব পাৰি।

৩। কিছুমান গ্ৰন্থই আত্মবিশ্বাসী কৰি তোলাৰ লগতে জীৱনত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়।

৪। গ্ৰন্থ পঢ়িলে মন আনন্দ হয়।

৫। জীৱনটো সুন্দৰভাৱে আগুৱাই নিয়াত সহায় কৰিছে।

বৰ্তমান নৱপ্ৰজন্মই সাহিত্যক কেৱল পাঠৰ বিষয় হিচাপে নহয়, নিজৰ অভিজ্ঞতা অনুভৱ আৰু চিন্তাৰ আধাৰত গঢ়ি উঠা এটা উপলব্ধি বিষয় হিচাপে গ্ৰহণ কৰিছে।

কিছুমান সাহিত্যিক পাঠকে নিজৰ জীৱনৰ সমস্যা, মানসিক স্থিতি, আত্ম-উন্নয়ন আৰু সামাজিক প্ৰতিফলনৰ দিশবোৰ সাহিত্য পাঠৰ মাজতে বিচাৰি ল'ব পাৰিছে। আনহাতে নিৰ্দিষ্ট প্ৰশ্নসূচীৰ অন্তৰালত সন্নিৱিষ্ট বৰ্তমান ডিজিটেল যুগত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা এই প্ৰশ্নটোৰ মনোভাব এনেদৰে আগবঢ়াইছে—

১। বৰ্তমান ডিজিটেল যুগত কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ কম।

২। বৰ্তমান যুগত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। কিয়নো জ্ঞান আহৰণৰ মূল পদ্ধতি হৈছে গ্ৰন্থ বা কিতাপ। এখন গ্ৰন্থৰ যোগেদি জীৱনটো সুন্দৰ আৰু দায়িত্বপৰায়ণ কৰি তোলে সেয়া ছপা হোৱা কিতাপ বা অডিঅ'ৰ যোগেদি আহৰণ কৰা জ্ঞান সমাজত বিলাই দিব পাৰি।

৩। বৰ্তমানৰ ডিজিটেল যুগত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে, কাৰণ বৰ্তমানৰ সময়ত মানুহবোৰ ডিজিটেল যুগত নিজকে হেৰুৱাই পেলাইছে। গ্ৰন্থই দিয়া সুখ এই ডিজিটেল মাধ্যমে দিব নোৱাৰে।

৪। গ্ৰন্থ পঢ়ি যি অনুভৱ হয় সেয়া অনুভৱ ম'বাইল ব্যৱহাৰ কৰি নহয়, ম'বাইল প্ৰয়োজনতকৈ অধিক ব্যৱহাৰ কৰিলে হানিকাৰক হয়।

৫। অধ্যয়নে মন-মগজু প্ৰসাৰিত কৰে।

৬। হয়, কিয়নো ডিজিটেল যুগত মানুহৰ কিতাপৰ প্ৰতি আগ্ৰহ কম।

**প্ৰভাৱ ঃ**

**ভাষা বিকাশ ঃ** সাহিত্য পাঠে শব্দ ভাণ্ডাৰ বৃদ্ধি, শুদ্ধ ভাষাৰ ব্যৱহাৰ আৰু বচনভংগী সাহিত্যিক উন্নত কৰে।

**চিন্তা শক্তি বৃদ্ধি ঃ** সাহিত্য পাঠৰ জৰিয়তে বিভিন্ন দৃষ্টিভংগীৰ সাহিত্য পাঠৰ বিশ্লেষণাত্মক চিন্তা, সমালোচনামূলক চিন্তা গঢ়ি উঠে। লগতে ধৈর্য শক্তি বৃদ্ধি কৰে।

**সামাজিক সচেতনতা ঃ** লিংগ সমতা, জাতি, বৰ্ণ, পৰিৱেশ, শিক্ষা আৰু সামাজিক ন্যায়ৰ বিষয়ে উচ্চ চিন্তা।

**ব্যক্তিগত গঠন ঃ** সাহিত্য পাঠৰ জৰিয়তে নিজক মানসিকভাৱে প্ৰভাৱশালী, ব্যক্তিগত পৰিকাঠামো গঠন কৰিব পাৰে আৰু অনুপ্ৰেৰণা, সহানুভূতি আৰু সংবেদনশীলতা কৰি তোলাৰ লগতে আত্মবিশ্বাসী কৰি তোলে, মনৰ শক্তি বৃদ্ধি কৰাৰ লগতে ধৈর্যশক্তি বৃদ্ধি হয়।

সাহিত্যৰ পাঠৰ জৰিয়তে নিজৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰা সংৰক্ষণ কৰাৰ উপায় উপলব্ধি কৰিব পাৰি।

শদিয়া অঞ্চলৰ নৱপ্ৰজন্মই বিশেষকৈ সহজ-সৰল গভীৰ চিন্তাৰ, অনুপ্ৰেৰণামূলক সাহিত্য, জীৱনটো জীয়াই থাকিবলৈ উৎসাহ দিয়া আৰু পঢ়িবলৈ আকৰ্ষিত হোৱা তেনেধৰণৰ সাহিত্যৰ প্ৰতি বেছি উৎসাহিত দেখা যায়। এইধৰণৰ সাহিত্য পাঠৰ অভ্যাসে তেওঁলোকৰ ভাষা চিন্তা আৰু সামাজিক সচেতনতা উন্নত কৰিবলৈ সহায় কৰিছে। ইয়াৰ ফলত সঠিক দিশ আৰু উৎসাহ আৰু অভ্যাসৰ ফলত নৱপ্ৰজন্মৰ মানসিক বিকাশ সাধন আৰু সামাজিক দায়বদ্ধতা বৃদ্ধি কৰিব পাৰে।

**সামগ্ৰিক সিদ্ধান্তৰ মন্তব্য ঃ**

১। সাহিত্যপাঠ নিৰ্বাচনৰ ক্ষেত্ৰত দৈনিকভাৱে পঢ়া লোকৰ পৰিমাণ ৪৬ শতাংশ, ছপাগ্ৰন্থ পঢ়া লোকৰ পৰিমাণ ৪৪ শতাংশ, ৰোমাণ্টিধৰ্মী সাহিত্য পাঠৰ পাঠক ৩৬ শতাংশ, বেছি পঢ়ি ভালপোৱা লোকৰ সংখ্যা ৬৫ শতাংশ, অভ্যাসৰ ওপৰত পঢ়া লোকৰ সংখ্যা ৪০ শতাংশ, বিশেষ গ্ৰন্থ পঢ়াৰ প্ৰতি আগ্ৰহ লোকৰ সংখ্যা ৩৬ শতাংশ আৰু নিজে পঢ়াৰ লোকৰ পৰিমাণ ৩২ শতাংশ, অন্যান্য আগ্ৰহৰ সংখ্যা ২৮ শতাংশ ইত্যাদি।

২। সাহিত্য পাঠ নিৰ্বাচনৰ কাৰকসমূহ হৈছে আত্মসচেতনতা, অন্য ব্যক্তিৰ দ্বাৰা অনুপ্ৰেৰণা, শিক্ষানুষ্ঠান, সামাজিক প্ৰভাৱ, প্ৰযুক্তিৰ প্ৰভাৱ।

৩। সাহিত্য পাঠৰ মনোভাব আৰু প্ৰভাৱ সম্পৰ্কীয় সিদ্ধান্তৰ মন্তব্য— কিতাপ পঢ়াৰ প্ৰতি উৎসাহিত কৰে, নতুন নতুন গ্ৰন্থ পঢ়িবলৈ অনুপ্ৰাণিত কৰে, শব্দ ভাণ্ডাৰ বিকাশ হয় আৰু বহুতো নজনা কথা জানিব পাৰি। লগতে আত্মবিশ্বাসী কৰি তোলে। জীৱনত আগুৱাই যাবলৈ প্ৰেৰণা পায় আৰু গ্ৰন্থ পঢ়ি মন আনন্দ হয় আৰু লগতে প্ৰভাৱ এনেধৰণে মত দাঙি ধৰিছে— ভাষা বিকাশ, চিন্তাশক্তি বৃদ্ধি, সামাজিক সচেতনতা, ব্যক্তিগত গঠন ইত্যাদি।

**ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনীয়তা ঃ**

এই অধ্যয়নৰ জৰিয়তে শদিয়া অঞ্চলৰ নৱপ্ৰজন্মৰ সাহিত্যৰ পাঠৰ প্ৰতি মনোভাব কেনেকুৱাধৰণৰ সেই বিষয়ে জানিব পাৰিছোঁ। সেয়ে এই অধ্যয়নৰ গৱেষণা কৰাৰ ভৱিষ্যৎ সম্ভাৱনীয়তা আছে। কাৰণ নৱপ্ৰজন্মৰ সাহিত্য পাঠৰ ক্ষেত্ৰত বহুকেইটা বিষয়ৰ বাবে সহায়ক হ'ব।




# প্রকাশ আলোচনীৰ

## সম্পাদকীয়ত প্রতিফলিত অসমৰ সমসাময়িক প্রসংগ

জুলি চেতিয়া

**১.০ 'প্রকাশ' আলোচনীৰ পৰিচয় ঃ**

অসমীয়া সাহিত্য আৰু বৌদ্ধিক চিন্তাৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰা এখন উল্লেখযোগ্য মাহেকীয়া আলোচনী হৈছে 'প্রকাশ' আলোচনী। 'প্রকাশ' হৈছে অসমীয়া ভাষাত প্রকাশিত এখন সাহিত্যিক আলোচনী। এই আলোচনীখন ১৯৭৫ চনত 'প্রকাশ' পাইছিল। এই আলোচনীখন অসম প্রকাশন পৰিষদৰ দ্বাৰা গুৱাহাটীত প্রকাশিত হৈছিল। প্রকাশৰ প্রচ্ছদ আঁকিছিল অসমৰ প্রসিদ্ধ চিত্রশিল্পী বেণু মিশ্রই। 'প্রকাশ' আলোচনীৰ বর্তমানৰ সম্পাদক হ'ল মিহিৰ দেউৰী। 'প্রকাশ' আলোচনীৰ মুখ্য উদ্দেশ্য হৈছে অসমীয়া সাহিত্য-সংস্কৃতি ইতিহাস আৰু সমাজ বিজ্ঞানৰ বিভিন্ন দিশ পাঠকৰ আগত তুলি ধৰা। এই আলোচনীয়ে নতুন লেখকৰ উৎসাহ বৃদ্ধি কৰাৰ লগতে গৱেষণামূলক প্রবন্ধ, কাব্য, গল্প সমালোচনা আদিৰ জৰিয়তে বৌদ্ধিক পৰিসৰ সৃষ্টি কৰে।

অসমীয়া সাহিত্যৰ ক্ষেত্রত 'প্রকাশ' আলোচনীৰ এক বিশষ স্থান আছে। 'প্রকাশ' আলোচনীয়ে কেৱল সাহিত্যৰ প্রচাৰ-প্রসাৰেই নহয়, সাহিত্যিক চিন্তাধাৰা, সামাজিক ব্যৱস্থা আৰু ভাষাগত দিশসমূহৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। তেনে এক আলোচনীয়ে হৈছে 'প্রকাশ' আলোচনী। এই আলোচনীখনে সাহিত্য-সংস্কৃতি, সমাজ আৰু বৌদ্ধিক চিন্তাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ৰূপ লৈছে। 'প্রকাশ' আলোচনীয়ে অসমীয়া বৌদ্ধিক সমাজৰ মাজত এক গুৰুত্বপূর্ণ চিন্তাশীল আলোচনাৰ ক্ষেত্র তৈয়াৰ কৰিছে।

**'প্ৰকাশ' আলোচনীৰ উৎপত্তি আৰু পটভূমি ঃ** 'প্ৰকাশ' আলোচনীৰ জন্ম হৈছিল অসমীয়া সমাজত এক চিন্তাশীল বৌদ্ধিক আৰু গৱেষণামূলক আলোচনাৰ অভাৱ অনুভৱ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰকাশ আলোচনীয়ে বিংশ শতিকাৰ শেষৰ পৰা একবিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত অসমীয়া সমাজত নতুন ধৰণৰ চিন্তাধাৰা সাহিত্য বিশ্লেষণ আৰু সংস্কৃতিৰ পৰ্যালোচনাৰ প্ৰয়োজনীয়তা বাছি লৈছিল। এই প্ৰয়োজনীয়তা অনুভৱ কৰি একদম সাহিত্যপ্ৰেমী গৱেষক আৰু চিন্তাশীল ব্যক্তিয়ে 'প্ৰকাশ' আলোচনীৰ আৰম্ভণি কৰে। 'প্ৰকাশ' আলোচনীখনত বিভিন্ন ধৰণৰ লেখা প্ৰকাশ পায়— ইয়াত সাধাৰণতে সাহিত্যিক-সমালোচনা, গৱেষণামূলক প্ৰবন্ধ, ভাষাতত্ত্ব আৰু অনুবাদ বিদ্যা, সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্য, ব্যক্তিত্বৰ সাক্ষাৎকাৰ আৰু স্মৃতি কথা পাঠকৰ চিঠি আৰু মতামত। 'প্ৰকাশ' আলোচনীয়ে অসমীয়া সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যিমানখিনি সাহিত্যমুখী আলোচনা-সমালোচনা আৰু চিন্তাশীল ৰচনা 'প্ৰকাশ' আলোচনীত প্ৰকাশ পায়। 'প্ৰকাশ' আলোচনীয়ে বিশেষকৈ অসমীয়া জাতিসত্তা, ভাষা আৰু সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত এক সাংঘাতিক দায়িত্ব পালন কৰিছে। এই আলোচনীৰ জৰিয়তে বহু গুৰুত্বপূৰ্ণ বিষয় নাগৰিকত্ব ভাষা আন্দোলন, লিংগ সাম্য পৰিৱেশ আৰু শিক্ষাৰ দিশত সদায় চিন্তাশীল আলোচনাৰ প্ৰবাহ বজাই ৰাখে। এই আলোচনীখনে আৰম্ভণিৰে পৰা বৰ্তমানলৈকে পাঠক সমাজলৈ বিশেষ অৱদান আগবঢ়াই আহিছে।

**২.০ 'প্ৰকাশ' আলোচনীৰ ২০২৪ বৰ্ষত প্ৰকাশিত সম্পাদকীয়সমূহত প্ৰতিফলিত অসমৰ বৌদ্ধিক সাংস্কৃতিক চেতনাঃ**

**২.১ একত্ৰিংশ বছৰ ২০২৪ চনৰ জানুৱাৰী মাহ**

'প্ৰকাশ' আলোচনী একবিংশ বছৰৰ তৃতীয় সংখ্যাত অৰ্থাৎ ২০২৪ চনৰ জানুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে আনুগত্য আৰু নতুনৰ গল্প। এই সংখ্যাৰ আলোচনীখন আনুগত্য আৰু নতুনৰ গল্পৰ ওপৰত কেন্দ্ৰ কৰি লিখা হৈছে। এখন সমাজ বা দেশ জীয়াই থাকিবলৈ হ'লে সেই সমাজ বা দেশখনে যিকোনো ধৰণৰ পৰিৱৰ্তন আৰু সুবিধাকে গ্ৰহণ কৰিবলৈ সাজু হৈ থাকিব লাগিব। আনৰ ওচৰত আত্মসমৰ্পণ নকৰাকৈ মানুহৰ মনৰ অভ্যাস আৰু দৃষ্টিভংগী পৰস্পৰৰ বিনিময় মাজলৈ এটা ঐকান্তিক যোগসূত্ৰ বিৰাজমান। ইতিহাসকে আধুনিক বা সাম্প্ৰতিক অভিধাৰে চিহ্নিত কৰিব পৰা নাযায়। ইতিহাস হৈছে এটা শান্ত উৎস সৰ্বস্ব এখন বিশাল নদীৰ দৰে। বৰ্তমান সময়ত যিসকল নবীন লেখকে লিখিবলৈ আগবাঢ়ি আহিছে তেওঁলোকে অভিজ্ঞতা আৰু আদৰ্শৰ এই দৌৰত অন্তঃকৰণেৰে প্ৰৱেশ কৰা উচিত। এখন সুস্থ সমাজ বা জাতিৰ ভাগ্য বস্তুবাদী সম্পদৰ ওপৰত নিৰ্ভৰ কৰা দেখা নাযায়, নিৰ্ভৰ কৰা দেখা যায় আধ্যাত্মিক শক্তিৰ ওপৰত। আধুনিক পৃথিৱীৰ ব্যক্তিগত চিন্তাৰে অনুপ্ৰাণিত হোৱাটো আৰম্ভ সম্ভৱ হৈ থকা নাই।

তদুপৰি আধুনিক জগতৰ দ্বাৰা প্ৰভাৱিত হৈ আমাৰ জীৱনশৈলী চিন্তা-চৰ্চা আৰু অভিজ্ঞতা আদি সকলোবোৰ সলনি হ'বলৈ ধৰিছে অংশ বিশেষ। নিজৰ মানসিক জ্ঞানৰ জৰিয়তে গল্পকাৰে তেওঁৰ অভিজ্ঞতা সঞ্চয় কৰি গল্প ৰচনা কৰে। অসমীয়া নতুন গল্পকাৰসকলে নিজৰ সৃষ্টিক সাৰ্থক কৰিবলৈ নিজকে একান্তভাৱে সক্ৰিয় কৰাত গুৰুত্ব প্ৰদান কৰিছে। নতুন গল্পকাৰসকলে নতুন বছৰৰ আৰম্ভণিতে অৰ্থাৎ এই জানুৱাৰী মাহত ১৫টা গল্প প্ৰকাশ হোৱা বুলি গম পোৱা গৈছে। গল্প, কবিতা, উপন্যাস যিকোনেও নহওক, লেখিবলৈ হ'লে থাকিবলগীয়া প্ৰাথমিক চৰ্তটোৱেই হৈছে কল্পনা আৰু অনুশীলন। কল্পনাই লেখকসকলক বাস্তৱ আভাসসমূহক লৈ বিভিন্নধৰণৰ সত্যৰ সৈতে মুখামুখি হ'বলৈ সহায় কৰে। দেখিবলৈ পোৱা গৈছে গৈছে যে নতুন গল্পকাৰসকলে বিচ্ছিন্নতা, অস্তিত্ব, প্ৰেম-বেদনা, ক্ষোভ, বিদ্ৰোহ, ৰাজনীতি, অৰ্থনীতি, সমাজ নীতি আদি কোনটো বিষয়ক উপেক্ষা কৰা নাই। শেষত এয়ে বিচাৰো যে অসমীয়া নতুনৰ গল্পৰ ক্ষেত্ৰত প্ৰতিবছৰে নতুন নতুন গল্পকাৰ সৃষ্টি হ'লে আৰু নতুন গল্পৰ অসমীয়া গল্পই এক বিশেষ গুৰুত্ব লাভ কৰিব।

**২.২ একত্ৰিংশ বছৰৰ ২০২৪ চনৰ জানুৱাৰী মাহ ঃ**

'প্ৰকাশ' আলোচনীৰ একবিংশ বছৰৰ ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে এগৰাকী সৃষ্টিশীল লেখকৰ ক্ষেত্ৰত সমাহাৰ ঘটা সমস্ত গুণৰ অধিকাৰী আছিল বিংশ শতিকাৰ আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী দিশ নিৰ্ণায়ক সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। তেখেতৰ জন্ম হৈছিল ১৯২৪ চনৰ ২৪ অক্টোবৰত শিৱসাগৰ জিলাৰ চফ্ৰাই চাহ বাগিচাত আৰু মৃত্যুবৰণ কৰিছিল ১৯৯৭ চনৰ ৬ আগষ্টত গুৱাহাটীত। তেখেত আছিল এগৰাকী অসমীয়া গল্পকাৰ ঔপন্যাসিক কবি নিবন্ধকাৰ সম্পাদক আৰু সাংবাদিক। ভাৰতৰ সৰ্বোচ্চ সাহিত্য সন্মান জ্ঞানপীঠ বঁটা লাভ কৰা তেওঁ প্ৰথমগৰাকী অসমীয়া লেখক আছিল। ১৯০৯ চনত তেখেতৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে তেওঁ সৰ্বোচ্চ সাহিত্য সন্মান 'জ্ঞানপীঠ' বঁটা লাভ কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

১৯১৯ চনত বঙাইগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশনৰ সভাপতি আছিল।

**২.৩ একত্রিংশ বছৰৰ ২০২৪ চনৰ মার্চ মাহ ঃ**

প্রকাশ আলোচনীৰ একত্রিংশ বছৰৰ ২০২৪ চনৰ মার্চ মাহৰ সম্পাদকীয়ত প্রকাশিত হৈছে আত্মাৰ দুৱাৰ। কবি হুইটমনৰ বাবে নাৰী এনে এক অস্তিত্ব যি পৃথিৱীলৈ প্রৱাহিত হৈছে কেৱল কবিৰ সৈতে মুখামুখি হৈ তেওঁকেই সংগ দিবলৈ। সেই অপেক্ষাৰ কথা সুঁৱৰিয়েই কবি হুইটমেনে তেওঁৰ লিভছ অৱগ্রাহ কবিতাত নাৰীক উদ্দেশ্য কৰি কৈছিল— তুমি কেৱল শৰীৰেই নহয়, আত্মাতো সমস্ত দুৱাৰ। কবি হুইটমেনেও প্রেম আৰু প্রেমিকাক লৈ বহুতো গীত-মাত জুৰিবলৈ আৰম্ভ কৰিছিল। বাস্তৱ সত্যটো হৈছে যে নাৰীয়ে কাহানিও কাকো স্মৃতিৰ পৰা মুক্ত কৰিব নিবিচাৰে। নাৰীয়ে কেতিয়াবা কোনোবা

নিজৰ সংস্কৃতিৰ প্রতি যি আৱেগ সম্ভৱ বা সহমর্মিতা ঠিক আনৰ ভাষা-সংস্কৃতিৰ প্রতিও একেই সন্মান প্রদর্শন কৰাটো দায়িত্ব। সামাজিক সু-সংগতি আৰু সংহতিৰ ওপৰতহে দেশ বা ৰাজ্যৰ নিৰাপত্তা অধিক নির্ভৰশীল।

ক্ষণত সংসাৰৰ মাজত মূল্যহীনো কৰিব পাৰে, কিন্তু কেতিয়াবা তেওঁৰ কাৰণে প্রেৰণাৰ সমল বা উৎসও হ'ব পাৰে। নাৰী সাম্প্রতিক সময়ত সমগ্র বিশ্বৰ সামাজিক ৰূপান্তৰৰ এক প্রধান চালিকাশক্তিত পৰিণত হোৱা দেখা যায়। সাম্প্রতিক সময়ৰ পুৰুষতান্ত্রিক সমাজ ব্যৱস্থাত পুৰুষৰ দৰেই নাৰীও সহজে নিজৰ লগতে সমাজৰ বিকাশৰ অর্থে কাম কৰাৰ সুযোগ লাভ কৰিছে। আত্মসন্মানবোধ আৰু সবলীকৰণৰ জৰিয়তে পুৰুষ-মহিলা উভয়ে মিলি এখন সমাজক সবল কৰি তুলিব পাৰে।

**২.৪ একত্রিংশ বছৰৰ ২০২৪ চনৰ এপ্রিল মাহ ঃ**

একত্রিংশ বছৰৰ ২০২৪ চনৰ চনৰ এপ্রিল মাহত 'প্রকাশ' আলোচনীত প্রকাশিত হৈছে সামাজিক ঐক্য। পৃথিৱীৰ ঐক্য সাধনৰ বাবে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই অনেক মহৎ সুযোগ কঢ়িয়াই আনিছে। এই কথা সত্য আৰু বৃহৎ বিষয় আৰু সংকীর্ণ চিন্তা একেলগে গতি কৰাৰ সময় এতিয়া অতীত। আমি বাস কৰি আছো বহুভাষিক ভিন্ন সংস্কৃতিক আদর্শ আৰু ভিন্ন ধর্মীয় অনুভূতিৰ ৰাজ্য এখনত। সেয়ে আমি সকলো ভাষা-সংস্কৃতিক সন্মান কৰাৰ লগতে সকলো ধর্মৰ প্রতি সদ্ভাৱ প্রদর্শন কৰাটোও অৱশ্যে কর্তব্য বুলি মানি লৈছো। নিজৰ সংস্কৃতিৰ প্রতি যি আৱেগ সম্ভৱ বা সহমর্মিতা ঠিক আনৰ ভাষা-সংস্কৃতিৰ প্রতিও একেই সন্মান প্রদর্শন কৰাটো দায়িত্ব। সামাজিক সু-সংগতি আৰু সংহতিৰ ওপৰতহে দেশ বা ৰাজ্যৰ নিৰাপত্তা অধিক নির্ভৰশীল। ইয়াৰ লগতে এখন সমাজৰ বাবে অতিকৈ প্রয়োজন স্বকীয় চৰিত্র। এটা জাতি বা এখন সমাজ নির্মাণৰ ভাগ্য নির্ণয় কৰে চৰিত্রইহে।

**২.৫ একত্রিংশ বছৰৰ ২০২৪ চনৰ মে' মাহ ঃ**

'প্রকাশ' আলোচনীৰ একত্রিংশ বছৰ ২০২৪ চনৰ মে' মাহৰ সম্পাদকীয়ত প্রকাশিত হৈছে স্বেচ্ছাই নির্বাসন। বর্তমান সময়ত আধুনিক জীৱনৰ মূল্য কিহৰ দ্বাৰা নিৰূপণ কৰা হয়? জীৱনক বিচিত্রতা কিহে প্রদান কৰে? এইসমূহ উত্তৰ পাবলৈ বর্তমান সময়ত বৰ কঠিন। যান্ত্রিক জীৱনৰ গতানুগতিকতাত মানুহে বিভিন্ন বিপদত পৰি ভাগৰি পৰিছে। বহু মানুহ এতিয়া সমাজৰ পৰা ছিন্ন-বিচ্ছিন্ন হৈ আকাশ কুসুমৰ সন্ধানত ব্যস্ত হৈ পৰিছে। এই কথাত ক'বলৈ গ'লে এনে বাসনাৰ তীব্রতাৰ বাবেই মানুহে বাস্তৱ পৃথিৱীখন নিজৰ সমাজ আৰু স্বজনক নেওচা দি বাছি লৈছে স্বেচ্ছাই নির্বাসন। এটা হৈছে কামোদ্দীপথ্য আৰু আনটো হৈছে কলহপ্রিয় প্রবৃত্তি। যি প্রবৃত্তিয়ে ধ্বংস আৰু জিঘাংসাক উৎস যোগায় তাক কোৱা হয় কলহপ্রিয় বা জাতিগত বা ধ্বংসাত্মক প্রবৃত্তি। সম্প্রতি ব্যাপক ৰূপ ধাৰণ কৰা জাতিগত বা আদর্শগত সংঘাতৰ বাবে প্রবৃত্তিয়েই দাবী।

**২.৬ একত্রিংশ বছৰৰ ২০২৪ চনৰ জুলাই মাহ ঃ**

'প্রকাশ' আলোচনীত একত্রিংশ বছৰৰ ২০২৪ চনৰ জুলাই মাহৰ সম্পাদকীয়ত প্রকাশিত হৈছে নিম্নবর্গীয় আৰু প্রান্তীয়। ছাবঅল্টান বুজাবলৈ অসমীয়াত নিম্নবর্গীয় আৰু প্রান্তীয় এই শব্দ দুটা ব্যৱহাৰ কৰা দেখা যায়। আভিধানিক

অর্থৰ পৰা চাবলৈ গ'লে প্ৰান্তত অৱস্থান কৰা সকলো লোক নিম্নবৰ্গীয় নহ'বও পাৰে। আনহাতে নিম্নবৰ্গীয়ৰ অৱস্থানো কেন্দ্ৰত বা তাৰ আশে-পাশে থাকিব পাৰে। আনহাতে এই শব্দ দুটাৰ অভিধানিক অর্থক বাদ দি বৃহত্তৰ স্বার্থৰ সন্ধান যদিহে কৰা যায়, তেতিয়া ভিন্ন ভিন্ন পেক্ষাপট দেখিবলৈ পোৱা যায়। নিম্নবৰ্গ এটা সম্পৰ্কৰ নাম। সমতা বিন্যাসৰ নানা প্ৰক্ৰিয়াই উচ্চ আৰু নিম্ন উভয় বৰ্গকে নির্ধাৰণ কৰে। অৱস্থানভেদে বৰ্গৰ ধৰণো সলনি হয়। নিম্নবৰ্গৰ ইতিহাস সর্বোচ্চ সাহিত্য-দর্শন-ন্যায়শাস্ত্ৰ, ধর্ম-বর্ণ ইত্যাদিও গুৰুত্বপূর্ণ। নিম্নবৰ্গৰ ইতিহাস আমাৰ সামগ্ৰিক ইতিহাস চর্চাৰ ধাৰাত গুৰুত্বপূর্ণ সংযোজন।

**২.৭ একত্ৰিংশ বছৰৰ ২০২৪ চনৰ আগষ্ট মাহ ঃ**

'প্ৰকাশ আলোচনীত একত্ৰিংশ বছৰৰ ২০২৪ চনৰ আগষ্ট মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে ওড়িয়া সাহিত্য। অসমীয়া, বাংলা, উর্দু, তামিল তেলুগু, মালয়ালম, হিন্দী ইত্যাদি অনেক ভাষা স্বর্গীয় ঐতিহ্য আৰু গৰিমা লৈয়ো ভাৰতীয় ভাষা হিচাপে স্বীকৃত। সাধাৰণতে পৃথিৱীৰ বহুতো দেশত মূল ভাষা এটাই। দশম শতিকাতে উজ্জ্বল নিদর্শন পোৱা ওড়িয়া সাহিত্যৰ ফকিৰমোহন সেনাপতিৰ নাম সর্বজনবিদিত। বাংলাৰ বংকিমচন্দ্ৰ বা হিন্দী ভাষাৰ প্ৰেমচন্দৰ দৰেই ওড়িয়া সাহিত্যত সেনাপতিৰ আসন। তাৎপর্যপূর্ণভাৱে ষষ্ঠ ভাৰতীয় ধ্ৰুপদী ভাষা হিচাপে ইতিমধ্যে ওড়িয়াই স্বীকৃতি লাভ কৰিছে। প্ৰাচীন ভাৰতীয় ভাষাসমূহৰ মাজত অন্যতম ওড়িয়া হৈছে ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ইণ্ডো আর্য শাখাৰ এটা ভাষা। বাংলা বা অসমীয়া ভাষাৰ সৈতে ওড়িয়া ভাষাৰ মিল আছে। আনুমানিক প্ৰায় ১৫০০ বছৰৰ আগতে প্ৰাকৃতৰ পৰা উৎপত্তি হৈছে ওড়িয়া ভাষাৰ। এই ভাষাটোৰ বিশেষত্ব হ'ল উত্তৰ ভাৰতত প্ৰচলিত ভাষাসমূহৰ মাজত এই ভাষাতেই আৰবী আৰু পার্চী ভাষাৰ প্ৰভাৱ দেখা যায়। ওড়িয়া সাহিত্যিক সমৃদ্ধশালী কৰা লেখকসকলৰ ভিতৰত ব্ৰজনাথ ৰথ, বিভু প্ৰভাদ মহাপাত্ৰ ওড়িয়া জাতীয়তাবাদৰ আৰু আধুনিক ওড়িয়া সাহিত্যৰ পিতৃস্বৰূপ ফকিৰ মোহন সেনাপতি গংগাধৰ মেহেৰ হুছেইন, ৰবি গান্ধী, গোপীনাথ মহান্তি, সীতাকান্ত মহাপাত্ৰ প্ৰতিভা ৰয় আদিৰ নাম ল'ব পাৰি।

**২.৮ একত্ৰিংশ বছৰৰ ২০২৪ চনৰ ছেপ্টেম্বৰ মাহ ঃ**

২০২৪ চনৰ ছেপ্টেম্বৰ মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে বেজবৰুৱা বিষয়ে। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ জন্ম হয় ১৮৬৪ চনৰ ১৪ অক্টোবৰ তাৰিখে আঁহতগুৰিত। তেখেত আধুনিক অসমীয়া সাহিত্যৰ এজন পথ প্ৰদর্শক, গল্প, উপন্যাস, প্ৰবন্ধ ৰচনা, সমালোচনা, প্ৰহসন জীৱনী, আত্মজীৱনী, শিশু সাহিত্য, কবিতা নাটক আৰু সাংবাদিকতাতো বেজবৰুৱাৰ অৱদান অমূল্য। কৃপাবৰ বৰুৱা ছদ্মনামত বেজবৰুৱাই কৃপাবৰী ৰচনা সাহিত্য সৃষ্টি কৰি এজন সমাজ সংস্কাৰক হিচাপে নিজৰ চিনাকি দিছিল। ১৯০৯ চনত তেওঁ 'বাঁহী' আলোচনী প্ৰকাশ আৰু সম্পাদনা কৰিছিল। প্ৰথমটো অসমীয়া চুটিগল্প লিখা সাহিত্যিক হিচাপেও লক্ষ্মীনাথ বেজবৰুৱা জনাজাত অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰাই ৰচিত। অসমীয়া সাহিত্য আৰু বৌদ্ধিক জগতত ৰসৰাজ আৰু সাহিত্যৰথীৰূপে খ্যাত বেজবৰুৱাই ১৯২৪ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল।

**২.৯ একত্ৰিংশ বছৰৰ ২০২৪ চনৰ নৱেম্বৰ মাহ ঃ**

'প্ৰকাশ' আলোচনীত একত্ৰিংশ বছৰৰ ২০২৪ চনৰ নৱেম্বৰ মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে বিৰল মর্যাদা। আমাৰ দেশখনৰ গভীৰ অন্তর্নিহিত ঐক্যই ভিন্ন ৰক্ত, বর্ণ, ভাষা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সম্প্ৰদায়ৰ ধর্মৰ বৈচিত্ৰ্যৰ শ্ৰেষ্ঠতাকে প্ৰমাণ কৰি আহিছে। বিভিন্ন ৰাজনৈতিক প্ৰক্ৰিয়া আৰু অর্থনৈতিক ব্যৱস্থা সত্ত্বেও ভাৰতবর্ষক শক্তিশালী কৰি আহিছে অটুট সাংস্কৃতিক বান্ধোনে এই বন্ধন হৈছে মানুহৰ মনৰ এক আশ্চর্যকৰ অভিযান যি ভিন্নতাৰ মাজতো ঐক্য সম্ভৱ কৰি তুলিছে। তাৰেই উজ্জ্বল উদাহৰণ হৈছে আমাৰ এই অসম ৰাজ্য। ভাৰতবর্ষৰ বিভিন্ন ৰাজ্যসমূহৰ যেনেকৈ নিজৰ মাতৃভাষা আৰু আপোন সংস্কৃতিক লৈ অভিমান সম্ভ্ৰম আছে, ঠিক একেদৰে অসমীয়া মানুহৰ আত্মমর্যাদা, আত্মপৰিচিত প্ৰমূল্যবোধকে প্ৰমুখ্য কৰি অনেক বিষয়-ভাৱনা অসমীয়া ভাষাটো আৰু ৰাজ্যখনৰ বিভিন্ন সংস্কৃতিক উপাদানৰ সৈতে সম্পৃক্ত হৈ আছে। অসমীয়া ভাষা কেৱল অসমীয়া মানুহৰ বাবে ভাব বিনিময়ৰ মাধ্যম নহয়, এক চিৰবাঞ্ছিত আৱেগ। আমি যদি অতীত ইতিহাসৰ পাত মেলো তেতিয়াহ'লে দেখিবলৈ পাওঁ অনেক পেশীগত সবলীকৰণ ধমনীৰ জোৰ লগতে সৃজনীশীল অৱক্ষয়।

**২.১০ একত্ৰিংশ বছৰৰ ২০২৪ চনৰ ডিচেম্বৰ মাহ ঃ**

'প্ৰকাশ' আলোচনীত একত্ৰিংশ বছৰৰ ২০২৪ চনৰ ডিচেম্বৰ মাহৰ সম্পাদকীয়ত প্ৰকাশিত হৈছে ভাষ্যকাৰ। প্ৰাচীনতম আৰু প্ৰভাৱশালী মাধ্যম হিচাপে গ্ৰন্থই আমাক জ্ঞানান্বেষণৰ পৰিসৰ বিস্তাৰ আৰু অভিজ্ঞতা আহৰণত সদায় সহায় কৰি আহিছে। সংকীর্ণ আৱেগ বা সামাজিক অসাম্যৰ অন্ধকূপত আবদ্ধ হোৱাৰ পৰা পৰিত্ৰাণৰ শক্তিশালী পথ দেখুৱাই আহিছে কেৱল গ্ৰন্থই। বাইবেল, কোৰান বা গ্ৰন্থ চাহাবে

ট্রপিটেক যাৱ নামেই লওঁ কিয় এই ধর্মগ্রন্থসমূহ কিন্তু একোটা অক্ষয় সাহিত্য কর্মহে। সাহিত্যত জাতীয়তাৱ বিচাৱ বিষয়টোৱেও সম্প্রতি ব্যাপক চর্চা লাভ কৰিছে। সাহিত্যই অতীজৱ পৱাই জাতীয়তাৱ ধাৱণা কেনেদৱে সুদৃঢ় কৰি আহিছে সেই ইতিহাস অতি দীঘলীয়া।

**৩.০ সম্পাদকীয় বিষয়বস্তুসমূহৰ জৰিয়তে প্রকাশিত অসমীয়া জাতীয় জীৱনৰ সমসাময়িক সামাজিক বৌদ্ধিক চেতনা**

**৩.১ সামাজিক চেতনাৱ প্রতিফলন ঃ**

'প্রকাশ' আলোচনীৱ ২০২৪ বর্ষৱ আলোচনীৱ সম্পাদকীয়সমূহত বৌদ্ধিক সামাজিক, সাংস্কৃতিক আদি বিষয়সমূহক গুৰুত্ব দিয়া হৈছে। উক্ত বর্ষৱ জানুৱাৰী আৰু মার্চ মাহৰ সম্পাদকীয়ত সমসাময়িক সমাজৰ সামাজিক চেতনাৱ প্রতিফলন ঘটিছে।

জানুৱাৰী মাহৰ সম্পাদকীয়ত সেই সময়ৰ আনুগত্য আৰু নতুনৰ গল্প চিন্তাধাৱাক প্রতিফলিত কৰিব বিচাৰিছে। আনুগত্য আৰু নতুনৰ এখন সমাজ বা দেশ জীয়াই থাকিবলৈ হ'লে সেই সমাজ বা দেশখনে যিকোনো ধৱণৰ পৱিৱর্তন আৰু সুবিধাকে গ্রহণ কৰিবলৈ সাজু হৈ থাকিব অভ্যাস আৰু পৱিৱর্তন আৰু সুবিধাকে বিনিময় মাজত এটা ঐকান্তিক যোগাসূত্র বিৱাজমান। ইতিহাসক হৈছে সাম্প্রতিক অভিধাৱে চিহ্নিত কৰিব পৱা নাযায়। ইতিহাস হৈছে এটা শান্ত উৎসসর্বস্ব এখন বিশাল নদীৱ দৱে। বর্তমান সময়ত যিসকল নবীন লেখকে লিখিবলৈ আগবাঢ়ি আহিছে।

আনহাতে মার্চ মাহৰ সম্পাদকীয়ত নাৰী চিন্তাধাৱাক প্রতিফলন কৰিব বিচাৰিছে। নাৰী সাম্প্রতিক সময়ত সমগ্র বিশ্বৱ সামাজিক ৰূপান্তৱৰ এক প্রধান চালিকাশক্তিত পৱিণত হোৱা দেখা যায়। সাম্প্রতিক সময়ৰ পুৰুষতান্ত্রিক সমাজ ব্যৱস্থাত পুৰুষৰ দৱেই নাৰীও সহজে নিজৰ লগতে সমাজৰ বিকাশৱ অর্থে কাম কৰাৱ সুযোগ লাভ কৰিছে। আত্মসন্মানবোধ আৰু সবলীকৱণৰ জৰিয়তে পুৰুষ-মহিলা উভয়ে মিলি এখন সমাজক সবল কৰি তুলিব পাৱে।

**৩.২ বৌদ্ধিক চেতনাৱ প্রতিফলন ঃ**

২০২৪ চনৰ 'প্রকাশ' আলোচনী হৈছে এটি সাহিত্যিক, সাংস্কৃতিক বা বৌদ্ধিক আলোচনী যি মূলত সমাজৰ বৌদ্ধিক চেতনাৱো প্রতিফলন ঘটা দেখা গৈছে। ফেব্রুৱাৰী, ছেপ্টেম্বৰ আৰু ডিচেম্বৰ মাহত অসমৰ একোগৱাকীকৈ বিশিষ্ট ব্যক্তিক কেন্দ্র কৰি আলোচনীখনৰ সম্পাদকীয়ৰ বিষয়বস্তু উপস্থাপন কৰা হৈছে।

সমাজৰ একোগৱাকী মহান ব্যক্তি হিচাপে সাহিত্য চর্চা কৰাৱ লগতে সমাজৰ উন্নতিৰ বাবে গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থৈ গৈছে। আলোচনীখনৰ সম্পাদকে সমাজৰ সৃষ্টিশীল ব্যক্তিসকলে প্রাথমিক প্রয়োজনসমূহত পোৱা অধ্যায়ৰ ফলত নিজৰ সৃষ্টিশীলতাৱে উজাৰি দিবলৈ সক্ষম নোহোৱাৱ দৃশ্য প্রকাশিত কৰিব বিচাৰিছে। অসমীয়া ভাষা সাহিত্য আৰু সমাজলৈ এই ব্যক্তিসকলে আগবঢ়োৱা অৱদানসমূহৰ চমু বিশ্লেষণ এই সম্পাদকীয়সমূহত প্রকাশিত কৰিব বিচৱা হৈছে।

তদুপৰি আগষ্ট মাহৰ সম্পাদকীয়ত অসমীয়া, বাংলা, উর্দু, তামিল, তেলেগু, মালয়ালম, হিন্দী অনেক ভাষা স্বকীয় ঐতিহ্য আৰু গৰিমা লৈয়ো ভাৰতীয় ভাষা হিচাপে স্বীকৃত কৰা হৈছে। স্বাধীনতাৱ পূর্বৰ সময়ছোৱাত অসমীয়া জাতীয় জীৱনৰ পৱিচয়ৰ ভেটি নির্মাণত আৰু অসমৰ সমাজ জীৱনৰ উত্তৱণত এই সমিতিখনে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

**৪.০ উপসংহাৱ ঃ**

অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ অৱিহণা আগবঢ়োৱা মাহেকীয়া আলোচনীসমূহে এটা নির্দিষ্ট সময়ৰ সমসাময়িক সমাজ জীৱনৰ বিভিন্ন দিশসমূহৰ প্রকাশিত হয়। এই আলোচনীসমূহে বিশেষকৈ বৌদ্ধিক সমাজত ন ন চিন্তাৱ উন্মেষ ঘটোৱাত নৱপ্রজন্মক উৎসাহিত কৰে।

আলোচনীখনৰ সম্পাদকীয় পৃষ্ঠাই আলোচনীখনৰ গাম্ভীর্যতা বজাই ৰখাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। প্রতিটো মাহতে আলোচনী এখনে কিছুমান নির্দিষ্ট দিশ সামৱি বিষয়বস্তুৱ নির্বাচন কৰে। সামাজিক, ৰাজনৈতিক, অর্থনৈতিক, বৌদ্ধিক আদি বিষয়সমূহক সম্পাদকীয়ত স্থান দিয়া হয়। এই বিষয়সমূহে পাঠক সমাজৰ মনত এক নতুন চিন্তাৱ উন্মেষ ঘটাত সহায় কৰে। এনেদৱে অসমীয়া সমাজলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা এখন মাহেকীয়া আলোচনী হ'ল 'প্রকাশ'।

আন আন অসমীয়া মাহেকীয়া আলোচনীৱ দৱে 'প্রকাশে'ও অসমীয়া সাহিত্য জগতখনলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে। আলোচনীখনৰ প্রতিটো সংখ্যাৱে সম্পাদকীয় পৃষ্ঠাত অসমীয়া জাতীয় জীৱনৰ সমসাময়িক প্রেক্ষাপট ফুটি উঠে। ফলত সাধাৱণ পাঠক সমাজে সমাজৰ বিভিন্ন দিশ সাহিত্য আদিৰ লগত চিনাকি হোৱাৱ সুযোগ লাভ কৰে।

# ভূপেন হাজৰিকাৰ গীতত
## সামাজিক চেতনা

কৰিস্মিতা বৰগোহাঁই

অসমীয়া সামাজিক জীৱনত ড° ভূপেন হাজৰিকাদেৱৰ নাম অতি উল্লেখনীয়। তেখেতৰ জন্ম হৈছিল ১৯২৬ চনত শদিয়াত। তেখেত আছিল একাধাৰে কবি, নাট্যকাৰ, গীতিকাৰ আদি। তেখেতৰ কবিতা, গীতসমূহত দেশপ্ৰেমমূলক জাতীয় চেতনা স্পষ্টভাৱে ফুটি উঠিছে। তেখেতৰ গীতসমূহত পৰিলক্ষিত হোৱা জাতীয় চেতনাবোধে প্ৰমাণ কৰে যে তেখেত এগৰাকী দেশপ্ৰেমিক তথা নিজৰ দেশৰ প্ৰতি থকা তেখেতৰ নিঃস্বাৰ্থ ভালপোৱা।

ড° ভূপেন হাজৰিকাদেৱে থলুৱা কৃষক, শ্ৰমিক আদি সাধাৰণ জনতাক কেন্দ্ৰ কৰি তেওঁলোকৰ অনুভৱক গীতৰ জৰিয়তে জীয়াই তুলিছিল। তেখেতৰ গীতসমূহ সাম্প্ৰতিক কালতো অতি মূল্যৱান। তেখেতে পৰিৱেশন কৰা গীতৰ জৰিয়তে প্ৰাণ পাই উঠিছিল সাধাৰণ জনতাৰ মন। আমাৰ সামাজিক জীৱনত তেনেকুৱা এজন দেশপ্ৰেমিক সাধাৰণ মানুহৰ অতি প্ৰয়োজন। হাজৰিকাদেৱৰ গীত-মাতৰ জৰিয়তে যিবিলাক স্থানীয় লোকে আনৰ বহতীয়া হৈ আছিল তেওঁলোকৰ মনত জাতীয় চেতনা বৃদ্ধি পাই উঠিছিল। তেখেতে গাইছিল মানৱতাৰ গান, মানুহৰ গান। বৰ্তমানকালত এনে মানৱতাৰ গীত গোৱা লোকৰ সংখ্যা তেনেই নগণ্য। ড° ভূপেন হাজৰিকাই সমাজত যিসমূহ গীতৰ অৱদান আগবঢ়াই থৈ গ'ল সেই গীতসমূহ অনাদি, অনন্ত কাললৈ প্ৰত্যেকগৰাকী থলুৱা লোকৰ বুকুত বাজি থাকিব।



তেখেতৰ গীত, 'মানুহে মানুহৰ বাবে', 'বিস্তীৰ্ণ পাৰৰে, অসংখ্য জনৰে 'প্ৰতিধ্বনি'। এই গীতসমূহৰ জৰিয়তে সাধাৰণ জনতাক একগোট কৰিছিল। এই গীতসমূহে সাধাৰণ জনতাৰ মাজত এক বান্ধোন গঢ়ি তুলিছিল। যাৰ জৰিয়তে উচ্চ-নীচ ভেদাভেদক লাহে লাহে আওকাণ কৰি জনতাৰ মাজত সমন্বয়ৰ সেতু বান্ধিছিল।

অসম আন্দোলনৰ সময়ত তেখেতৰ গীতসমূহে অধিক প্ৰাধান্য লাভ কৰিছিল। নিজৰ দেশৰ বাহিৰে অন্যান্য দেশতো তেখেতে গীত পৰিৱেশন কৰি জনপ্ৰিয়তা বুটলিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষাৰ উপৰি তেখেতে হিন্দী, বাংলা আদি ভাষাত গীত গাই বাংলা, হিন্দীভাষীৰ লোকৰ মাজতো জনপ্ৰিয়তা অৰ্জন কৰিছিল।

ভূপেন হাজৰিকাদেৱৰ গীতসমূহে জনসাধাৰণক একতাৰে বান্ধি সামাজিক চেতনা বৃদ্ধি কৰিছিল। তেখেত সাধাৰণ জনতাৰ বাবে সাহসৰ পাত্ৰস্বৰূপ। তেখেতৰ মৃত্যু হৈছিল ২০১১ চনত। এনে এজন মহান ব্যক্তিক সদায় শ্ৰদ্ধাৰে আমাৰ মাজত জীয়াই ৰখাটো আমাৰ কৰ্তব্য।



পৰিৱেশ বিষয়ক

# পৰিৱেশ প্ৰদূষণ

## এক মানৱসৃষ্ট সংকট

ড° শাৰদী বৰা

বৰ্তমান বিশ্বৰ আটাইতকৈ বেছি আলোচ্য বিষয় হৈছে জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধি আৰু ইয়াৰ প্ৰভাৱ। সৰ্বত্ৰ ইয়াৰ বিষয়ে চিন্তা-চৰ্চা চলিছে যদিও ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ যেন আজিৰ বিশ্বই হাহাকাৰ কৰিবলগীয়া হৈছে। যিকোনো এটা অঞ্চলৰ বতৰৰ ধৰণ বা চলকসমূহৰ দীৰ্ঘম্যাদী অৱস্থাটোকে আমি জলবায়ু বুলি কওঁ। এই জলবায়ুৰ পৰিৱৰ্তন স্বাভাৱিকভাৱে হ'লে সি পৃথিৱীৰ জীৱ বৈচিত্ৰ্যত বিশেষ কুপ্ৰভাৱ পেলাব নোৱাৰে। কিন্তু এই পৰিৱৰ্তনত মানুহৰ কাৰ্যকলাপৰ ফলত দেখা দিয়া ব্যাপক আৰু অস্বাভাৱিক হাৰৰ পৰিৱৰ্তনসমূহে আজি আমাৰ পৰিৱেশত বিৰূপ ছবি দাঙি ধৰিছে। কাৰণ পৰিৱৰ্তন যদি মানৱসৃষ্ট হয়, তেতিয়া ই অতি দ্ৰুতগামী হয় আৰু বৰ্তমান ইয়াৰ ফলত পৃথিৱীৰ গড় উষ্ণতাৰ অস্বাভাৱিকভাৱে বৃদ্ধি হোৱা দেখা গৈছে। ঊনৈশ শতিকাত আৰম্ভ হোৱা শিল্প বিপ্লৱ বা ঔদ্যোগীকৰণে মানৱ সভ্যতাৰ বিকাশক প্ৰভাৱিত কৰিলে। কৃষি খণ্ডৰ উন্নয়নৰ পৰা বাণিজ্য, চিকিৎসা, যাতায়াত, যোগাযোগ আদি সকলোকে আমূল পৰিৱৰ্তন সাধন কৰি বিজ্ঞানৰ জয়যাত্ৰা আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত এই পৰিৱৰ্তনসমূহ চকুত সহজে ধৰা পৰা নাছিল যদিও সেই শতিকাৰ মাজভাগৰ পৰাই দ্ৰুত ঔদ্যোগীকৰণ তথা নগৰীকৰণ ব্যৱস্থাই এই পৰিৱৰ্তনক অধিক দ্ৰুতগামী কৰে। জীৱাশ্ম ইন্ধিনৰ দহন, নিৰ্বনানীকৰণ আদি কাৰ্যৰ দ্বাৰা পৃথিৱীত দ্ৰুতগতিত সেউজ গৃহ গেছৰ পৰিমাণ বাঢ়িবলৈ ধৰিলে। বিভিন্ন কল-কাৰখানাৰ কামত আৰু যাতায়াত ব্যৱস্থাৰ বাবে শক্তিৰ প্ৰয়োজনীয়তা বাঢ়িবলৈ ধৰিলে, যাৰ বাবে জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ আৰম্ভ হ'বলৈ ধৰে। জীৱাশ্ম ইন্ধনৰ দহনৰ বাবে সেউজ গৃহ গেছৰ নিৰ্গমণ হ'ল। ১৮৫০ চন মানৰ পৰা মানুহে পৃথিৱীপৃষ্ঠৰ তাপমাত্ৰা বৃদ্ধি লক্ষ্য কৰিলে। মানুহে উপলব্ধি কৰিলে যে মানুহৰ জীৱনশৈলীৰ পৰিৱৰ্তনৰ লগে লগে মানুহে যিসমূহ বস্তুক আঁকোৱালি লৈছে সেইসমূহে পৃথিৱীৰ পৰিৱেশতন্ত্ৰক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। অথচ এই


অৱস্থাটো ক্ৰমান্বয়ে বাঢ়িয়েই থাকিল আৰু মানুহে আধুনিকতাৰ দোহাই দি পৰিৱেশক কেৱল বিনষ্ট কৰিয়েই আগবাঢ়িল। পৃথিৱীৰ তাপমাত্ৰা অস্বাভাৱিকভাৱে বৃদ্ধি হৈ হৈ ২০২৪ বৰ্ষটো ইতিহাসৰ আটাইতকৈ উষ্ণ বৰ্ষ হিচাপে চিহ্নিত হ'ল। উষ্ণতা বৃদ্ধিৰ লগে লগে মেৰু অঞ্চলৰ বৰফ গলাৰ ফলত সমুদ্ৰপৃষ্ঠ অস্বাভাৱিকভাৱে বৃদ্ধি হৈ আছে। পৃথিৱীপৃষ্ঠৰ উষ্ণতাৰ অস্বাভাৱিক বৃদ্ধিয়ে ১৮৮০ চনৰ পৰা বৰ্তমানলৈ সমুদ্ৰপৃষ্ঠৰ উচ্চতা ২০ চেণ্টিমিটাৰ বৃদ্ধি কৰিলে। এনেদৰে থাকিলে বিশ্বৰ অধিকাংশ অঞ্চল এদিন পানীৰ তলত ডুব যোৱাৰ আশংকা কৰা হৈছে। বৰ্তমান পৃথিৱীৰ মাটি-বায়ু-পানী এনেদৰে থাকিলে বিশ্বৰ অধিকাংশ অঞ্চল এদিন পানীৰ তলত ডুব যোৱাৰ আশংকা কৰা হৈছে। বৰ্তমান পৃথিৱীৰ মাটি-বায়ু-পানী এনেদৰে প্ৰদূষিত যে ভালেমান জীৱই পৃথিৱীৰ পৰা বিলুপ্ত হৈছে। মানুহৰ আৰামদায়ক তথা ইলাহী জীৱনধাৰণৰ হাবিয়াসে পৃথিৱীত যি ক্ল'ৰফ্লু'ৰ কাৰ্বন গেছৰ বৃদ্ধি কৰিছে, তাৰ ফলস্বৰূপে পৃথিৱীখনক সুৰক্ষিত কৰি ৰখা অদৃশ্য ছাতিস্বৰূপ অ'জন স্তৰৰ ক্ষয়ীভৱন ঘটিছে। সমগ্ৰ বিশ্বত এতিয়া এনে এক পৰিস্থিতিয়ে মনলৈ ভাব আহে গ্ৰীষ্মকালৰ কেতিয়া অন্ত পৰিব! শীত আহিবনে?

### মানৱসৃষ্ট জলবায়ু সংকট

প্ৰকৃততে পৃথিৱীৰ জলবায়ু প্ৰাকৃতিকভাৱে পৰিৱৰ্তনশীল। যেনে সৌৰচক্ৰৰ পৰিৱৰ্তন, মহাকাশীয় ৰশ্মিৰ বিকীৰণ, ধূমকেতু বা উল্কাপিণ্ডৰ বৰ্ষণ, আগ্নেয়গিৰিৰ উদ্গীৰণ ইত্যাদি কাৰণত ইয়াৰ পৰিৱৰ্তন হ'ব পাৰে। কিন্তু এইসমূহ কাৰকে যিমান ক্ষতি কৰিব পাৰে তাৰ বাবে পৃথিৱীখন নমনীয় অৰ্থাৎ এই পৰিৱৰ্তনখিনিক পৃথিৱীয়ে সহ্য কৰিব পাৰে আৰু তাৰ পৰা নিজকে উদ্ধাৰ কৰিবলৈ সক্ষম। তাৰ তুলনাত মানৱসৃষ্ট কাৰকসমূহে যি পৰিৱৰ্তন সাধন কৰিছে সি কিন্তু পৃথিৱীৰ অস্তিত্বলৈ ভাবুকি আনিছে। পৃথিৱীয়েই হৈছে এই বিশ্বব্ৰহ্মাণ্ডত একমাত্ৰ সেউজ গ্ৰহ। এই গ্ৰহটোক যদি আমি মানুহেই বহনক্ষম অৱস্থাত ধৰি ৰাখিব নোৱাৰো তেন্তে আমি যি ভৱিষ্যতলৈ আগবাঢ়িম সেয়া কল্পনাও কৰিব নোৱাৰিম। পৃথিৱীৰ জনসংখ্যা দিনে দিনে বৃদ্ধি পাই থকাৰ লগে লগে প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত যেন প্ৰচণ্ড চাপ পৰিছে। বনাঞ্চল ধ্বংসৰ বাবে পৃথিৱীৰ জনসংখ্যা দিনে দিনে বৃদ্ধি পাই থকাৰ লগে লগে প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত যেন প্ৰচণ্ড চাপ পৰিছে। বনাঞ্চল ধ্বংসৰ বাবে পৃথিৱীৰ বায়ুমণ্ডলত অনিষ্টকাৰী পদাৰ্থৰ পৰিমাণ বাঢ়ি গৈছে। কল-কাৰখানাৰ ধোঁৱাই নিৰ্গত কৰা কাৰ্বন মনক্সাইড কাৰ্বন-ডাই-অক্সাইড, ছালফাৰ ডাই-অক্সাইড, নাইট্ৰ'জেন ডাই-অক্সাইড, হাইড্ৰ'জেন ছালফাইড আদি গেছীয় পদাৰ্থ আৰু এইবিলাকৰ লগতে বায়ুমণ্ডলত ঘূৰি ফুৰা সৰু সৰু ধূলিকণাসদৃশ কণা বা Acrosolসমূহৰ উপস্থিতিয়ে বায়ুমণ্ডলৰ বিস্তৰ ক্ষতি কৰিছে। এইবিলাক আকৌ বৰষুণৰ লগত নামি পানী প্ৰদূষিত কৰিছে। বৰ্ধিত জনসংখ্যাৰ চাহিদা পূৰণৰ বাবে কৃষি ক্ষেত্ৰত প্ৰয়োগ কৰা ৰাসায়নিক দ্ৰব্যই মাটি-পানী সকলোকে দূষিত কৰিছে। পৃথিৱীৰ স্থলভাগৰ ওপৰত সেউজীয়া আস্বাদন কমি গৈছে। বৰষুণৰ অভাৱত পৃথিৱীৰ বহু অংশত খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে। মুঠৰ ওপৰত মানুহৰ বৰ্ধিত কাৰ্যকলাপে পৃথিৱীৰ বাতাবৰণত বৰ বেয়াকৈ ঋত্তমক প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিলে।

### বৰ্তমানৰ সমস্যাসমূহ আৰু ভৱিষ্যতৰ আশংকা

১৯৮৮ চনত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ সম্পৰ্কীয় পৰিষদ Interogovernmental Panel on Climate Change (IPCC) গঠন কৰা হয় আৰু এই পৰিষদে বিজ্ঞানসন্মত গৱেষণাৰ দ্বাৰা জলবায়ু পৰিৱৰ্তন আৰু ইয়াৰ অভিযোজন আৰু উপশমৰ উপায় সম্বন্ধে অধ্যয়ন কৰি আছে। ১৯৫ খন দেশৰ সদস্যতাৰে গঠিত এই কমিটীৰ প্ৰতিবেদনে আন্তঃৰাষ্ট্ৰীয়




চিত্ৰ ১ঃ (উৎস ঃ https://www.ipcc.ch/sr15/graphics/]

পর্যায়ত জলবায়ু সম্পর্কে ধাৰণা দিব পাৰে। ঠাৱৰ কৰা হৈছে যে প্ৰাক্-ঔদ্যোগীকৰণৰ সময়ৰ পৰা এতিয়ালৈকে প্ৰায় ০.৮ ডিগ্ৰী চেলচিয়াছৰ পৰা ১.৩ ডিগ্ৰী চেলচিয়াছপৰ্যন্ত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে। তাৰে মানুহৰ ক্ৰিয়াকলাপৰ বাবে বৃদ্ধি হোৱাৰ পৰিমাণ ১ ডিগ্ৰী চেলচিয়াছ বুলি অনুমান কৰা হৈছে। এইটোও অনুমান কৰা হৈছে যে এই বৃদ্ধিৰ হাৰ এনেদৰে হৈ থাকিলে ২০৩০ চনৰ পৰা ২০৫২ চনৰ বিতৰত এই উষ্ণতা বাঢ়ি গৈ ১.৫ ডিগ্ৰী চেলচিয়াছ হ'বগৈ। (চিত্ৰ ঃ ১)

| Greenhouse Gas (GHG) | Atmospheric Lifetime (yrs) | Global Warming Potental (GWP) | Primary Current Sources | |
|---|---|---|---|---|
| Carbon dioxide ($CO_2$) | 50-200 | 1 | Fossil fuel use, land use, cement | |
| Methane ($CH_4$) | 12±3 | 21 | Fossil fuel use, agriculture | |
| Nitrous oxide ($N_2O$) | 120 | 310 | Mostly agriculture, ~1/3 are anthropogenic | |
| Hydrofluorocarbons (HFCs) | 1.5 to 209 | 150 to 11,700 | Alternative to ozone depleting substances | High GWP gases |
| Perfluorocarbons (PFCs) | 2,600 to 50,000 | 6,500 to 9,200 | Primary aluminum production; semiconductor manufacturing | |
| Sulfur Hexafluoride ($SF_6$) | 3,200 | 23,900 | Used in electric power transmission, magnesium and semiconductor industries | |


গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰাবল্যৰ তালিকা

উৎস ঃ https://www.global-climate-change.org.uk/6-5-2.php


তেওঁলোকৰ প্ৰতিবেদনমতে ২০২৪ চনৰ পৃথিৱীপৃষ্ঠৰ গোলকীয় উষ্ণতা আছিল ১.৫৫ ± ০.১৩ ডিগ্ৰী চেলচিয়াছ, যিটো ১৮৫০ চনৰ পৰা ১৯০০ চনৰ গড় উষ্ণতাতকৈ অধিক আৰু সেই বৰ্ষটোক এতিয়ালৈকে সৰ্বাধিক উষ্ণ বৰ্ষ বুলি কোৱা হৈছে। IPCCৰ ষষ্ঠ মূল্যায়ন প্ৰতিবেদনত কোৱা হৈছে যে ২০৩০ চনৰ ভিতৰত পৃথিৱীৰ গোলকীয় উষ্ণতা যিকোনো বছৰত ১.৫ ডিগ্ৰী চেলচিয়াছতকৈ বঢ়াৰ সম্ভানীয়তা ৫০ শতাংশ। এই বৃদ্ধি ১.৫ ডিগ্ৰী চেলচিয়াছৰ সীমাৰ ভিতৰত ৰাখিবলৈ সেউজ গৃহ গেছৰ নিৰ্গমনৰ পৰিমাণ ২০১৯ চনৰ তুলনাত অতিকমেও ৪৩ শতাংশ কমাব লাগিব আৰু ২০৩৫ চনৰ ভিতৰত প্ৰায় ৬০ শতাংশ কমাব লাগিব। তেওঁলোকৰ প্ৰতিবেদনত এইটোও উল্লেখ কৰা হৈছে যে মানুহৰ দ্বাৰা প্ৰতি ১,০০০ গিগাটন কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমনে পৃথিৱীপৃষ্ঠৰ গোলকীয় উষ্ণতা ০.৪৫ ডিগ্ৰী চেলচিয়াছলৈ বৃদ্ধি কৰিব পাৰে।

গ্ৰীন হাউছ গেছসমূহ হৈছে বায়ুমণ্ডলত থকা সেইসমূহ গেছ যিবোৰে পৃথিৱীপৃষ্ঠত প্ৰতিফলিত হৈ উভতি যোৱা বিকিৰণ বা শক্তিখিনিক শোষণ কৰি পৃথিৱীপৃষ্ঠৰ পৰা শক্তি ওলাই যোৱা প্ৰক্ৰিয়াক লেহেমীয়া কৰে। এই গ্ৰীন হাউছ গেছসমূহৰ উৎস সম্পৰ্কে IPCC-ৰ শেহতীয়া প্ৰতিবেদনত দেখা গৈছে যে ২০২৫ বৰ্ষত এতিয়ালৈকে এই গেছসমূহৰ নিৰ্গমন আটাইতকৈ বেছি হৈছে শক্তিখণ্ডৰ পৰা। ইয়াৰ পিছতে আহিছে নিৰ্মাণকাৰ্য, জীৱাশ্ম ইন্ধনৰ দহন, যাতায়াত, কৃষি, গৃহনিৰ্মাণ, আৱৰ্জনাৰ দ'ম, ফ্লু'ৰিনেটেড গেছ (মানৱসৃষ্ট গ্ৰীন হাউছ গেছ, যিসমূহ ৰেফ্ৰিজাৰেটৰ, এয়াৰ কণ্ডিচনাৰ আৰু ছেমিকণ্ডাক্টৰ উদ্যোগত ব্যৱহাৰ হয়) আৰু খনিজ পদাৰ্থ নিষ্কাশন প্ৰক্ৰিয়াৰ পৰা। (চিত্ৰ ঃ ২)

১৯৯০ চনত IPCCয়ে গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত বিভিন্ন গেছসমূহৰ অৱদানৰ সূচক হিচাপে গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰাবল্য (Global Warming Potential, GWP) নামে এক ৰাশি ব্যৱহাৰ কৰিছিল। এই GWP সূচক হৈছে এক টন গেছে এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ১ টন কাৰ্বন-ডাই-অক্সাইডৰ তুলনাত কিমান পৰিমাণৰ শক্তি শোষণ কৰিব পাৰে তাৰ মাপকাঠী। এই GWP যিমানেই বেছি হয় সেই গেছে উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত কাৰ্বন-ডাই-অক্সাইডৰ তুলনাত সিমানেই বেছি অৰিহণা যোগায়। তলৰ তালিকাখনত এই সূচকাংকসমূহ দেখুওৱা হৈছে।




চিত্ৰ ঃ ২ গ্ৰীন হাউছ গেছ নিৰ্গমনকাৰী উৎস




চিত্ৰ ৩ ঃ অ'জন ক্ষয়ংকৰী পদাৰ্থ নিৰ্গমনকাৰী

গতিকে দেখা যায় যে মানৱসৃষ্ট হিচাপে কিছুমান গেছে পৃথিৱীত থাকি অহৰহ ইয়াৰ উষ্ণতা বৃদ্ধি কৰিয়েই আছে।

**জীৱকূললৈ নামি অহা সংকটৰ বাবে দায়ী মানৱসৃষ্ট উপাদানসমূহ ঃ**

এতিয়া আহিছো এই গোলকীয় উষ্ণতা বৃদ্ধিয়ে মানুহ সহিতে সমগ্ৰ জীৱকূললৈ কেনেদৰে বিপদ নমাই আনিছে। আমাৰ বায়ুমণ্ডলৰ কেউটা স্তৰেই আমাক জীয়াই থকাত সহায় কৰিছে। যিকোনো অংশত হোৱা অস্বাভাৱিক পৰিৱৰ্তনে আমালৈ বিপদ নমাব পাৰে। আমাৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ উচ্চতাত থাকি ষ্ট্ৰেট'স্ফিয়েৰৰ অ'জন স্তৰে এক অদৃশ্য ছাতিস্বৰূপে থাকি পৃথিৱীক সূৰ্য্যৰ হানিকাৰক অতিবেঙুনীয়া ৰশ্মিৰ পৰা জীৱকূলক বচাই আছে। এই স্তৰে সূৰ্য্যৰ Ultraviolet B আৰু Ultraviolet C ৰশ্মিক শোষণ কৰি লয়। যদি এই স্তৰটোৰ কিবা বিঘিনি ঘটে তেন্তে পৃথিৱীৰ জীৱকূললৈ অবৰ্ণনীয় দশা নামি আহিব পাৰে। মানুহৰ বিভিন্ন ছালৰ ৰোগ হ'ব পাৰে। উদ্ভিদ জগত আৰু জলজ জৈৱবৈচিত্ৰ্যত বিৰূপ প্ৰভাৱ পেলাব পাৰে।

শটো মুখাগ্নি কৰাজনৰ হাতত এটা জুমুঠি জ্বলাই লৈ যায়। সম্ভ্ৰান্ত বয়স্ক লোকৰ মৰাশ গায়ন-বায়নে হৰিনাম লৈ সমদল কৰি শ্মশানলৈ লৈ যোৱা হয়। আনফালে ঘৰৰ তিৰোতাসকলে বা আন মানুহে মৰাশ লৈ যোৱাৰ পিচত মৰাশ ৰখা ঠাইখিনি মচি-কাচি সেই ঠাইত এগছি চাকি জ্বলাই থোৱা হয়।

মৰাশ চিতাত তোলাৰ আগেয়ে মৰাশটো পুনৰ কান্ধত লৈ চিতাখনৰ বাওঁফালৰ পৰা তিনিপাক ঘূৰি চিতাৰ ওপৰত মৰাশ তুলি দিয়া হয়। তাৰ পিছত পুৰোহিতে হৰিধ্বনি দিয়াৰ পিছত মুখাগ্নি কৰা হয়। শটো জ্বলি শেষ হোৱাৰ পিচত মৰাশটোৰ নাড়ীডাল জ্বলি নাযায় বুলি কোৱা হয় আৰু সেইডাল বিচাৰি পুতেকে নদীত ডুব মাৰি পিছফাললৈ দলিয়াই দিয়ে। সেইটোকে শদিয়াৰ আহোম সমাজত পিণ্ড দিয়া বুলি কোৱা হয়।

**মৃত্যুৰ পিছত দহা-কাজ ঃ** এজন মানুহৰ মৃত্যুৰ তিনি দিনৰ দিনা তিলনী পতা হয়। তিলনীতে কেঁচা পিঠাগুড়ি, কল-গাখীৰ আদি দিয়া হয়। ভকতসকলে নাম লৈ আশীৰ্বাদ দিয়ে। ঘৰৰ পৰিয়ালে ভকতৰ খোৱাবস্তুবোৰ স্পৰ্শ কৰিব নেপাই বুলি বিশ্বাস আছে। সেইদিনা মেধিয়ে সকলোকে শান্তি পানী দিয়ে। সেইদিনাৰ পৰা ঘৰৰ মানুহবোৰে ভাত খাব পাৰে। ইয়াৰ পিছত এখন দহদিনীয়া সকাম পাতে। এই সকামখনত চোতালত ৰভা দিয়ে আৰু ৰভাখনত নযোৰ খুঁটা পুতে। দহদিনীয়া সকামখনত প্ৰসাদৰ শৰাই দিয়া হয় আৰু গাঁৱৰ ৰাইজসকলে ভাত এসাঁজ খায়। ভকতসকলৰ বাবে গাঁৱৰে এজন পুৰুষক ভাত বনাবলৈ দিয়া হয়। মৃতকৰ ঘৰৰ মানুহে দহদিনীয়াখনৰ পৰা মাছ খাব পাৰে বুলি কোৱা হয়।

কুৰি দিনত বা মাহেকৰ মূৰত দহা-কাজখন পতা হয়। সেইদিনা গায়ন-বায়ন হৰিনাম লৈ কাঁহ বজায়। সেইদিনা প্ৰসাদৰ শৰাইৰ লগতে ভাতৰ আয়োজন কৰা হয়। আৰু মাছ দিয়া হয়। ভকতসকলক বহিবৰ বাবে ৰভাৰ তলত ঢৰা পাৰি দিয়ে। সেই দহা-কাজখন কৰাৰ পৰাই মৃতকৰ আত্মাই শান্তি লাভ কৰে বুলি বিশ্বাস কৰা হয়।

**মানি চলা নীতি ঃ** মৃতক মৰা ঘৰৰ পৰিয়ালে তিনি দিন লঘোণে থাকে। মাত্ৰ ফলাহাৰহে গ্ৰহণ কৰে। দহা-কাজ পাৰ হৈ নোযোৱালৈকে ঘৰৰ পৰিয়ালৰ লোকসকলে মাটিত খেৰ পাৰি শোৱে। ঘৰৰ সন্তান বা স্ত্ৰীয়ে মাটিত পাটী বা ঢাৰি পাৰি বহিব লাগে। তিনি দিন হোৱালৈকে নিমখ খাব নাপায় বুলি কয়। স্বামী মৰিলে বিধৱাই শিৰৰ সেন্দূৰ ফোঁট মোহাৰি পেলায়। ৰঙীন কাপোৰৰ সলনি শুদ্ধ বগা কাপোৰ বিন্ধে। গৃহস্থৰ ঘৰৰ মানুহে ঘৰৰ পৰা বাহিৰলৈ যাব নাপায়। ঘৰৰ মানুহে ভকতৰ বাবে আয়োজন কৰা সামগ্ৰীত হাত নিদিয়ে।

শদিয়া অঞ্চলৰ আহোম সমাজত প্ৰচলিত বিভিন্ন লোকবিশ্বাস ৰীতি-নীতি তথা লোকাচাৰসমূহে বিশেষ ভূমিকা পালন কৰি আহিছে।

# শদিয়া অঞ্চলত প্রচলিত শব্দসম্ভাৰ ঃ এক চমু অৱলোকন

ৰিম্পী বুঢ়াগোহাঁই

ভাষিক পৰিৱেশ তথা স্থান অনুসৰি একোটা ভাষাৰ গাঁথনিগত দিশত সুকীয়া বিশেষত্বই গঢ় লোৱা দেখা যায়। অসমীয়া ভাষাৰ ক্ষেত্রলৈ মন কৰিলে দেখা যায় ভৌগোলিক অৱস্থান অনুসৰি মূল তিনিটা ঔপভাষিক ৰূপ উজনি, নামনি আৰু মধ্য অসমত পোৱা যায় যদিও সামাজিক নৃগোষ্ঠী, জাতি, শ্রেণী ভেদেও অসমীয়া ভাষাৰ সুকীয়া ৰূপ কিছুমান গঢ় লৈ উঠিছে। গাঁথনিগত দিশসমূহৰ ভিতৰত উচ্চাৰণ, ৰূপ, বাক্য, শাব্দিক দিশটোৱে ভাষা একোটাক স্বকীয় পৰিচয় প্রদান কৰে। অসমৰ এখন সীমামূৰীয়া ভৌগোলিক অঞ্চল 'শদিয়া'। এই অঞ্চলৰ সমাজত প্রচলিত অসমীয়া ভাষাৰ এক স্বতন্ত্র বৈশিষ্ট্য আছে। বিশেষকৈ শাব্দিক দিশৰ প্রয়োগত এই পার্থক্যৰ অধিক স্পষ্টতা দেখা যায়। এই অধ্যয়নত—

**শদিয়াৰ ভৌগোলিক আৰু সামাজিক পৰিচয় ঃ**

শদিয়াখন বর্তমান অসমৰ একেবাৰে পূব দিশৰ নগৰ তথা তিনিচুকীয়া জিলাৰ এখন সম-জিলা। শদিয়া এখন বুৰঞ্জীপ্রসিদ্ধ ঠাই ইতিহাসৰ কিছুমান ভগ্নাৱশেষ বর্তমানো ইয়াত দেখা পোৱা যায়। শদিয়াৰ পুৰণি নাম কুণ্ডিল নগৰ আছিল বুলি কোৱা হয়। বর্তমান এই শদিয়াৰ প্রাকৃতিক সৌন্দর্য অতি মনোৰম। শদিয়াৰ মাজেৰে বৈ অহা দিবাং, লোহিত, কুণ্ডিল, দেওপানী আদি কেইবাখনো নদীয়ে প্রাকৃতিক সৌন্দর্য গঢ়ি তোলাত মুখ্য ভূমিকা পালন কৰি আহিছে। এই অঞ্চলটো কৃষিজাত সামগ্রীৰ বাবে এক উল্লেখযোগ্য বজাৰ।

শদিয়া এখন বিভিন্ন জাতি জনগোষ্ঠীৰ বসতি স্থল। এই জাতি-জনগোষ্ঠীসমূহে শদিয়াৰ সমাজখনক সুন্দৰ আৰু সবল ৰূপত গঢ়ি তোলাত সহায় কৰিছে। শদিয়া অঞ্চলত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহৰ নাম হৈছে— নেপালী, সোনোৱাল কছাৰী, দেউৰী, মিচিং, মেচ কছাৰী, বড়ো, টাই, মটক, মৰাণ, কৈৱর্ত জনগোষ্ঠী ইত্যাদি।

**শদিয়াৰ সমাজত প্রচলিত স্থানবাচক শব্দ ঃ**

শদিয়া অঞ্চলত প্রচলিত স্থানবাচক শব্দসমূহৰ মৌলিক শব্দসমূহকহে ইয়াৰ বিষয়বস্তু হিচাপে আলোচনা কৰা হৈছে। কাৰণ শদিয়া অঞ্চলত প্রচলিত সাধিত শব্দসমূহ মান্য অসমীয়াৰ দৰেই ব্যৱহাৰ হোৱা দেখা যায়। সেইকাৰণে মৌলিক শব্দসমূহক ইয়াৰ মূল বিষয় হিচাপে আলোচনা কৰা হৈছে।

মৌলিক শব্দ হ'ল এনেবোৰ শব্দ যিবোৰক অর্থপূর্ণভাৱে খণ্ডিত কৰিব নোৱাৰি। অর্থাৎ যিবোৰ শব্দ নিজৰ এক মৌলিক অর্থ থাকে। এই শব্দবোৰৰ গঠনত আন কোনো শব্দ বা প্রত্যয় যোগ নহয়। মৌলিক শব্দ পাঁচ প্রকাৰৰ। সেয়া হৈছে—

১। বিশেষ্য
২। বিশেষণ
৩। সর্বনাম
৪। ক্রিয়া
৫। অব্যয়

**১। বিশেষ্য ঃ** কোনো নাম, জাতি, বস্তু বা প্রাণীৰ নাম, ঠাইৰ নাম বুজোৱা শব্দক বিশেষ্য পদ বা শব্দ বোলে। বিশেষ্য পদৰ ভাগকেইটা হৈছে—

১। নামবাচক বিশেষ্য
২। সম্বোধনবাচক বিশেষ্য
৩। জাতিবাচক বিশেষ্য
৪। বস্তুবাচক বিশেষ্য
৫। গুণবাচক বিশেষ্য

**২। বিশেষণ ঃ** যিবোৰ শব্দই বিশেষ্য আৰু সর্বনাম পদৰ দোষ-গুণ বুজায় তাক বিশেষণ পদ বোলে। ইয়াৰ ভাগকেইটা হৈছে।

১। বিশেষ্য বিশেষণ
২। বিশেষণীয় বিশেষণ
৩। ক্রিয়া বিশেষণ

**৩। সর্বনাম ঃ** বিশেষ্য পদৰ সলনি যিবোৰ পদ ব্যৱহাৰ হয় তাক সর্বনাম বোলে। বৈশিষ্ট্য অনুসৰি সর্বনাম পদবোৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। যেনে—

১। ব্যক্তিবোধক সর্বনাম
২। স্থানবোধক সর্বনাম
৩। কালবোধক সর্বনাম
৪। বিশেষবোধক সর্বনাম

**৪। ক্রিয়া ঃ** যিবোৰ শব্দই কোনো কাম কৰা বা হোৱা বুজায় তাক ক্রিয়া পদ বোলে। ইয়াৰ ভাগকেইটা হৈছে—

১। সমাপিকা ক্রিয়া
২। অসমাপিকা ক্রিয়া

**৫। অব্যয় ঃ** যি পদৰ কোনো অৱস্থাতে পৰিৱর্তন নহয় তাক অব্যয় বোলে। অব্যয় পদ সাত প্রকাৰৰ। সেইবোৰ হ'ল—

১। সংযোজক অব্যয়
২। বিয়োজক অব্যয়
৩। ভাববোধক অব্যয়
৪। সম্বোধনবোধক অব্যয়
৫। প্রশ্নবোধক অব্যয়
৬। সমীধানবোধক অব্যয়
৭। অনুষংগিক অব্যয়

শদিয়াত প্রচলিত মৌলিক শব্দসমূহ এনেধৰণৰ—


| **শদিয়া অঞ্চলৰ শব্দ** | **মান্য অসমীয়া শব্দ** |
|---|---|
| জৌ | মা |
| চাও/পিতাই | দেউতা |
| দৌতা | ককা |
| বাইদৌ | আইতা |
| নিচাদেও | বৰদেউতা |
| এপাদেউ | বৰমা |
| পোথাদেউ | মাৰ মাক |
| পোথাদেউ | মাৰ দেউতাক |
| দদাই | খুৰা |
| খুই | খুৰীদেউ |
| ডাংৰাই | ডাঙৰ ককাইদেউ |
| আপুদৌ | শহুৰ দেউতা |
| বাইচাদৌ | জেশাহু |
| মমাই | মোমাইদেউ |
| মাই | মামী |
| জঙাই | জোঁৱাই |
| ভিনি | ভিনদেউ |
| সেতৰ | সিহঁতৰ |
| ততি | তহঁতি/তোমালোক |
| সেতে | সিহঁত |
| তালে | তালৈ |
| ক'লে | কলৈ |
| ইয়ালে | ইয়ালৈ |
| কাইলৈ | অহাকালি |
| পখি | পৰহি |
| যিতিয়া | যেতিয়া |
| যিমিন | যিমান |
| যেনেকে | যেনেকৈ |
| তেনেকে | তেনেকৈ |
| সিদিনা | সেইদিনা |
| ভিতত | ভিতৰত |
| ওপত | ওপৰত |
| কিনি যাও | কলৈ যোৱা |
| ইফিমান | অলপমান |

| | |
|---|---|
| এইপিনে | এইফালে |
| তাহানিতে | তেতিয়াতে |
| ভাটিবেলা | আবেলি |
| কতিয়াই | খাই |
| গোনাইছে | লৈ দে/লৈ দিয়া |
| খকিলিকা | সম্পূর্ণ নোহোৱা |
| খিতি তিক খত তৰা | টান |
| সিদি গলে | সেইফালে |
| খৰৰো | সোনকালে |
| তপত | গৰম |
| চেচা | ঠাণ্ডা |
| মেলাই | ফনিয়াই |
| নিঙাইছে | মাতিছে |
| আওলা | বাৰাণ্ডা |
| নাটনি | মেৰোনা |
| ৰখি | কৈ |
| লেলা | মতা |
| বাও | ভাল/বাৰু |
| নেযাং | নেযাওঁ |
| যাং | যাও |
| নেখাং | নেখাওঁ |
| খাং | খাওঁ |
| উহুৱা | বইল কৰা |
| মম | মৰম |
| পইব | পৰিব |
| পথা | পথাৰ ইত্যাদি। |

এই শব্দসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে শদিয়াৰ অঞ্চলৰ ব্যৱহৃত শব্দবোৰৰ কেতিয়াবা কেতিয়াবা 'ৰ' ধ্বনিৰ উচ্চাৰণ হোৱা দেখা নাযায়। যেনে— ঘত— ঘৰত, মম— মৰম, পইব— পৰিব ইত্যাদি। তেনেদৰে শদিয়া অঞ্চলত 'ও' ধ্বনিটো ং/ঙলৈ পৰিৱৰ্তন হোৱা দেখা যায়। যেনে— নেযাং— নেযাওঁ, নেখাং— নেখাওঁ, যং— যাও ইত্যাদি।

**৩.০ উপসংহাৰ ঃ**

ওপৰৰ উল্লিখিত শব্দসমূহত দেখা যায় যে শদিয়া অঞ্চলৰ ব্যৱহৃত শব্দসমূহ মান্য অসমীয়াৰ লগত নিমিলে। শদিয়া অঞ্চলৰ স্থানবাচক শব্দসমূহৰ মৌলিক শব্দ প্ৰয়োগত স্বতন্ত্ৰতা আছে। এই শব্দসমূহে অসমীয়া ভাষাৰ শব্দৰ সম্ভাৰলৈ অভূতপূৰ্ব অৰিহণা আগবঢ়াইছে আৰু অসমীয়া ভাষাক শক্তিশালী ভাষাৰূপে গঢ়ি তুলিছে।



# মনৰ কথা

**ৰিতুপৰ্ণা গগৈ**

বৃক্ষৰ আলোকত
হাঁহিৰ বিৰিঙনি
হেৰুওৱাৰ ভয় সেই হাঁহি।
চন্দ্ৰ, তৰা আকাশৰ দিশে ধিয়াই
পাওঁ নেকি সেই সপোনৰ ৰস;
সুগন্ধি শেৱালি ফুলৰ সুবাসত
অন্তৰৰ মিলনৰ গীত ৰচোঁ
মনৰ মাজত বিচাৰি ফুৰোঁ
মৌন সুৰৰ মাতৃভূমি
চিৰ অসমীয়া সুৰত
বাজে নতুন বীণ।
মগনীয়া হৈ বিচাৰি লওঁ
জ্ঞানৰ ভাণ্ডাৰ
ৰসৰ গোন্ধ পাওঁ
সাগৰৰ তৰংগ টোত
উটি-ভাহি ফুৰোঁ...
কেতিয়াবা নদীৰ পাৰত
কেতিয়াবা গছৰ তলত আৰু
কেতিয়াবা আকাশৰ অগণন
তৰাৰ লগত।
অস্থায়ী এই মনৰ কথা
উৰি ফুৰোঁ ধূলি কণা হৈ
অস্থায়ী মনৰ অস্থায়ী নয়নজুৰি
ক'ত বিচাৰি ফুৰোঁ বাস্তৱৰ ৰস।।

# নব্য মাধ্যমত শদিয়াৰ সাংস্কৃতিক উপস্থাপন

জানেকী চেত্ৰী

**০.০ অৱতৰণিকা**

**০.১ বিষয়ৰ পৰিচয় ঃ**

নব্য মাধ্যম হৈছে আজিকালি সর্বাধিক জনপ্রিয় আৰু প্রভাৱশালী মঞ্চ। এই মঞ্চবোৰ সদ্ব্যৱহাৰ কৰি, শদিয়াৰ সাংস্কৃতিক বিশ্বদৰবাৰত আগবঢ়াব পাৰি। নব্য মাধ্যম হৈছে এনে এক মাধ্যম য'ত ডিজিটেল যুগৰ বিভিন্ন যোগাযোগ যেনে ছ'চিয়েল মিডিয়া Facebook, YouTube, গুগল ব্লগ, অনলাইন নিউজ প'ৰ্টেল ইত্যাদি। এই মাধ্যমসমূহত শদিয়া অঞ্চলৰ সাংস্কৃতিক, ইতিহাস আৰু পৰম্পৰা এক অপূর্ব ধন। শদিয়া অঞ্চলৰ স্থানীয় উপভাষা, লোকগীত, ঢোল-বাদন বা ৰাস-ভাওনাৰ দৰে শিল্পসমূহক ৰেকর্ড কৰি অনলাইন প্লেটফর্মত আপলোড কৰিলে সেইবোৰ অধিক জনসাধাৰণলৈ গৈ পায়। স্থানীয় উৎসাহ আৰু সঠিক পৰিচালনাৰে নব্য মাধ্যম শদিয়া সাংস্কৃতিক সংৰক্ষণ আৰু প্রচাৰত এক যুগান্তকাৰী ভূমিকা গ্রহণ কৰিছে।

সংস্কৃতি হৈছে এটা জাতি বা সমাজৰ আত্ম-সত্তাৰ প্রতীক, যিয়ে সেই সমাজৰ চিন্তা-চেতনাৰ, জীৱনধাৰাৰ আৰু পৰম্পৰাৰ প্রতিফলন ঘটায়।

**১.০ নব্য মাধ্যমৰ বিভিন্ন মাধ্যমত শদিয়াৰ সাংস্কৃতিক দিশৰ উপস্থাপন ঃ**

**১.১ সামাজিক মাধ্যম ঃ** সামাজিক মাধ্যম (Social Media) হৈছে নব্য মাধ্যমৰ অন্যতম এক মাধ্যম, যাৰ জৰিয়তে আজিৰ যুগত যিকোনো ব্যক্তি বা গোষ্ঠীকে নিজৰ চিন্তা, সাংস্কৃতিক আৰু চিনাক্ত বিশ্বজনীনভাৱে প্রকাশ কৰিব পাৰিছে। শদিয়া এক শক্তিশালী প্লেটফর্ম, য'ত স্থানীয় সংস্কৃতি, পৰম্পৰা আৰু লোকজীৱনৰ উপাদানসমূহ দিনে দিনে অধিক দৃশ্যমান হৈ পৰিছে। শদিয়াৰ সাংস্কৃতিক সামাজিক মাধ্যমত উপস্থিতিৰ দিশবোৰ—

**১। ফে'চবুক (Facebook) ঃ** স্থানীয় গোষ্ঠীৰ লোকসকল অনুষ্ঠনৰ 'লাইভ' প্রচাৰ আৰু ফটো শ্বেয়াৰ কৰা হয়। স্থানীয় গোষ্ঠীসমূহ যেনে— 'Sadiya Heritage Group', 'Chutia Culture Forum' জৰিয়তে লোক-সাহিত্য উৎসৱ, পুৰণি ফটো আদিৰ চর্চা হয়।

**২। ইনষ্টাগ্রাম (Instagram) ঃ** স্থানীয় শিল্পীসকলে পৰম্পৰাগত বস্ত্র, বাদ্য, শিল্পকলা আৰু উৎসৱত দৃশ্য ফটো আৰু ৰীলৰ জৰিয়তে শ্বেয়াৰ কৰে।

**৩। ইউটিউব (You Tube) ঃ** শদিয়াৰ নৃত্য, লোকগীত, বিয়া আচাৰ আৰু উৎসৱৰ ভিডিঅ' আপলোড কৰা হয় এই মাধ্যমৰ জৰিয়তে।

'Sadia Folk Media' বা 'Assamese Roots' ধৰণৰ চেনেলসমূহ এইক্ষেত্ৰত বিশেষ। পৰিয়াল বা অঞ্চলভিত্তিক গোটসমূহত উৎসৱৰ নিৰ্মাণ, গীত, ৰেচিপি আৰু স্থানীয় অনুষ্ঠিত ভিডিঅ'সমূহ এই মাধ্যমৰ যোগেদি সফল হয়।

সামাজিক মাধ্যম শদিয়াৰ সংস্কৃতি এক নতুন দৃষ্টিকোণৰ পৰা বিশ্বৰ আগত উন্মোচিত কৰিছে। এই মাধ্যমসমূহে স্থানীয় পৰম্পৰা সংৰক্ষণ, জ্ঞানৰ আদান-প্ৰদান আৰু নতুন প্ৰজন্মলৈ সাংস্কৃতিক পৰিচয়ৰ বাট মুকলি কৰিছে। শদিয়া অসমৰ এক প্ৰাচীন আৰু ঐতিহাসিক স্থান, যি স্থান সাংস্কৃতিক ঐতিহ্যৰ এক সমৃদ্ধ ক্ষেত্ৰ হিচাপে পৰিগণিত। নব্য মাধ্যম যুগত অৰ্থাৎ ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া, ইউ টিউব, ব্লগ আৰু অনলাইন প্লেটফৰ্মসমূহ শদিয়াৰ সাংস্কৃতিক দিশবোৰ অধিক বিস্তৃতভাৱে বিশ্বদৰবাৰত উপস্থাপন কৰা হৈছে। শদিয়াৰ নৃত্য, সংগীত, পৰম্পৰাগত শিল্প, উৎসৱ আদিৰ সময়ত ডিজিটেল মাধ্যমৰ জৰিয়তে অধিক জনসমাজৰ পোহৰলৈ আহিছে। শদিয়াৰ বিখ্যাত চুতীয়া ৰাজ্যৰ ইতিবৃত্ত, মন্দিৰ স্থাপত্য, লোককথা, নৃত্য, সংগীত, হস্তশিল্প, খাদ্যাভাস আদি ইণ্টাৰনেট আৰু সামাজিক মাধ্যমত আধুনিক ৰূপৰ পোহৰলৈ আহিছে।

**ব্লগ ঃ** নব্য মাধ্যমৰ অন্তৰ্গত ব্লগ হৈছে ব্যক্তিগত বা গোটগতভাৱে লিখা এক ধৰণৰ অনলাইন চিনপত্ৰ বা প্ৰবন্ধ, যাৰ জৰিয়তে যিকোনো বিষয়ত অভিমত, অভিজ্ঞতা, তথ্য আৰু বিশ্লেষণৰ প্ৰকাশ ব্লগৰ জৰিয়তে স্থানীয় লোকসকলে দেখুৱাবলৈ সক্ষম হৈছে। অসমীয়া সাজপাৰ, গহনা, খাদ্যপ্ৰণালী, সামাজিক লোকবিশ্বাস, ৰীতি-নীতি ক্লাছৰ জৰিয়তে আমাৰ মাজত দেখুৱাবলৈ সক্ষম হৈ আহিছে। লোকগাঁথা আৰু মৌলিক ইতিহাস অনুযায়ী স্থানীয় চুতীয়া, মিচিং, আদিবাসী গোষ্ঠীৰ কাহিনী, অসমীয়া সমাজৰ লোকবিশ্বাস আদি ব্লগত লিপিবদ্ধ কৰা হৈছে। কিছুমান ব্লগত উৎসৱৰ ফটো, ৰেচিপি নৃত্যৰ বৰ্ণনা আৰু ক'ত কেনেকৈ পালন কৰা হয় সেয়া লিখা দেখা যায়।

**ই-আলোচনী ঃ** অনলাইন আলোচনী হৈছে এক আধুনিক গৱেষণাৰ মাধ্যম, য'ত শুদ্ধ তথ্যভিত্তিক বিষয়বস্তু সম্পৰ্কে লিখা গৱেষণা নিবন্ধসমূহ প্ৰকাশ পায়। এই মাধ্যমত সাংস্কৃতিক, সামাজিক, ঐতিহাসিক, ভাষিক আদি নানা ক্ষেত্ৰত লেখা সহজলভ্য আৰু বিশ্বব্যাপী গঠনৰ উপযোগী হৈ পৰে। শদিয়াৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰত অৱদান দিনক-দিনে বৃদ্ধি পাইছে শদিয়াৰ চুতীয়া ৰাজ্য বিখ্যাত ৰাজত্বত ইতিবৃত্ত স্থাপত্য, লোককথা, নৃত্য সাংগীত, হস্তশিল্প খাদ্য আদি ইণ্টাৰনেট আৰু সামাজিক মাধ্যমত আধুনিক ৰূপৰ পোহৰলৈ আহিছে। গ্ৰন্থ আৰু আলোচনা মাধ্যমৰ জৰিয়তে জনা যায় যে শদিয়াৰ আহোম-চুতীয়া ৰজাসকলে বা ডা-ডাঙৰীয়াসকলে পদুম পুখুৰী পাৰতেই নৈসৰ্গিক আনন্দ লাভ কৰিছিল বুলি জানিবলৈ পোৱা যায়। চুতীয়া ৰজাসকলে দেৱ-দেৱীৰ পূজা কৰিছিল। তেওঁলাকৰো কুলদেৱী আছিল কেঁচাইখাতী গোঁসানী। প্ৰবাদমতে প্ৰতি বছৰে কেঁচাইখাতী গোসাঁনীৰ আগত একোজনা মানুহ বলি দিয়া হৈছিল। যি কি নহওক, শদিয়াত পূজাৰী দেউৰীসকলেহে চুতীয়াসকলৰ আদৰ্শ আৰু সাংস্কৃতিক জীয়াই ৰখাত প্ৰশংসনীয় ভূমিকা লৈছিল।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত থকা বৰাহী চুতীয়াসকল দুভাগত বিভক্ত হৈ এভাগে তেওঁলোকৰ ঐতিহ্যক ৰক্ষা কৰি হিন্দু ৰীতিত চলি থাকিল বুলি উল্লেখ পোৱা যায়।

আহোমসকলেও চুতীয়াসকলৰ আৰ্হিত তাম্ৰেশ্বৰী মন্দিৰত কেঁচাইখাতী গোসাঁনীক মানিছিল। চুতীয়াসকল কা�ৰিকৰী দিশত সুনিপুণ হোৱাৰ বাবেই পৰৱৰ্তী দিনত আহোম ৰজাঘৰতো নিযুক্তি পাইছিল। চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাৰ সময়ত পৰৱৰ্তী ইদু জনজাতিৰ সৈতে সম্পৰ্ক গঢ়ি উঠিছিল। ফলস্বৰূপে ইদুসকলেও চুতীয়াসকলৰ সামাজিক বান্ধোনত বান্ধ খুৱাই নহয় চুতীয়া গোষ্ঠীৰ এক অংগ হিচাপেও স্বীকৃতি হৈছিল। চুতীয়াসকল তথা চুতীয়া ৰজাসকলৰ প্ৰচেষ্টাতে ইদুসকলৰ দৰে বহুতো পৰ্বতীয়া জনজাতি নীতি-নিয়ম গ্ৰহণ কৰি বৰ অসমীয়া জাতি গঠনত প্ৰথমতে অংশীদাৰ হৈ পৰিছিল। তদুপৰি চুতীয়াসকল যিহেতু আদিতে শক্তিৰ উপাসক আছিল, সেয়ে তেওঁলোক দেৱীক নৰবলিৰে পূজা কৰিছিল বুলি উল্লেখ পোৱা যায়।

**২.০ নব্য মাধ্যমত উপস্থাপন শদিয়াৰ সাংস্কৃতিক পৰিচয় সত্যাসত্য নিৰূপণ ঃ** শদিয়া অসমৰ এক প্ৰাচীন আৰু ঐতিহাসিক স্থান যি সাংস্কৃতিক ঐতিহ্যৰ এক সমৃদ্ধ ক্ষেত্ৰ হিচাপে পৰিগণিত নব্য মাধ্যমৰ যুগত অৰ্থাৎ ইণ্টাৰনেট, ইউ টিউব আদি অনলাইন প্লেটফৰ্মসমূহত শদিয়াৰ সাংস্কৃতিক দিশবোৰ অধিক বিস্তৃতভাৱে বিশ্বদৰবাৰত পাবলৈ সক্ষম হৈছে। শদিয়াৰ লোক-সংস্কৃতিৰ বাবে শদিয়াৰ নাম স্বৰ্ণ ইতিহাসত পোৱা গৈছে। অসমত বুৰঞ্জী, সাহিত্য-সংস্কৃতি আটাইবোৰ যেন শদিয়াৰ পৰাই গতি কৰিছে। নৃত্য-গীত, আইনাম, বিয়ানাম, বিহুগীত আদিয়ে আমাৰ অসমীয়া সাংস্কৃতি জীপাল আৰু চহকী কৰি তুলিছে। সেয়ে কেৱল দেশজুৰিয়েই নহয়, বিদেশতো আমাৰ অসমীয়া সাহিত্য, নৃত্য-গীতসমূহৰ মাজতেই যে লুকাই থকা প্ৰতিভা আজি নব্য মাধ্যমৰ জৰিয়তে দেশ-বিদেশৰ লোকসকলৰ মাজত পাবলৈ সক্ষম হৈছে। যাৰ ফলত আমাৰ অসমীয়া সংস্কৃতি বিশ্বৰ দৰবাৰত জিলিকি

সমাজৰ মাজতেই যে জিলিকি উঠিছে। দেউৰীৰ দেউৰী বিহু, মিচিঙৰ আলি-আই লিগাং, মৰাণৰ মঙলবৰীয়া বিহু আৰু অন্যান্য জাতিৰ উৎসৱসমূহে অসমীয়া সাংস্কৃতিক বিশিষ্টতা প্রদান কৰিছে। গাঁওসমূহতো চলি আছে সংমিশ্রিত লোক-সংস্কৃতি শদিয়াত চাৰি শাল— বুঢ়া-বুঢ়ী শাল, বলিয়াবাবা শাল, তাম্রেশ্বৰী মন্দিৰ, পাটৰ শাল গোসাঁনীৰ প্রভাৱ আজিও আছে। দেউৰীসকলৰ দ্বাৰা পূঞ্জিত এই চাৰিশাল গোসাঁনীক আনকি আহোম লোকসকলেও মানি লৈছিল। ছাগলী আদি বলি দিয়ে। আকৌ প্রতি তিনি বছৰৰ মূৰে মূৰে পতা বৰপজাত ম'হৰ বলি দিয়া পৰম্পৰা অটুট আছিল। আহোমসকলে দেউৰী সম্প্রদায়ৰ পূজাৰীসকলে দোৱান মাটি শালৰ পূজা সম্পন্ন কৰে। উল্লেখ কৰিব পাৰি যে শদিয়াৰ বুঢ়া-বুঢ়ী শালত পূজা দিয়াৰ পিচতহে শদিয়াৰ বিহু আৰম্ভ হয়। অতীতৰে পৰা বুঢ়া-বুঢ়ী শালত পূজা নোহোৱাকৈ শদিয়াত যিহেতু বিহু নাপাতে সেয়েহে আজিও পৰম্পৰাক স্বীকাৰ কৰিয়েই আসনৰ আন আন ঠাইত আয়োজন কৰাৰ দৰেই চ'তৰ সংক্রান্তিৰ দিনাই বিহুৰ আয়োজন নকৰে। এই কথা শদিয়াবাসীয়ে অতীতৰে পৰা মানি আহিছে। এনে পৰম্পৰাক ভংগ কৰিলে অমংগলে দেখা দিয়ে বুলি লোকবিশ্বাস আছে। সেয়ে ব'হাগৰ প্রথম মংগলবাৰে উৰুকা, বুধবাৰে গৰু বিহু, বৃহস্পতিবাৰে মানুহ বিহু হিচাপে শদিয়া লোকসকলে বিহু উদ্‌যাপন কৰে বুলি প্রকাশিত গ্রন্থসমূহৰ দ্বাৰা জানিবলৈ পোৱা গৈছে। এনেক্ষেত্রত নৱ্য মাধ্যমৰ ফলত ইয়াৰ কোনো বহল বিশ্লেষণ সকলো সমলৰ প্রকৃত তথ্য নব্য মাধ্যমৰ জৰিয়তে প্রকাশ কৰিব পৰা নাযায়। নৱ্য মাধ্যমত বিশেষকৈ সমাজিক মাধ্যম, ব্লগ, ইউ টিউব, ই-আলোচনী আদি প্লেটফর্মত শদিয়াৰ সাংস্কৃতিক বিভিন্ন ৰূপ উপস্থাপন হৈছে। এই উপস্থাপনসমূহে বহুক্ষেত্রত শদিয়াৰ পৰম্পৰাগত মূল্যবোধ, লোক-ঐতিহ্য আৰু সাংস্কৃতিক বিশ্বত জিলিকাই তুলিছে। বহু ভিডিঅ', ফটো আৰু ব্লগত স্থানীয় লোকে নিজৰ পৰম্পৰা, নিজে উপস্থাপন কৰিছে। শদিয়াৰ সাম্প্রতিক অধিকাংশ অংশই মুখে মুখে সংগ্রহীত এইবোৰক নৱ্য মাধ্যমত সত্যাসত্যভাৱে প্রমাণ কৰি লিপিবদ্ধ কৰাটো সহজ নহয়। কেতিয়াবা শদিয়াৰ পৰম্পৰা অনুপযুক্ত বা বাণিজ্যিক দৃষ্টিকোণৰ পৰা তথ্য বিকৃত কৰা দেখা যায়। কিছুমান ব্লগ বা প'ষ্ট তথ্যৰ উৎস দিয়া নহয়, যাৰ বাবে সত্যতা সন্দেহক হ'ব পাৰে। গতিকে নৱ্য মাধ্যমত উপস্থাপিত শদিয়াৰ সাংস্কৃতিক পৰিচয় অধিকাংশ ক্ষেত্রত প্রমাণিক আৰু স্থানীয়ভাৱে গঢ়ি তোলা যদিও কেতিয়াবা বাণিজ্যিক উদ্দেশ্যে অশালীন প্রচাৰত নামি তথ্য বিকৃত কৰাও দেখা যায়।

...সমাজিক মাধ্যম, ব্লগ, ইউ টিউব, ই-আলোচনী আদি প্লেটফর্মত শদিয়াৰ সাংস্কৃতিক বিভিন্ন ৰূপ উপস্থাপন হৈছে। এই উপস্থাপনসমূহে বহুক্ষেত্রত শদিয়াৰ পৰম্পৰাগত মূল্যবোধ, লোক-ঐতিহ্য আৰু সাংস্কৃতিক বিশ্বত জিলিকাই তুলিছে। বহু ভিডিঅ', ফটো আৰু ব্লগত স্থানীয় লোকে নিজৰ পৰম্পৰা, নিজে উপস্থাপন কৰিছে...

**উপসংহাৰ ঃ** নব্য মাধ্যম হৈছে এখন দর্পণ, য'ত শদিয়াৰ প্রাচীন ঐতিহ্য আৰু সাম্প্রতিক সাংস্কৃতিক প্রয়াস যুগৰ লগত সংগতি ৰাখি পুনৰ জীয়াই উঠিব পাৰে।

যুগৰ পৰিৱর্তন মুখত থকা এই সাংস্কৃতিক উপাদানসমূহ এতিয়া নৱ্য মাধ্যমৰ জৰিয়তে ডিজিটেল ৰূপত সংৰক্ষিত আৰু বিস্তৃত হৈ পৰিছে। সামাজিক মাধ্যম ৰূপ, ই-আলোচনী, ইউ টিউব আদি প্লেটফর্মসমূহত শদিয়াৰ উৎসৱ-পূর্ব, গীত-নৃত্য, খাদ্যবস্তু, মৌখিক ইতিহাস আদি নানা দিশৰ উপস্থাপন দেখা যায়। এই উপস্থাপনসমূহৰ অধিকাংশ তথ্য স্থানীয় লোকসকলৰ অংশগ্রহণৰ ফলত প্রামাণিক আৰু বিশ্বাসযোগ্য বুলি গণ্য কৰিব পাৰি। যদিও কেতিয়াবা তথ্যৰ উৎসৱ অভাৱ, অতিৰঞ্জিত বা বাণিজ্যিক উদ্দেশ্যেই কিছুমান অসত্য উপস্থাপনৰ সুযোগ জন্মাইছে।

।। অন্যান্য বিষয়ক ।।

# সামাজিক মাধ্যম ঃ ইয়াৰ প্ৰভাৱ, প্ৰতিকাৰ আৰু ব্যৱহাৰ

**শ্ৰীযুতা ৰূপামণি চিৰিং**

বৰ্তমান প্ৰযুক্তিৰ যুগত সামাজিক মাধ্যমসমূহ তথ্য বিনিময় কৰিবলৈ, প্ৰচাৰ কৰিবলৈ, ব্যক্তিসকলৰ সমৰ্থন লাভ কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আজিৰ ইণ্টাৰনেট সংযুক্ত পৃথিৱীখনৰ সামাজিক মাধ্যম টুইটাৰ, ইউটিউব, হোৱাটছএপ, আদি কৰি বিভিন্ন ডিজিটেল উপকৰণবোৰ আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংশস্বৰূপ হৈ পৰিছে। স্মাৰ্টফোন, লেপটপৰ পৰা সামাজিক মাধ্যমৰ প্লেটফৰ্মবোৰকে ধৰি প্ৰযুক্তিৰ ভিন্ন উপাদানসমূহৰ ওপৰত মানৱ জাতিৰ সৰ্বকালৰ সৰ্বাধিক নিৰ্ভৰশীলতা দেখা গৈছে। এই ডিজিটেল প্ৰযুক্তিৰ উপাদানসমূহে আমাৰ সংযোগ, যোগাযোগ, শিক্ষা অৰ্জন, সুস্বাস্থ্য, সৃষ্টিশীলতা, অথবা বিনোদনৰ দৰে ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে, লগতে মানৱজাতিৰ মানসিক স্বাস্থ্যতো ক্ষতি, সংকট, উদ্বেগ, বিষণ্ণতা আদি সমস্যাৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমৰ ফলত এটা 'ডিজিটেল আত্মচৰিত্ৰ' গঠন কৰিবলৈ উৎসাহিত কৰে, যি পছন্দ, অনুসৰণকাৰী আৰু নিৰ্বাচিত ছবিৰ ওপৰত নিৰ্ভৰ কৰি থাকে, ইয়াৰ ফলত অনলাইন প্ৰতিচ্ছবিৰ লগত বাস্তৱ জীৱনৰ মাজত এটা মানসিক চাপৰ ভিন্নতা সৃষ্টি হয়।

**সামাজিক মাধ্যমৰ সাৰাংশ ইতিহাস ঃ**

২০০০ চনৰ আৰম্ভণিতে সামাজিক মাধ্যম আৰম্ভ হৈছিল অৰকোট আৰু ফে'চবুকৰ দৰে ছাইটৰ সৈতে। ইয়াত ব্যৱহাৰকাৰীয়ে নিজৰ প্ৰফাইল বনাই বন্ধু-বান্ধৱীৰ সৈতে সংযোগ স্থাপন কৰিছিল। ২০০৫-২০১০ চনলৈ ইউটিউব, টুইটাৰ আৰু হোৱাটছএপ জনপ্ৰিয় হয়। ব্যৱহাৰকাৰীয়ে ভিডিঅ' শ্বেয়াৰ কৰা, সৰু বাৰ্তা লিখা আৰু মেনেজিং কৰিবলৈ আৰম্ভ কৰিছিল। ২০১০ চনৰ পিছত ইনষ্টাগ্ৰাম আৰু স্নেপশ্বট ফটো আৰু ভিডিঅ' শ্বেয়াৰৰ বাবে জনপ্ৰিয় হয়। ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ সহজলভ্যৰ ফলত গাঁও-নগৰ সকলোতে সামাজিক মাধ্যমৰ ব্যৱহাৰ বহু ব্যাপক হয়।

**সাম্প্ৰতিক পৰিৱৰ্তন আৰু নতুনত্বৰ বাবে সামাজিক মাধ্যমৰ জনপ্ৰিয়তা বৃদ্ধি ঃ**

সৰু ভিডিঅ'ৰ জনপ্ৰিয়তা, আঞ্চলিক ভাষাৰ ব্যৱহাৰ, কৃত্ৰিম বুদ্ধিমত্তা (AI), ব্যৱসায় সম্প্ৰসাৰণ, জ্ঞান আহৰণ, সচেতনতা বৃদ্ধি, সামাজিক মাধ্যমে দ্ৰুত আৰু তাৎক্ষণিক সন্তুষ্টি প্ৰদান কৰে। বহু ভাষা ব্যৱহাৰ হোৱাৰ বাবে সামাজিক মাধ্যমসমূহ বিভিন্ন গাঁৱৰ ঘৰৰ লোকে সহজে এপসমূহ ব্যৱহাৰ কৰি সৰু আকৰ্ষণীয় ভিডিঅ' বনাই এই মাধ্যমত বিখ্যাত হ'ব পাৰিছে। বৰ্তমান এপবোৰে ব্যৱহাৰকাৰীৰ পছন্দ হোৱা একেধৰণৰ ভিডিঅ' বা প'ষ্ট আগবঢ়ায়। বহু মানুহে এতিয়া




ইনষ্টাগ্রাম আৰু ফে'চবুক ব্যৱহাৰ কৰি হাততে বনোৱা সামগ্ৰী বিক্ৰী কৰে, সৰু ব্যৱসায়ত জড়িত হৈ থাকে আৰু নতুন গ্ৰাহক লাভ কৰে। সামাজিক মাধ্যমৰ এপবোৰ ব্যৱহাৰ কৰি মানুহে নতুন কথা শিকে, খবৰ লয় আৰু গুৰুত্বপূৰ্ণ বিষয়ত মত প্ৰকাশ কৰে।

**সামাজিক মাধ্যমৰ ইতিবাচক প্ৰভাৱ— ব্যক্তিগত স্তৰত সামাজিক মাধ্যম ঃ**

যোগাযোগ আৰু দূৰসংযোগৰ ক্ষেত্ৰত দেখা যায়, বহু দূৰত থকা বন্ধু-বান্ধৱী বা আত্মীয় পৰিয়ালৰ সৈতে ইণ্টাৰনেটৰ জৰিয়তে সহজে যোগাযোগ কৰিব পাৰি। ইনষ্টাগ্ৰাম আৰু ফে'চবুক প্লেটফৰ্মসমূহে নিজৰ চিন্তা, সৃষ্টিশীলতা আৰু সংস্কৃতি প্ৰকাশ কৰাৰ এক সুবিধাজনক মাধ্যম।

বিভিন্ন এপসমূহৰ যোগেদি নতুন কৌশল, যেনে— ৰন্ধনকাৰ্য, কৃষিকাৰ্য, হস্তশিল্প, সংগীত, নৃত্য আদি শিকিবলৈ সহায়ক হয়। সমজাতি, সমঅনুভৱ থকা মানুহৰ সৈতে সংযোগ হৈ একেধৰণৰ ৰুচি, পছন্দ, মানসিক স্বাস্থ্য, অভিজ্ঞতাৰ প্ৰকাশ কৰি মানসিক সহায় পোৱা যায়।

**পৰিয়ালৰ স্তৰত সামাজিক মাধ্যম ঃ**

বিভিন্ন স্থানত বসতি কৰা পৰিয়ালৰ লোকৰ সৈতে আৱেগিকভাৱে সৰলভাৱে সংযোগ বজাই ৰাখিব পাৰি। পৰিয়ালৰ ফটো, ভিডিঅ', উৎসৱ, পৰম্পৰাৰ মুহূর্ত সংৰক্ষণ কৰিব বা শ্বেয়াৰ ভাগ বিলাব পাৰি। ঘৰত বহি পৰিয়ালৰ সদস্যই একেলগে শিক্ষামূলক বিষয়ৰ ভিডিঅ', ইউটিউব, বা ফে'চবুকত চাই শিকিব পাৰে।

**পেছাগত আৰু শিক্ষামূলক স্তৰত সামাজিক মাধ্যম ঃ**

শিক্ষাৰ্থীসকলে সহজে শিক্ষামূলক ভিডিঅ', অনলাইন ৱেবিনাৰত অংশগ্ৰহণ কৰি, শৈক্ষিক পাঠ, অনলাইন ক্লাছত উপস্থিত থাকিব পাৰে।

লিংকডইন, ফে'চবুক গ্ৰুপ, টুইটাৰৰ সহায়ত বিশেষজ্ঞৰ সৈতে যোগাযোগ কৰি কেৰিয়াৰ, বৃত্তি, জীৱিকা আৰু কৰ্ম সংস্থাপনৰ সুযোগ বিচাৰি ল'ব পাৰে। ব্যক্তিৰ নিজৰ প্ৰতিভা, যেনে— লিখনি, চিত্ৰ, সংগীত, শৈক্ষিক প্ৰজেক্ট আদি প্ৰতিফলন কৰিবলৈ এক মঞ্চৰ সুবিধা পায়।

শিক্ষাৰ্থী আৰু শিক্ষকসকলে গৱেষণা আৰু প্ৰকল্প প্ৰজেক্টত সহায়কাৰী, সহযোগিতা আৰু নতুন ধাৰণা আৰু প্ৰত্যাহ্বানৰ উপায়, পাৰস্পৰিক আদান-প্ৰদান সম্ভৱ হয়।

**সামাজিক মাধ্যমৰ ঋণাত্মক প্ৰভাৱসমূহ ঃ**

ব্যক্তিগত স্তৰত নেতিবাচকপ্ৰভাৱ হৈছে আসক্তি আৰু সময়ৰ অপচয়, দীৰ্ঘ সময়ৰ ব্যৱহাৰে সময় ঘণ্টা অপচয় হৈ, নিদ্ৰা হ্ৰাস হয়, মনোযোগ নষ্ট, চিন্তা-ভাবনাৰ স্বচ্ছতা কমি যায়। পৰিয়াল-আত্মীয়ৰ সৈতে বাস্তৱিক যোগাযোগ কমে। ব্যৱহাৰকাৰীৰ প্ৰতিক্ৰিয়া হৈ শৰীৰ ক্লান্ত, মন বিষাদগ্ৰস্ত হৈ হীনমন্যতা আৰু আত্মবিশ্বাস হ্ৰাস হ'ব পাৰে। কেতিয়াবা অনলাইনত অশালীন মন্তব্য, অপমানজনক দৃশ্য বা ডাবি-ধমকি আদিয়ে মানসিকভাৱে ক্ষতি কৰে। অতিমাত্ৰা ব্যৱহাৰ সৃষ্টিশীলতা, উৎপাদিকা, প্ৰতিভা, উৎকৰ্ষতা শক্তি হাৰ কৰে।

**প্রতিকাৰসমূহ ঃ**

(ক) স্ক্রীন টাইম লিমিট, সময় সীমাবদ্ধতা ৰখা। দিনে কিমান সময় সামাজিক মাধ্যম ব্যৱহাৰ কৰিব, সেইটো নজৰ দিয়া।

(খ) ধনাত্মক আৰু শিক্ষামূলক পৃষ্ঠ অনুসৰণ কৰা।

(গ) সামাজিক মাধ্যমৰ ব্যৱহাৰ বিৰতিলৈ সপ্তাহত এক-দুই দিন বিৰতি। ব্যৱহাৰৰ ন্যূনতম সময় নির্ধাৰণ কৰা।

(ঘ) যদি মানসিক চাপত মন অসুস্থ হয়, তেন্তে বিশ্বস্ত বন্ধু বা শিক্ষকৰ সৈতে কথা পাতি মন ফৰকাল, প্ৰফুল্ল কৰা।

**পৰিয়ালৰ স্তৰত নেতিবাচক প্ৰভাৱসমূহ ঃ**

পৰিয়ালৰ মাজত কথা-বতৰা কম হয়। ঘৰত খাবলৈ বহোতে হাতত ফোন লৈ বহে। একেলগে থকা সময়তো প্ৰতিজনে নিজৰ ফোনেৰে ব্যস্ত হৈ থাকে। পৰিয়ালৰ মাজত ভুল বুজাবুজি আৰু মনোমালিন্য সৃষ্টি হয়। ছাটৰ মাধ্যমে ভুল ধাৰণা হ'ব পাৰে বা পৰিয়ালৰ বিষয়বস্তু অনলাইন শ্বেয়াৰ কৰোতে সমস্যা উদ্ভৱ হয়। ফোনৰ অতিমাত্ৰাৰ ব্যৱহাৰৰ বাবে পৰিয়ালৰ মাজত সৰু-ডাঙৰ সদস্য উপেক্ষা পৰিস্থিতি, ডাঙৰ সৰু সদস্যক সময় নিদিয়াৰ বাবে পৰিয়ালৰ মধুৰ সুদৃঢ় সম্পৰ্ক হ্ৰাস পায়।

প্ৰতিকাৰসমূহ ঃ

(ক) ঘৰৰ গৃহত 'ন' ফোন টাইম' স্থাপন কৰা, যেনে— ৰাতি আহাৰ খোৱাৰ সময়, পৰিয়াল একেলগ হোৱাৰ সময়, পৰস্পৰে বার্তা আৰু ভাব বিনিময় কৰা সময় আদি।

(খ) পৰিয়ালৰ সদস্যৰ সৈতে একেলগে অনলাইন শিক্ষামূলক ভিডিঅ' চাই বা গেম খেল খেলি সময় কটাব পাৰি।

(গ) যিকোনো পৰিয়ালকেন্দ্ৰিক সমস্যাসমূহ সন্মুখীন হৈ কথা পাতি সমাধান কৰা, ছাটৰ মাধ্যমেৰে নহয়।

**পেছাগত আৰু শিক্ষামূলক স্তৰত ঋণাত্মক প্ৰভাৱ ঃ**

■ সামাজিক মাধ্যম বাৰম্বাৰ চাবলৈ গ'লে পঢ়া বা কামত ব্যাঘাত ঘটে।

■ ভুল তথ্য বিশ্বাস কৰি যুক্তি তথ্যৰে বিবেচনা নকৰাকৈ গুজব, উৰা-বাতৰি, অবৈজ্ঞানিক তথ্য আদান-প্ৰদান বা শ্বেয়াৰ কৰাৰ ফলত পঢ়া বা কামত বিভ্ৰান্তি হয়।

■ সামাজিক মাধ্যম ব্যৱহাৰ কৰি নিজকে আনৰ আগত সফল বা পৰিপূৰ্ণ সন্তুষ্ট বুলি প্ৰমাণ দিবলৈ এক ধৰণৰ মানসিক চাপ থাকে।

**প্ৰতিকাৰসমূহ ঃ**

■ দিনে নির্দিষ্ট সময়, যেনে— পঢ়া, লিখা, কাম শেষ হোৱাৰ পিছত সামাজিক মাধ্যম চাব পাৰে।

■ সামাজিক মাধ্যমৰ উৎপাদনশীল এপছ ব্যৱহাৰ কৰি মনোযোগ ৰাখিব পাৰে।

■ তথ্য শ্বেয়াৰ কৰাৰ আগতে নিউজ ছাইট বা নির্ভৰযোগ্য, বিশ্বাসযোগ্য উৎস, তথ্যৰ শুদ্ধতা আৰু সত্যতা বিচাৰ কৰিব লাগে।

■ সামাজিক মাধ্যমক উপকাৰী আহিলা হিচাপে ব্যৱহাৰ কৰক, একাগ্ৰতা ভংগকাৰক হিচাপে নহয়।

আজিৰ দ্ৰুত পৰিৱৰ্তনশীল পৃথিৱীখনত আমি সকলো প্ৰায়ে দ্ৰুত সমাধান আৰু তাৎক্ষণিক ফলাফলবোৰৰ লগত অভ্যস্ত হৈ পৰিছোহঁক। যেতিয়া প্ৰয়োজনীয় সকলোবস্তু মাত্ৰ এটা 'ক্লিক'তে সম্ভৱ হৈ উঠিছে, ধৈর্য নামৰ গুণটো প্ৰায় বিলুপ্তপ্ৰায় হৈ পৰিছে যেন বোধ হয়। মনোবিজ্ঞানীসকলৰ মতে ইয়াৰ ফলত মানুহৰ আত্মনিয়ন্ত্ৰণ শক্তি হেৰাই যায়, সৃষ্টিশীল গুণৰাজি কমি যোৱাৰ লগতে মানসিক স্বাস্থ্যৰ হানি হয়। সেয়ে মনোবিজ্ঞানীসকলে সামাজিক মাধ্যমৰ ব্যৱহাৰৰ সমান্তৰালকৈ বাস্তৱিক জীৱনৰ কাম-কাজবোৰতো এক সমতা বজাই ৰখাৰ পৰামর্শ আগবঢ়াইছে।


সামাজিক মাধ্যমৰ অতিমাত্ৰা ব্যৱহাৰে মানসিক উৎকণ্ঠা বৃদ্ধি, বিষণ্ণতা, মানসিক চাপ, গোপনীয়তা আৰু আত্মিক সম্পৰ্কক ক্ষতিগ্ৰস্ত কৰাৰ লগতে আত্মসন্মান হানিকাৰক পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। সেইবাবে ডিজিটেল ছ'চিয়েল মিডিয়াৰ পৰা নির্দিষ্ট সময়ৰ বাবে নিজকে দূৰত ৰাখিবলৈ, প্ৰাত্যহিক জীৱনত সমতুল জীৱনধাৰা পুনৰুদ্ধাৰৰ বাবে, প্ৰযুক্তি আসক্তি পৰা মানসিক স্বাস্থ্য উদ্ধাৰৰ বাবে দিনটোৰ কিছু সময় অফলাইন হৈ থকা, নিয়ন্ত্ৰণ ব্যৱহাৰ এক ইতিবাচক পদক্ষেপ বুলিব পাৰি।

**উপসংহাৰ ঃ**

যিকোনো যোগাযোগ বা মনোৰঞ্জনৰ প্লেটফর্মৰ দৰে ছ'চিয়েল মিডিয়াও নিৰপেক্ষ। ব্যৱহাৰৰ ওপৰতে ইয়াৰ প্ৰভাৱ সম্পূৰ্ণ নির্ভৰ কৰে। সঠিক ব্যৱহাৰ, নিয়ন্ত্ৰণ আৰু সচেতনতা থাকিলে সামাজিক মাধ্যম হ'ব পাৰে শিকাৰ, জ্ঞান আহৰণ, সংযোগ আৰু সুযোগৰ উপায়। প্ৰযুক্তি আসক্তিৰ পৰা মানসিক স্বাস্থ্য উদ্ধাৰৰ বাবে সামাজিক মাধ্যমক নিয়ত্রিত ৰূপত অধিক সজাগ আৰু উদ্দেশ্যমূলকভাৱে ব্যৱহাৰ কৰাত গুৰুত্ব দিয়া প্ৰয়োজন। সুপৰিকল্পিতভাৱে ডিজিটেল জগতখনৰ পৰা সংযোগ বিচ্ছিন্ন হৈ নিজৰ লগতে চাৰিওকাষৰ মানুহবোৰৰ মাজত বাস্তৱিক সম্পৰ্কবোৰক অর্থপূর্ণ আৰু মানৱীয় সংযোগ স্থাপন কৰি বাস্তৱ সুখদায়ক কৰি তুলিবলৈ অতি প্ৰয়োজনীয় বুলি ভবা হৈছে। এইদৰে সময়োচিত সামাজিক মাধ্যমৰ ব্যৱহাৰে আমাৰ বাবে এটা সুখী মানসিক স্বাস্থ্য প্ৰতিপালনৰ পথ প্ৰশস্ত কৰি তুলিব পাৰে।

# Knowledge Management in Libraries

**Manjula Baruah**



Knowledge Management in Libraries is earlier to the thoughts and contributions falling outside the Information Science domain. Libraries originated with the basics of the concept knowledge management. Classification and cataloguing – the fundamental principles for the library practice is the concrete evidence to the origin of knowledge management. They form the grassroots for the description of knowledge facets. When Ranganathan declared that Universe of subjects and universe of knowledge are synonymous, he had proposed the concept of knowledge management explicitly.

The role of knowledge management in libraries today has become more vital along with the development of knowledge economy. It is a new management mode with unique characteristics that distinguish it from conventional management. The major components of Knowledge Management in Libraries are :

- HumanResourceManagement
- KnowledgeInnovation
- InformationTechnology
- KnowledgeDissemination

**Human Resource Management**

The most important resource in the knowledge economy system is the talents of the personnel. The libraries should attach importance to vocational training and lifelong education of library staff to raise their scientific knowledge level and ability of acquiring and innovating knowledge. An all-round improvement of library staff's quality and positioning of the human value will become important objectives of knowledge management in libraries.

**Knowledge Innovation**

Knowledge innovation is the core of the knowledge economy society. Knowledge innovation management in libraries refers to the management of the production, diffusion and transfer of knowledge as well as of the network systems constructed by related institutions and organizations. It includes three aspects, namely :

- Theoretical innovation management of knowledge,
- Technicalinnovationmanagement,and
- Organizationalinnovationmanagement.

Theoretical innovation management is to enrich and enlarge the theoretical and practical research fields of library and information science.

Technical innovation management is to manage the network systems so that libraries build up technical facilities to support knowledge management.

Organizational innovation management is to create a set of effective organizational management systems adaptable to the requirements in the electronic and digital library era to support and strengthen knowledge management activities.

It has been rightly said that "Libraries are laboratories for any research". Hence libraries represent an indispensable link in the scientific system chain, an important link in the knowledge innovation. The library work is a component of knowledge innovation.

Libraries act as bridges for turning the results of knowledge innovation into realistic productive forces. Knowledge management in libraries is to promote relationship in and between libraries, between library and user, to strengthen knowledge internetworking and to quicken knowledge flow. In the knowledge economy era, libraries will carry out researches on development and application of information resources, construction of virtual libraries, protection of intellectual property rights in the electronic era etc.

**Information Technology**

Knowledge acquisition is the starting point of knowledge management in libraries. The application of information technologies enlarges the scope of knowledge acquisition, rises knowledge acquisition speed and reduces knowledge acquisition cost. It is possible to link closely knowledge sources and knowledge workers by computer networks, thus constructing knowledge networks in libraries. The knowledge acquired must be accumulated and converged into knowledge warehouses of libraries. Information technology functions as a source and tool for knowledge innovation.

**Information Science Vital to IT**

The right definition for information technology can be that "It is an assemblage of Communication Technology, Computer Technology and *Information Science*".

Of the three components of Information Technology, Information Science is more vital as it is fundamental to any form of communication.

**Knowledge Dissemination**

The objective of knowledge innovation is knowledge dissemination. Knowledge creators do not have much time and energy to look for knowledge users. It is very difficult for the users to acquire knowledge that already exists in the minds of knowledge creators. Libraries play the part of knowledge disseminator using diverse media and channels to disseminate various new knowledge. Therefore, it is necessary to strengthen knowledge dissemination management in libraries in the following ways:

- uninterruptedly strengthening the creation of libraries' own document resources and deepening

the development of document information resources;

➢ continuously raising the quality of libraries' staffs and strengthening continuous engineering education of working staffs;

➢ giving full play to the special role of the expert system in knowledge dissemination;

➢ making a comprehensive utilization of all media to ensure security of operation of networks, and prevent online criminal activities and online dissemination of inappropriate information.

**Knowledge Application Management**

Libraries should attach importance to provide services for people to acquire knowledge and achieve maximum functions and efficiency of knowledge information. Therefore, knowledge services based on high-speed information networks should be carried out by :

➢ Setting up virtual libraries or information centers for enterprises, governments, public organizations and scientific research institutions. Libraries can create virtual libraries or information centers for these organs separately according to their respective information requirements by using abundant information resources on the high-speed information networks.

➢ Setting up digitized knowledge services by creating step by step the users-oriented information service systems such as information dissemination, information search and special supply of information.

➢ Digitizing library's resources. Efforts should be made to transform all existing large non-electronic information resources into electronic information and integrate them into electronic libraries.

**Library Based Knowledge Description Frames**

Knowledge classification and description is the domain of Library and Information Science. The World Wide Web (WWW) has resulted in chaos as norms are lacking for inputting information into it. Hence, experts are creating second World Wide Web called Semantic Web.

They are defining norms for the description of information while putting into the web. Here information is treated as objects and a concept called Uniform Resource Identifier (URI) is introduced which is based on Knowledge Description Frame (KDF). Knowledge Description Frame in turn is based on Library Information Description standards only. They are for example ISO: 2709, CCF, Z39.50, AACR2 and the like.

Since the start of the massive use of the Web in the mid-1990s, the way of research and development work has changed remarkably. These changes have given rise to speculations about the future role of libraries. Some people predicted a diminishing role, claiming that most scientific literature soon would be available electronically via the Web, and that powerful search engines, such as Google or Altavista, would make obsolete the classifying and indexing work done by librarians and other information management (IM) professionals. However, most research librarians have taken quick advantage of the changes, and have embraced the Web as a platform to reach a broader audience with better and more efficient services. Moreover, librarians and other IM professionals are increasingly assuming new roles and responsibilities, and their skills in organizing large amounts of data for specific user groups are in high demand, thus making them attractive members on multi-disciplinary knowledge teams.



# আমাৰ সমাজত ৰাখী বন্ধনৰ প্ৰাসংগিকতা

**ৰবিতা সোনোৱাল**

ৰাখী বন্ধন হৈছে ভাতৃ-ভগ্নীৰ মাজৰ এটা পবিত্ৰ দিন। যিটো দিনত বায়েকে অথবা ভনীয়েকে তেওঁৰ ককায়েক বা ভায়েকৰ হাতত ৰাখী নামৰ সূতা এডাল বান্ধি দিয়ে। আৰু সেই ৰাখীডালতে প্ৰকাশ পাই উঠে যেন মৰম-চেনেহবোৰ, ইজনে সিজনৰ প্ৰতি থকা মংগল কামনা, প্ৰতিশ্ৰুতিবোৰ। সেয়েহে ৰাখী বন্ধন প্ৰেম আৰু ভাতৃত্ববোধৰ এক সমন্বয়ৰ উৎসৱ বুলিও কোৱা হয়। কিন্তু ৰাখী বন্ধনৰ এই উৎসৱটো কেতিয়াৰ পৰা আৰম্ভ হ'ল এই কথা কোনেও সঠিককৈ ক'ব নোৱাৰে যদিও পুৰণি আখ্যানমতে দানৰ আৰু দেৱতাৰ যুদ্ধত যেতিয়া দেৱতাসকল দুৰ্বলৰ দৰে অনুভৱ কৰিছিল তেতিয়া দেৱতাৰ ৰজা ইন্দ্ৰদেৱ বৃহস্পতিৰ কাষ চাপিছিল আৰু বৃহস্পতিৰ আগত কোৱা সকলো কথা ইন্দ্ৰৰ পত্নীয়ে শুনি আছিল আৰু তাই এডাল ৰেচমৰ সূতাত কিছু মন্ত্ৰ শক্তিৰে পবিত্ৰ কৰি ইন্দ্ৰৰ হাতত বান্ধি দিছিল। আৰু সেইদিনাখন সংযোগ ক্ৰমে শাওণ মাহৰ পূৰ্ণিমা তিথি আছিল আৰু তাৰ পৰায়ে কিছু মানুহৰ বিশ্বাস যে তেতিয়াৰ পৰাই ৰাখী বন্ধন উৎসৱটো প্ৰচলিত হৈ আহিছে।

ৰাখী বন্ধন হৈছে ভাৰতৰ এটা উৎসৱ। আৰু এই উৎসৱটো অতীজৰে পৰা শাওণ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। হিন্দু, জৈন, শিখ আদিৰ ধৰ্মৰ লোকসকলে এই উৎসৱ উদ্‌যাপন কৰে। ভাৰতবৰ্ষত ৰাখী বন্ধন উৎসৱ অতি পুৰণি যদিও আমাৰ অসমীয়া সমাজত কিছু বছৰৰ পৰাহে এই উৎসৱ উদ্‌যাপন কৰা হৈছে। ৰাখী বন্ধনৰ সেই পৱিত্ৰ দিনটোত ৰাখীডালৰ বান্ধোনতে বান্ধ খাই থাকে ভাতৃ আৰু ভগ্নীৰ মাজৰ মৰম-চেনেহ, আত্মীয়তা, একতা, শ্ৰদ্ধা, দায়িত্ববোধ আৰু ৰক্ষণশীলতা। সেইবাবে কোৱা হয় ৰাখী বন্ধন এডাল ৰঙীন সূতা নহয়, ৰাখী বন্ধন মানে হৈছে ভাতৃ আৰু ভগ্নীৰ মাজৰ এক মৰমৰ বান্ধোন।

সংস্কৃতিমূলীয় শব্দ ৰাখীৰ অৰ্থ হৈছে 'সুৰক্ষা নিশ্চিতকৰণৰ বাবে বান্ধোন।' বৰ্তমান আমাৰ সমাজত ৰাখী বন্ধনৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাইছে। বিশেষকৈ বৰ্তমান সময়ত ৰাখী বন্ধনৰ প্ৰাসংগিকতা নিশ্চয়কৈ নুই কৰিব নোৱাৰি। কিয়নো তেজৰ সম্পৰ্কৰ ভাতৃ আৰু ভগ্নীৰ মাজতে এই উৎসৱটো সীমাবদ্ধতা নাথাকি সম্পৰ্কীয় তথা দূৰ সম্পৰ্কীয়ৰ মাজতো অতিশয় প্ৰচলিত এই উৎসৱটোৱে বৰ্তমান সমাজত এক আশাৰ ৰেঙনি কঢ়িয়াই আনিছে। কিয়নো সদায় হত্যা-হিংসা, বিভেদেৰে পৰিপূৰ্ণ হৈ থকা বৰ্তমান সমাজখনলৈ যেন এনেবোৰ উৎসৱৰ আগমনে ভাৰতীয় লোকসকলৰ মাজত ভাতৃত্ব আৰু ভগ্নীসুলভ প্ৰীতিৰে সমাজখনলৈ এক ইতিবাচক পৰিৱৰ্তন কঢ়িয়াই আনক।

এই দিনটোৱে এক কৰি ৰাখক<br>
প্ৰতিটো সম্পৰ্ক।<br>
এই দিনটো সাক্ষী হৈ ৰওক<br>
পবিত্ৰ বান্ধোনৰ<br>
'ৰাখী বন্ধনৰ শুভেচ্ছাৰে'—<br>
'ভাতৃ-ভগ্নীৰ মৰমৰ বান্ধোনৰ শুভেচ্ছাৰে'—



# ছাত্র-জীৱন আৰু ৰাজনীতি

ৰাজকুমাৰ গগৈ

**পঢ়াই পঢ়ে ৰোৱে পাণ**
**এই তিনিয়ে নিচিন্তে আন।**

এই বাক্যশাৰীয়ে বুজায় যে ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য বিদ্যা লাভ। এই ফালৰ পৰা বিচাৰ কৰিলে ছাত্ৰসকলে অধ্যয়নৰ বাহিৰে অন্য কোনো কথাতেই চকু দিব নালাগে। কিন্তু বৰ্তমান যুগৰ একমাত্ৰ পাঠ্যপুথি অধ্যয়ন কৰি এজন ছাত্ৰই প্ৰকৃত শিক্ষিত লোক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। ছাত্ৰ সমাজেই দেশৰ ভৱিষ্যৎ। মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ সময় হৈছে ছাত্ৰাৱস্থা। য'ত শিক্ষা, নৈতিকতা আৰু মূল্যবোধ গঢ় লৈ উঠে। এই পৰ্যায়ত ৰাজনীতিৰ লগত সম্পৰ্ক ৰখাটো এটা গুৰুত্বপূৰ্ণ বিষয়, যি ছাত্ৰ ছাত্ৰীসকলৰ ব্যক্তিত্ব গঠন, নেতৃত্বৰ দক্ষতা আৰু সমাজত সক্ৰিয় অৱদান আগবঢ়াবলৈ সহায় কৰে। দেশ, জাতি, শাসন পদ্ধতি সকলোতে ছাত্ৰ অৱস্থাৰ পৰাই সতৰ্ক দৃষ্টি ৰখাৰ প্ৰয়োজন। কিয়নো ভৱিষ্যৎ দেশৰ শাসনৰ বাঘজৰী ছাত্ৰই হাতত ল'ব লাগিব।

অতীজৰে পৰা ছাত্ৰ সমাজ বিভিন্নধৰণে ৰাজনীতিত জড়িত হোৱা পৰিলক্ষিত হয়। আমাৰ দেশৰ স্বাধীনতা

সংগ্রামতো ছাত্র সমাজ আন্দোলনত জঁপিয়াই পৰিছিল। বিশেষকৈ অসমত হোৱা বিভিন্ন আন্দোলনৰ মূল চালিকাশক্তি আছিল ছাত্র সমাজ। বর্তমান যুগতো ৰাজনীতিৰ পথাৰখনত ছাত্র সমাজৰ দপ্‌দপনি পৰিলক্ষিত হয়। সমাজত কোনো সমস্যাই তীব্র ৰূপ ধাৰণ কৰিলে ছাত্র সমাজ ৰাজপথলৈ ওলাই আহে। এইদৰে ছাত্র সমাজে শাসনৰ গাদী কঁপাই তুলিব পাৰে বুলি আন্দোলন তথা প্রতিবাদবোৰৰ পৰা প্রতীয়মান হয়।

বর্তমান সময়ত ছাত্র সমাজক বিভিন্নধৰণে ৰাজনীতিত জড়িত হোৱা দেখিবলৈ পোৱা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত হোৱা নির্বাচন প্রক্রিয়াও একপ্রকাৰৰ ৰাজনীতিৰ মেৰপাকত সোমাই গৈছে। ছাত্র একতা সভাৰ নির্বাচন বুলি ক'লেই অলেখ হেঁপাহৰ উন্মাদনা ঘটে, সকলোৱে যেন ন সূৰুয দেখে আৰু উৎসৱমুখৰ পৰিৱেশৰ লগতে এক পৰিৱর্তনৰ ৰেঙনি দেখে। বর্তমান সময়ত যদি চাক্ষুস দৃষ্টিৰে চোৱা যায় তেন্তে দেখা যায় যে কলেজ কর্তৃপক্ষৰ পিচতে নির্বাচিত ছাত্র একতা সভাৰ সদস্যসকলে খুব সুন্দৰভাৱে মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীক আগুৱাই লৈ যোৱাত মনোনিৱেশ কৰে আৰু বিভিন্নধৰণৰ সমস্যাসমূহৰ সমাধানো কৰা পৰিলক্ষিত হয়। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহৰ নির্বাচনত বিভিন্নধৰণৰ প্রভাৱগোষ্ঠীৰ প্রভাৱ দেখা যায়। শিক্ষানুষ্ঠানসমূহত নির্দলীয় প্রার্থীৰ সংখ্যা খুব কমেই দেখিবলৈ পোৱা যায়। সেয়েহে বর্তমান সময়ত এই বিষয়টোৰ ওপৰত চিন্তা-চর্চাৰ প্রয়োজনীয়তা
আছে। প্রভাৱক গোষ্ঠীসমূহক নির্বাচনত জড়িত কৰাতকৈ নির্দলীয় প্রার্থী হিচাপে প্রার্থিত্ব আগবঢ়োৱাৰ গুৰুত্ব কিমান তাক বিশ্লেষণ কৰি চোৱাৰ প্রয়োজনীয়তা আছে।

ছাত্র জীৱনত ৰাজনীতিৰ প্রভাৱ গুৰুত্বপূর্ণ। ৰাজনীতিৰ লগত জড়িত থাকিলে ছাত্র-ছাত্রীৰ নেতৃত্ব গুণৰ বিকাশ ঘটে। আত্মবিশ্বাস বৃদ্ধি পায়, যিয়ে অন্যায়ৰ বিৰুদ্ধে অৱস্থান গ্রহণ কৰিবলৈ উৎসাহিত কৰে। ছাত্রসকলে ৰাজনীতিৰ লগত জড়িত থাকিলে সমাজৰ সমস্যা আৰু চৰকাৰৰ নীতি-নিয়মৰ বিষয়ে বুজিব পাৰে। সমাজ আৰু ৰাষ্ট্রৰ প্রতি দায়িত্বশীল নাগৰিক হিচাপে গঢ় ল'বলৈ ছাত্র-ছাত্রীসকলক ৰাজনীতিয়ে সহায় কৰে।

ছাত্র জীৱনত ৰাজনীতিৰ কিছুমান ইতিবাচক দিশ থাকিলেও অতিমাত্রা জড়িত থাকিলে বিপজ্জনক হ'ব পাৰে। ছাত্র জীৱনত ৰাজনীতিৰ প্রয়োজন আছে, কিন্তু ই সীমাবদ্ধ আৰু গঠনমূলক হ'ব লাগিব। ছাত্রৰ মৌলিক তথা প্রাথমিক লক্ষ্য হ'ল জ্ঞান অর্জন আৰু চাৰিত্রিক গঠন। সেইবাবে ছাত্র-ছাত্রীয় সচেতনভাৱে ৰাজনীতিত অংশগ্রহণ কৰিব লাগে, যাতে ই শিক্ষাৰ অন্তৰায় নহয়, বৰঞ্চ সমাজত সুস্থ গণতান্ত্রিক পৰিৱেশ গঢ়িবলৈ সহায়ক হয়। যদি সঠিকভাৱে ব্যৱহাৰ কৰা হয়, তেন্তে ছাত্র জীৱনৰ ৰাজনীতি ৰাষ্ট্র গঠনৰ এক শক্তিশালী মাধ্যম হৈ উঠিব পাৰে।

শেষত, ছাত্র সমাজৰ প্রতি নির্ভীক, নিঃস্বার্থ আৰু সম্ভাৱনাময় তথা সুন্দৰ সমাজৰ আশা কৰি ড° ভূপেন হাজৰিকাৰ ভাষাৰে—

'আকৌ যদি যাব লাগে শৰাইঘাটলৈ,
লুইত পাৰৰ ডেকাবন্ধু নাথাকিবা ৰৈ।'

## যন্ত্র (নাম-নিঃস্বার্থ)

**পিংকী আগৰৱালা**

নিশাৰ পিছত পুৱতি বিচাৰি
অলেখ আশা বুকুত সামৰি
জীৱন অতিবাহিত কৰে
নাৰী নামৰ যন্ত্রটিয়ে।
প্রতিক্ষণত আঁকোৱালি লয়
নিজস্বতাবিহীন জীৱন কাহিনী
নিঃস্বার্থৰে কৰি যায় কাম
দুগালত লৈ হাঁহিৰ ৰেঙনি।
পিন্ধন, ফুৰণ, খাৱন, শুৱন, বহন
সকলোতে বিতর্কিত নাৰী
সমাজে ক'ব, সমাজে হাঁহিব
ভয়াতুৰ হৈ থাকে অন্ধকাৰত ঘেৰি।
অশেষ যন্ত্রণাত ৰোৱে আশাৰ বীজ
মৰম-চেনেহ কৰি,
সপোন নহয় ঠিক
আশা হয় নিৰাশা
অবিশ্বাসৰ পাত্র
পাই নাম মূর্খ
কাকনো বুলিবা সংগ
নাৰী জীৱন দানৱৰ অংগ।




# মহাবিদ্যালয় সপ্তাহৰ গুৰুত্ব

**সমুদ্র ফুকন**

ছাত্র-ছাত্রীৰ জীৱনৰ এটা গুৰুত্বপূর্ণ বিষয় হৈছে মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহ ছাত্র-ছাত্রীৰ বাবে প্রতিভা বিকাশ কৰাৰ এটা বাট। য'ত নেকি ছাত্র-ছাত্রীৰ আঁৰত লুকাই থকা প্রতিভাসমূহ বিকশিত হয়। কলেজীয়া জীৱনৰ আটাইতকৈ মূল্যৱান আৰু আনন্দময় সময়। সেই সময়বোৰ সকলোৰে বাবে বিশেষ। য'ত নাচ-গান, হাঁহি, ফূর্তিৰে সকলোৰে মনবোৰ জীপাল হৈ উঠে। সেই দিনকেইটা অতি গুৰুত্বপূর্ণ দিন। বহুতো ছাত্র-ছাত্রীৰ প্রতিভাৰ বিকাশে এক দ্রুত গতিত আগুৱাই গৈ জীৱনৰ বাট ৰঙীণ কৰি তোলে। আনহাতে কিছু ছাত্র-ছাত্রীৰ প্রতিভা বিকাশত হেঙাৰ হৈ ৰৈ যায়। সেইসকলৰ বাবে এই দিনকেইটা গুৰুত্বপূর্ণ? বহু ছাত্র-ছাত্রীৰ বাবে নিজৰ প্রতিভা বিকাশৰ মঞ্চ হিচাপে বিদ্যালয় সপ্তাহ এখন গুৰুত্বপূর্ণ মঞ্চ।


আমাৰ ছাত্র-ছাত্রীসকলৰ প্রতিজনৰে একো একোটা ক্ষেত্রত প্রতিভা আছে। কোনোবাই গান গায়, কোনোবাই নাচে, কোনোবাই খেলে আৰু কোনোবাই অভিনয় কৰে ইত্যাদি ইত্যাদি। বহু ছাত্র-ছাত্রীয়ে নিজৰ প্রতিভাসমূহৰ বিকাশ ঘটাব নোৱাৰি নিজৰ মাজতে আবদ্ধ হৈ থাকি যায়। কোনো কোনোৱে ডাঙৰ হৈ অহাৰ লগে লগে লাজ-ভয়-শংকাত ভোগে, কোনোৱে সাহস নকৰে, একাংশই আকৌ প্রতিযোগিতাত পুৰস্কাৰ নাপাম বুলি ভাবিও ৰৈ যায়। এনেবোৰ শংকা আৰু দুর্ভাৱনাৰ মাজত পৰি বহু প্রতিভাৱান ছাত্র-ছাত্রীয়ে জীৱন বাটৰ প্রথমটো খোজ নিদিয়াকৈয়ে তেওঁলোকৰ প্রতিভাসমূহ নিজৰ মাজতে সীমাবদ্ধ হৈ ৰয়। এনে শংকা আৰু দুর্ভাৱনা আমাৰ মনৰ পৰা আঁতৰাই সাহস যোগাবলৈ এনে

সময়তে প্রয়োজন হয় এনে এজন ব্যক্তিৰ যাৰ এটা মাত্ৰ বাক্যই 'মই আছো, তই পাৰিবি যা' বুলি কৈ আগুৱাই যোৱাত সাহস দিয়ে। যি উৎসাহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাট ৰঙীন কৰি তুলিব পাৰে। ইয়াতকৈ গুৰুত্বপূৰ্ণ আৰু মূল্যৱান উপহাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে একো হ'ব নোৱাৰে।

মহাবিদ্যালয় সপ্তাহ অনুষ্ঠানটোত প্ৰতিযোগীসকলৰ মাজত দেখা পোৱা কিছুমান সমস্যাও আছে। একেটা সময়তে দুই-তিনিটা প্ৰতিযোগিতাত ভাগ লোৱা এজন প্ৰতিভাৱান খেলুৱৈৰ বাবে সম্ভৱ নহয়। আন্তঃক্ৰীড়া বা সাংস্কৃতিক অনুষ্ঠানসমূহত প্ৰতিযোগীসকলৰ মাজত যিমান গুৰুত্ব পোৱা যায়, ঠিক তেনেদৰে বহিঃক্ৰীড়াৰ ক্ষেত্ৰত খুব কম গুৰুত্ব দেখা পোৱা যায়। উদাহৰণস্বৰূপে ফুটবল খেল বা ক্ৰিকেট খেল বা দৌৰ প্ৰতিযোগিতা হ'লে তাত খেলুৱৈকেইজনৰ বাহিৰে বিশেষ বিশেষ কোনোৱেই নাথাকে। এটা হাতচাপৰি মৰা বা এটা উকি মাৰি সাহস দিয়া ব্যক্তিৰ অভাৱ। কোনোবাই যদি ভাল দৌৰিছে, কোনোবাই যদি ভাল ক্ৰিকেট খেলিছে, কোনোবাই যদি ভাল ফুটবল খেলিছে, কোনোবাই যদি ভাল গাইছে আৰু কোনোবাই যদি ভাল নাচিছে তাক বাছনি কৰি আগুৱাই লৈ যোৱা ব্যক্তিৰ অভাৱ। তেনেদৰে বহুতো প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাবোৰ হেঙাৰ হৈ পৰিছে। এইক্ষেত্ৰত আমাৰ সমাজ, শিক্ষাগুৰু, অভিভাৱক সকলোৱে গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয় বিষয়। কিয়নো আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ। ফলত প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাবোৰ বিকাশত প্ৰেৰণাৰ অভাৱ দেখা পোৱা যায়। এইক্ষেত্ৰত আমাৰ সমাজ, শিক্ষাগুৰু, অভিভাৱক সকলোৱে গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয় বিষয়। কিয়নো আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ।

গতিকে আহক আমি সকলোৱে এক হৈ মহাবিদ্যালয়ৰ সপ্তাহৰ দিনকেইটাত উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ লগতে প্ৰতিজন প্ৰতিভাৱান প্ৰতিযোগীক এটা হাতচাপৰি মাৰি, তেওঁলোকৰ মনোবল বৃদ্ধিৰ বাবে সাহস যোগাই উৎসাহ দিওঁ। প্ৰতিভাৱান প্ৰতিযোগীসকলক জনোৱা এই প্ৰেৰণা আৰু ভৱিষ্যৎ ক্ৰীড়া, কলা, সংস্কৃতিৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ ইয়াতকৈ ডাঙৰ আশীৰ্বাদ হ'ব নোৱাৰে। আশা কৰিম প্ৰতিভাৱান প্ৰতিযোগীসকলে নিজৰ প্ৰতিভা বিকশাই তুলি ভৱিষ্যতে ক্ৰীড়াংগনত, কলা-সংস্কৃতিৰ পথাৰখনত জীৱন যাত্ৰাৰ ৰঙীন বাটটো উজলাই তোলে। বৰ্তমান ক্ৰীড়া, কলা-সংস্কৃতিয়েও জীৱন যাত্ৰাৰ অতি মসৃণ পথ হিচাপে বিশ্বজুৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠানৰ যোগেদি নিজৰ নিজৰ প্ৰতিভা উজলাই তুলি ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতৰ দিশ নিৰ্ণায়ক পথসমূহো উজ্জ্বল কৰি তুলিব পাৰে। লাগে কেৱল ঐকান্তিক প্ৰচেষ্টা, নিৰলস সাধনা, কঠোৰ অনুশীলন। মহাবিদ্যালয় সপ্তাহ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱনৰ পথ নিৰ্ণায়ক এখন মঞ্চ।



## শাওণ

**ককি চিৰিং**

নেদেখোঁ পুৱাৰ ৰ'দ কাঁচিয়লি
গগন কঁপা মেঘৰ গুজৰণি মাথোঁ
ৰিম্‌ঝিম্ ৰৱষুণে ধৰণী শুৱাই!
নাঙলৰ সীৱলুত অজলা ককাইৰ
সপোনৰ কুঁহিপাতে উঠে প্ৰাণ পাই।
সুন্দৰী প্ৰকৃতিৰ সেউজীয়া সাজ
উন্মনা নদীৰ কি যে সলাজ চাৱনি!
জাকে জাকে বগলীয়ে
আবেলিৰ আকাশত
আঁকি দিয়া ছবিখন অতিকৈ শুৱনি।
উভলি মূৰত বহি পঁইতা ভাতৰ জুতি
সন্দচোৱা কঁঠালৰ মেলাবোৰ দেখি
দেহা-মন শাঁত পৰি যায়!
মেঘৰ আঁৰে আঁৰে সূৰুযৰো লুকাভাকু
উশাহতে আকাশখনে বৰণ সলায়।
জাকৰুৱা গাভৰুৰ প্ৰাণোচ্ছল হাঁহি
দুহাতে শ্যামলী কৰে বহন বাকৰি!
সেউজীয়া প্ৰকৃতিৰ অপৰূপ শোভা
এবাৰ দুচকু গ'লে নাযায় আঁতৰি।।



# ৰীল জীৱন

ৰিতুপৰ্ণা গগৈ

ৰীলছ জীৱনে ধুনীয়া কৰাক বুজায়। প্ৰায়ে ছ'চিয়েল মিডিয়াত বিশেষকৈ ইনষ্টাগ্ৰাম আৰু ফে'চবুক ৰিলৰ দৰে প্লেটফৰ্মত কাৰোবাৰ জীৱনৰ হাইলাইট ৰীল মুহূৰ্তত। মানুহে নিজৰ শ্ৰেষ্ঠ মুহূৰ্তবোৰ শ্বেয়াৰ কৰে, নিজৰ সাফল্য, ভ্ৰমণ, সম্পৰ্ক বা চখ প্ৰদৰ্শন কৰে। ইয়াৰ ফলত অবাস্তৱিক আশা বা তুলনাৰ সৃষ্টি হ'ব পাৰে, যাৰ ফলত আনসকলে এনে অনুভৱ কৰিব পাৰে যে তেওঁলোকে এটা নিখুঁত অনলাইন ছবি উপস্থাপন কৰিব লাগিব।

**ৰীল জীৱনৰ ইতিবাচক দিশ**

**প্ৰেৰণা ঃ** ৰীলে সৃষ্টিশীলতাক জগাই তোলে, দৰ্শকক নতুন বস্তু চেষ্টা কৰিবলৈ প্ৰেৰণা যোগায় বা অনুপ্ৰাণিত কৰে।

**সম্প্ৰদায় গঠন ঃ** ভাগ কৰা অভিজ্ঞতা আৰু আগ্ৰহে অনলাইন সম্প্ৰদায় সৃষ্টি কৰিব পাৰে, সংযোগ আৰু সমৰ্থনক লাভান্বিত কৰিব পাৰে।

**আত্মপ্ৰকাশ ঃ** ৰীলে সৃষ্টিকৰ্তাসকলক তেওঁলোকৰ প্ৰতিভা, আৱেগ বা দৃষ্টিভংগী প্ৰদৰ্শন কৰিবলৈ অনুমতি দিয়ে।

**শিক্ষা আৰু সজাগতা ঃ** ৰীলে তথ্য ফলপ্ৰসূভাৱে প্ৰচাৰ কৰে, সামাজিক বিষয়সমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰে বা শিক্ষণৰ প্ৰসাৰ কৰে।

ৰীল জীৱনৰ যেনেদৰে ইতিবাচক দিশ আছে, তেনেদৰে নেতিবাচক দিশো আছে। সেইবোৰ হ'ল—

**অবাস্তৱিক প্ৰত্যাশা ঃ** ধুনীয়া কৰা বিষয়বস্তুৰে অবাস্তৱিক মানৰ সৃষ্টি কৰিব পাৰে, যাৰ ফলত অপৰ্যাপ্ততা বা আত্মসন্মানৰ অনুভৱ হয়।

**তুলনা ঃ** জীৱনক অৰ্থৱহ তুলনা কৰাৰ ফলত অসন্তুষ্টি, উদ্বেগ বা হতাশাৰ সৃষ্টি হয়।

**অপ্ৰামাণ্যতা ঃ** উপস্থাপনৰ ওপৰত অতিমাত্ৰা গুৰুত্ব দিয়ে।

**নিচা ঃ** অন্তহীন স্ক্ৰ'লিং কৰাটো এটা অভ্যাসত পৰিণত হ'ব পাৰে, ইয়াৰ ফলত সময় আৰু শক্তি খৰচ হয়।

**টোপনিৰ অসুবিধা ঃ** পৰ্দা আৰু অহৰহ অধিসূচনাৰ সন্মুখীন হ'লে টোপনিৰ ধৰণত বাধা আহিব পাৰে।

ৰীল, চুটি, ভিডিঅ' আমাৰ জীৱনৰ মুহূৰ্তবোৰ শ্বেয়াৰ কৰাৰ এক জনপ্ৰিয় উপায় হৈছে ইনষ্টাগ্ৰাম আৰু ফে'চবুকৰ দৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম।

অৱশ্যে সমালোচনাৰ সন্মুখীনো হয়। ৰীলৰ কিছুমান সাধাৰণ সমালোচনা—

**মানসিক স্বাস্থ্যৰ চিন্তা**

**তুলনা আৰু ঈৰ্ষা ঃ** ৰীল চোৱাটোৱে তুলনা আৰু ঈৰ্ষাৰ সৃষ্টি কৰিব পাৰে, কিয়নো ব্যৱহাৰকাৰীয়ে নিজৰ জীৱনক আনৰ ধুনীয়া কৰা হাইলাইট ৰীলৰ সৈতে তুলনা কৰে।

**নিচা ঃ** ৰীলৰ অন্তহীন স্ক্ৰ'ল নিচাযুক্ত হ'ব পাৰে, যাৰ ফলত পৰ্দাৰ সময় অত্যধিক হয় আৰু উৎপাদনশীলতা হ্ৰাস পায়।

**উদ্বেগ আৰু মানসিক চাপ ঃ** আকৰ্ষণীয় ৰীল সৃষ্টি কৰাৰ হেঁচাত কিছুমান ব্যৱহাৰকাৰীৰ বাবে উদ্বেগ আৰু মানসিক চাপৰ সৃষ্টি হ'ব পাৰে।

**অন্যান্য সমালোচনা**

**নান্দনিকতাৰ ওপৰত অতিমাত্ৰা গুৰুত্ব দিয়া ঃ** ৰীলে প্ৰায়ে পদাৰ্থতকৈ দৃষ্টি শক্তিৰ আবেদনক অগ্ৰাধিকাৰ দিয়ে।

**প্ৰসংগৰ অভাৱ ঃ** ৰীলবোৰ প্ৰসংগৰ বাহিৰলৈ লৈ যাব পাৰি, যাৰ ফলত ভুল বুজাবুজি বা ভুল ব্যাখ্যাৰ সৃষ্টি হয়।

**চাইবাৰ গুণ্ডাগিৰি আৰু হাৰাশাস্তি ঃ** ৰীলৰ সহায়ত আনক গুণ্ডাগিৰি বা হাৰাশাস্তি কৰিব পাৰি, যাৰ গুৰুতৰ পৰিণতি হ'ব পাৰে।

সামগ্ৰিকভাৱে ৰীল আমাৰ জীৱনৰ মুহূৰ্তবোৰ শ্বেয়াৰ কৰাৰ এক মজাৰ আৰু সৃষ্টিশীল উপায় হ'ব পাৰে যদিও সম্ভাব্য সমালোচনাৰ প্ৰতি সচেতন হোৱা আৰু সেইবোৰক দায়িত্বশীলভাৱে ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়।



## জীৱনৰ এখিলা পাত

**গীতাৰ্থ নেওগ**

দেখাত সাধাৰণ
সেউজীয়া এখিলা পাত
কিন্তু গছৰ বাবে সেইখিলাই
খাদ্য সংগ্ৰহৰ একমাত্ৰ বাট।
জীৱনৰ কথাবোৰ
এখিলা পাতৰ তুলনা
ইয়াৰ ভিতৰতে মানুহৰ
সুখ-দুখ সকলো যন্ত্ৰণা।
লিখা থাকে সকলো কথা
এখিলা নিভাজ পাতত
যিয়ে সহায় কৰে আগবাঢ়ি যোৱা
জীৱন সংগ্ৰামৰ বাটত।
ক'ব নোৱাৰো সেইখিলা পাত
মোৰ কেতিয়া সৰি যাব
সেই দিনাই মই মাটিৰ লগত
মিলন হ'ব লাগিব।
যদি সৰি পৰে মোৰ
জীৱনৰ পাতখিলা
ক'ব নোৱাৰো মোৰ আত্মাই
লগ পাই কেনে এজন।



# দা গ্রেট ইণ্ডিয়ান কিটচেন

## চিনেমাত নাৰী

**অদিতি গুৰুং**

'দা গ্রেট ইণ্ডিয়ান কিটচেন' চলচ্চিত্র হৈছে ২০১১ চনত উপস্থাপন হোৱা এখন মালায়ালম চলচ্চিত্র। চলচ্চিত্রখন পৰিচালনা কৰিছিল জীয়ো বেবিয়ে। এই চলচ্চিত্রখন সাধাৰণতে এগৰাকী নৱবিবাহিতা গৃহিণীৰ জীৱনৰ অভিজ্ঞতাক কেন্দ্র কৰি গঢ়ি তোলা হৈছে। কিন্তু ইয়াৰ গভীৰ অর্থ ভাৰতীয় সমাজৰ পুৰুষতান্ত্রিক ধাৰণাৰ ওপৰত এক শক্তিশালী প্রতিবাদ। নামটো শুনোতেই এনে লাগে চলচ্চিত্রখন এখন ৰন্ধন সম্পর্কীয় কথাৰে ভৰা হ'ব। কিন্তু মূলত এই চিনেমাখনে সংসাৰ, ধর্ম, সমাজ আৰু সাম্যৰ বিষয়ে এক গুৰুত্বপূর্ণ আলোচনাৰ দর্জা খোলে।

চলচ্চিত্রখনত এগৰাকী নৱবিবাহিতা যুৱতী। যিয়ে এজন শিক্ষকৰ লগত বিবাহপাশত আবদ্ধ হয়। তেওঁ নতুন ঘৰত সোমাই অনুশীলিত আদর্শ গৃহিণীৰ ৰূপ ল'বলৈ চেষ্টা কৰে। কিন্তু অতিশীঘ্রে তেওঁ উপলব্ধি কৰে যে ইয়াত 'ঘৰৰ বোৱাৰী' হোৱাৰ অর্থ হৈছে এক অবিৰাম আৰু কৃতজ্ঞতাহীন পৰিশ্রম, খোৱা-বোৱা, ৰন্ধা-বঢ়া, পৰিষ্কাৰ, কর্তব্য বিবেচনা কৰা, ধর্মীয় অনুশাসন মানি চলা আৰু তেওঁৰ ব্যক্তিত্বক একেবাৰে পাহৰি পেলোৱা। এই সকলোবোৰ ঘটনাৰ মাজেৰে তেওঁ যি দমনৰ সন্মুখীন হ'ল তাৰ বিৰোধিতা কৰি গৃহত্যাগ কৰাৰ সিদ্ধান্ত লৈছে।

**'দা গ্রেট ইণ্ডিয়ান কিটচেন' উপন্যাসত নাৰীৰ মনস্তাত্ত্বিক চেতনা ঃ**

নাৰীৰ সমস্যা, মানসিকতা আৰু জীৱনৰ অভিজ্ঞতা বিশ্লেষণ কৰা বাবে নাৰী মনস্তাত্ত্বিক চেতনাৰে বিষয়ে আলোচনা কৰা হ'ল।

**নাৰীৰ আত্ম সচেতনতা ঃ**

'দা ইণ্ডিয়ান কিটচেন' চলচ্চিত্রখনে নাৰীৰ আত্ম সচেতনতাৰ এক শক্তিশালী প্রতিচ্ছবি দাঙি ধৰিছে। দুগৰাকী নাৰীক পুৰুষতান্ত্রিক পৰিয়াল ব্যৱস্থাই নাৰীক নিজৰ ইচ্ছা আৰু স্বাধীনতাৰ পৰা বঞ্চিত কৰি ৰাখে। এনেধৰণৰ জীৱনশৈলীয়ে মনত মানসিক অশান্তি আৰু বিষণ্ণতা সৃষ্টি কৰে। নাৰীগৰাকীয়ে শেষত নিজৰ মূল্যবোধ, ইচ্ছা আৰু জীৱনৰ সঁচা অর্থ বুজি পায় আৰু নিজকে এনে পুৰুষতান্ত্রিক সমাজৰ পৰা মুক্তি পাবলৈ আগবাঢ়ি আহে। এয়া নাৰীৰ আত্মসচেতনতা আৰু মুক্তিৰ প্রতীক।

'দা গ্রেট ইণ্ডিয়া কিটচেন'ত নাৰীৰ মনস্তাত্ত্বিক যন্ত্রণা, সমাজে বান্ধি দিয়া সীমাবদ্ধতা আৰু আত্ম সচেতনতাৰ যাত্রা তুলি




ধৰিছে। চলচ্চিত্ৰখন পুৰুষতান্ত্ৰিক সমাজৰ বাবে নাৰীৰ অৱস্থান, মানসিক অৱস্থা আৰু মুক্তিৰ পথৰ গৃহিণীৰ মানসিক যন্ত্ৰণা, সীমাবদ্ধতা আৰু স্বাধীনতাৰ আশাৰ বতৰা কঢ়িয়াই আনে।

নাৰীৰ মনস্তাত্ত্বিক চেতনাক কেন্দ্ৰ কৰি বিভিন্ন চলচ্চিত্ৰ সাহিত্য আদি ৰচনা হোৱা দেখা যায়। তাৰ ভিতৰত ভাৰতীয় চলচ্চিত্ৰৰ অন্তৰ্গত 'দা গ্ৰেট ইণ্ডিয়ান কিটচেন' শীৰ্ষক মালায়ালম ভাষাৰ চলচ্চিত্ৰখন অন্যতম। চলচিচত্ৰখন সাম্প্ৰতিক সমাজত এগৰাকী বিবাহিত নাৰীয়ে সন্মুখীন হোৱা বিভিন্ন পৰিস্থিতি আৰু সেই পৰিস্থিতিত নাৰীৰ মনস্তাত্ত্বিক অৱস্থানক চিমেনাখনত চিত্ৰিত কৰিছে। প্ৰস্তাৱিত অধ্যয়নত 'দা গ্ৰেট ইণ্ডিয়ান কিটচেন' চলচ্চিত্ৰত প্ৰতিফলিত নাৰীৰ মনতাত্ত্বিক চেতনাক বিশেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

**সামাজিক সচেতনতা ঃ**

'দা গ্ৰেট ইণ্ডিয়ান কিটচেন' চলচ্চিত্ৰত দেখিবলৈ পোৱা গৈছে যে গৃহস্থালিৰ কাম কেৱল নাৰীৰ দায়িত্ব বুলি সমাজে বিশ্বাস কৰে। নাৰীৰ পৰিশ্ৰম আৰু আত্মসন্তুষ্টি আৰু সহনশীলতাৰ বিপৰতে সমাজে নাৰীক কেতিয়াও যথোচিত মূল্য নিদিয়ে। পুৰুষতান্ত্ৰিক সমাজত ধৰ্মীয় আচৰণ আৰু সমাজৰ পবিত্ৰতা ৰক্ষাৰ নামত নাৰীক দমন কৰি আহিছে। নাৰী কেৱল গৃহকাৰ্য কৰা মানুহ নহয়। নাৰীয়ে নিজৰ সিদ্ধান্ত ল'ব পৰা নিজৰ সপোন পূৰ্ণ কৰিব পৰা সক্ষমতা থকা, নিজে চিন্তা কৰিব পৰা আৰু নিজৰ দায়িত্ব পালন কৰিব পৰা এগৰাকী নাৰী।

**উপসংহাৰ ঃ**

'দা গ্ৰেট ইণ্ডিয়ান কিটচেন' চলচ্চিত্ৰখন নৱবিবাহিত মহিলাৰ জীৱন কাহিনী। যিগৰাকী মহিলা পুৰণি ধ্যান-ধাৰণাৰ সৈতে ভৰা এখন পৰিয়ালত বিয়া হয়। তেওঁৰ জীৱনত অনুধাৱন হয় যে ৰান্ধনি ঘৰটো কেৱল খাদ্য প্ৰস্তুতৰ ঠাই নহয়, বৰং গৃহবধূ কিমান শাৰীৰিক আৰু মানসিকভাৱে শোষিতৰ এখন পৰিস্ফুট ছবি।

চলচ্চিত্ৰখনৰ শেষত মুখ্য চৰিত্ৰৰ নাৰীগৰাকীয়ে অৱশেষত নিজৰ গৃহবধূ জীৱনৰ একঘেয়ামি আৰু অৱমূল্যায়নৰ বিৰুদ্ধে প্ৰতিবাদ কৰে। তেওঁ পৰিয়ালৰ পৰা আঁতৰি যায় আৰু নিজৰ জীৱনৰ বাবে এক স্বাধীন পথ বাছি লয়। পিছলৈ তেওঁ এগৰাকী নৃত্যশিল্পী হয়।




# ‘কথানদী’ চলচ্চিত্রত অসমীয়া লোক-সাংস্কৃতিক সমল

জিণ্টী সোনোৱাল

**‘কথানদী’ পৰিচয় ঃ**

‘কথানদী’ এখন শক্তিশালী আৰু চেতনা প্রদানকাৰী অসমীয়া চলচ্চিত্র, যিয়ে অসমৰ গাঁও, সমাজ তেওঁলোকৰ বিশ্বাস, জীৱনশৈলী, সংস্কৃতি, লোককথা, সংগীত ধর্মীয় চিন্তাধাৰা আৰু আধুনিকতাৰ সৈতে সংঘাত আদিকে দৃঢ় কৰি প্রতিফলিত হয়। এই চলচ্চিত্রখন কেৱল এটা কল্পনাভিত্তিক কাহিনী নহয়। ই অসমৰ সমাজ-সাংস্কৃতিক পৰিৱেশক এক জীৱন দলিল হিচাপে ধৰা হয়। ‘কথানদী’ চলচ্চিত্রৰ ভিতৰত অন্তর্ভুক্ত লোক-সংস্কৃতিক উপাদান যেনে— লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, সংগীত-নৃত্য, ধর্মীয় পৰম্পৰা আৰু সামাজিক সংগঠনসমূহৰ অধ্যয়ন কৰা হৈছে।

**১.১ কথানদী চলচ্চিত্র পৰিচয় ঃ**

২০১৫ চনত মুক্তি লাভ কৰা ভাস্কৰ হাজৰিকাৰ পৰিচালিত এখন হৰৰ ফেণ্টাচী প্রকাৰৰ অসমীয়া চলচ্চিত্র। ইয়াত সীমা বিশ্বাস, আদিল হুছেইন, জেৰিফা ৰাহিদ, উর্মিলা মহন্ত, কপিল বৰা, আশা বৰদলৈ আদিয়ে অভিনয় কৰিছিল। এই চলচ্চিত্রখন অসমৰ এক পুৰণি পৰিসৰেৰে জড়িত এক নাটকীয় গল্প 'কথানদী'ত মূলতঃ অসমীয়া সমাজৰ পৰম্পৰাগত জীৱন আৰু সংস্কৃতিৰ সজীৱ প্রতিফলন পৰিস্ফুত হৈছে।

কথানদীৰ ছবিখনৰ কাহিনীটো লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ীআইৰ সাধুৰ কেইটিমান জনপ্রিয় সাধু আইৰ সাধুৰ কেইটামান জনপ্রিয় সাধু আৰু চৰিত্রক কেন্দ্র কৰি গঢ়ি উঠিছে। বুঢ়ীআইৰ সাধুক সন্নিৰিষ্ট 'তেজীমলা', 'চম্পাৱতী', 'ঔ-কুঁৱৰী' আৰু 'তাৰৈৰ সাধু' নামৰ চাৰিটা বিশেষ সাধুৰ সংমিশ্রণ কৰি কথানদীৰ মূল কাহিনী সৃষ্টি কৰা হৈছে।

চলচ্চিত্রখনত বিভিন্ন সামাজিক আৰু সাংস্কৃতিক দৃষ্টিকোণৰ পৰা মানুহৰ জীৱনৰ পৰিৱর্তন আৰু একান্ত অভিজ্ঞতাৰ ওপৰত আলোকপাত কৰা হৈছে। এই ছবিখন বিশেষকৈ অসমৰ ঐতিহ্য জীৱনধাৰা আৰু একান্ত সম্পর্কৰ বিষয়সমূহক প্রতিফলিত কৰে আৰু আধুনিকতাৰ প্রভাৱৰ বিষয়ে আলোচনা কৰে।

**১.২ কথানদী চলচ্চিত্রত অসমীয়া লোক-সাংস্কৃতিক পৰিচয়**

চলচ্চিত্রখনত অসমীয়া সমাজৰ পৰম্পৰা এক গভীৰ দৃশ্য দেখা যায়। অসমীয়া পৰম্পৰা উৎসৱ পৰিৱর্তন, পাৰিবাৰিক মূল্যবোধ আৰু সৰু পৰা বৃহৎ সামাজিক উৎসৱসমূহৰ ওপৰত
আলোকপাত কৰা হৈছে। চলচ্চিত্রৰ চিত্রখনত গাঁও-গ্রাম্য পৰিসৰৰ সম্পর্কিত পৰিৱেশত ঐতিহ্যবাহী জীৱনধাৰা প্রদর্শন কৰা হৈছে।

অসমীয়া লোক সাংস্কৃতিক এক বিশেষ বৈশিষ্ট্য হৈছে সংগীত আৰু নৃত্য। কথানদীত অসমীয়া সংগীত আৰু নৃত্যৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। অসমৰ বিখ্যাত বিহু নৃত্য আৰু সংগীতৰ প্রতিফলন ছবিখনত বেছি চিত্রিত হৈছে, যি অসমীয়া সংস্কৃতিৰ এক অতি গুৰুত্বপূর্ণ অংগ।

চলচ্চিত্রখনত অসমীয়া সমাজৰ খাদ্য সংস্কৃতিৰ কিছু দিশো প্রদর্শিত হৈছে। অসমীয়া মানুহৰ দৈনন্দিন খাদ্য, পৰম্পৰাগত খাদ্যসমূহ আৰু সেয়া সম্পর্কিত পৰিসৰেৰে সংযুক্ত কৰা হৈছে। পৰিসৰটো অসমীয়া পৰিসৰেৰে চিহ্নিত, য'ত পুখুৰী, চাৰা আৰু গাঁও অঞ্চলৰ দর্শন খুবেই গুৰুত্বপূর্ণ অসমীয়া সমাজৰ প্রাচীন পৰিসৰেৰে পৰিষ্কাৰ পৰিসৰ। নথি-পত্র আৰু পাৰিবাৰিক মূল্যবোধবোৰ চলচ্চিত্রকনৰ মূল দিশ। পৰিসৰ আৰু সংস্কৃতিৰ মাজত সমাজৰ দৃষ্টিভংগী আৰু সামাজিক পৰিৱর্তনত সঠিকভাৱে দেখা গৈছে। অসমীয়া সমাজৰ পৰম্পৰা আৰু আধুনিকতাৰ মাজত চলিত সংঘর্ষকো চলচ্চিত্রখনে দর্শাইছে। সামাজিক মান আৰু জীৱনৰ পদ্ধতিত সন্নিৰিষ্ট পৰিৱর্তনসমূহ, য'ত মানুহে আধুনিকতাৰ সৈতে পৰম্পৰা মেলাৰ চেষ্টা কৰে, ইয়ো এক গুৰুত্বপূর্ণ পৰিসৰ।

**৩.১ লোক-সাহিত্যিক সমল ঃ**

অসমীয়া লোক সাহিত্য হৈছে সেই সকলো সাহিত্যিক সৃষ্টি যি অসমৰ মাটিত জন্মগ্রহণ কৰিছে আৰু সেৱা সাধাৰণ মানুহৰ জীৱন সংস্কৃতি পৰম্পৰা আৰু আধ্যাত্মিকতাৰ ওপৰত আধাৰিত। 'কথানদী' চলচ্চিত্র অসমীয়া লোক-সাহিত্যৰ এক গভীৰ প্রতিফলন দেখা যায়। এই চলচ্চিত্রত লোক সাহিত্যৰ বহু দিশৰ আৰু উপাদানসমূহ প্রয়োগ কৰা হৈছে।

'তাৰৈৰ সাধু'ৰ কাহিনীত আধ্যাত্মিকতা আৰু নৈতিকতাৰ গুৰুত্ব অধিক। পোনাই তাৰৈয়েকৰ পৰামর্শ অনুসৰি তিনিটা (ল'ৰা সন্তান) কেঁচুৱা হত্যা কৰে। চতুর্থটো বলি-বিধান দিয়ে। এই কথাখিনিৰ সাধাৰণ মানুহৰ জীৱনৰ শুদ্ধতা সৎপথে চলা আৰু ধর্মৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। চম্পাৱতীৰ সাধুৰ কাহিনীটো অসমীয়া উপস্থিতি পৰম্পৰা আৰু লোক-সংস্কৃতিৰ এক গুৰুত্বপূর্ণ উপস্থিতি দেখা যায়। ধনী-দুখীয়া সকলোৱে খেৰী ঘৰ, গোবৰ লেটিয়াই চোতাল মচা বিয়ালৈ বুলি গাঁৱৰ মানুহে বাঁহ কঢ়িয়াই নিয়া বিয়ালৈ কটা কলগছ কটা, কইনাৰ মাকে দৰাক তামোল-পাণেৰে আদৰা ইত্যাদি দৃশ্যবোৰৰ উপৰি কাহিনীটোত বিয়াৰ সময়ত বজোৱা গীত আৰু নৃত্যবোৰো অসমীয়া সাংস্কৃতিক পৰম্পৰাৰ মত প্রকাশিত হয়।

'তেজীমলা সাধু'ৰ কাহিনীৰ মাজেৰে নবয় আৰু নৈতিকতাৰ শক্তিশালী বার্তা প্রসাৰিত হয়। কাহিনীটোত মাহীমাক তেজীমলা ঢেঁকীৰে খুন্দা খেকেচি থেকেচি তেজীমলাক কেৰেলুৱা খুৱাই দিয়ে। তাৰৈয়েকৰ সাধুত অসমীয়া সমাজৰ পৰম্পৰাগত ধর্মবিশ্বাস পৰিয়ালকেন্দ্রিক বান্ধোন, নাৰীজীৱনৰ দুখ-কষ্ট আৰু জনবিশ্বাস গভীৰভাৱে প্রতিফলিত হৈছে। এই সাধুত মাক-পিতাৰ সৈতে বিয়াৰ সম্পর্ক জন্মৰ পিচত মা-বিয়াৰ বিচ্ছেদ আৰু পূর্ণ মিলনত আকাংক্ষাৰ জৰিয়তে লোকসমাজত নাৰীৰ ভূমিকা স্পষ্ট হয় সাধুৰ মাজেৰে ধর্মীয় আচাৰ (অলৌকিকতা, পূজা,

আকাশবাণী) সামাজিক বিশ্বাস পৰম্পৰাগত পৰিধান, খাদ্যভ্যাস আৰু গাঁৱলীয়া জীৱনশৈলী ফুটাই তোলা হৈছে। এই সকলো উপাদানে সাধুটোক কেৱল এক কাহিনী নহয়, অসমীয়া লোক-সংস্কৃতিৰ এক কাহিনী নহয়, অসমীয়া লোক-সংস্কৃতিৰ এক মূল্যৱান দলিল হিচাপে গঢ়ি তোলে।

**৩.২ পৰম্পৰাগত বিশ্বাস ঃ**

অসমীয়া সমাজৰ চাৰিওপাশৰ সংস্কৃতি, ধর্ম আৰু পৰম্পৰাৰ পৰা সৃষ্টি নানা আধ্যাত্মিক সামাজিক আৰু দৈনন্দিন বিশ্বাস। অসমৰ লোকবিশ্বাস সমাজৰ অসমীয়া পৰম্পৰা আৰু দৈনন্দিন জীৱনৰ পৰা গভীৰতা জড়িত। কথাছবিখনত চাৰিটা সাধুকথাৰ সমষ্টিত তাৰৈৰ সাধুৰ কাহিনীৰ অশুভ শক্তি আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক শক্তিশালী প্রতিবাদ দেখা যায়। তাৰৈয়েকৰ কথামতে পোনাই তিনিটা (ল'ৰা সন্তান) কেঁচুৱা হত্যা কৰা আৰু চতুর্থটো সন্তান (কন্যা) কেঁচুৱাকহে তাৰৈয়েকৰ কথামতে ৰাতি পল এটাত বহি জোঁৰ লৈ গৈ পিতৃ-মাতৃ (পোনা আৰু মালতী) দুয়ো পুথি থোৱা সন্তানকেইটাক উলিয়াই হত্যা নকৰা হ'লে তিনিওটা সন্তানেই দেউতাকক হত্যা কৰিলেহেঁতেন। এই কাহিনী কথাখিনিৰ পৰাই চলচ্চিত্র অমংগল শক্তি আৰু আত্মা অস্তিত্বৰ বিশ্বাস দেখা গৈছে। চম্পাৱতী সাধুৰ কাহিনীটো মাকে জীয়েকক অজগৰৰ লগত বিয়া দিয়ে।

তেজীমলা ছবিখনত তেজীমলাৰ মৃতদেহ পোতা ঠাইৰ পৰা লহপহীয়াকৈ এটা পুলি বাঢ়ি আহে। সেই দৃশ্যটোৰ পৰা মাটি, নদী বা বনাঞ্চলৰ পৰা পৰিস্ফুট হোৱা অশুভ আত্মাৰ উপস্থিতি বিশ্বাস দেখা যায়। ঐ-কুঁৱৰী কাহিনীত ঐ-টেঙাটোৰ মাক কেতেকীৰ পিছে পিছে বাগৰি ঘূৰি পুৰা দৃশ্যাৱলীৰ পৰা অসমীয়া সমাজত আগৰে পৰা পৰম্পৰাগতভাৱে ডাইনী বুলি সন্দেহ কৰি ঘৰৰ পৰা উলিয়াই দিয়ে। সেই দৃশ্য দেখি অবাক হয় এজন সাউদ, যি আছিল তেজীমলাৰ দেউতাক। তেওঁ সেই মাকক ঐ-টেঙাটোৰ ভিতৰত থকা মানৱ শৰীৰ বাহিৰ কৰা বুদ্ধি দিয়ে। আন এটা কাহিনীত দেখা পাওঁ এডাল অজগৰৰ লগত চম্পাৱতীৰ বায়েকৰ বিয়াৰ যা-যোগাৰ উদ্দেশ্যে সোণৰ অলংকাৰ আদিৰ আয়োজন। সেই সাউদৰ ঘৰত চলি আছিল মাহীমাকৰ তেজীমলাৰ ওপৰত অত্যাচাৰ। এই সাধুকথাৰ ওপৰত নিমর্মিত কথাছবিৰ মাজেৰে নির্দেশকে অসমত অসমীয়া সমাজত মাজে মাজে হৈ থাকে দাইনী হত্যাৰ ওপৰত আগতে আলোকপাত কৰিছে। কথাছবিখনে অসমীয়া সমাজত আগৰে পৰা চলি অহা অন্ধবিশ্বাসবোৰ প্রকাশ কৰি দেখুৱাইছে।



**৩.৩ পৰম্পৰাগত সাজপাৰ ঃ**

অসমীয়া সমাজত পৰম্পৰাগত সাজপাৰ এক গভীৰ ঐতিহ্য আৰু সংস্কৃতিৰ অংশ, যি পৰিসৰে লোক দৈনন্দিন জীৱন জীৱন উৎসৱ আৰু বিশেষ অনুষ্ঠানবোৰৰ সৈতে সংযুক্ত থাকে। অসমীয়া সাজপাৰত প্রাকৃতিক উপাদান আধ্যাত্মিক আৰু সৌন্দর্যৰ এক বিশেষ মিল আছে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ পৰিসৰৰ সাজপাৰৰ প্রাকৃতিক উপাদান, আধ্যাত্মিক আৰু সৌন্দর্যৰ এক বিশেষ মিল আছে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ পৰিসৰে সাজপাৰ বিভিন্ন আকাৰ ৰং আৰু ৰূপত প্রচলিত।

'কথানদী' চলচ্চিত্রখনৰ ভিতৰত পৰম্পৰা অসমীয়া সাজপাৰৰ এক বিশেষ ভূমিকা আছে। ছবিখনত মূৰত পাগুৰি, চেলেং চাদৰৰ চুৰীয়াৰ উপস্থাপন কৰা সদাগৰজনৰ নাম দেৱীনাথ পোছাকে-আচৰণে, নামে-ধামে তেওঁক এজন সম্ভ্রান্ত অসমীয়া লোক বুলিয়েই উপস্থাপন কৰা হৈছে। ঐ-কুঁৱৰীৰ সাধুটোত মিচিং সমাজ এখনৰ ছবি দেখুৱাবলৈ ব্যর্থ প্রচেষ্টা এটা চলোৱা হৈছে। মিচিং চাংঘৰ এটাত অকলশৰীয়াকৈ বাস কৰা সমাজচ্যুত নাৰীগৰাকী (উর্মিলা মহন্ত) পৰম্পৰাগত মিচিং মেখেলা-চাদৰ ব'লৈও নিজে নিজেই শিকি পেলালে আৰু কাপোৰ বৈ সদাগৰক বিক্রী কৰা দৃশ্যৰ পৰা পৰম্পৰাগত মিচিং সাজপাৰ দেখিবলৈ পোৱা যায়।

**৩.৪ পৰম্পৰাগত আচাৰ নীতি ঃ**

অসমীয়া সমাজৰ আচাৰ-নীতি হৈছে সমাজৰ সদস্যই একেলগে মিলি চলাৰ বাবে অনুসৰণ কৰা নৈতিক আদর্শ,

শিষ্টাচাৰ, পাৰস্পৰিক সন্মান আৰু আচৰণৰ নিয়মবোৰক বুজায়। এইবোৰ প্ৰধানকৈ পৰম্পৰাগত মূল্যবোধ, ধৰ্মীয় বিশ্বাস, সামাজিক দায়িত্ব আৰু নীতি-নৈতিকতাৰ ওপৰত আধাৰিত হয়। চম্পাৱলী সাধুটোত বামুণীয়া নিয়মেৰে বিয়া-বাৰু পতা চম্পাৱতীৰ ঘৰখনৰ কথালৈ আহিলে আকৌ দেখা সেই ঘৰত বামুণ সম্প্ৰদায়ৰ লোক এজনে বনুৱাৰ কাম কৰে। গৃহস্থই (সীমা বিশ্বাস) আদেশি দিয়ে— বুদ্ধেশ্বৰ তই বামুণ নহয় জানো। তয়ে দেউ হবি। সেই সময়ৰ অসমীয়া সমাজত শূদিৰৰ ঘৰত বামুণে বন কৰাৰ ৰীতি-নীতি দেখিবলৈ পোৱা যায় আৰু গ্ৰাম্য জীৱনৰ খাদ্য-সংস্কৃতিক প্ৰতিনিধিত্ব কৰে। চম্পাৱতী সাধু অসমীয়া লোক-সাহিত্যৰ এটি নৈতিক শিক্ষামূলক কাহিনী। এই সাধুৰ মূল চৰিত্ৰ চম্পাৱতী এগৰাকী নিষ্পাপ সত্যনিষ্ঠ আৰু সহানুভূতিশীল ছোৱালী। সাধুটোৰ জৰিয়তে সমাজত সততা, সহিষ্ণুতা আৰু ধৰ্মনিষ্ঠতাৰ গুৰুত্ব বুজোৱা হৈছে। চম্পাৱতীয়ে এনে অন্যায় সহ্য কৰি শেষত ন্যায় লাভ কৰে, যিয়ে দেখুৱায় যে সত্য আৰু ধৈৰ্যৰ জন্ম নিশ্চয়। লগতে সাধুটোৱে অহংকাৰ, কূটনীতি আৰু অন্যায়ৰ ফলেও শান্তি হয় বুলি শিক্ষা দিয়ে। এইদৰে চম্পাৱতী সাধু মানৱ জীৱনৰ নৈতিক মূল্যবোধ, সহানুভূতি আৰু ন্যায় বিচাৰৰ দিশে সমাজক আগবঢ়ায়।

'ঐ-কুঁৱৰী' গল্পটোৰ জৰিয়তে দেখা যায় যে মাতৃস্নেহৰ অৱক্ষয় সমাজত কেনদৰে ভয়ংকৰ পৰিণাম আনিব পাৰে। সাধুটোৱে শিক্ষা দিয়ে নিষ্পাপ জীৱনক বলি দিয়াটো অমানৱিক শক্তিক সহায়ত সত্যৰ বিজয় আৰু নিৰীহৰ ৰক্ষা হোৱা দেখুওৱা হৈছে। এই সাধুৰ মূল আচাৰ-নীতি হৈছে সততা, ধৰ্মনিষ্ঠা, সহানুভূতি আৰু অন্যায়ৰ বিপক্ষে নৈতিক প্ৰতিবাদ।

তেজীমলা সাধকু সৎ ছোৱালী তেজীমলাৰ ওপৰতৰ নিজৰ সৎ আচৰণ সহিষ্ণুতা আৰু সাহসৰে সকলো দুখ-কষ্ট আৰু পৰীক্ষা পৰা হোৱাৰ কথা কোৱা হৈছে। এই কাহিনীৰ জৰিয়তে সমাজত কূটনৈতিক আচৰণ ডাঙৰ— ডাঙৰীয়াৰ অত্যাচাৰ আৰু অসত্যৰ বিপক্ষে স্পষ্ট নৈতিক বিৰোধ প্ৰকাশ পাইছে।

আচলতে সাধুৰ দুঃখজনক দৃশ্যবোৰত বিষাদময়কে ধীৰ গতি সংগীত ব্যৱহাৰ কৰি তেজীমলাৰ সহনশীলতা আৰু ত্যাগৰ গভীৰতা প্ৰকাশ কৰা হৈছিল।

**৩.৬ লোকগীত আৰু লোকভাষাৰ প্ৰয়োগ ঃ**

চম্পাৱতী সাধু আৰু অংশত সুমধুৰ বিষাদময় আৰু ধীৰ গতিত সংগীত ব্যৱহাৰ কৰা হৈছে, যিয়ে সাধুটোৰ দুষ্ট ন্যায় বিচাৰৰ আকাংক্ষাৰ আৰু নাৰী জীৱনৰ সংঘাত দৃঢ় কৰি তোলে।

পটভূমিত বাজি থকা বেজ, বাঁহী বা বীণাসদৃশ নৰম বাদ্যযন্ত্ৰ শব্দই এক গম্ভীৰ আৰু বিষাদময় পৰিৱেশৰ সৃষ্টি কৰে।

চম্পাৱতী দুখ-যন্ত্ৰণাৰ দৃশ্যত ব্যাকুল সুৰে আৰু শান্ত সংগীত দৰ্শকৰ মনত সহানুভূতিৰ উদ্ৰেক ঘটায়। সাধুত গীতৰ উপস্থিতি কম থাকিলেও শব্দ আৰু সংগীতত জড়িত লোক-সাংস্কৃতিক আৰু মানসিক বায়ুমণ্ডল প্ৰগাঢ় হয়। নদী, বতাহ নীৰৱতা বেজ বা আলৌকিক শব্দৰ ব্যৱহাৰ এক গম্ভীৰ অলৌকিক আৰু নাটকীয় পৰিৱেশ সৃষ্টি কৰে।

তেজীমলা বলি দিয়া বা শাস্তি ভোগ কৰা দৃশ্যত শব্দৰ নিস্তব্ধতা বা গৰ্জনসদৃশ সংঘাতে দৰ্শকৰ মানসিক চাঞ্চল্য বৃদ্ধি পায়।

'ঐ-কুঁৱৰী' সাধু অংশত সংগীত আৰু শব্দৰ জৰিয়তে এক আলৌকিক আতংকৰ আৰু বিষাদময় বায়ুমণ্ডল গঢ়ি তোলা হৈছে। কুঁৱৰীক বলি দিয়াৰ পূৰ্বে ধীৰ গম্ভীৰ আৰু ভয় লগোৱা বাদ্যযন্ত্ৰৰ সুৰ ব্যৱহাৰ কৰা হৈছে, যিয়ে দৃশ্যটোৰ নৈতিক গম্ভীৰতা বাঢ়ি তোলে। কেতবোৰ দৃশ্যতো পৰিৱেশৰ স্বাভাৱিক শব্দ-বতাহ, জুই, পখিলা বা নদীৰ শব্দ-ব্যৱহাৰ আলৌকিতা আৰু নিস্তব্ধতা প্ৰকাশ পাইছে। ছবিখনত মাহীমাকে তেজীমলাক ঢেঁকীৰে খুন্দা মাহীমাকে থেকেচি থেকেচি তেজীমলাক কেৰেলুৱা খুৱাই দিয়াৰ দৃশ্যটোৰ পৰা পৰম্পৰাগত আচাৰ-নীতিবোৰ প্ৰতিফলন স্পষ্টৰূপে দেখা যায়। তেজীমলাই নিজৰ সতীয়া মাকৰ অত্যাচাৰ, লাঞ্ছনা আৰু অবিচাৰ নীৰৱতাৰে সহ্য কৰে। সেয়া অসমীয়া সমাজত সহিষ্ণুতা আৰু ধৈৰ্যৰ মূল্যবোধৰ প্ৰতীক ঐ-কুঁৱৰীৰ মাতৃয়ে জন্মহীন হৈ থাকোতে কৃত্ৰিমনতাৰে স্নেহ দেখুৱাইছিল, কিন্তু যেতিয়া কুঁৱৰী জন্ম হয়, তেতিয়া তেৱেঁ সন্তানক বলি দিয়াৰ সিদ্ধান্ত জন্ম দিয়াৰ অৰ্থ হয়তো এয়া নহয় যে সকলো মাকেই আদৰ্শৱান হ'ব।

ঐ-কুঁৱৰী সম্পূৰ্ণ নিৰ্দোষ। মাতৃয়ে কেৱল আত্মস্বাৰ্থৰ বাবে তেওঁক বলি দিয়াৰ সিদ্ধান্ত লয়। এইটো অসমীয়া সমাজত পাপ আৰু নিষ্পাপৰ মাজত স্পষ্ট প্ৰভেদ দেখা যায়। এই সাধুটোত ইষ্ট-দেৱতা, পূজা-পাঠ আৰু কল্পিত অলৌকিক শক্তিৰ উপস্থিতি দেখা যায়। ই দেখুৱাই যে সমাজত পাপ আৰু নিষ্পাপৰ মাজত স্পষ্ট প্ৰভেদ দেখা বিশ্বাস আৰু আত্মিক শক্তিৰ ওপৰত গভীৰ আস্থা আছে। সাধুটোত কুঁৱৰীক বলি দিবলৈ চেষ্টা কৰা সত্ত্বেও অলৌকিক শক্তিয়ে তেওঁক ৰক্ষা কৰে।

এই সাধুটোৰ জৰিয়তে এটা সমালোচনাও কৰা হৈছে যে পুৰণি সমাজত কিছুমান অন্ধবিশ্বাসৰ ফলত নিজ সন্তানকো



বলি দিয়াৰ বাবে আনৰ অনুমোদন ল'বলগা হৈছিল। এই সকলোবোৰ আচাৰ-নীতিৰ প্ৰভাৱ ঔ-কুঁৱৰী সাধুটোত দেখা পোৱা যায়। তাৰৈকৰ সাধু অসমীয়া লোক-সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ অংশ য'ত দেউতা আৰু ছোৱালীৰ সম্পৰ্কৰ জৰিয়তে গভীৰ আচাৰ-নীতি প্ৰদৰ্শন কৰা হৈছে। এই সাধুৰ জৰিয়তে সহানুভূতি, মৰম, আত্মত্যাগ, ন্যায় বিচাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে এটা স্পষ্ট সামাজিক শিক্ষা দিয়া হৈছে। সাধুটোৰ মূল আচাৰ-নীতি হৈছে যে সন্তানৰ প্ৰতি অভিভাৱকৰ দায়িত্ব মাঁৈ শাৰীৰিক পৰিচৰ্যাত সীমাবদ্ধ নহয় ভালপোৱাৰ সঁচা মৰম আৰু আত্মিক সম্প্ৰীতিও ইমানেই প্ৰয়োজনীয়। লগতে সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ বাবে কিমান নিৰীহ জীৱন বলি হোৱা দেখা যায় আৰু সেইবোৰ প্ৰথাৰ বিৰুদ্ধে মানসিকতা আৰু যুক্তিবাদৰ প্ৰয়োজন বোধ কৰা হয়। সাধুটোৱে লোকক সততা নৈতিকতা, সহিষ্ণু আৰু দয়ালু হোৱাৰ শিক্ষা দিয়ে।

এইদৰে তাৰৈয়েকৰ সাধুত আচাৰ-নীতিবোৰ মানুহৰ চিন্তাধাৰা আৰু সমাজৰ নৈতিক গঠন গঢ়ি তোলাত উল্লেখযোগ্য ভূমিকা আছে।

**৩.৫ পৰম্পৰাগত খাদ্যাভ্যাস ঃ**

'কথানদী' চলচ্চিত্ৰ এখনত পৰম্পৰাগত অসমীয়া খাদ্যভাসৰ বহু সূক্ষ্ম অথচ জটিল দিশ উপস্থাপন কৰা হৈছে। কথানদী চলচ্চিত্ৰত অন্তৰ্ভুক্ত চাৰিটা সাধাকথা চম্পাৱতী, তেজীমলা, ঔ-কুঁৱৰী আৰু তাৰৈৰ সাধুত অসমীয়া পৰম্পৰাগত খাদ্যভ্যাগ কিছু দেখা যায়।

তাৰৈয়েকৰ সাধুত অসমীয়া সমাজৰ পৰম্পৰাগত খাদ্যাভ্যাসৰ প্ৰতিফলন দেখা যায়। সাধুটোৰ পটভূমি গাঁওঘৰীয়া জীৱনৰে জড়িত হোৱাই খোৱা-বোৱাৰ দিশতো সাধাৰণ মানুহৰ দৈনন্দিন অভ্যাসৰ ছবি আঁকে। সাধুত স্পষ্টকৈ খাদ্যৰ কিছু বিৱৰণ নাথাকিলে ও লোক-সাহিত্যৰ সাধাৰণ ধাৰণাৰ পৰা অনুমান কৰিব পাৰি যে সাধুটোৰ পৰিসৰত ভাত, দাইল, সেউজীয়া ভাজি, টেঙা জাতীয় খাদ্য তথা ফলমূল আদিৰ কথা ধৰা যায়। তাৰৈয়েকৰ বা দেউতা বিদ্যাৰ সাধাৰণ জীৱনত চিধা-সৰল খাদ্যৰ প্ৰাধান্য আছিল, যিয়ে অসমীয়া গ্ৰাম্য সমাজৰ সাধাৰণ জীৱনত চিধা-সৰল খাদ্যৰ প্ৰধান্য আছিল, যিয়ে অসমীয়া খাদ্য সমাজৰ সাধাৰণ খাদ্য সংস্কৃতিক প্ৰতিনিধিত্ব কৰে। তদুপৰি সাধুটোৰ সৈতে জড়িত বলি প্ৰথাৰ উল্লেখৰ জৰিয়তে দেখা যায় পূজাৰ সময়ত বিশেষ আহাৰ, যেনে প্ৰসাৰ বা নৈবেদ্য প্ৰচলিত আছিল। এইবোৰ অসমীয়া লোকক ধৰ্মীয় আচাৰৰ অংশ হিচাপে খাদ্যৰ এক বিশেষ স্থান দেখুৱায়।

সেইদৰে তাৰৈয়েকৰ সাধুত খাদ্যভ্যাস এক পৰিচয় পৰম্পৰাগত গীতৰ সুললিত সুৰৰে কুঁৱৰীৰ নিষ্পাপ মন ত্যাগ আৰু প্ৰাৰ্থনা জনোৱা দৃশ্যবোৰে সহানুভূতি আৰু আঘাত দুয়ো একেলগে সৃষ্টি হয়।

তাৰৈয়েকৰ সাধু অংশত সংগীত আৰু শব্দৰ ব্যৱহাৰ দেউতাৰ গভীৰ চৰম দুখ আৰু বিচ্ছেদৰ আৱেগৰ বহিঃপ্ৰকাশ ঘটায়।

সাধুত সহানুভূতি আৰু ত্যাগৰ দৃশ্যত কোমল আৰু বিষাদময় বাদ্যযন্ত্ৰৰ সুৰ বাজে, যিয়ে দৰ্শকৰ মনত আৱেগ সজাই তোলে।

গীতৰ সুললিত সুৰেৰে সাধুটোৱে নিঃস্বৰূপ মাতৃক খুজি ফুৰা দেউতাকৰ ব্যাকুলতা আদি মানসিক অৱস্থাবোৰ গভীৰভাৱে প্ৰকাশ পায়।

**৪.১ সামৰণি ঃ**

'কথানদী' অসমৰ এগৰাকী বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা ভাস্কৰ হাজৰিকাৰ পৰিচালনাত নিৰ্মিত এক সাহিত্যভিত্তিক কল্পচিত্ৰ, যি অসমীয়া লোক-সাহিত্যত থকা নানা সাধু আৰু লোকবিশ্বাসৰ আধাৰত নিৰ্মিত। এই চলচ্চিত্ৰ তেজীমলা, চম্পাৱতী, তাৰৈয়েক, ঔ-কুঁৱৰী আদিৰ দৰে সাধুসকলক আধুনিক চিত্ৰভাষাৰে দৰ্শকক আগবঢ়োৱা হৈছে।

প্ৰজেক্টটোৰ জৰিয়তে আমি চলচ্চিত্ৰখনত থকা লোক-সংস্কৃতিৰ সমল নৈকি শিক্ষা, ধৰ্মীয় বিশ্বাস, গীত সংগীতৰ ব্যৱহাৰ আৰু আচাৰ নীতিৰ অধ্যয়ন কৰি এক ব্যতিক্ৰম ধাৰাৰ শিল্পকলা লগত পৰিচয় হৈছে।

ভ্রমণকথা

# কৰেল দ্বীপৰ পৰা বৌদ্ধ পাহাৰলৈ

ড° নৱমল্লিকা

পূর্ণকান্ত বুঢ়াগোহাঞিদেৱৰ ভ্রমণ কাহিনী ‘পাটকাইৰ সিপাৰে ন বছৰ’ পঢ়োতে কিছু আভাস পাইছিলো ঠাইখনৰ বিষয়ে। থাইলেণ্ডৰ সভ্যতা-সংস্কৃতি চীন আৰু ভাৰতবর্ষৰ দ্বাৰা প্রভাৱিত হ’লেও থাইবাসীৰ ভাষা-সভ্যতা-সংস্কৃতিৰো এক সুকীয়া বৈশিষ্ট্য আছে। উল্লেখযোগ্য যে থাইলেণ্ডৰ আটাইকেইখন চুবুৰীয়া দেশ ম্যানমাৰ, লাওছ, কম্বোডিয়া, মালয়েছিয়া, ইণ্ডোনেছিয়া আদি ঔপনিৱেশিক শাসনৰ অধীনত আছিল যদিও চিয়াম (Siam) দেশখনক আজিকোপতি সাম্রাজ্যবাদী শক্তিয়ে গ্রাস কৰিব পৰা নাই। ইয়াৰ পৰাই দেশখনৰ গৌৰৱোজ্জ্বল ইতিহাসৰ উমান পোৱা যায়।

যি কি নহওক বহু অপেক্ষাৰ অন্তত ২০২৩ চনৰ ১ ফেব্রুৱাৰীত কলিকতাৰ নেতাজী সুভাষ চন্দ্র বসু আন্তর্জাতিক বিমানবন্দৰৰ পৰা ৰাওনা হ’লো ডন মুয়েং আন্তর্জাতিক বিমানবন্দৰ (Don Mueang International Airport) অভিমুখে। উদ্দেশ্য পাট্টায়া আৰু বেংককৰ কিছু স্থান দর্শন কৰা। কলকাতাৰ পৰা প্রায় দুঘণ্টা বিমান যাত্রাৰ অন্তত আমি অৱতৰণ কৰিলো দক্ষিণ-পূব এছিয়াৰ এই ব্যস্ত বন্দৰটোত, য’ত যাত্রীৰ বাবে সকলো দৰকাৰী সুবিধাই উপলব্ধ। অত্যাধুনিক কাৰিকৰী কৌশলেৰে সুসজ্জিত লগতে খুবেই পৰিষ্কাৰ-পৰিচ্ছন্ন বিমান বন্দৰটোৱে যিকোনো পর্যটকক প্রথম দৃষ্টিতেই মুগ্ধ কৰিব। ইমিগ্রেচন প্রক্রিয়া সম্পন্ন কৰি আমি অগ্রসৰ হ’লো পাট্টায়া অভিমুখে। ইতিমধ্যে সুনিশ্চিত কৰি ৰখা ‘দা গ্রাছ ছার্ভিচ ছুইট’ নামৰ হোটেলখনলৈ বিমানবন্দৰৰ পৰা দূৰত্ব প্রায় ১২৫ কিলোমিটাৰ। স্থানীয় বাছতে যোৱাৰ সিদ্ধান্ত হ’ল। প্রায় ২ ঘণ্টামান সময়ৰ

পিচত আমি পাট্টায়া পালোগৈ। গুৱাহাটী, কলকাতা আৰু পাট্টায়ালৈ এই নিৰৱচ্ছিন্ন দীঘলীয়া যাত্ৰাৰ ক্লান্তি হোটেলৰ 'Home like comfort'এ বহুখিনি ম্লান কৰিলে।

হোটেলত অলপ ফ্ৰেছ হৈ বাহিৰলৈ ওলাই আহিলো। হোটেলৰ চাৰিওফালে বিলাসী ৰেস্তোঁৰা, সুবিশাল অট্টালিকা, কফি হাউছ, ফুটব্ৰিজৰ কাষে কাষে থকা সৰু-ডাঙৰ বিপণীবোৰ দেখি ভাব হ'ল চহৰখন যেন পৰ্যটকৰ বাবে গঢ়ি তুলিছে। কিছুদূৰ খোজকাঢ়ি গৈ আমি এখন ভাৰতীয় ৰেস্তোঁৰাত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ। হোটেলখনৰ গৰাকী ৰাজ ধিংৰা ডাঙৰীয়া যথেষ্ট বন্ধুত্বসুলভ আৰু আমাৰ লগত খুবেই আন্তৰিকতাৰে কথা-বার্তা পাতিলে লগতে পিছদিনাৰ বাবে এগৰাকী টুৰিষ্ট গাইডৰ ব্যৱস্থাও কৰি দিলে। হোটেলত কিছু জিৰণি লৈ মোৰ বাকেট লিষ্ট অনুসৰি, বল্ট এপৰ সহায়ত (আমাৰ ওলা বা উবেৰ সদৃশ সেৱা) এখন গাড়ী লৈ 'Khao Pattaya View Point'লৈ ৰাওনা হ'লোঁ। গাড়ীত গৈ থাকোঁতে চহৰখন যেন আৰু অলপ ওচৰৰ পৰা দেখিলোঁ। নিয়ন লাইটৰ পোহৰত পথৰ কাষৰীয়া বিপণীবোৰ, বিভিন্ন ঠাইত দেখা পোৱা বৌদ্ধৰ স্বৰ্ণমঠবোৰ জকমকাই উঠিছে। কিছু বাণিজ্যিক প্ৰতিষ্ঠানৰ দুৱাৰডলিত সৰস্বতীসদৃশ মূৰ্তি তামোল-পাণৰ শৰাইৰ সৈতে দেখা পালোঁ। অৱশ্যে আন ঠাইত তামোল-পাণৰ প্ৰচলন দৃষ্টিগোচৰ নহ'ল। পিছে ইমানবোৰ ব্যস্ততাৰ মাজতো চহৰখন শান্ত আৰু সুপৰিকল্পিত।



খাও ফ্ৰা টামনাক (Khao Phra Tamnak Hill) / প্ৰত্যুমনাক (Pratumnak) পাহাৰত অৱস্থিত Pattaya View Pointলৈ গৈ পাওঁতে প্ৰায় ৪৫ মিনিট মানেই লাগিল। 'Khao Pattaya View Point'ক পৰ্যটকসকলে পাট্টায়া পোষ্টকার্ড ভিউ বুলি কয়। ইয়াৰ পৰাই উপভোগ কৰিব পাৰি পাট্টায়াৰ চহৰৰ সংক্ষিপ্ত ৰূপটো, প্ৰত্যুমনাক (Pratumnak) পাহাৰৰ পৰা চহৰখন দেখা নানা ৰঙী পোহৰৰ সৈতে এজাক উৰি ফুৰা জোনাকী পৰুৱাহেন লগা হৈছে আৰু সমুদ্ৰ তীৰৰ ৰূপোৰালী বালিত ৰৈ থকা নাওবোৰ দেখাত কেনভাচত অংকন কৰা যেন এখন ধুনীয়া ছবি। 'Pattaya View Point'ৰ কাষতে আছে Wat Phra Yai অর্থাৎ বৃহৎ বৌদ্ধ মন্দিৰ। ৰাতি হোৱাৰ বাবেই আমি এয়া আন এদিনৰ বাবে ৰাখিলো আৰু হোটেললৈ আহি থাকোঁতে কিছু সময় পাট্টায়াৰ জনপ্ৰিয় Walking Streetৰ নৈশ জীৱনশৈলী স্বচক্ষে দৰ্শন কৰাৰ সিদ্ধান্ত ল'লোঁ।

তেতিয়া ৰাতি ৮ বাজিল, পিছে এয়া হেনো Walking Street প্ৰাণ পোৱাৰ সঠিক সময়। Walking Streetত ৰাতি যান-বাহনৰ প্ৰৱেশ নিষিদ্ধ। পৰিৱেশটো ভাবিবলৈ কঠিন এই ঠাইখন এসময়ত মৎস্য ব্যৱসায়ৰ কেন্দ্ৰ আছিল। নাইট ক্লাববোৰৰ পৰা ভাঁহি অহা গীতত ছন্দময় হৈ থকা পথেদি আগবাঢ়ি গৈ থাকোতে দেখা পালোঁ Muay Thai Boxing প্ৰতিযোগিতা আৰু লগতে থাই মালিচৰ বাবে কৰ্মৰত থাই

উপলব্ধ হয়। অত্যাধুনিক হাউছ বোট, বিলাসী ক্রুইজবোৰে ঠাইখন ভৰি আছে। ৰূপোৱালী বলুকাৰে আবৃত তীৰবোৰত আত্মমগ্ন হৈ থকা দেশী-বিদেশী পৰ্যটকবোৰে আৰু দূৰ দিগন্ত বিয়পি আকাশৰ নীলাৰ লগত একাত্ম হৈ থকা সাগৰখনে ঠাইখন প্ৰাণোচ্ছল কৰি ৰাখিছে। মোৰ পিছে সাগৰ দেখাৰ এয়াই প্ৰথম অভিজ্ঞতা।

আমাৰ দলটোৱে বিশেষ এখন ক্রুইজত যাত্রা আৰম্ভ কৰিলে। সমুদ্রৰ সজীৱ বতাহজাকৰ সৈতে, সাগৰৰ নীলা পানীৰ স্নিগ্ধতাৰ মাজত আৰু চহৰৰ কোলাহলৰ পৰা আমি তেতিয়া বহু দূৰত। আমাৰ সৈতে থকা ভাৰতীয় মূলৰ গাইডজনে জলক্রিয়াসমূহৰ বিষয়ে বিস্তৃত বৰ্ণনা কৰিলে। প্রতিটো জলক্রিয়াৰ মূল্য ২৫০-২,৫০০ ভাটপৰ্যন্ত। কৰেল দ্বীপ পো�ৱাৰ লগে লগে আমাৰ ৫ জনীয়া দলটোক ৩ জন অভিজ্ঞ প্রশিক্ষকে সংগ দিলে। তেওঁলোকে অভিযানৰ সময়ত ব্যৱহাৰ হ'বলগীয়া সুৰক্ষাজনিত নির্দেশ আৰু সাংকেতিক চিহ্নবোৰ স্পষ্টভাৱে বুজাই দিলে। ময়ো বুকুত বহুত ভয় শংকা লৈ Sea Trek Helmet পৰিধান কৰি সমুদ্রতলিৰ অটল গহ্বৰত প্রৱেশ কৰিলো। প্রথম অৱস্থাত হেলমেটটোৰ ওজনে মোক সমস্যাত পেলালে, কিন্তু পানীৰ তললৈ নামি যোৱাৰ লগে লগে সেয়া আৰু অনুভৱ নহ'ল। গভীৰতালৈ গৈ থকাৰ লগে লগে দেখা পালো নানা ৰঙী সাগৰীয় মাছবোৰ, সেউজীয়া ঘাঁহবোৰ, ভিন্ন প্রজাতিৰ কৰেলবোৰৰ সৈতে ৰহস্যময় এখন জগত, যেন প্রকৃতিয়ে নিজ হাতেৰে গঢ়া এখন নন্দনবন। Corel অর্থাৎ প্রবাল, পোৱালমণিৰ ৰহস্যময় জগতখন হাতেৰে চুই চোৱাৰ দুর্বাৰ আশা পূর্ণ হ'ল, এয়াও মন ভৰি যোৱা অনন্য শিহৰণকাৰী অভিজ্ঞতা।

টুৰিষ্ট দলটোৰ সৈতে দুপৰীয়াৰ আহাৰ গ্রহণ কৰি হোটেললৈ ঘূৰি আহিলোঁ আৰু কিছু জিৰণি লৈ প্রায় ৪ বজাত Tiger পার্কলৈ বুলি গাড়ী ভাড়া কৰিলোঁ। Tiger পার্ক থাইলেণ্ডৰ পাট্টায়াৰ ওচৰৰ চানবুৰি (Chonburi) জিলাৰ সুখুম্ভিত (Sukhumvit) ৰোডত অৱস্থিত আৰু The Grass Serviced Suite হোটেলৰ পৰা প্রায় ৫.৮ কিলোমিটাৰ নিলগত। প্রৱেশদ্বাৰতে বিভিন্ন বাঘ-বাঘিনী পৰিদর্শন কৰাৰ মূল্য নির্ধাৰণ কৰি থোৱা আছে। আমি দুগৰাকী মধ্য বয়সীয়া বাঘিনীৰ লগত 'Close encounter' কৰাৰ বাবে টিকট সংগ্রহ কৰিলো। গৈ পাই দেখিলো সমগ্র পৰিৱেশটো অভিজ্ঞ পৰিচালকৰ দ্বাৰা সুনিয়ন্ত্রিত, আৰম্ভণিতে আমাক বনৰজাৰ চকুলৈ নাচাবলৈ সকীয়াই দিলে। 'বাঘৰ নেগুৰে কাণ খজুৱাই', কিছু সময় অন্তত আমিও প্রস্থান পথেদি আগবাঢ়িলোঁ। দুজন কর্মচাৰীয়ে বন ৰজাৰ লগত তোলা আলোকচিত্রসমূহ এটা Pendriveত লগতে দুখন বিশেষ ফটো ফ্রেমৰ সৈতে দি পঠালে।

প্রথম অৱস্থাত হেলমেটটোৰ ওজনে মোক সমস্যাত পেলালে, কিন্তু পানীৰ তললৈ নামি যোৱাৰ লগে লগে সেয়া আৰু অনুভৱ নহ'ল। গভীৰতালৈ গৈ থকাৰ লগে লগে দেখা পালো নানা ৰঙী সাগৰীয় মাছবোৰ, সেউজীয়া ঘাঁহবোৰ, ভিন্ন প্রজাতিৰ কৰেলবোৰৰ সৈতে ৰহস্যময় এখন জগত, যেন প্রকৃতিয়ে নিজ হাতেৰে গঢ়া এখন নন্দনবন।

হাতত কিছু সময় থকা বাবে ওচৰতে থকা জমটিনৰ তীৰ (Jomtien Beach)তো এভুমুকি মাৰি আহিলো। নিয়ন লাইটৰ তলত সাগৰীয়া উপকূলটো, ৰূপোৱালী বলুকাত আত্মহাৰা হৈ থকা বিদেশী পৰ্যটকবোৰ শাৰী শাৰী নাৰিকল গছবোৰে পৰিৱেশতো মায়াময় কৰি তুলিছে। এনেকৈয়ে পাট্টায়াত আমাৰ দুটা দিন সম্পন্ন হ'ল। পাট্টায়াৰ নৈশ জীৱন, সমুদ্ৰৰ উৰ্মিমালাবোৰ উপভোগ কৰাৰ অন্তত পাট্টায়া চহৰৰ শেষৰ দিনটোত মোৰ বাকেট লিষ্ট অনুসৰি ফুৰিবৰ বাবে বাছি ল'লো দুখন ঠাই, Khao Chi Chan অথবা বুদ্ধ পাহাৰ আৰু Wat Phra Yai।

পূব থাইলেণ্ডৰ পাট্টায়াৰ দক্ষিণ প্ৰান্তত অৱস্থিত Khao Chi Chan হ'ল পাহাৰৰ শিলৰ ওপৰত লেজাৰৰ দ্বাৰা সোণালী ফলকৰে খোদিত বৌদ্ধৰ প্ৰতিচ্ছবি। সুখোথাই (Sukhothai) শৈলীৰে নিৰ্মিত পদুম পাতৰ ওপৰত বিৰাজমান ধ্যানৰত প্ৰতিচ্ছবিখনে 'Na Chem Thiam' চহৰখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। ১০৯ মিটাৰ উচ্চতা আৰু ৭০ মিটাৰ বহল এই চিত্ৰখন বিশ্বৰ সৰ্ববৃহৎ লেজাৰ খোদিত প্ৰতিচ্ছবি। ছবিখন লেজাৰ দ্বাৰা খোদিত কৰাৰ আগত কম্পিউটাৰ গ্ৰাফিক্সৰ সহায়ত অংকণ কৰা হৈছিল আৰু পিছত ২৪ কেৰেট স্বৰ্ণপাতেৰে পৰিপূৰ্ণ কৰা হয়। এই পৰ্যটনস্থলী আমি থকা হোটেলৰ পৰা ২০ কিলোমিটাৰ দূৰত্বত অৱস্থিত। এই বিশালাকায় প্ৰতিচ্ছবিখন উপভোগ কৰিবলৈ এডোখৰ বিশাল প্ৰাংগণ আছে আৰু নাতিদূৰত আছে টেলিস্কোপেদি চোৱাৰ সুবিধা। Khao Chi Chanৰ চালে চকুৰোৱা বৌদ্ধ চিত্ৰখন থাইবাসীসকলৰ ধৰ্মীয় আস্থা, বিশ্বাস, ৰুচিবোধ লগতে ৰাজকীয় আভিজাত্যক প্ৰতিফলিত কৰিছে। প্ৰায় ২ ঘণ্টা সময় তাত অতিবাহিত কৰি বাহিৰে বাহিৰে আমি ৰাওনা হ'লো Wat Phra Yaiলৈ।

Patumuk পাহাৰত থকা ১৮ মিটাৰ ওখ সুবিশাল বৌদ্ধৰ মূৰ্তিটোৰ দিশে ধাৱমান হওঁতে আমি পালো এখন দুইমুখ সপ্তনাগ আৰ্হিত নিৰ্মিত সুদীৰ্ঘ চিৰি। কেইবাটাও ষ্টেপ বগাই আমি পালোগৈ দৃষ্টি নন্দন Wat Phra Yai। Wat Phra Yaiৰ বৃহৎ প্ৰাংগণ আগুৰি আছে বৌদ্ধৰ অন্যান্য ৰূপৰ ৭টা তুলনামূলকভাৱে সৰু বিগ্ৰহ যিয়ে প্ৰতিনিধিত্ব কৰে সপ্তাহৰ ৭টা দিন। লোকবিশ্বাস অনুসৰি আমাৰ জন্মদিন অনুসৰি নিৰ্দিষ্ট কৰি থোৱা বিগ্ৰহটোত উপাসনা কৰিলে বিশেষ আশীৰ্বাদ লাভ কৰা হয়। পূজাস্থলীৰ এটা কোণত কিছুমান সৰু সৰু সোণালী (Thong Khum Pleaw)ৰ ৰূপালী পাত (Ngern Pleaw) দেখিলো, তাত হেনো ভক্তসকলে নিজৰ মনোবাঞ্ছা লিখি বিগ্ৰহটোত অৰ্পণ কৰে। আমি এখিলা ৰূপালী পাতত নেদেখা জনলৈ বাৰ্তা দিলো। তেনে এজন বৌদ্ধ ভিক্ষুয়ে মোৰ হাতত এখন Pha Yant দিলে। Pha Yant হৈছে এখন সুৰক্ষা কৱচ, বস্ত্ৰখনিত Thoa Wasseuwan দেৱতাৰ চিত্ৰসহ থাই ভাষাত লিখা আছে সুখ আৰু শান্তিৰ পবিত্ৰ মন্ত্ৰ, যাক সৌভাগ্য আৰু সুৰক্ষাৰ আৱৰণ হিচাপে মান্য কৰা হয়। বৌদ্ধ শ্ৰোত, ভিক্ষুসকলৰ ধ্যান, পূজা-অৰ্চনাৰ মাজেৰে এক শান্ত নিৰিবিলি আধ্যাত্মিক পৰিৱেশৰ অনুভূতি লৈ হোটেললৈ ঘূৰি আহিলো।

আমি হোটেললৈ আহি যাৱতীয় আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি লগতে ৰাজ ধিংৰা ডাঙৰীয়াক ধন্যবাদ জনাই পাট্টায়া এৰিলোঁ। বাছেৰে যাত্ৰা কৰি ৩ ঘণ্টাৰ অন্তত আমি বেংককত উপস্থিত হ'লোঁ। পাট্টায়তকৈ অলপ ব্যতিক্ৰমী এখন চহৰ, কিছু বেছি ব্যস্ত, কিছু বেছি কোলাহল। আমাৰ পিচে বেংককত বজাৰ কৰাৰ বাহিৰে আৰু বিশেষ ফুৰা নহ'ল। বেংককত এৰাতি থাকি পিছদিনা পুৱাতে Doong Mouang Airportলৈ বুলি ওলালোঁ। যাওঁতে গাড়ীচালকজনৰ লগত বিভিন্ন কথা পাতি গ'লোঁ। থাই বৰ্ণমালাৰ উৎপত্তি হেনো দক্ষিণ ভাৰতৰ ভাষাৰ পৰা হ'লেও তেওঁলোকৰ ভাষাৰ এক বিশেষ সৌন্দৰ্য আছে। তেওঁলোকে নিজৰ ভাষাটো কৈ যথেষ্ট ভাল পায় আৰু প্ৰায় সকলো ঠাইতে মাতৃভাষাই প্ৰাধান্য পায়। পথৰ দুয়োপাৰে হালধীয়া ফুলবোৰ, গগণচুম্বী অট্টালিকাবোৰ, সুদীৰ্ঘ উৰণীয়া সেতুবোৰ পাৰ হৈ হৈ Pha Doong Muang বিমান বন্দৰ পালোঁহি। গাড়ীচালকজনক 'Kap Khun Kha' জনালোঁ। পাৰ কৰি অহা দিনকেইটাৰ কথা ভাবি মনটো প্ৰশান্তিৰে ভৰি পৰিল। Pha Yantখন বুকুত সাবটি আকাশী যানেৰে, উৰণীয়া মনেৰে অজস্ৰ ৰোমাঞ্চকৰ স্মৃতি লৈ ঘৰলৈ বুলি উৰা মাৰিলোঁ।






# NSS NIC Camp (Hisar)ৰ

## ভ্ৰমণ অনুভৱ

**অসীম বুঢ়াগোহাঁই**

NIC Camp এটাত যোগদান কৰাৰ হেঁপাহ বুকুত বান্ধি ৰাখিছিলোঁ। সেই হেঁপাহ এদিন পূৰণ হ'ব বুলি মই ভবা নাছিলোঁ। মনৰ আশা থাকিলে সকলো সপোন পূৰণ হয় এই কথাষাৰ একেবাৰেই সঁচা। মনত পুহি ৰখা সেই হেঁপাহৰ দিনটো আছিল ৫ মার্চ। বহু আশা লৈ সেই বাছনি প্ৰক্ৰিয়াৰ বাবে সাজু হৈ গৈছিলো। কিন্তু হঠাৎ গ্ৰুপত মেছেজ আহিল বিশেষ অসুবিধাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ দলটোৱে নতুন দিল্লীত অনুষ্ঠিত হ'বলগা NIC Campত যোগদান নিদিয়ে। সেই কথা শুনি মই হতাশ হৈ পৰিছিলোঁ। ওৰে নিশাটো শুৱ পৰা নাছিলোঁ। কিমান যে অনুশীলন কৰিছিলোঁ বাছনি প্ৰক্ৰিয়াৰ বাবে। সকলো শেষ হৈ যোৱা যেন লাগিল। ২ মান বজাত ঘৰলৈ আহিলোঁ। অলপ সময় পিচত ম'বাইলটো চাওঁতে দেখিলো যে আমাৰ মহাবিদ্যালয়ৰ পৰাই ১৯ জন স্বেচ্ছাসেৱকে উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰি NIC কেম্পত যোগদান কৰিব। লগে লগে বাছনি প্ৰক্ৰিয়াৰ বাবে মহাবিদ্যালয়লৈ গ'লোঁ, বাছনি প্ৰক্ৰিয়া ভালে ভালে গ'ল। এতিয়া আৰু কোনে পায়। মুঠ ১১ জন ছাত্ৰ-ছাত্ৰী আমি তাৰ পিছ দিনাখনৰ পৰাই আমি দিল্লীত অনুষ্ঠিত হ'বলগা NIC Campলৈ যাবলৈ সাজু হ'লোঁ। সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমি এটি জনগোষ্ঠীয় দলীয় নৃত্য, বিহু, বৰগীতকে ধৰি অসমখনক দিল্লীলৈ লৈ যাবলৈ সাজু হ'লোঁ।

অৱশেষত সেই দিনটো আহিল। মার্চ মাহৰ ১৮ তাৰিখ। ওৰে নিশা টোপনি যাব পৰা নাছিলো। বেগটোত সকলো বস্তু ভৰালোঁ নে নাই, বেগকেইটা কোনটো ষ্টাইলত লৈ যাম

আৰু যে কত কি ভাবনা। পুৱা তিনিমান বজাত উঠি প্ৰায় পাঁচমান বজাত মহাবিদ্যালয়লৈ বুলি ওলালোঁ। বেগ তিনিটা। ডাঙৰ বেগটোত মাত্ৰ কাপোৰ, পিঠিৰ বেগত তিনি দিনৰ বাবে চানা-ৰুটীৰ পৰা আদি কৰি খোৱাবস্তু আৰু কঁকালত এটা সৰু বেগ। ৭ মান বজাত আমি মহাবিদ্যালয়ৰ পৰা ওলালোঁ। ট্ৰেইন আছিল প্ৰায় ১১ মান বজাত। প্ৰথমবাৰ ইমান দূৰ ট্ৰেইনত যাত্ৰা কৰিম। আনন্দৰ লগতে ভয়ো অলপ আছে। অৱশেষত তিনিচুকীয়া জংচনত ট্ৰেইনত উঠিলো। তেতিয়া মোৰ সপোন সপোন যেন লাগিছিল। বহু আনন্দ ফূৰ্তি কৰি বিহু গাই ঢোল বজাই, হৰিনাম গাই, লুডু খেলি সকলোৱে যাত্ৰাৰ আনন্দ লৈ গৈ আছোঁ। বিহাৰৰ পথাৰৰ মাজে মাজে ট্ৰেইনখনে ঝক্‌ঝক্ শব্দ কৰি গৈ আছে। চাৰিওফালে মাত্ৰ গোমধান আৰু ঘেঁহু। বিহাৰৰ মানুহবোৰে ইমান যে অধিক পৰিমাণে খেতি কৰে। এতিয়া আহিল ট্ৰেইন যাত্ৰাৰ মূল বিষয়টো। আমি ল'ৰাকেইটাই তৃতীয় লিংগ লোকসকলক ইমানেই ভয় কৰোঁ যে তেওঁলোক আহিলেই আমি শুই যোৱাৰ অভিনয় কৰো। ওচৰৰ যাত্ৰীসকলে আমাক দেখি হাঁহি ৰখাব নোৱাৰা হৈ পৰে। এনেদৰে যাত্ৰা অব্যাহত আছে। মাজবাটত গম পালোঁ কিছু অসুবিধাৰ বাবে দিল্লীত হ'বলগা কেম্পটো হাৰিয়ানাৰ চৌধুৰী চৰণ সিং কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'ব। দিল্লীৰ পৰা আৰু ৫-৬ ঘণ্টাৰ বাট। মহাবিদ্যালয়ৰ প্ৰগ্ৰাম অফিচাৰ ডঁনকুল নেওগ ছাৰক এইখিনিতে ধন্যবাদ জ্ঞাপন কৰিবই লাগিব। ইমানবোৰ অসুবিধা সত্ত্বেও তেওঁ আমাক অকণো অসুবিধা নোহোৱাকৈ হাৰিয়ানা কৃষি বিশ্ববিদ্যালয়ত উপস্থিত কৰালে।

অৱশেষত তিনিদিন যাত্ৰা কৰাৰ পিচত সন্ধিয়া আমি বিশ্ববিদ্যালয়খনত উপস্থিত হ'লোগৈ। ইমান যে সুন্দৰ আৰু ডাঙৰ বিশ্ববিদ্যালয়। এছিয়াৰ ভিতৰতেই ডাঙৰ এখন কৃষি বিশ্ববিদ্যালয়। ডাঙৰ ডাঙৰ পথ। পথৰ চাৰিওফালে ফুলি আছে শাৰী শাৰী বগেনভেলীয়া। এটা কাল্পনিক ঠাই যেন অনুভৱ হৈছিল। ২১ তাৰিখৰ পৰা কেম্প আৰম্ভ হ'ল। আমাৰ সাজ-পোছাকবোৰৰ প্ৰতি ইমানেই তেওঁলোকৰ আগ্ৰহ দেখিলেই ভাল লাগি যায়। ভাৰত বৰ্ষৰ সকলো ঠাইৰ পৰা স্বেচ্ছাসেৱকসকলক একেলগে লগ পাই এনে লাগিল যে এখন সৰু ভাৰত। আমি তাত প্ৰদৰ্শন কৰা বিহু উপভোগ কৰি তেওঁলোকৰ ইমানেই ভাল লাগিল যে আমাৰ অনুষ্ঠানৰ বাহিৰেও আমি ৩-৪ বাৰ বিহু প্ৰদৰ্শন কৰাৰ সুবিধা পালো, তেওঁলোকৰ আগত আমাৰ সাজপাৰবোৰ চিনাকি কৰি দিয়াৰ সুবিধা পালোঁ অসমীয়া হিচাপে। আমি আমাৰ সাজপাৰবোৰত ওপৰত গৰ্ব কৰিব লাগে, কাৰণ কোনো এখন ৰাজ্যৰ ইমান ধুনীয়া সাজপাৰ তাত দেখা নাপালোঁ। ইয়াৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ খাদ্যৰ আমি সোৱাদ ল'ব পাৰিলোঁ। ইদ্‌লি, ৰাইতা আৰু যে ক'ত কি? বহুতো সমল ব্যক্তিৰ বক্তব্যৰ লগতে ভ্ৰমণ, সাংস্কৃতিক অনুষ্ঠান, নৃত্য প্ৰতিযোগিতা, Poster Making প্ৰতিযোগিতাকে ধৰি গীত, নৃত্য, আৰেগেৰে ২৬ মাৰ্চত কেম্পৰ সামৰণি পৰিল। সকলোবোৰ যেন আপোন হৈ পৰিছিল সেই ৬ দিনত। সকলোকে বিহু নচোৱাই আমি হোষ্টেললৈ বুলি যাবলৈ ওলাওঁতে প্ৰায়ভাগৰ চকুত চকুপানী। ইমানবোৰ মৰম, ভালপোৱা পাম বুলি আমিবোৰে আশা কৰা নাছিলোঁ।

২৭ তাৰিখে হাৰিয়ানাৰ পৰা ট্ৰেইনত উঠি আমি দিল্লীলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। দিল্লীৰ 'বড়ো গেষ্ট হাউছ'ত অলপ সময় জিৰণি লৈ দিল্লীখন ফুৰিবলৈ বুলি ওলাই গ'লোঁ। ইণ্ডিয়া গে'ট, লালকিল্লাকে আৰম্ভ কৰি সৰোজিনী মার্কেটলৈ বজাৰ কৰিবলৈ গ'লোঁ। সকলোৱে মৰমৰ মা-দেউতা, ভণ্টী-ভাইটিৰ বাবে মোনা ভৰাই বজাৰ কৰি প্ৰথমবাৰৰ বাবে 'মেট্ৰ'ত উঠিলো। সেই নিশা বড়ো গেষ্ট হাউছতে নিশাটো কটাই পিছদিনা পুৱাই ঘৰমুৱা যাত্ৰা আৰম্ভ হ'ল।



# জীৱন বাটৰ জীয়া স্মৃতি

খনিকা বৰগোহাঁই

আজি বতৰ ডাৱৰীয়া, কিছু সময়ৰ পিছত চাগৈ বৰষুণ দিব। অনুস্মিতাই তাইৰ ল'ৰা-ছোৱালী দুটাক পুৱাৰ আহাৰ খুৱাই স্কুললৈ পঠিয়ালে আৰু তাইৰ মানুহজনক (দীপক) বজাৰলৈ পঠিয়াইছে। ঘৰৰ কাম-বন কৰি আজৰি হৈ অনুস্মিতাই অলপ জিৰণি ল'বলৈ ৰুমলৈ সোমাই গ'ল। আজি তাইৰ মনটো স্থিৰ হৈ থকা নাই, পুৰণি কথাবোৰেই যেন বাৰে বাৰে মনলৈ আহি আছে। ৰুমটোলৈ সোমাই খিৰিকীখন অলপ খুলি দি বিছনাতে বহি পৰিল, বাহিৰত বৰষুণ দি আছে। খিৰিকীৰ কাষতে থকা শেৱালি গছজোপাৰ পৰা টুপটুপকৈ বৰষুণৰ টোপাল সৰি পৰিছে। মাজে মাজে এপাহ-দুপাহ শেৱালি ফুলৰ পাহিবোৰ সৰি সেউজীয়া ঘাঁহনি ডৰাত বগা দলিচা পাৰি দিছে। সেই সৰা শেৱালি ফুলবোৰ অনুস্মিতাৰ ছোৱালীজনীৰ বাবে যেন খুউব প্ৰিয়। স্কুলৰ পৰা আহিয়েই নাকে-মুখে ভাতকেইটা গুঁজি সৰা শেৱালিৰ ফুল বুটলিবলৈ যায় আৰু ৰাতিপুৱা উঠি মুখ ধুই আকৌ ফুলবোৰ বুটলিবলৈ যায়।

'মুখত এটি সুৰীয়া গানৰ গুণগুণনি লৈ বুটলি থকা ফুলবোৰ হাতৰ মুঠিত লৈ তাৰ গোন্ধৰ সুবাস সানি আকৌ ফুল বুটলাৰ মাদকতা যেন এক সুকীয়া অনুভৱ। সেই অনুভৱ কেৱল ফুল বুটলা মালিনীগৰাকীয়েহে বুজি পায়, তাৰ মাদকতাৰ পৰিসৰ কিমান?'

ছোৱালীজনীয়ে সৰা ফুলবোৰ বুটলি থকা দেখিলে অনুস্মিতাই কোনোদিন তাইক বাধা দিয়া নাছিল, কাৰণ তায়ো সৰু থাকোঁতে সৰি থকা ফুল দেখিলেই ফুলবোৰ বুটলি আনি ঘৰৰ বেৰত আঁৰি থোৱা ভগৱানৰ ফটোকেইখনৰ ওচৰত থৈ দিছিল।

মেঘৰ গাজনিত অনুস্মিতাৰ সম্বিৎ ঘূৰি আহিল। আজি যেন তাইৰ সৰুকালৰ কথাবোৰ ভাবিবলৈ মন গৈছে। বহুতো ভাল লগা, বেয়া লগা স্মৃতি যে তাইৰ জীৱনৰ অতীত পাৰ হৈ গৈছে। তেনেতে তাইৰ এটা দিন মনত পৰি গ'ল। কি যে অভিশপ্ত দিন আছিল সেই দিনটো। জন্ম-মৃত্যু-বিবাহ কাৰ কপালত কেতিয়া কি লিখা থাকে কোনেও ক'ব নোৱাৰে। তাই আকৌ ভাৱনাৰ পৃথিৱীত ডুব যাবলৈ ধৰিলে।

অনুস্মিতাই আজি কামৰ পৰা আজৰিয়েই হ'ব পৰা নাই আৰু বহুত কাম বাকী আছে কৰিবলৈ। আজি অকল তায়েই নহয়, ঘৰখনৰ সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত হৈ আছে। কাৰণ আজি অনুস্মিতাৰ বায়েকক চাবলৈ এজন ল'ৰা আহিব! কামবোৰ শেষ কৰি আকৌ বায়েকক সজাব লাগিব অনুস্মিতাই। ঘৰৰ সকলোৱে পদুলিলৈ বাট চাই আছে আলহী অহাৰ খবৰ পায়। কিছু সময়ৰ পিছতে আলহী আহি পালেহি। আলহীক বহিবলৈ দি বায়েকৰ লগত আলহীক চাহ-তামোল দিয়াত অনুস্মিতাই সহায় কৰি দিলে। আলহীয়েও চাহ-তামোল খাই কথা-বতৰা পাতি ঘৰমুৰা হ'ল অনুস্মিতাহঁতৰ সকলোৱে এটা ভাল খবৰ পাম বুলি আশাৰে বাট চাই ৰ'ল। কিছুদিনৰ পিছত এটা খবৰ আহিল, খবৰটো পায় সকলোৰে মুখবোৰ যেন শেঁতা পৰি গ'ল। কেতিয়াও নভবা কথাটো যদি ভাবিবলগীয়া হয় কাৰ মুখতনো হাঁহি বিৰিঙিব? কথাটো শুনি অনুস্মিতাই দিগ্‌বিদিক হেৰুৱাই পেলাইছিল। কাৰণ বায়েকক চাবলৈ অহা ল'ৰাজনে হেনো অনুস্মিতাক পছন্দ কৰিছে আৰু বিয়া পাতিলেও বোলে অনুস্মিতাকহে পাতিব। এইখিনিতেই যেন সকলো খেলিমেলি হৈ গ'ল। কাৰণ অনুস্মিতাই অন্য কাৰোবাক ভাল পায়। নোৱাৰে তাই তেওঁক প্ৰতাৰণা কৰি আন বেলেগৰ সৈতে বিয়াত বহিব, কিন্তু ঘৰৰ মানুহবোৰে আলোচনা কৰি বায়েকৰ লগতো কথা পাতি সিদ্ধান্ত ল'লে যে কিছুদিন পূৰ্বে বায়েকক চাবলৈ অহা ল'ৰাজনৰ সৈতেই হেনো অনুস্মিতাক বিয়া দিব। অনুস্মিতা অসহায় হৈ পৰিল। তাই এতিয়া ঘৰৰ মানুহক কেনেকৈ বুজাব? তাই যে এই বিয়াখনত একমত নহয়। ঘৰৰ মানুহবোৰে গম পাইছিল অনুস্মিতাই বেলেগক ভাল পোৱাৰ কথা। কিন্তু অনুস্মিতাই যিজন ল'ৰাক ভাল পাইছিল তাৰ কোনো চাকৰি-বাকৰি বা উপযুক্ত উপাৰ্জন নাছিল। পঢ়া শেষ কৰি চাকৰি বিচাৰিছিল যদিও সফল নহ'ল। সেয়েহে গাঁৱত ভাওনা, নাটক কৰি দুই-এপইচা উপাৰ্জন কৰিছিল। অনুস্মিতাক বিয়া দিবলৈ লোৱা ল'ৰাজন এজন শিক্ষক আছিল। সেয়ে চাগৈ ঘৰৰ মানুহবোৰে সেই ল'ৰাজনলৈ বিয়া দিবলৈ ধুমধামেৰে যো-জা চলাইছিল।

অনুস্মিতাই বহুত চেষ্টা কৰিছিল ঘৰৰ মানুহবোৰক বুজাবলৈ। কিন্তু কোনেও নুবুজে তাইৰ কথা। কোনেও শুনিবলৈ চেষ্টা নাই কৰা। অৱশেষত বিয়াৰ দিন পালেহি। কইনা সাজ পিন্ধি ৰুমত বহি আছে অনুস্মিতাই। বুকুত হেজাৰটা দুখ, মনত অশান্তি লৈ বহি আছে তাই নীৰৱে। কিনো ক'ব কোনেও দেখোন শুনিবলৈ প্ৰয়োজনবোধ নকৰে তাইৰ কথাবোৰ। ভিৰৰ মাজতো তাই যেন অকলশৰীয়া হৈ পৰিছে। বাহিৰত চিঞৰ-বাখৰ হৈছে— 'দৰা আহি পালেহি', 'দৰা আহি পালেহি' বুলি। অনুস্মিতাৰ কাণতো পৰিছেহি সেই চিঞৰটো, যিমানেই সময়বোৰ পাৰ হৈ গৈছে সিমানেই যেন তাইৰ কলিজাৰ ধপধপনিটো ক্ৰমান্বয়ে বাঢ়ি গৈছে। দৰা অহাৰ খবৰ পাই সকলোৱে বাহিৰলৈ ওলাই গ'ল দৰাক আদৰিবৰ বাবে। অনুস্মিতাই ৰুমৰ চাৰিওফালে চালে। তাইৰ বাহিৰে ৰুমটোত কোনো নাই। তেনেতে তাই দেখিলে খিৰিকীৰ ওচৰতে কোনোবা ৰৈ আছে, হয় সেইজন হৈছে অনুস্মিতাই ভালপোৱা ল'ৰাজনৰ খুৰাকৰ ল'ৰাটো। সি ককাইদেৰে বাহিৰত ৰৈ আছে বুলি কৈ সি গুচি গ'ল। কি কৰিব এতিয়া অনুস্মিতাই? ঘৰৰ মানুহবোৰক এৰি তাই ভালপোৱা ল'ৰাজনৰ লগত বিয়া হৈ যাব নে ঘৰৰ মানুহবোৰে চাই দিয়া ল'ৰাজনৰ লগত বিয়া হৈ যাব, তাই বিবুধিত পৰিল। বেছি সময় নাই তাইৰ হাতত, যি সিদ্ধান্ত লয় অতি সোনকালে ল'ব লাগিব। দৰা অহাৰ সমাগমৰ সুযোগ লৈ তাই সেই ঘৰৰ পিছফালে ৰৈ থকা ল'ৰাজনৰ সৈতে গুচি গ'ল। ইফালে আকৌ অনুস্মিতাহঁতৰ ঘৰত হুৰাদুৰা লাগিল। ৰভাৰ তললৈ কইনা আনিবলৈ গৈ দেখে কইনা ৰুমত নাই। বহু সময় বিচাৰি খবৰ লৈ গম পালে যে অনুস্মিতা দীপকৰ সৈতে পলাই গ'ল। কি কৰিব এতিয়া অনুস্মিতাহঁতৰ ঘৰৰ মানুহবোৰে? দৰা ঘৰৰ মানুহবোৰক কি উত্তৰ দিব? সকলো অসহায় হৈ পৰিল। দৰা বাহিৰত ৰৈ আছে। সঁচা কথাটো ক'বই লাগিব। বহু সাহস কৰি অতি দুখজনকভাৱে দৰা ঘৰৰ মানুহবোৰৰ আগত কথাটো কোৱাত তেওঁলোকে যেন সতবাক হৈ পৰিল। তেওঁলোকে এতিয়া কি কৰিব ভাবিবই নোৱৰা যেন হৈ পৰিল। অৱশেষত তেওঁলোকৰ সন্মান ৰক্ষাৰ বাবে এটা সিদ্ধান্ত ল'লে যে তেওঁলোকে অনুস্মিতাহঁতৰ ঘৰৰ ছোৱালী বিয়া কৰি নিবই। কি কৰিব এতিয়া অনুস্মিতাতো নাই। তাইৰ এগৰাকী ভনীয়েক আছিল। তাইকো বিয়া দিব পৰা বয়স হোৱা নাই। অৱশেষত অনুস্মিতাৰ বায়েককে বিয়া কৰি নিব বুলি সিদ্ধান্ত ল'লে। সকলো নীতি-নিয়মৰ মাজেৰে অনুস্মিতাৰ বায়েকক বিয়া দিলে।

আনফালে আকৌ দীপকৰ ঘৰত অশান্তিকৰ পৰিৱেশ। দীপক আৰু অনুস্মিতাই সকলোৰে নাক-কাণ কাটিলে বুলি ভাবি দীপকৰ মাকে খঙতে এটা অমানৰীয় কাম কৰি পেলালে। খঙতে তেওঁ মৃত্যুকেই আঁকোৱালি লোৱাৰ সিদ্ধান্ত লৈ বিহপান কৰিছিল। তেওঁ জীয়াই থকাৰ ইচ্ছা হেৰুৱাই পেলাইছিল।

দীপকৰ ঘৰত চিঞৰ-বাখৰ হৈছে। দীপকৰ মাকে ইতিমধ্যে বিহ পান কৰিছে। মাকৰ এইটো অৱস্থা দেখি অতি সোনকালেই হাস্পতাললৈ লৈ যোৱা হ'ল। সৌভাগ্যক্রমে দীপকৰ মাক মৃত্যুমুখৰ পৰা বাছিল। পিছত সিহঁত দুয়োকে দীপকৰ ঘৰখনে আঁকোৱালি ল'লে। বিয়াৰ কিছুদিনৰ পিছত দীপকে এখন এল পি স্কুলত শিক্ষকতা কৰিবলৈ আৰম্ভ কৰিলে। সেই স্কুলখন তেতিয়া নতুনকৈ স্থাপন কৰা হৈছিল। স্কুলখনত স্থায়ী শিক্ষক নথকাত দীপকেই প্রধান শিক্ষক হিচাপে কামবোৰ কৰি গৈছিল। সেই ঠাইখনত এনে এখন স্কুল হোৱাত ওচৰৰ শিশুবিলাকে তাত পঢ়িবলৈ সুবিধা পালে। প্রায় ১৪ বছৰ ধৰি শিক্ষকতা কৰি বহুতো ছাত্র-ছাত্রীক সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি উঠাত দীপকৰ অৰিহণাও বহুত আছিল। দুর্ভাগ্যবশতঃ দীপকে সুদীর্ঘ ১৪টা বছৰত তেওঁ বহু কষ্ট কৰিও কেইবাটাও 'সাক্ষাৎকাৰ'ত বহাৰ পিচতো তেওঁৰ শিক্ষকতাৰ চাকৰিটো স্থায়ী কৰাত ব্যর্থ হ'ল। মনত বহুত দুখ-বেদনা লৈ তেওঁ আৰু সেই স্কুলখনলৈ নগ'ল। ইতিমধ্যে তেওঁৰ পৰিয়াল ডাঙৰ হোৱাত তেওঁ ঘৰ চলোৱাত সমস্যাই দেখা দিছিল। সেয়েহে তেওঁক অলপ বেছি উপার্জনৰ পথৰ প্রয়োজন হৈছিল। স্কুলত পঢ়োৱাৰ বিনিময়ত পোৱা টকাকেইটাৰে তেওঁৰ ঘৰখন চলা নাছিল। তেওঁৰ ল'ৰা-ছোৱালীকেইটাক পঢ়োৱাত টকা-পইচাৰ অভাৱে দেখা দিয়াত তেওঁ দিন হাজিৰা কৰিবলৈকে ল'লে। তেওঁ টকা উপার্জনৰ বাবে বহুত কষ্ট কৰাৰ ফলত কিছু বছৰৰ পিচত তেওঁৰ দেহত কিছুমান ৰোগে দেখা দিলে। তেওঁ কাম কৰিব নোৱাৰা অসহায় হৈ পৰিল।

অনুস্মিতাৰ চিন্তা হৈছে ল'ৰা-ছোৱালীকেইটাক এতিয়া কেনেকৈ পঢ়াব। অনুস্মিতাই সিদ্ধান্ত ল'লে তায়েই এতিয়া কিবা এটা কৰিব। কষ্ট কৰি হ'লেও তাই ল'ৰা-ছোৱালী দুটাক পঢ়াব। তাই কোনোদিন ল'ৰা-ছোৱালী দুটাক পঢ়াত কষ্ট পাবলৈ নিদিয়ে। তায়েই সিহঁত দুটাক পঢ়াই এদিন ডাঙৰ মানুহ কৰিব। তাই জীৱনৰ যুঁজত সদায় যুঁজি যাব।



# বিহুৰ বতৰ

**দেৱজিত বৰগোহাঁই**

শুনিছানে চেনাই আবেলি পৰতে গৰখীয়াৰ
পেঁপাৰ বিননি,
শুনিছানে চেনাই বিহুৰে বতৰত
কুলিৰ বিননি।
শুনিছানে চেনাই বিহুৰে বতৰত
ঢোলৰ গিৱ্‌গিৰনি।
বছৰেকৰ বিহুটি আহিছে সাতো দিনীয়াকৈ
আহা ৰঙেৰে আদৰোঁ আমি।
ঢোলৰ কোবত এফাঁকি বিহুকে জুৰিছো
তুমি ৰঙেৰে নাচিবা বুলি।
গছৰে ডালতে আছে কপৌৰ পাহি
আন দিব তোমালৈয়ে বুলি।
বিহুৰে বতৰত তোমালোকৰ ঘৰলৈ
এপাক আলহী হৈ।
তুমি আলফুলে দিয়া চিৰা জলপান
মন ভৰাই খাম।
বিহু বুলি তোমালৈ গঢ়িলোঁ
মৰমৰ ভঁৰাল।

✍ ৰবিতা সোনোৱাল

## গ্ৰন্থমেলাৰ বাকৰিত

গ্ৰন্থমেলাৰ বাকৰিত এজনী ছোৱালীয়ে কিতাপবোৰ চাই আছিল, তেনেতে ডাঙৰ মোনা এটাত পঞ্চাশখনমান কিতাপ লৈ থকা এজন মানুহ দেখাই কৌতূহলেৰে সুধিলে। মানুহজনে মুখত মিচিকীয়া হাঁহি এটা মাৰি ক'লে— এই কিতাপবোৰৰ বাবে মানুহ বিচাৰি ফুৰিছোঁ। কাৰণ এই কিতাপবোৰ মই গ্ৰন্থমেলাত লগ পোৱা মানুহক হাতেৰে উন্মোচন কৰিম। আৰু মানুহজনে মৰমেৰে কিতাপৰ মোনাটোৰ পৰা এখন কিতাপ উলিয়াই ছোৱালীজনীলৈ আগবঢ়াই দি ক'লে—

'এয়া লোৱা, তোমাৰ পৰাই প্ৰথম আৰম্ভ কৰোঁ।'



## নিয়ম

সিদিনা একমাত্ৰ কন্যাকাল নোহোৱা ছোৱালী তাৰ ভনীয়েকেই আছিল। তথাপি গোপিনীসকলে তাইক নামঘৰৰ লখিমীসবাহৰ জাকৈ বোৱা কামফেৰা কৰিবলৈ নিদিলে। গোটেই ৰাতি ভেলাঘৰ ৰখি পুৱাতে গা-পা ধুই আইতাকে দিয়া গামোচাখন লৈ মেজি জ্বলাবলৈ গ'ল। ভকতসকলে ক'লে— 'মাক-বাপেক নোহোৱা ল'ৰাই জ্বলাব নাপায়'।

দুপৰীয়া ভোগালীৰ খেল-ধেমালি আৰু বক্তৃতা অনুষ্ঠানত দুয়োটাই সকলো পুৰস্কাৰ আঁজুৰি আনিলে।

## আশাহত

আগদিনাখনৰ কথামতেই ৰাতিপুৱা লনীয়ে চাহ খাই উঠি গিৰীয়েকক সাজু হ'বলৈ ক'লে। দুয়োৰে আশা এটা পূৰণ হোৱাৰ উৎসাহত নিজেও সাজপাৰ কৰি ওলাল। কিন্তু গিৰীয়েক তেতিয়াও একেদৰে বহি থকা দেখি সুধিলে— 'তুমি এতিয়াও সাজপাৰ কৰা নাই, পলম হ'লে মানুহজন দেখোন কামলৈ গুচি যাব?' তেওঁ অন্যমনস্কভাৱে দুবাৰমান ইপিনে-সিপিনে অহা-যোৱা কৰি লাহেকৈ ক'লে— 'কালি গধূলি দাদা আহি টকা খোজাত মাটিৰ আগধন দিবলৈ বুলি ৰখা টকাখিনি দিবলগীয়া হ'ল।' ঘৰৰে খাই ভাল চাকৰি কৰা ককায়েকৰ স্বভাৱটো মনত পৰাত লনী ঠাইতেই থৰ লাগিল।

## চিঞৰ

বি বৰুৱা হাস্পতালত ৰমেনক এডমিত কৰি মাকে হাস্পতালৰ বিছনাত পৰি থকা পুতেকৰ মুখলৈ চাই চকুৰ পানীৰে বাট নেদেখা হ'ল। কিজানি তাৰ দেউতাকক অকালতে হেৰুৱাৰ দৰে তাকো আজি হেৰুৱাই অকলশৰীয়া হ'ব লগা হয়।

যিটো ৰমেনক জন্ম দি মাকে বছৰেকীয়া বেজীটো দিবলৈ লওঁতে ডাক্তৰে ৰমেনৰ কুমলীয়া কলাফুলত ভৰাই দিছিল বেজীটো আৰু সি চিঞৰি উঠিছিল, তেতিয়া তাইৰো বুকুখন খুন্দা মাৰি ধৰিছিল। কিন্তু সেই একে সময়ৰ ব্যৱধানত লোৱা বেজীটো সি আজি নিজেই ল'ব পৰা হ'ল।

কিন্তু নাভাবিলে সেই চিৰিঞ্জত আছিল তাৰ জীৱনৰ ঔষধৰ সলনি মৃত্যুৰ ঔষধ (ড্ৰাগছ)।



# ভয়

**দেৱজিত বৰগোহাঁই**

জয়াল হাবি। চাৰিওফালে ভয় লগা শব্দ। মই আৰু মোৰ বন্ধুৰে জয়াল হাবিৰ মাজত ভয়ত দুয়োটাই কঁপি আছো। হাবিৰ মাজত বেলিৰ পোহৰ পাবলৈ কষ্টকৰ। লাহে লাহে সন্ধিয়া হৈছে। চৰাই-চিৰিকটিবোৰেও নিজৰ বাসস্থানলৈ উভটিছে। আমি দুটাই গছ এজোপাৰ তলতে থকাৰ ব্যৱস্থা কৰিলোঁ। লগৰজনে ভয় কৰিছে। অৱশ্যে ময়ো নকৰা নহয়। নিশাৰ জীৱ-জন্তুবোৰে নিজৰ খাদ্যৰ সন্ধানত ওলাই আহিছে। শুকান পাতৰ শব্দই আমাক আমাৰ গাৰ নোম ডাল ডাল কৰি তুলিছে। ঠিক সেই সময়তে দুয়োটাই অলপ কিবা এটা দেখা যেন পালো। সিংহৰ এটা জাকে আমাৰ দুটাক সিহঁতৰ খাদ্য বনোৱাৰ ছলেৰে এখোজ-দুখোজকৈ আমাৰ ফালে আহি আছে। এটা সিংহই গুজৰ মাৰি ঠেং দুখন ওপৰলৈ তুলি মোৰ লগৰটোক ধৰিব লওঁতেই মোৰ মায়ে বিছনাৰ পৰা উঠাই দিলে। তেতিয়াহে মই গম পালো যে মোক পুৱা লাঠী এডালেৰে মাৰিব লৈছে টোপনিৰ পৰা জগাবলৈ।

# বিপর্যয়

**আস্থা গগৈ**

এখন ভিতৰুৱা গাঁও। সেই গাঁওখনৰ এজন শিক্ষিত লোক আছিল পূর্ণানন্দ বুঢ়াগোহাঁই। তেখেত আছিল এজন সমাজকর্মী লোক। সমাজৰ বিভিন্ন কাম-কাজত আগভাগ লৈ তেখেতে নিজৰ দক্ষতাৰে সমাজখনক আগুৱাই নিয়াত সহায় কৰিছিল। পত্নী আৰু সন্তানক লৈ তেখেত এজন সুখী ব্যক্তি আছিল। ভগৱানৰো কি লীলা, সুখৰ মাজতে এজাক কাল ধুমুহা আহি তেখেতৰ জীৱনৰ আশা-আকাংক্ষা নিমিষতে সকলো চূৰমাৰ কৰি থৈ গ'ল। তেখেত লাহে লাহে শাৰীৰিকভাৱে অসুস্থ হৈ পৰিল। গাঁৱৰ কিছুমান মানুহৰ কথা শুনি বেজৰ ওচৰলৈ লৈ গৈ জৰা-ফুঁকা কৰি তেনেকৈয়ে দুটা বছৰ পাৰ হৈ গ'ল। তেনেকৈয়ে দিনবোৰ পাৰ হৈ গ'ল। পূর্ণানন্দৰ শাৰীৰিক অসুস্থতাও বাঢ়িবলৈ ধৰিলে। শেষত উপায়হীন হৈ মধ্যবিত্ত পৰিয়ালটোৱে ঘৰৰ সা-সম্পত্তি বিক্রী কৰি তেখেতক অসমৰ উন্নত চিকিৎসাৰ বাবে লৈ যোৱা হ'ল। বিভিন্নধৰণৰ পৰীক্ষা কৰি গম পোৱা গ'ল, তেখেত পেৰালাইছিছ ৰোগৰ আক্রান্ত হৈ পৰিছিল। চিকিৎসকে বহু চেষ্টা কৰিও তেখেতক সুস্থ কৰি তুলিব নোৱাৰিলে। শেষত পত্নী আৰু সন্তানক দুখৰ সাগৰত পেলাই চিৰদিনৰ বাবে বিদায় ল'লে পূর্ণানন্দ বুঢ়াগোহাঁয়ে।



কথাশিল্প



# বুদ্ধিৰ বল

**✍ অসীম বুঢ়াগোহাঁই**

এসময়ৰ কথা। এখন গাঁৱত চাৰিজন ডেকা ল'ৰাই বাস কৰিছিল। তেওঁলোকৰ নাম ক্ৰমে ৰাম, লক্ষ্মণ, যদু আৰু মধু। মধুৰ বাদে বাকী তিনিজনৰে জ্ঞান আৰু শক্তি আছিল কিছু। কিন্তু মধু আছিল এজন তীক্ষ্ণ আৰু বুধিয়ক। এদিন তিনিজন বন্ধু লগ লাগি ভাবিলে যে তেওঁলোকৰ জ্ঞানবোৰ প্ৰচাৰৰ বাবে তেওঁলোকে বিদেশ ভ্ৰমণ কৰিব। সেই কথা শুনি মধু সিহঁতৰ লগত যাবৰ বাবে ইচ্ছা প্ৰকাশ কৰিলে, কিন্তু সিহঁতে মধুক লৈ যাবৰ বাবে কোনোধৰণে মান্তি নহ'ল। শেষত মধুৱে বুধিৰে কোনোমতে সিহঁতৰ লগত ওলাল। তেওঁলোক হাবিৰ এটা লুংলুঙীয়া বাটেৰে গৈ থাকোঁতে ৰাস্তাত কিছুমান জন্তুৰ হাড় দেখিলে, ৰামে নিজৰ জ্ঞান আৰু শক্তিৰে সেই হাড়বোৰ জোৰা লগালে। তাকে দেখি লক্ষ্মণে সেই হাড়বোৰত ছাল আৰু মাংসবোৰ জোৰা লগাতে। তাৰ পিছত যদুৱে এই জীৱটো এটা প্ৰকাণ্ড সিংহলৈ ৰূপান্তৰ কৰি ইয়াক জীৱিত কৰি তুলিম বুলি কোৱাত মধুৱে বাধা দিছিল। কিন্তু তেওঁলোকে ভাবিলে মূৰ্খ মধুৰ কথা সিহঁতে কিয় শুনিব। সেই সময়তে মধুৱে গৈ ওখ গছ এজোপাত উঠিলগৈ। লগে লগে সিংহটো প্ৰাণ পাই উঠিল। ভোকাতুৰ হৈ থকা সিংহটোৱে আগত দেখা পোৱা তিনিওটাকে খাই পেলালে। মধুৱে এইবোৰ দেখি আছিল যেতিয়া সিংহটো সেই ঠাইৰ পৰা গ'ল। লগে লগে মধুৱে ঘৰলৈ বুলি ৰাওনা হ'ল। সেইবাবে কয় জ্ঞানতকৈ বুদ্ধিৰ বল বেছি।

# তাই বাৰু সঁচাই আছিলনে ?

**✍ আস্থা গগৈ**

ডাৰৰীয়া বতৰ। সময় দুইমান বাজিছে। অকণমান বেলিৰ কাঁচিয়লি পোহৰে ভুমুকি মাৰিছে।

পোহৰৰ এই আলোক দেখি পল মুগ্ধ হৈ পৰিল। আকাশলৈ চাই পোহৰৰ লুকা-ভাকু উপভোগ কৰিছে পলে। হঠাৎ পলে মনে মনে ভাল পাই থকা পাহিক দেখিলে। সেই নিৰ্জন ঠাইত পাহিক অকলে দেখা পাই তাৰ মনৰ কথাটো কৈয়ে পেলাওঁ বুলি মনত থিৰাং কৰিলে।

পলে পাহিৰ কাষলৈ গৈ মাত লগালে— 'পাহি কি কৰিছা ?'

'নাই এনেয়ে আছো কি কৰিবা !'— পাহিয়ে পলক ক'লে।

কিছু সময় পাহি আৰু পলৰ মাজত সাধাৰণ কথা-বাৰ্তা হ'ল। এনেতে পলে পাহিক ক'লে— 'পাহি কথা এটা আছিল।'

'কি কথা কোৱাচোন।'— পাহিয়ে পলৰ পৰা কথাটো জানিব বিচাৰিলে।

পলৰ মনে মনে ভয় হ'ল— কথাষাৰ পাহিক কৈ দিলে পাহিয়ে যদি সঁহাৰি নিদিয়ে, যদি গালি দিয়ে, মোক যদি মাৰে ! এনেকৈ তাৰ মাজত অন্তৰ্দ্বন্দ্ব হ'ল।

পলৰ চিন্তাকৰ্ষক মুখখন দেখি পাহিয়ে ক'লে— 'কি হ'ল, কি ভাবি আছা', কোৱা ?

'নাই এনেয়ে...' পলে পাহিক কওঁ-নকওঁকৈ ক'লে।

'কি কথা আছিল কোৱানা ?' পাহিয়ে পলৰ কি কথা আছে জানিব বিচাৰিলে।

'মানে পাহি... মানে...'— পলে ইতঃস্বতবোধ কৰিলে।

'কি মানে মানে কৈ আছা'— পাহিয়ে জোৰকৈ পলক ক'লে।

'মানে পাহি মই তোমাক ভাল পাওঁ'— এই বুলি কৈ পল নিস্তব্ধ হৈ পৰিল। ভাব হ'ল "এই কথা পাহিক কৈ ভুল কৰিলো নেকি ? মোক পাহিয়ে কি ধৰণে লয় এতিয়া ?"

পলৰ নিস্তব্ধতা আৰু বিবর্ণ মুখমণ্ডললৈ চাই পাহিয়ে ক'লে— 'এই মিষ্টাৰ কি ভাবিছা, ময়ো তোমাক ভাল পাই আছিলো, কিন্তু কথাষাৰহে কোৱা হোৱা নাছিল।

'কি সঁচানে ?'— পল ৰোমাঞ্চিত হৈ পৰিল।

পলে নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালে। আকৌ পাহিক সুধিলে— 'সঁচানে... সঁচানে পাহি ?

পাহিয়ে উত্তৰ দিলে— সঁচা, সঁচা অ'...।

কথাষাৰ শুনাৰ লগে লগে নিজৰ আবেগ ধৰি ৰাখিব নোৱাৰি পলে পাহিক সাবটি ধৰিব বিচাৰোঁতে ম'বাইলটো বাজি উঠিল। সি সাৰ পাই গ'ল।...

✍ পল্লৱী সোনোৱাল

## সময়বোৰ...

সময়বোৰ দেখোন সঁচায়ে পাখি লগা। শৈশৱৰ সেই যে বৰষুণ এজাক আহিলেই কাগজেৰে নাও সজা সোণালী পলবোৰ এতিয়া কেৱল এক স্মৃতি ল'ৰালিৰ সেই সৰু পৃথিৱীখনত পুনৰ এবাৰ পখিলা খেদিবৰ মন যায়। কিন্তু মন গ'ল বুলিয়েই, এৰি অহা অতীতক উভতাই আনিব পাৰিম জানো? সৰু সৰু কথাতেই ফেঁকুৰি উঠা মইজনীয়েচোন এতিয়া ১৯ বছৰীয়া জীৱন নাটত খুব সুন্দৰভাৱে ভাও ধৰিব পৰা এগৰাকী অভিনেত্রী। কোনোদিন কল্পনাই কৰা নাছিলোঁ, সময়ে যে মোক মোৰ শৈশৱৰ দিনবোৰৰ পৰা সংগহীনভাৱে সকলো হাঁহি-ধেমালি পৃথক কৰি আনিব। এৰা, সময়বোৰ ছাগে' এনেকুৱাই... ল'ৰালিৰ সংগবোৰক এৰি এতিয়াচোন মই নিশ্চুপতাৰ ওৰণিৰ তলতে মুখ ঢাকি, নির্জনতাক নিজৰ সংগ হিচাপে ধৰি লৈছোঁ। কাৰণ ব্যতিক্রমী সময়ৰ গতিশীল যাত্রাৰ আৰোহী হিচাপে কেতিয়াবা থমকিলেও নিজৰ মাজতে জী উঠিব পাৰিব লাগিব, আশা-নিৰাশাৰ মাজতেই মিচিকিয়া হাঁহি এটিৰে, ঘোপমৰা আন্ধাৰ ফালি, পোহৰ উলিয়াব পাৰিব লাগিব। কাৰণ জীৱনটো এনেকুৱাই। লাহে লাহে চোন মই বাস্তৱতাৰ পৰা এইবোৰেই শিকিব ধৰিছোঁ...

## নিঃসংগতাৰ অনুভৱ

নিসংগতাৰ সুকীয়া অনুভৱকণ মাজে মাজে ময়ো খুব গভীৰভাৱেই আওকাণ কৰোঁ। পখিলা খেদা বয়সৰ সোণালী অতীতক চোন কেতিয়াবাই এৰি আহিলোঁ। এতিয়াৰ সময় নিজক গঢ়াৰ। যদিহে এই সময়কণতে নিজকে জ্ঞানেৰে সজাব নোৱাৰি স্তব্ধ হৈ ৰওঁ তেন্তে ভৱিষ্যৎ অন্ধকাৰলৈ পৰিণত হ'ব। তথাপিও কিয় জানো মোৰ মনটোৱে যেন পলে পলে এটা প্রশ্ন খুব ব্যাকুলতাৰে সুধি কয়— 'তোক বাৰু আন বহুজনৰ দৰে এগৰাকী ভাল বন্ধুৰ প্রয়োজন অনুভৱ নহয়নে?' এই প্রশ্নটোৱে মোক যেন ভাবিবলৈ বাধ্য কৰোৱায়। সঁচায়ে প্রয়োজননে পৃথিৱীৰ প্রত্যেকগৰাকী ব্যক্তিৰ বাবে সেই বিশেষজন? হয়তো হ'বও পাৰে, যদিহে বিশেষজনৰ উপস্থিতিত জীৱনত লাভ কৰা তিতা-কেঁহা, মিঠা ইত্যাদিবোৰৰ অনুভৱবোৰ প্রকাশ নকৰো, তেন্তে অন্যই শুনিব জানো? কিন্তু চকু বন্ধ কৰি বিশ্বাস কৰিব পৰাকৈ এজন ভাল সংগী আছে জানো ৰৈ কেৱল মোৰ বাবে?



## ধূসৰ মন

✍ জ্যোতিৰাজ গগৈ

হঠাতে এদিন ৰঘু আৰু তাৰ বন্ধু বর্গসকলে গাঁৱৰে এজন ম'বাইল দোকানী যাদৱৰ দোকানত সোমাই ম'বাইল চুৰি কৰিবলৈ লৈছিলহে মাথোঁ। তাৰ অলপ পিছতে গাঁৱৰ কিছুমান মানুহে গম পোৱাত দোকানত সোমাই ৰঘু আৰু তাৰ বন্ধু বর্গক পুলিচৰ হাতত গতাই দিলে। ৰঘু এজন ভাল মনৰ সহজ-সৰল ল'ৰা আছিল। সি পঢ়া-শুনাতো ঠিকেই আছিল। কিন্তু সি আজিকালি বেয়া সংগৰ লগত পৰি বিভিন্ন অনৈতিক কাম-কাজত লিপ্ত হ'বলৈ ধৰিলে। সি ধূম্রপানৰ পৰা আদি কৰি ড্রাগছ আদি পর্যন্ত সেৱন কৰিবলৈ ধৰিলে।

সেইদিনাখন ড্রাগছ আদি খাবলৈ নোপোৱাত ৰঘু আৰু তাৰ বন্ধু-বর্গই গাঁৱৰে ম'বাইল দোকানী যাদৱৰ দোকানত সোমাই ম'বাইল চুৰ কৰিবলৈ লওঁতে তেওঁলোকক গাঁৱৰ ৰাইজে ধৰি পুলিচৰ হাতত গতাই দিলে। শান্ত-শিষ্ট ঘৰৰ ল'ৰা হিচাপে ৰঘুৰ মাক-দেউতাকে সমাজৰ আগত বহুত লাজ-অপমান ভুগিবলগাত পৰিল।

পিছত ৰঘুক মাক-বাপেকে ঘৰলৈ ওভোতাই আনি বহুত বুজালে। ৰঘুৱে তাৰ পিছৰ পৰা বেয়া সংগ বাদ দি আগৰ নিচিনাকৈ সহজ-সৰল মানুহ হ'বলৈ চেষ্টা কৰিলে আৰু যুৱ উচ্ছৃংখল মন আৰু অপৰাধপ্রৱণতাই ৰঘুৰ মনত বিশেষভাৱে সাঁচ বহুৱালে।


# নির্জন ৰাতিৰ কোলাহল

**✍ নিলাক্ষী গগৈ**

সন্ধিয়া হ'বৰে হ'ল আজি ঘৰত কোনোৱে নাই। মা-দেউতা ডিব্রুগড়লৈ গ'ল। দদাইদেউৰ ছোৱালীজনীও এতিয়ালৈকে অহা নাই। ম'বাইলটো কালি ৰিচার্জ শেষ হ'ল। কিনো কৰিম। ৰিচার্জ কৰিবলৈও হাতত পইচা নাই। মাহঁতেও এতিয়ালৈকে ফোনকল এটা কৰা নাই। হাস্পতাল পালেগৈবা নাই! এনে সময়তে দদাইদেউৰ ছোৱালীজনী আহিল। নাম তাইৰ মঞ্জুলা। মই তাইক ক'লো— 'তই ভাত খাই আহিছ নাই।' তাই উত্তৰ দিলে— 'নাই খোৱা।' এতিয়া মোৰ এটা চিন্তা কি আঞ্জা বনাম। ঘৰৰ খৰাহীত চালো আলু দুটামান পৰি আছে। ব'য়াম এটাত মায়ে শুকান মাছ থৈ গৈছিল শুকটি খুন্দিম বুলি ভাবিছিলোঁ বৈয়ামটোকে বিচাৰি নাপালোঁ। মা যদি এতিয়া ঘৰত থকাহ'লে বিন্দাচ বিছনাত পৰি ম'বাইল চাই থাকিলোঁহেঁতেন। মা যেতিয়া ঘৰত নাথাকে ঘৰখন বৰ উকা উকা লাগে। দেউতা ঘৰত থাকক বা নাথাকক মা নাথাকিলে ভাল নালাগে। আলুকেইটা ৰান্ধি ল'লোঁ। মই ইমানকৈ শাক-ভাত ৰান্ধি নাথাকোঁ মাহঁতে নাথাকিলে মোৰ নিজৰ বাবে যোগাৰ কৰি লওঁ কেৱল।

আঞ্জাখন খাবলৈ সোৱাদ লগা নাই. মাই ৰান্ধি থকা আঞ্জাখনলৈ মনত পৰিল। কিমান যে সোৱাদ লগা! এই সৰু কামবোৰ আমি মাৰ পৰা শিকি নোলোৱাৰ বাবে আজি মোৰ এই দশা। শাকত কেতিয়াবা নিমখ বেছি, কেতিয়াবা হালধি আৰু কেতিয়াবা তেল। উস্ কি কি যে হয়! কেতিয়াবা আকৌ জ্বলি থাকে। তেতিয়া তেনেকৈ খাই দিও, নাখালেও উপায় নাই। মা লগত থাকিলে মাৰ মহত্ত্ব একো বুজিয়ে নাপাওঁ। যেতিয়া মা লগত নাথাকে বৰ বেছি দুখ লাগে, মাৰ অভাৱ, মা কি তেতিয়াহে বুজি উঠোঁ।

এনেতে বিছনাত পৰিলোঁ। মাজনিশা ৰাতি সাৰ পালোঁ। এতিয়া কি কৰোঁ মই। ভূত নাথাকিলেও ভূতৰ বাবে ভয়। বাহিৰলৈ কাৰ লগত যাওঁ। এই সৰু ছোৱালীজনী আহিছে হয়, মোৰ লগত থাকিব, কিন্তু মইহে তাইৰ ৰখিয়া যেন লাগিছে। কোনো উমঘামেই নাই। কম্বল ঢাকি শুই আছে। মা থকা হ'লে মাক উঠাই লৈ গ'লোঁহেঁতেন। মা উঠচোন মোৰ লগত বাহিৰলৈ গৈ দে! মা নাথাকিলে মোৰ কি হ'ব বাৰু ভৱিষ্যৎ! এতিয়া মা নাই যেতিয়া অকলেই বাহিৰলৈ যাব লগা হৈছে। মাজ নিশা ৰাতি সাৰ পালে আৰু টোপনি নাহে। ছট্‌ফটাই বিছনাতে বাগৰি আছো। মাৰ অনুপস্থিতিত তেনেই অসুৰক্ষিত যেন অনুভৱ হয়। ম'বাইল চাবলৈও ৰিচার্জ নাই। আগৰ ডাউনলোড কৰাবোৰেই চাই থাকি নিশা পাৰ কৰিলোঁ। ৰাতি পুৱাল। এতিয়া আৰু এটা টেনচন। ঘৰৰ চোতাল সৰা, বাচন মজা, ভাত-শাক ৰন্ধা আৰু যে কি কি কাম কৰিব লাগে। মা থকা হ'লে সকলো কামত সহায় কৰি দিলেহেঁতেন। মা ঘৰত নাই যেতিয়া সকলো কাম মই কৰিব লাগিব। চমু কথাত ক'বলৈ হ'লে গোটেই লংকাখন এতিয়া মোৰ হাতত।



# ৰুণ-জুন নুপূৰে মাতে

**✍ প্রভাত বুঢ়াগোহাঁই**

আজি ৰাতিপুৱাৰ পৰাই মনটো উদুলি-মুদুলি পৰিৱেশ অভিৰ মনত। পুৱা ৪ বজাতেই শোৱাৰ পৰা উঠি অভিয়ে নিজৰ বস্তুবোৰ সামৰি ডাঙৰকৈ ৰঙা বেগ এটাত ভৰাই ল'লে। আজি সি বছৰৰ মূৰত ঘৰলৈ যাবলৈ ওলাইছে, অভিয়ে গাঁৱৰ পৰা পঢ়িবলৈ আহি চহৰৰ এখন হোষ্টেলত থাকি গৈছিল। এতিয়া সি পঢ়া শেষ কৰি আকৌ তাৰ ঘৰখনলৈ উভতি

যাবলৈ ওলাইছে। তাৰ মনত আজি উদুলি-মুদুলি পৰিৱেশ কাৰণ সি আজি ঘৰলৈ যাব। হোষ্টেলৰ ৰুমৰ পৰা ওলাই যাওঁতে তাৰ দুচকু অলপ সেমেকি উঠিছিল। কাৰণ ৪ বছৰে থকা ৰুমটো আজি সি চিৰদিনৰ বাবে এৰি থৈ যাব। কিন্তু ইমান বছৰৰ মূৰত আপোন মানুহখিনিক সি লগ পাব সেই কথা ভাবি তাৰ আকৌ ফূৰ্তি লাগিল। সি ৰুমৰ পৰা আহি বাছত উঠি এখন খিৰিকীৰ ওচৰৰ ছীটত বহি ল'লে তাৰ মনত ফূৰ্তি লাগিছিল ঘৰৰ মানুহবোৰক লগ পোৱাৰ লগতে তাতোকৈ বেছি ফূৰ্তি লাগিছিল তাৰ প্ৰথম প্ৰেম ৰুণজুনক লগ পোৱাৰ। সি সেইবোৰ কথাই ভাবি ভাবি গৈ আছিল। কেতিয়াবা ঘৰৰ মানুহে ফোনত ৰুণজুনৰ কথা কয় যদিও তাইক লগ পোৱাৰ হেঁপাহে তাক মতলীয়া কৰি তুলিছিল। সি গৈ গৈ গাঁও পালেগৈ আৰু বাছৰ পৰা নামিয়েই সি লগ পালে তাৰ ল'ৰালিৰ বন্ধু নৱেনক। সি লগ পায়েই প্ৰথমে সুধিলে ৰুণজুনৰ কথা। নৱেনে তাক দুখেৰে ক'লে যে ৰুণজুন আৰু নাই। কথাষাৰ শুনিয়েই তাৰ ওপৰত আকাশখন খহি পৰিল। ইমান আশাৰে আহিছিল সি তাইক লগ পাবলৈ। ঘৰৰ মানুহে ফোনত তাইৰ কথা কয় যদিও তাই এতিয়া নথকাৰ কথা কোনোদিনে তাক কোৱা নাছিল। নৱেনে তাক সকলো কথা কান্দি কান্দি ক'লে— ঘৰৰ কথা পেলাব নোৱাৰি তাই বিয়াত বহিল আৰু প্ৰথমটো সন্তান জন্ম দিয়াৰ সময়তে তাই সকলোকে এৰি গুচি গ'ল। কথাবোৰ শুনি তাৰ চকুৰ আগত পুৰণি স্মৃতিবোৰ এটা এটাকৈ ভাঁহি আহিল। তাৰ মনত পৰিল যে সি হোষ্টেল যোৱাৰ আগত তাইক এযোৰ নূপূৰ উপহাৰ দি থৈ গৈছিল। সেই কথাবোৰ ভাবি থাকোঁতেই গাঁৱৰ দূৰৰ ভেলাঘৰত বাজি থকা জুবিনদাৰ ৰুণজুন নূপুৰে মাতে গীতটি তাৰ কাণত পৰিলহি। লগে লগে তাৰ দুচকুৰে অশ্ৰুৰ নদী ব'বলৈ ধৰিলে আৰু সি ঘৰলৈ বাট নলৈ আকৌ উভতি আহিল কোনেও গম নোপোৱা এখন নিজান ঠাইলে।

# ৰিয়ানৰ অন্তৰ্দ্বন্দ্ব

**✍ মলয়া অধিকাৰী**

কাকপথাৰৰ এখন ভিতৰুৱা গাঁৱৰ এখন সম্ভ্ৰান্ত ঘৰৰ এজন প্ৰায় ২৬ বছৰীয়া এজন ল'ৰা ৰিয়ান। ৰিয়ানৰ দেউতাক মেলেৰিয়া ৰোগত এবছৰৰ আগতে বিয়োগ ঘটিছিল। ৰিয়ানৰ মাক আৰু ৰিয়ানৰ পৰিয়ালটোৰ একমাত্ৰ সদস্য। সকলোবোৰ ঠিকে-ঠাকে চলি আছিল। ৰিয়ানে ইতিমধ্যে পঢ়া শেষ কৰিছে। এতিয়া সি এটা চাকৰি বিচাৰি ফুৰিছে। ইটো-সিটো কৰি পৰিয়ালটো চলাই আছে।

এদিন ৰিয়ান বহু দেৰিকৈ বিছনাৰ পৰা উঠা নাছিল। মাকে ভাবিছিল তাৰ চাগে' গা বেয়া, যাৰ কাৰণে সি ইমানপৰলৈকে শুই আছে। এনেকৈ ১২ বাজি গৈছিল। ঘৰখনত হুলস্থুলীয়া পৰিৱেশ এটা আৰম্ভ হ'ল। সি ইমান পৰে কিয় উঠা নাই। তাক সকলোৱে মাত দি জগাবলৈ ধৰিলে। কিন্তু সি উঠা নাই। দুৱাৰখন ভাঙি দিয়া হ'ল। তাৰ পিছত অতি ভয়ানক এটা দৃশ্য সকলোৱে চকুত পৰিলে চিলিঙৰ এখন ফেনত এডাল ৰছীৰে সি ওলমি আছে। মাকে সেই দৃশ্য দেখি ইতিমধ্যে মূৰ্ছা গৈছে। লাহে লাহে পৰিস্থিতি অলপ পাতল হ'ল। ঘৰলৈ পুলিচ আহিল। তাক নমোৱা হ'ল। তাৰ কিতাপেৰে ভৰি থকা শুৱনি টেবুলখনত এখন কাগজ আৰু এটা কলম পৰি আছে।


ৰিয়ানৰ মাকে চিঞৰ-বাখৰ কৰি কান্দিছে— 'তই কিয় এই পথ বাছি ল'ব লগা হ'ল অ' মোৰ পোনাকণ। কিয়? কিয়?

তেতিয়া ওচৰৰ খুৰাক এজনে গৈ গ'ল তোমাৰ উত্তৰ সকলো ইয়াত লিখা আছে। তেওঁ পঢ়িবলৈ ধৰিলে।

'মা মোৰ ভুল হৈ গ'ল, মোক ক্ষমা কৰি দিবা মা, বহু ডাঙৰ ভুল কৰিলোঁ। মই নিজক ক্ষমা কৰিব নোৱাৰি এই পথ বাছি ল'লোঁ। মা তোমাৰ পোনাকণক ক্ষমা কৰি দিবা মই ম'বাইলৰ গেম খেলি খেলি মোৰ কেতিয়া জানো নিচা মূৰত ধৰিল গমকে নাপালোঁ মোৰ লগত এজনৰ পৰা মই পইচা ধাৰলৈ লৈ লৈ গেম খেলিছিলোঁ। সি মোক পইচা ধাৰলৈ দিছিল এবাৰ, দুবাৰকৈ, বহুবাৰ। কিন্তু মই প্ৰতিবাৰে গেমত হাৰিছিলোঁ। মুঠ পইচা ৮,০০,০০০ টকা ধাৰলৈ লৈছিলোঁ। খেলাৰ সময়ত মই ভবাই নাছিলোঁ। টকাবোৰ মই কেনেকৈ ঘূৰাম। মা মই চেষ্টাও কৰিছিলো। কিবা প্ৰকাৰে ঘূৰাবলৈ। কিন্তু মই বিফল হ'লোঁ। মোক ক্ষমা কৰি দিবা মা। মোৰ বহু ডাঙৰ ভুল হৈ গ'ল মা। ক্ষমা কৰিবা মোক মা। শেষত মই এই পথকে বাছি ল'লোঁ। মই নিজৰ লগত যুঁজিব নোৱাৰিলোঁ মা। মোক ক্ষমা কৰি দিবা মা। তোমাৰ মৰমৰ পোনকনক ক্ষমা কৰিবা মা।

**নীতিশিক্ষা ঃ** ম'বাইল গেম, মদ, ড্ৰাগ্‌ছ যিকোনো নিচাই মানুহক শেষ কৰি দিব পাৰে। বৰ্তমান সময়ৰ এইবোৰ বৰ বেয়া পথলৈ সমাজখনত এনে ঘটনা ঘটি আছে। এনেদৰে আমাৰ সমাজখন ধ্বংসৰ পথলৈ যাব ধৰিছে। সেয়ে এইবোৰৰ বদ অভ্যাসত ভৰি দিয়া ভাল।

# কবিতা সংকলন



## সুদীপ্ত চেতিয়াৰ কবিতা

### খেতিয়ক

তেওঁৰ কপালত
ৰ'দ হৈ জিলিকে ঘাম
ঘামত তেওঁৰ কেঁচা মাটিৰ কোমল গোন্ধ।
তেওঁ ভাল পায়
সেয়ে ৰৱষুণে
ওন্দোলাই অনা আকাশ
আৰু বোকা মাটিৰ গোন্ধ।
নাঙলৰ সীৰলুত তেওঁৰ
সৰল জীৱন
হালজোৰা হাতৰ মুঠিত
ভোগৰ ভোগালী

### নৈখন শুকাল

কুৰি বছৰ আগলৈ
দাঁতি চুকটোৰ কাষেদি
বৈ যোৱা নৈখন শুকাল।
কিয় শুকাল, সেয়া কোনেও নকয়
ক'বনো বা কিয়!
পানীৰ কাৰখানাটোত
চাকৰি এটা পোৱাৰ আশাতে
সকলোৱেই চহীটো মাৰিছিল
চিঞৰিছিল কেৱল
ৰমেন দাইটিৰ ল'ৰাটোৱে
এতিয়াও চিঞৰে সি
মৰিশালিটোৰ পৰা।
নৈখন শুকাই গ'ল
পুৱাই অহা চৰাইকেইটা নেদেখা হ'ল
পানী খাবলৈ অহা
হাতীৰ জাকটোও নোহোৱা হ'ল।
গাঁৱৰ কেঁচাঘৰবোৰ দালান হ'ল
সকলোবোৰেই সলনি হ'ল
একেই হৈ ৰ'ল কেৱল
ৰমেন দাইটিৰ হুমুনিয়াহটো।

### সময়বোৰ দেখোন নিমিলা হ'ল

দিনটোৰ কামবোৰ শেষ কৰি ঘূৰি অহা
মইজন ভাগৰি পৰিছো,
তুমিজনীও ভাগৰি পৰিছা
অফিচৰ পৰা আহি
আৰু মাইনাৰ আশাবোৰো
এই ভাগৰে শেষ কৰি দিছে
কি কৰিম কোৱা!
কৰ্প'ৰেটৰ প্ৰতিযোগিতাত বন্দী
আমাৰ জীৱনবোৰ সময় হেনো
কাহিনীও নিমিলে।
বিয়াৰ আগত আমি ভবা ইচ্ছাবোৰৰ
কথা দেখোন ভাবিবলৈয়ো সুযোগ নিদিয়ে
টাৰ্গেট আৰু ইনক্ৰিমেণ্টে।
আমি জানো সাত বছৰীয়া মাইনাই
দামী পুতলা নলয়
আমাক বিচাৰে, অকণমান সময়।
কিন্তু ব্যস্ততাই দেখোন লগ নেৰেই
এই ব্যস্ততাৰ মাজতে আমি দুয়ো
এদিন শেষ হ'ম
কিন্তু সময় কাহানিও নিমিলিব।

# ৰবিতা সোনোৱালৰ কবিতা

## কি নামেৰে মাতিম

দুষ্ট ফাগুন তুমি
ৰঙা ৰঙা পলাশ-শিমলুৰ ডালে ডালে
জোকাই জোকাই কাকনো কি কোৱা মনে মনে ?
মোৰ হৃদয় অভিক্ষেপণ হয় তোমাৰেই।
বলিয়া ফাগুন তুমি
তোমাৰ উত্তাল তৰংগত যৌৱন বলিয়া হয়,
মন-প্ৰাণ ৰিঙা ৰিঙা হয়
দুৰু দুৰু হিয়াৰ বতাহছাটিয়ে
যৌৱন নদীৰ পাৰ ভাঙি দিছে,
উথ্‌পথপ্‌ হৃদয়খন
কেনি যাব, কেনি ব'ব
ক'বকে নোৱাৰে,
নিলাজ ফাগুন তুমি
বন বিৰিখৰ ডাল-পাত লঠঙা কৰি
সৰাপাতবোৰ উৰুৱাই উৰুৱাই
মলয়াৰ স'তে মিতিৰালি পাতি
লাজৰ উৰণি গুচাই কিয় ভালপোৱা ?
ধূলিৰে ধূসৰে আবৃত হৈ
নাজানো কোন দিশে ধাৱমান তুমি
কিদৰে সজাম, কি নামেৰে মাতিম!
দুষ্ট ফাগুন নে, বলিয়া ফাগুন,
নে নিলাজ ফাগুন !

## অন্তৰাগ

গৰখীয়াৰ দুপৰীয়াৰ বাঁহীৰ সুৰ এটি হৈ
জীৱনৰ ৰৌদ্ৰোজ্জ্বল দুপৰীয়া,
হৃদয়ৰ নিৰ্জনতাক সংগোপনে চুমি
আহিছিলা সন্তৰ্পণে উতুংগ পাহাৰ বগাই
সেউজীয়া অৰণ্যকৰ
উমান-আদিম ঠিকনা বিচাৰি।
স্বৰলিপিত বন্দী হৈছিল জীৱনৰ অমৃত গান
হৃদয়ৰ প্ৰতি আছিল যেতিয়া হৃদয়ৰ টান
আজি জীৱনৰ আবেলিতো শুনো সেই
গৰখীয়া দুপৰীয়াৰ বাঁহীৰ সুৰ
অস্তাচলত যদিওবা অনেক ৰঙৰ অনামী আভা
নীড়মুখী অনেক পখীৰ
অনেক গান শুনা-নুশুনা চিনা-অচিনা
একেটাই বাঁহী, একেই গৰখীয়া
তথাপি সুৰটো যেন এতিয়া বেসুৰীয়া,
এনে লাগে হৃদয়-সেউজীয়া বিচাৰি
এই যেন নামি আহক
দুপৰীয়াৰ সুৰ তুলি গৰখীয়াৰ বাঁহী আৰু
ব'হাগৰ এক ৰৌদ্ৰোজ্জ্বল দুপৰীয়া...।

## আমাক ন্যায় লাগে

যুগ্ম জীৱনৰ আৰম্ভণিতেই
প্ৰতাৰিত, মই অভিমানী
ৰাজমাতা গান্ধাৰীয়ে কৈছোঁ
ধৰ্মৰ নীতি মানি
নৈতিকতা সাবটি
অন্ধত্বকে জীৱনৰ সাৰথি কৰি
মুক্ত হৃদয়েৰে মোৰ জ্ঞান বুদ্ধি
সমৰ্পণ কৰিছিলোঁ কৃষ্ণত।
প্ৰতিটো অন্যায় ৰোধৰ বাবে
মই চিৎকাৰ কৰিছিলোঁ
নুশুনিলে কোনেও ,
কোনে শুনিব
যুগে যুগে অৱহেলিত
নাৰী হৃদয়ৰ মৰ্ম বেদনা।
জাতি ধৰ্মৰ নামত
ভাই-ভাইৰ মাজত
মাথোঁ যুদ্ধ হিংসা আৰু ধ্বংস।
যুগে যুগে ভুগিছে
কেৱল নাৰী হৃদয়ে
মূল্যবোধৰ অৱক্ষয়ে
চৌদিশ আৱৰি আনিছে
হেজাৰ গান্ধাৰীৰ একত্ব চিঞৰেও
গলাব পৰা নাই পিশাচৰ হৃদয়
প্ৰতাৰিত, নিৰ্যাতিত অৱহেলিত
হেজাৰ গান্ধাৰী আজি ৰাজপথত
প্ৰাপ্য অধিকাৰ বিচাৰি
আমাক ন্যায় লাগে।

## কৰিস্মিতা বুঢ়াগোহাঁই

### সপোনৰ চৰাই

চতুর্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ
অ' মোৰ সপোনৰ চৰাই
তই উৰি নাযাবি!
তোক মই প্ৰলোভন নিদিওঁ
কোনেও কেতিয়াও ভাঙিব নোৱৰাকৈ
আশা দিম,
কেতিয়াও পাহৰিব নোৱৰাকৈ
মৰম দিম,
আৰু...
কেতিয়াও হেৰাই নোযোৱাৰ
প্ৰতিশ্ৰুতি দিম।

### মোৰ মন

উৰণীয়া মন মোৰ
উৰি গৈ চুব খোজে,
নীলিম বিস্তৃত আকাশখনি;
যিখনি আকাশ আছে
দূৰ-দিগন্ত বিয়পি।
লক্ষ্য হৈছে মোৰ উপনীত হোৱাৰ
য'ত আছে,
প্ৰকৃতিৰ নিৰ্জনতা
আৰু...
মানুহৰ সঁচা মানৱতা।

### আমাক ন্যায় লাগে

সৌৱা ফাগুন আকৌ ঘূৰি আহিছে
পুখুৰীৰ পাৰৰ তেজৰঙা শিমলুৱেও
ফাগুনৰ বতৰা আনিছে।
মজলীয়া আকাশখনত
হালিছে-জালিছে লঠঙা ফাগুন,
কঢ়িয়াই আনিছে
এজোলোঙা আশা।
সৌ দূৰণিত বাজি উঠিছে
প্ৰিয় শিল্পীৰ প্ৰিয় গীত,
সৰা পাতে পাতে ফাগুন নামে...
ফাগুনৰ বুকুতেই বিচাৰি পাওঁ
সৰাপাতৰ ঠিকনা,
শুকান সৰাপাতৰ বুকুত লিখোঁ
অব্যক্ত অনুভৱৰ হেজাৰ কবিতা।
ফাগুন, ফাগুন, ফাগুন...
চৌদিশে মাথোঁ সৰাপাতৰ নাচোন
ফাগুন আহিছে, বুকুত আৱেগে খুন্দিয়াইছে
ফাগুনৰ আগমনিত, বাঁহীৰ সু�ৰত
বিৰহী হৰিণীৰ হৃদয় ভাঙে।
মোৰ ফাগুন ৰঙা,
ঠিক ৰঙা মদাৰৰ দৰে!!!!

## দেৱজিত বৰগোহাঁইৰ কবিতা

### সৌন্দর্যময় অসম

সোণালী ৰঙেৰে ওলালে পূবৰ বেলিটি
জিলিকি উঠিলে অসমৰ পদুলি।
পাহাৰৰ মাজেৰে বৈছে লুইতখন
সাগৰত পৰিলেগৈ।
পর্বতৰ আঁৰতে জুৰিটি লুকাইছে
বতাহত হালিছে পাত।
বসন্তৰ বতৰত কুলিটি বিনালে
কপৌৰে মেলিলে ডালত পাহিটি।
ব'হাগৰ বিহুত নাটনি নাচিছে
ঢুলিয়াই বজাইছে ঢুল।
গ্ৰীষ্মৰ বতৰত আমৰ জুতি
বাৰিষাত খাওঁ কঁঠাল।
শৰতৰ নিশাটি জোনাকী ওলাইছে
বিলাইছে পোহৰৰ বাট।

কাজিৰঙাত আছে গঁড় এশিঙীয়া
ব্ৰহ্মপুত্ৰত আছে শিহু।
অসমত আছে চাহৰ বাগিচা
তাৰে সুবাদ ল'বলৈ আহিবা গধূলি।
শীতৰ কুঁৱলী পৰিছে বাটত
নেদেখা হৈছে জন।
পূবৰ বেলিটি মাৰ যায় পশ্চিম আকাশত
মৌন হৈ আহে ৰাতিৰ দুবৰি।

## মনৰ স্বাধীনতা

সৰুৰে পৰা শুনি আহিছো এটি শব্দ 'স্বাধীন',
পিছে কৰিব নোৱাৰিলোঁ মনটোক স্বাধীন।
স্বাধীন হৈয়ো কিন্তু লাগে সকলোবোৰ হেৰুৱা যেন
স্বাধীন হৈও হেৰাই যাব ধৰা সপোন।
দেশ স্বাধীন হোৱাৰ ৭৭ বছৰে
তথাপি আজি স্বাধীন নহ'ল মন।
দেশৰ সেই বীৰত্বৰ চাপ আৰু নপৰিল।
সংবিধানে দিলে মৌলিকতা।
পিচে সমাজে দিলে অস্পৃশ্যতা।
দেশ বিদেশীৰ পৰা মুক্ত হ'ল
পিছে স্বাৰ্থৰ পৰাহে মুক্ত নহ'ল।

# অভিজিৎ বুঢ়াগোহাঁইৰ কবিতা

## আত্মকন্দল

কাক ক'ম
কোনে শুনিব
কোন আছে
সকলো দেখোন ব্যস্ত।
কেতিয়াবা যেন চিঞৰি চিঞৰি
কান্দিবলৈ মন যায়।
কিন্তু...
কাৰ আগত
কোনে শুনিব
মোৰ মনৰ উন্মাদনা।
অশ্ৰু চকুত বান্ধি
আত্মকন্দলৰ হকে যুঁজিম বুলি
নিজক প্ৰস্তুত কৰো
তথাপিও
নিজৰ লগতে পৰাস্ত হওঁ
কিয় নাজানো।
হ'লেও
নিজক বুজাম, বুজিম
কিন্তু হেৰাই নাযাওঁ।

## মোৰ ভয়

ভয় নাই মোৰ মৃত্যুলৈ
ভয় নাই মোৰ ভূত-প্ৰেতলৈ
মোৰ ভয় মাথোঁ
মুখা পিন্ধা ভদ্ৰ লোকলৈ
মোৰ ভয় এনে এনে ভদ্ৰলোকে
কৰা অত্যাচাৰলৈ।
এই মুখা পিন্ধি কতজনে
কৰিছে অপৰাধ
কত জনে কাঢ়ি নিছে মাতৃৰ
আলসৰ লাৰু।
আৰু
কতজনে মাক-দেউতাকক
কৰিছে অত্যাচাৰ
মোৰ ভয় এনেহেন
ভদ্ৰ মুখা পিন্ধাক
মোৰ ভয় মানৰ হেন
মুখা পিন্ধা দানৱলৈ।

## পাহাৰ

সৌৱা চোৱা...
সেউজীয়া গছেৰে ভৰা,
অজস্ৰ চৰাই-চিৰিকটিৰে ভৰা
মাটি-শিলেৰে গঠিত পাহাৰ।
প্ৰকৃতিৰ সেই বিনন্দীয়া সৃষ্টি
বহু জাতি-জনজাতিৰ মিলন ভূমি।

পাহাৰৰ বুকুত ক'তজনে
লৈছে উশাহ
বৈ অহা নিজৰাই শিলৰ
লগত কৰা ধেমালি
কুলু কুলু ধেমালি যেন
মোৰ কাণত এতিয়াহে ভাঁহে।
নিজৰাৰ কুলু কুলু শব্দ কাণৰ
যেন আজি নাই
সি বৈ গ'ল কোনোবা ঠাইত।

## আস্থা গগৈৰ কবিতা

### মোৰ ল'ৰালিৰ গাঁওখনি

একাঁঠু একাঁঠু বোকাত
থুপি থুপি যোৱা
বাটটো আজি
আলিবাট হ'ল।

বাঁহনিৰ তলত শাক
বিচৰা সেই ঠাইবোৰ
আজি কংক্রিটৰ ঘৰ হ'ল।

পথাৰত বোকা মাটি লগাই
খেতি কৰি ভালপোৱা
মানুহৰ ঘৰৰ সন্মুখৰ
গোহালি ঘৰ নোহোৱা হ'ল।

টাংগুটি, কাবাদী, ৰবাব টেঙাৰ
বল খেলা পথাৰখন
আজি কাৰখানাৰ ধোঁৱাৰে
আৱৰি ধৰা হ'ল।

মোৰ ল'ৰালিৰ গাঁওখন
যান্ত্রিকতাৰ মেৰপাকত
উটি-ভাহি গ'ল।

সেয়ে চিঞৰি চিঞৰি
ক'বলৈ মন যায়
এয়াই আধুনিকতা
এয়াই প্রগতি।

### শব্দৰ অন্বেষণ

মোৰ মন ফুলনিত
ক্ষণ-প্রতিক্ষণে
কল্পনাই বুকুত ফুলাই
এপাহি শেৱালি।
কলমটোৰে
ভোকতে কলমলাই
শব্দ বিচাৰিলে
শব্দৰ সাগৰখনি পায়।
হৃদয়ত বিচাৰিলে
সঁচাকৈয়ে বিচাৰি পাওঁ
শব্দৰ উৰ্বৰ পথাৰত
ৰণুৱা ঘোঁৰাৰ আশ্বাস।
হৃদয়েৰে বিচাৰিলে
সঁচাকৈয়ে বিচাৰি পাওঁ
কবিতাৰ অৱস্থিতি
শব্দৰ ফুলনি বাগিচাত।

মানুহ শব্দই
বাট বোলে জীৱনৰ
হ্রস্ব-দীর্ঘ পথ
মৌনতাৰে সাবটি
অতীত, বর্তমান আৰু ভৱিষ্যৎ।
ময়ো কৃতজ্ঞ সদায়
প্রতিডাল শব্দমালাত
শব্দৰ অবিহনে বিচাৰি নাপাওঁ
যাচিবলৈ একো প্রতিদান।



## নিয়ৰ


**প্ৰভাত বুঢ়াগোহাঁই**

প্ৰকৃতিৰ নবীন কন্যা হৈ
আহিলা ধৰালৈ
ধৰিত্ৰীক এলাগী কৰি
নাযাবা দূৰলৈ।
সেউজীয়া বননিত তোমাৰ দলিচা
এনে লাগে যেন সেয়া
তলসৰা মুকুতা।
পুৱা-গধূলি সৰে তোমাৰ টোপাল
সৰি সৰি মোৰ মন কৰাহি জীপাল।
তোমাৰ জিলিকনিত হয় ধৰিত্ৰী ধুনীয়া
এক মনোমোহা দৃশ্য সৌন্দৰ্য বিনন্দীয়া।
বননিৰ ওপৰত তোমাক এনে লাগে যেন
প্ৰকৃতিৰ এখনি বগা চাদৰ
বেলিৰ পৰশ পালেই হোৱা
ধৰাৰ পৰা আঁতৰ।
আহিবা আকৌ পুৱতিনিশা,
মোৰ হৃদয়ত জগাই তুলিবা
এক নবীন আশা...।

## বন্দী পখীৰ ডেউকাৰ কোবনি

**মনজিত গগৈ**


মনৰ সজাত বন্দী পখীৰ
ডেউকাৰ কোবনি,
ডেউকাৰ কোবনিৰ চিপচিপিয়া বেদনা
হৃদয়ৰ মাজত কঁপি উঠে।
তুমি কেতিয়াবা শুনিছানে?
হেঙুলীয়া আকাশে মাতিছে তাইক
'আহা, উৰা, তুমি স্বাধীন!'
জানো, তাই উৰিব পাৰে,
আকাশে জানে, বতাহে জানে,
কিন্তু বন্দী সেই ভয়ৰ জালত
নিজেই নিজৰ সীমা টানে।
হৃদয়ৰ গহীন সন্ধ্যাত,
তাই থমকি ৰয় ভাবনাৰ জঞ্জালত।
উৰাৰ ইচ্ছা উজাগৰেই থাকিব
তেতিয়া ডেউকাবোৰো হাঁহিবলৈ শিকিব।
সপোন ডেউকাতেই জন্ম লয়,
যি মনৰ বন্দী,
সি ডেউকা থাকিও পখী নহয়,
যি সাহসেৰে মনৰ সজা ভাঙিব
সি নিজেই উপন্যাস হ'ব।



# বৃষ্টিমায়া

**প্রার্থনা বুঢ়াগোহাঁই**

বৰষুণ তুমি যেন আহিলেই সেমেকি
থকা মনটো সজীৱ হৈ উঠে।
'টোপাল' তুমি মেঘৰ পৰা মেঘালি হৈ বৈ আহিলেই
মোৰ লগতে পৃথিৱীৰ সকলো সেউজীয়া জী উঠে।
খেতিয়কসকলে খেতিৰ দিনত বৰষুণ তোমাৰ বাবে
অপেক্ষা কৰে তুমি জানানে?
বৰষুণ তুমি আহাচোন কাৰোবাৰ
মুখত হাঁহি বিৰিঙাবলৈ।
বৰষুণ তোমাক আমি ভালপাওঁ বাবেই
তুমি কেতিয়াবা অভিমান কৰা নেকি?
যাৰ বাবে দ' দাঁতি-কাষৰীয়া অঞ্চলবোৰৰ
লগতে গুৱাহাটীৰ নিচিনা মহানগৰীত
বানপানী সৃষ্টি কৰা।
এই শুকান পৃথিৱীত তুমি আহিলেই জীপাল হ'ব।
ধূলিকণাময় পৃথিৱীত বৰষুণ তোমাক অতিকৈ প্রয়োজন।
আহাচোন তুমি আমাৰ মাজলৈ সুখৰ কাৰণ হোৱাচোন।



# ফাগুনৰ চেঁচা বতাহজাক


**স্মৃতা গগৈ**


ফাগুনৰ চেঁচা বতাহ জাক
যেতিয়া শৰীৰত
লুকা-ভাকু খেলে,
তেতিয়া ধৰা দিয়ে
তোমাৰ দৃশ্যহীনতাই
মোৰ কুমলীয়া ভাৱনাত।
ৰিৱ্‌ৰিৱ্ ফাগুনৰ
আঁৰে আঁৰে যেন
তুমি অহাৰ বাতৰি দিয়ে
ফাগুনৰ মলয়া
বতাহজাক হৈ।
তোমাৰ দৃশ্যহীনতাই মোক
বাৰে বাৰে আমনি কৰে,
দিঠকত তোমাৰ মাথোঁ
এটি দৃশ্যৰ বাবে,
কিন্তু তুমি ছাঁয়া হৈ আহা
মাথোঁ ফাগুনৰ চেঁচা
বতাহ জাক হৈ।।

# নিৰিবিলি নির্জন মাজনিশা

**পল্লৱী সোনোৱাল**

নিস্তব্ধ গভীৰ মাজ নিশাত
তোমাৰ মিচিকিয়া মিঠা হাঁহিটিয়ে
বাৰে বাৰে মোৰ টোপনি
কাঢ়ি নিব খোজে জানা...
সেই যে দিনৰ ভাগত
পাৰ কৰি অহা লঘু পৰিহাসময়
আলফুল সময়কণৰ স্মৃতিৰাজিয়ে
মোক খুব মৌনভাৱে আসক্ত কৰিছে
মই নজনাকৈয়ে...
মাজ নিশাৰ নিশ্চুপ সময়কণত
তোমাক পোৱাৰ দুর্বাৰ হেঁপাহকণে
মোক বৰ সক্রিয়তাৰে বান্ধি ৰাখিছে অ'
তোমাৰ মৰমৰ এনাজৰীডালে।
উন্মুক্ত মন আৰু শব্দবিহীন
জীপাল নিৰৱতাৰে সিক্ত নিশাৰ
সেই সময়কণক নিজৰ মনটিক
প্রশান্তিৰে ধৰি ৰাখিবলৈ বাৰে বাৰে
যত্ন কৰিও বিফল হৈছোঁ।
মই নোৱাৰিছোঁ নিজক ক্ষান্ত ৰাখিবলৈ
আৰু সেয়েহে হৈ পৰিছোঁ, ফাগুন মাহৰ
পছোৱা বতাহে উৰুৱাই নিয়া মুক্ত
ঠিকনাবিহীন উন্মুক্ত চিলাখনৰ দৰেই...





# জীৱনৰ অন্তিম বেলা

**জ্যোতিৰাজ গগৈ**

জীৱনৰ অন্তিম বেলিটো যেন
ওলাইছে লাহে লাহে,
ৰং সানি দিলে আকাশত
দিনটোৰ শেষ গীত গাই।
আইৰ মৰম আৰু পিতৃৰ মর্যাদা
কতবোৰ দিন সুঁৱৰি।
লাহে লাহে ধল নামিছে
শৰীৰ ভাগৰি পৰিছে,
হাঁহি-কান্দোন সুখ-দুখেৰে
জীৱনৰ তৰণী বৈছে।
এই শেষ বেলাৰ শান্ত লগনৰ
প্রকৃতিয়ে কৰে আহ্বান।
বুকুপাতি ল'ব আঁকোৱালি
মমতাৰ কোমল ছাঁ।
শেষ নিশ্বাসত যেন ওলাব
এটি মিঠা হাঁহি,
বিচাৰে সকলোৰে জীৱনত
শান্তিৰ এটি সুখানুভূতি।



# The talking leaf

**Josephin perme**

In a small garden, a young boy named
Aarav noticed a strange thing– a leaf
seemed to wave at him every moring
One day, he whispered, 'why do you move so much?'
The Leaf replied softly, 'I'am making food for the whole pnalt! when the sun shines,
I take in sunlighr, air, and water to prepare food without me, the plant cannot live'.
Aarav was amazed 'so your like the plant's kitchen?'
The leaf alughed, yes! and every leaf, flower and root has its own special joy. together, we keep the plant alive.'
From that they on, Aarov threated every plant like a friend-watering them, protecting, and telling others,
'leaves aren't just green.... they are life itself!'
Moral : Plant give us life– let's give them care

হিন্দী কবিতা

## डॉ दीपेन्द्र कुमार खनाल

### चाहत

यह दिल चाहता है तुझसे जुदा न होना
यह धड़कन चाहता है तेरे पास ही रहना।
यह हवा क्या, यह फिजां क्या तेरे बिन यह समा क्या।
जिन्दगी मेरी बसी है, तु और तुझ मे
तेरे बिन यहा जहाँ क्या, आशमान क्या
अब तुही बसी है मै और मुझ मे
तेरे बिन जिना क्या, मरना क्या।

### सिद्धान्त

किसीको दर्द देनेका कोइ इरादा न था
पर लक्ष हमारे एसे थे, कि दुसरा चारा न था
चाहत तो हमारी भी थी, सबसे दोस्ती करने को
मगर बात उसुलो की थी, सर न झुकाने की
दुशमनी करने की भी चाहत न थी।
मगर समझोता करने की भी आदत न ती।

টাই কবিতা

**সংগ্রহ ঃ সম্পাদক**

# Ajyo[qlw

AWemamrnqlwer]er]
kas[qbnqrEnqyUer]er]a
Ajyo[qlJNyo[qxOh;;;
lwer]er]aa
xcnqxwrj,xcnqxwnah;;;
lwer]er]aa
AWemamrnqlwer]er]
carUrj,cwrUna,
cadUrjcadUna
Awlwer]er]
AjebaxUrafUxEw
[lebaxUrafUN]
Awlwer]er]aa
ehasu[qxUra,ebacbwxUra
Lkqmmqamatdkqamarnq
Awlwer]er]aa
n[qsls],n[qrj,n[qcw
Awlwer]er]aa
mE[q]mE[qVkrqm[q
Awlwer]er]aa

## আই-জং লাও

ঐ মৰান লাও ৰে ৰে
কা- ছাং বান ৰীন জু ৰে ৰে।
আই-জং-লাও ঙী-জং খাম ঐ
লাও ৰে ৰে।
খন-খাও-ৰাই, খন খাও না ঐ
লাও ৰে ৰে।
ঐ মৰান লাও ৰে ৰে
চা-ৰূ-ৰাই, চাও ৰূ-না,
চা দু ৰাই চা দু না
ঐ লাও ৰে ৰে।
আই-ব-খুৰা ফু-খু
ঙী-ব-খুৰা ফু-নাউ
ঐ লাও ৰে ৰে।
হ-চুং-খুৰা, বদৌ-খুৰা,
লুক মান মটক-মৰাণ
ঐ লাও ৰে ৰে।
নাং-ছি-ছাউ, নাং-ৰাই, নাং-চাও
ঐ লাও ৰে ৰে।
মৌঙ্-তাউ মৌঙ্-তাম, খন-মিং
ঐ লাও ৰে ৰে।

## আই- জং লাও

**অনু ঃ মেদিনী মাধৰ মহন**

অই, মৰাণ এচলীয়া চৈ
ক'ত দিন থাক তঙী ঘৰত ৰৈ
আহু কুবেৰ, শালি কুবেৰ ঐ
এচলীয়া চৈ
আহু ধানৰ আয়ু, শালি ধানৰ আয়ু ঐ
এচলীয়া চৈ
অই, মৰাণ এচলীয়া চৈ
আহু ধানৰ গৰাকী, শালী ধানৰ গৰাকী
আহু ধানৰ ৰক্ষক, শালী ধানৰ ৰক্ষক ঐ
এচলীয়া চৈ
আই ব খু ৰা (জ্যেষ্ঠজন) ডাঙৰ
ঙী ব খু ৰা (কনিষ্ঠজন) মহান
এচলীয়া চৈ
কেঁচাইখাতী, গোসাঁনী
এচলীয়া চৈ
তলৰ দেশ, চাপৰ দেশ আয়ু তোলোঁ
এচলীয়া চৈ
অই, মৰাণ এচলীয়া চৈ।



দেউৰী কবিতা

## চুৰুচিকুটি (ল'ৰালি)

**ৰবিতা দেউৰী**


দাচা যে চহ' কুদু'ই
যাৰ চুৰুকিচুটিয়কলি না
কেসামা নিসা চাগে
অয়কে বসায়ে ঘূৰিল কিয়ন্দে
চহ' কুদু'ই যিযিয় আতাহ দুদুংনা
সাধু কিনাট'না মুগাদুবানা
হে' কুদু'ই সমনীয়াচন অজুবা
আস ছিটি যাকংনা হাবা
দুকুৰাহ দিজুবা
য়য় না ইচায়াচা অজকুন ই কিয়বা
য়জেংনা য়ুজেংনা কবহ
য়য় গলি লাদুংনা কুচিৰি লগা যেনবো
বাকানা দাচা যে চহ' কুদু'লি
নিমায়সে যও বাকানি দিন ননা
আয়কে ঘূৰানা।

## KUMRI

**Senidhor Kaman**

Lu : JARSOK NGOK dunkho okumsok
rutumke dungko ke:di isi: Do
pettang asumko
kowung Ao pirpi:Ko Dubola
Me:PO-menganna dung
piag dirnyiko
Yabgo moge:miloi ka:begdag tadbegda
piag maikdo tani:Asin agomen
Tani:Ayang agomem
Mo:Te:Pe du:ne Na:Nebi yumdi-ro:dem
me:dir saggem gidag
songo ko:ni:ne neng akoiok yaloko
lo:dipe ka:begdag
kala:tadla su:pag ngo kinsudag
yabgo moge:la rokompe kabegnam
mo:disok yalode
ma;nyingempe ka:pomang
do:lu:khe gigela
lu:jarro okumbomna du:ne
mine-mijing kiding
le;koda gilatkuwam
manyingem kadag
empige:la akolope eiyekun?
ayir kungke:lo tedgelasiyum-siro
ngo:sin kila du:do po:lo-longnegn
peso pesola
yabgo moge miloi
ka:begdag tadbegdag
piag amigdo
tani:asin agomem
tani;anyang agomen

মিচিং কবিতা



নেপালী কবিতা

## प्रिय

### कृष्णमाया निरौला

मन भित्रको एकान्त कुनामा
निमिलाई राखेको छु
अरू कसैले लान्छे की भनी
मायाले ढारेरो छु।
थाहा छ मलाई तिमी को साची आखको छ्यौ
मेना कुरा सनी-सनी तिमी भाकेको छ्यौ
बन्छेउ होला याद गदैनौं भनेर
तर जब एकान्तमा वरुछ तिमालाई सोची रख्छ
समय पाएको छन तिमीसग बोल्जे
कोशिश गरी राखेको छ सबै कुरां भुल्ने
तिमालाई दुख: परी रहेको होता
सायद तबे साथ कोही न होता
लेकिन,
जब तिमि दुखी हुने छ्यौ
साथ मा मलाई पाउने छ्यौ
प्रतीक्षा को पले कलाउन गारो छ
तिमी बिनाको जिन्दगी निकैनै सारो छ

## গুলাম হোইনউ

### ডাঁ দীপেন্দ্র কুমার খনাল

গুলাম হোইনউ হামী
কুনৈ পনি দল র সরকারকা

হাম্রো পনি বরাবর অধিকার
ছ যহাঁ সংবিধান লে  দিএকা

ডরাউনু র হাথ জোড়নু
পদৈন হামী লে যহাঁ কসৈকা

তৈল মর্দন র খুট্টা পনি
সমাতনু পর্দৈন হামীলে কসৈকা

ভারতীয় সংবিধান লে দিএকা
হক র অধিকার ছন হাম্রা
পনি  বরাবরকা
হামী বীর গোর্খা হৌঁ, গুলাম
হোইনউ কসৈকা

কথোপকথন

সাক্ষাৎকাৰ

# পুৰণি শদিয়া আৰু ভগৱতী শর্মা ঃ ঐতিহ্য অনুসন্ধান


**সাক্ষাৎ গ্রহণকাৰী ঃ ৰবিতা সোণোৱাল**

**সহযোগী ঃ ড° দীপেন্দ্র কুমাৰ খনাল, এলিনা শইকীয়া**



*ভগৱতী প্রসাদ শর্মাৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২৭ জুন তাৰিখে পুৰণি শদিয়া (বর্তমানৰ জিৰ' পইণ্ট)ত। বর্তমান ৯৩ বছৰত ভৰি দিয়া শর্মাদেৱ মাৰোৱাৰী সম্প্রদায়ৰ এজন লোক। পুৰণি শদিয়াৰ ব্যৱসায়িক ক্ষেত্রখনৰ এগৰাকী অগ্রণী ব্যক্তি শর্মাদেৱে শিক্ষা, গ্রামোন্নয়ন, স্বাস্থ্য আদি শদিয়াৰ সামাজিক-সাংস্কৃতিক ক্ষেত্রখনত সক্রিয় অৱদান অনস্বীকার্য। ডেকাকালত এগৰাকী সফল ব্যৱসায়ী হোৱাৰ সমান্তৰালভাৱে তেওঁৰ ভ্রমণ আৰু ফটোগ্রাফীৰ বিৰাট চখ আছিল। সেইসূত্রে তেখেতৰ ফটোগ্রাফীৰে সংগৃহীত হৈ আছে পুৰণি শদিয়াৰ ঐতিহ্য। বৰভূইঁকপৰ পূর্বৰ পুৰণি শদিয়াৰ লগত বর্তমানৰ শদিয়াৰ যি পট পৰিৱর্তন সেয়া সংৰক্ষিত হৈ আছে তেখেতৰ ফটো সংগ্রহত। এই কথোপকথনত মূলতঃ শদিয়াৰ ঐতিহ্যক শর্মাদেৱৰ অভিজ্ঞতাৰে অনুসন্ধানৰ প্রয়াস কৰা হৈছে।*


**ৰঃ সোঃ ঃ আপোনালোকৰ পৰিয়ালটো অসমলৈ অহাৰ পাছত শদিয়াত আহি কেনে ধৰনেৰে ব্যৱসায় আৰম্ভ কৰিছিল ?**

ভঃ শঃ ঃ মোৰ ককাদেউতাৰ দিনতে আমাৰ পৰিয়ালে ৰাজস্থান এৰি অসমত প্রৱেশ কৰিছিল। মোৰ ককাদেউতা ২০ বছৰ বয়সতে অসমলৈ আহিছিল। মোৰ জন্ম পুৰণি শদিয়াতে হৈছিল। মোৰ দেউতাই পুৰণি শদিয়াতে পেট্র'ল পাম্পত চাকৰি কৰিছিল। এই চাকৰি কৰিয়েই প্রথমে আলুৰ ব্যৱসায় আৰম্ভ কৰিলে তাৰ পিছত মিঠাই ব্যৱসায় আৰম্ভ কৰিলে। দুর্গা পূজাৰ দেৱী বিসর্জনৰ সময়ত মোৰ দেউতাই নদীৰ কাষত মিঠাই বিক্রী কৰিছিল। ব্যৱসায় ইমান ভালদৰে চলিছিল যে এটা মিঠায়ো ঘৰলৈ ঘূৰি অহা নাছিল।





**বঃ সোঃ** ঃ **পুৰণি শদিয়াৰ ব্যৱসায়ৰ বিষয়ে আপুনি কি ক'ব ?**

ভঃ শঃ ঃ মোৰ ককাৰো জন্ম পুৰণি শদিয়াতে হৈছিল। আচলতে ক'বলৈ গ'লে ব্যৱসায়ৰ গোটেই ব্যৱস্থাটো আমাৰ পৰিয়ালটোৰ পৰাই পুৰণি শদিয়াত আৰম্ভ হৈছিল। ১৯৬১ত মই ব্যৱসায়ত সোমাইছিলো।

**বঃ সোঃ** ঃ **পুৰণি শদিয়াৰ প্রশাসনিক ব্যৱস্থা কোনে চলাইছিল।**

উত্তৰ ঃ পুৰণি শদিয়াত APO (Assistant Politicala Officer)য়ে অঞ্চলটো চলাইছিল। সেই সময়ত SDO নাছিল। DC থাকে ডিব্রুগড়ত। APOয়ে ধলাৰ পৰা শদিয়ালৈ কাম-কাজ চলাইছিল। তদুপৰি অৰুণাচল নামকৰণ হোৱাৰ আগলৈকে (১৯৫৯) APOয়ে NEFAৰ কাম-কাজ কৰিছিল। মুঠতে সেই সময়ছোৱাত এটা অঞ্চলৰ সম্পূর্ণ দায়িত্ব APOৰ হাতত আছিল। APO জন শক্তিশালী আছিল। সেই সময়ত দোকান-বজাৰৰ পৰা চান্দা তোলা হৈছিল আৰু সেইটো সময়ৰ ট্রেজাৰৰ (বিত্ত বিষয়া) মই আছিলো।

**বঃ সোঃ** ঃ **পুৰণি শদিয়াৰ শিক্ষা ব্যৱস্থা কেনে আছিল ? আপুনি স্কুললৈ গৈছিল নে ? সেই সময়ত শিক্ষাৰ ক্ষেত্রত কেনে ধৰণৰ সমস্যাই দেখা দিছিল ?**

ভঃ শঃ ঃ মই পঢ়ি থকা অৱস্থাত দ্বিতীয় বিশ্বযুদ্ধ হোৱাৰ বাবে পঢ়া আধাতে সামৰিবলগা হ'ল। মই দ্বিতীয় বিশ্বযুদ্ধ দেখিছিলো। পুৰণি শদিয়াত ৰামলাল হিন্দী স্কুল এখন আছিল। স্কুলখনত বাহিৰৰ শিক্ষক আছিল। দ্বিতীয় মহাসমৰৰ বাবে সকলো গুচি গ'ল আৰু স্কুল বন্ধ হৈ গ'ল। মই আকৌ অসমীয়া স্কুলত প্রথমমানলৈকে পঢ়িলো। তাৰ পিছত শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়িলো। পুৰণি শদিয়াৰ সময়ত এই স্কুলখন কেৱল উচ্চ মাধ্যমিক বিদ্যালয়হে আছিল। এইখন স্কুলতে মই অষ্টম মালৈকে পঢ়িলো।

এই সময়ছোৱাত কিছুমান সমস্যাই দেখা দিছিল। যাৰ বাবে বিভিন্ন জাতিৰ লোকে শদিয়া এৰি গুচি গৈছিল। ১৯৫১ চনত মই ডিব্রুগড়ৰ পৰা বিয়া পাতিলো।

**বঃ সোঃ ঃ পুৰণি শদিয়ালৈ শিক্ষা মন্ত্রী ইন্দিৰা মিৰি কেতিয়া আহিছিল আৰু লগত কোন কোন আহিছিল?**

ভঃ শঃ ঃ ১৯৪৭ চনত পুৰণি শদিয়ালৈ শিক্ষা মন্ত্রী ইন্দিৰা মিৰি আৰু তেওঁৰ পুত্রৰ লগতে ভায়েক আহিছিল।

**বঃ সোঃ ঃ শদিয়া মহাবিদ্যালয়খনৰ বিষয়ে আপুনি কি ক'ব?**

ভঃ শঃ ঃ শদিয়া মহাবিদ্যালয়খনৰ বাবেও বহুত কাম কৰিলো। মোৰ ল'ৰা-ছোৱালী, নাতি-নাতিনী সকলোৱে এইখন মহাবিদ্যালয়ত পঢ়িছিল। কলেজৰ অফিচৰ মানুহবোৰৰ স'তেও মোৰ ভাল সম্পর্ক আছিল। আচলতে যিকোনো কামতে মই কেতিয়াও পিছলৈ চাবলৈ নিশিকিলো। সদায় আগবাঢ়িহে গৈ থাকিলো। মোক সাক্ষাৎ কৰিবলৈ দিল্লীৰ পৰাও মানুহ আহিছিল। এতিয়া ভগৱানক মই এটাই প্রার্থনা কৰো যে আৰামত, সুখ-শান্তিৰে জীৱনটো চলি যাওক।

**বঃ সোঃ ঃ শদিয়া মহাবিদ্যালয়খন প্রতিষ্ঠাৰ সময়ত আপুনিও আছিলনে?**

ভঃ শঃ ঃ শদিয়া মহাবিদ্যালয়খন স্থাপন কৰাৰ সময়ত আমি বহুকেইজন লোক আছিলো। আমাৰ একোখন সমিতি আছিল। পুৰণা সকলোবোৰ প্রফেছৰৰ এতিয়া অৱসৰ হৈ গ'ল।

**বঃ সোঃ ঃ পুৰণি শদিয়াৰ সীমা ব্যৱস্থা কেনে ধৰণৰ আছিল?**

ভঃ শঃ ঃ পুৰণি শদিয়াৰ সময়ত NEFA মাৰ্ঘেৰিটাৰ পৰা অৰুণাচল প্রদেশলৈ লৈ গৈছিল। অৰুণাচল ৰাজ্য হিচাপে স্বীকৃতি পোৱাৰ সময়ছোৱাৰ পৰা বর্তমানলৈ সীমা একেস্থানতে আছে।

**বঃ সোঃ ঃ পুৰণি শদিয়াত আর্মী কেম্পৰ ব্যৱস্থা আছিল নে?**

ভঃ শঃ ঃ পুৰণি শদিয়াত আর্মী কেম্পটো বহুত ডাঙৰ আছিল আৰু কমাণ্ডেণ্টৰ বাংলোও বহুত ডাঙৰ আছিল। সেই সময়ত ছিকিউৰিটি বহু বেছিকৈ আছিল।

**বঃ সোঃ ঃ পুৰণি শদিয়াত আছাম ৰাইফলছ থকাৰ কাৰণটো জনাব পাৰিব নেকি?**

ভঃ শঃ ঃ পুৰণি শদিয়াত আছাম ৰাইফলছ থকাৰ কাৰণটো আছিল যিহেতু পুৰণি শদিয়া জনজাতীয় লোকসকলৰ অঞ্চল। গতিকে আছাম ৰাইফলছ সৈনিকসকলে অৰুণাচল প্রদেশৰ লগত হোৱা পুৰণি শদিয়াৰ সংঘর্ষ নির্মূল কৰিবৰ বাবে বসতি স্থাপন কৰিছিল।

**বঃ সোঃ ঃ ১৯৫০ চনৰ ভূমিকম্পই পুৰণি শদিয়াত কি প্রভাৱ পেলাইছিল আৰু ভূমিকম্পৰ আগৰ শদিয়াখনত কি কি আছিল?**

ভঃ শঃ ঃ ১৯৫০ চনৰ ভূমিকম্পৰ ফলত পুৰণি শদিয়া চূর্ণ-বিচূর্ণ হৈ পৰিল। সকলোবোৰ মানুহ প্রায় শদিয়া এৰি যাবলৈ ল'লে। ভূমিকম্পৰ আগত পুৰণি শদিয়াত ৰে'লৱে ষ্টেচন, বিমানবন্দৰ আদি সকলোৰে ব্যৱস্থা আছিল। ১৯৫০ চনৰ ভূমিকম্পই পুৰণি শদিয়াখনক ধ্বংস কৰি পেলালে।

**বঃ সোঃ ঃ আপোনাক অশেষ ধন্যবাদ**

# ।। উৎকর্ষ ঃ দক্ষতা বিকাশ কোষৰ 'আমাৰ কথকতা'ৰ পৰা নির্বাচিত।।

## ।। অর্থনীতি বিভাগ।।

### গিগ অর্থনীতি ঃ আধুনিক ডিজিটেল অর্থনীতি

আধুনিক এনড্রয়ড ম'বাইলটোত আমি সেৱা তথা সুবিধাবোৰ গ্রহণ কৰি আছোঁ। সাধাৰণ অর্থত গিগ অর্থনীতিত পঞ্জীয়নকৃত শ্রমিকসকলেই হৈছে গিগ শ্রমিক আৰু ইয়াৰ পৰাই উৎপত্তি হৈছে গিগ অর্থনীতি। গিগ অর্থনীতিৰ মূল আধাৰ হ'ল ডিজিটেল প্লেটফর্ম তথা অনলাইন বাণিজ্য, যি প্লেটফর্মসমূহে কাম বিচৰা মানুহ আৰু কাম প্রদান কৰা ব্যৱসায়িক প্রতিষ্ঠান এটা মধ্যস্থতাকাৰী প্লেটফর্ম হিচাপে সংযোগ ঘটায়। ইয়াত কেইবাটাও পার্টি যুক্ত হৈ আছে। যেনে— ম'বাইলৰ এপ, দ্রব্য আৰু সেৱাসমূহৰ উৎপাদন প্রতিষ্ঠান আৰু দ্রব্য বা সেৱাসমূহৰ যোগান ধৰা শ্রমিকসকল।

গিগ অর্থনীতিৰ ভিতৰত বিভিন্নধৰণৰ কাম-কাজ বিশেষকৈ দৈনন্দিন মজুৰি অর্জনকাৰী, ফুড ডেলিভাৰী, টেক্সি বা কেব চালক, ঘৰৰ কাম, অনলাইন শিক্ষা প্রদান, সম্পাদনা, অনুবাদ, সৃষ্টিশীলতা, তথ্য-প্রযুক্তি, বিপণন ইত্যাদি। ইয়াৰ ভিতৰত অতি জনপ্রিয় প্লেটফর্মসমূহ Uber, Ola, Swiggy, Zamatoৰ উপৰি Fiverr, Upwork, Freelancer আদি। এই ব্যৱস্থাত যিসকল লোকে কাম কৰে তেওঁলোককে 'Gig worker' বুলি কোৱা হয়।

ক'ভিড-১৯ মহামাৰীৰ পিচত বর্তমান বিশ্বৰ অর্থনীতিক গিগ অর্থনীতিয়ে এই পৰিৱর্তনক অধিক শক্তিশালী কৰি তুলিছে। এই ব্যৱস্থাৰ সুবিধা হৈছে সময় আৰু স্থানৰ স্বাধীনতা। গিগ কর্মচাৰীয়ে নিজৰ ইচ্ছামতে কামৰ সময় বাছি ল'ব পাৰে, ইয়াৰ বাবে কোনো বাসস্থান অথবা কাৰখানাৰ প্রয়োজন নাই। এনে কামবোৰ ঘৰত বহি নিজৰ লেপটপ বা ম'বাইলৰ সহায়তো কৰিব পাৰি। যিসকল ব্যক্তি বিভিন্ন সমস্যাৰে জর্জৰিত তেওঁলোকৰ বাবে গিগ অর্থনীতিয়ে এক নতুন আশাৰ বাট দেখুৱাইছে। ইয়াৰ ফলত শিক্ষিত সাৰুৱা ব্যক্তি, ছাত্র, অৱসৰপ্রাপ্ত জ্যেষ্ঠ লোকে আয় উপার্জন কৰিব পৰা হৈছে।

গিগ অর্থনীতিয়ে দেশসমূহত ক্ষীপ্রগতিত বিস্তাৰ লাভ কৰিছে। ভাৰতত বর্তমান সময়ত যথেষ্ট সংখ্যক তথ্য প্রযুক্তি শিক্ষিত, মেধা আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতী আছে। এইসকলে বর্তমান সময়ৰ নতুন তথ্য আৰু প্রযুক্তি কৌশলৰ লগত পৰিচিত। গিগ অর্থনীতিৰ প্রসাৰে সমাজত কিছু দিশত নতুন পৰিৱর্তন আনিছে। চাকৰি মানেই পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ অফিচ বুলি যি ধাৰণা আছিল, সেই ধাৰণা ইয়াত নাই। যুৱ প্রজন্মৰ অধিকাংশই এতিয়া স্থায়ী চাকৰিতকৈ উদ্যমী মনোভাব লৈছে। সেইবাবেই বর্তমান সময়ত স্বতন্ত্র বা স্বাধীন কর্মী, ক্রিয়েটৰ, ইনফ্লুৱেন্সাৰ আদিৰ সংখ্যা দিনক দিনে বাঢ়িছে। কৃত্রিম বুদ্ধিমত্তাৰ আৱিষ্কাৰে এই সম্ভাটোক আৰু নতুনত্ব প্রদান কৰিছে। কৃত্রিম বুদ্ধিমত্তা (AI) ব্যৱহাৰৰ জৰিয়তে গিগ অর্থনীতিৰ ক্ষেত্রখনৰো পৰিসৰ বৃদ্ধি পোৱাৰ লগতে সেৱাৰ উপলব্ধতা দ্রুতগামী হৈছে। বর্তমান Freelance Data Analyst, Remote, Software Tester, Virtual Event Manager, AI Prompt Engineer আদি নতুন নতুন গিগ পদৰ সৃষ্টি হৈছে।

অসমত শিক্ষিত কিন্তু স্থায়ী কর্মসংস্থাপন নোপোৱা বহু লোকে নিজকে বিভিন্ন কামত অন্তর্ভুক্ত কৰিব পাৰে। বহুত ছাত্র-ছাত্রীয়ে Fiverr, Freelancer আদি প্লেটফর্মত অনুবাদ, কণ্টেণ্ট ৰাইটিং, ডিজাইন, ভিডিঅ' সম্পাদনাৰ কাম কৰিছে। ইয়াৰ লগতে অসমৰ চিৰা-পিঠা, কে'ক, মিঠাই, আচাৰ, হস্তশিল্প আৰু ৰেচম শিল্প আদি ক্ষুদ্র উদ্যোগসমূহেও অনলাইন প্লেটফর্মৰ সহায়ত গিগ অর্থনীতিত প্রৱেশ কৰিছে। ৰাজ্যখনত Food Delivery App, Local Services App ইত্যাদিৰ সৃষ্টি হৈছে আৰু এইবোৰে মানুহৰ মাজত যথেষ্ট জনপ্রিয়তা লাভ কৰিছে।

গিগ অর্থনীতিত সামাজিক নিৰাপত্তা আৰু সঠিক পৰিশোধনৰ দৰে ডাঙৰ সমস্যাও আছে। বহু গিগ কর্মচাৰীয়ে উপযুক্ত পা�ৰিশ্রমিক নাপায়। লগতে বহু ক্ষেত্রত Data Privacyৰো সমস্যাই দেখা দিয়ে। Fiverr, Upwork, Ola,

Uber আদি প্লেটফর্মে যি ব্যক্তিগত তথ্য সংগ্রহ কৰে, তাৰ অপব্যৱহাৰৰ আশংকাও থাকে। আনহাতে গিগ অর্থনীতিৰ এক ডাঙৰ সমস্যা হৈছে শ্রমিকৰ সুৰক্ষা আৰু নিশ্চয়তাৰ অভাৱ। গিগ কর্মচাৰীসকলে স্থায়ী কর্মচাৰীৰ দৰে পেন্সন, চিকিৎসা বীমা, নিবনুৱা ভাট্টা, ছুটী আদিৰ সুবিধা নাপায়। এইসকলৰ কামৰ নিশ্চয়তা কম, কেতিয়াবা তেওঁলোকৰ কাম থাকিব পাৰে, নাথাকিবও পাৰে। ফলত আয় আহৰণ অনিশ্চিত। এইবোৰৰ কাৰণেই বহু গিগ কর্মচাৰীয়ে বিভিন্ন সমস্যাৰ সন্মুখীন হয়।

শেষ ক'ব পাৰি যে গিগ অর্থনীতি আধুনিক সময়ৰ এক নতুন উদ্যমমূলক আৰু স্থায়ী কর্মসংস্থাপনৰ পৰৱর্তী ৰূপ। ইয়াৰ সুবিধা যথেষ্ট, সমস্যাও অলেখ। ইয়াৰ বাবে Skill Development, Digital Literacy, Startup আন্তঃগাঁথনি আৰু প্রযুক্তিত অধিক বিনিয়োগ কৰাৰ প্রয়োজন। পর্যাপ্ত বিনিয়োগৰ জৰিয়তেহে ৰাজ্য তথা দেশখনৰ এই গিগ অর্থনীতি খণ্ডক আগুৱাই নিছে। অসমৰ শিক্ষিত যুৱক-যুৱতীসকলে যদি ইংৰাজী, নতুন প্রযুক্তি আৰু অনলাইন প্লেটফর্ম ব্যৱহাৰ দক্ষতা শিকিব পাৰে, তেন্তে বিশ্ব অর্থনীতিত গিগ অর্থনীতি সম্প্রসাৰণ হ'ব।

# "50% Tarifif:EK Anokha Prem Yudh"

**Reason Behind Trump's 50% Teriffs on India**

**1. Trade Imbalance**

The US had a large trade deficeit with India.

Trump's America first Policy aimed to reduce trade deficeit by pushing other countries to buy more US good.

**2. ENd of GSP (Generalized system of preferences**

India previously enjoyed duty free access for many product under

**3. Protecting American Industries**

The tariffes were a negotiating tacties to protect US farmer and manufacturers and pressure India to lower its tariffs.

**4. Part of Global Tariff strategy**

Trump used tariff as leverage against many countries in including China, EU and India to renegoite trade deals in favour of the US.

**5. US Pressure for Market Acsess**

India imposed high tariffs on us products like motorcycles, dairy and Medical equipment.

Trump publicity criticised India tariff on Harley Davidson bikes (50-100%), called them unacceptable.

## ।। ইংৰাজী বিভাগ।।

# Whisper of Nature

The river hums a gentle song,
The trees stand tall, forever strong
the breeze that donces through the air,
Brings peace and love beyond compose
The flowers smile in colors bright
The stars awake to guard the right.
In every leaf, in every stone.
Nature speaks yet not in tone.
It teaches us to pause, to see,
the quiet strength of earth and tree.
If we but listen still and true.
Nature will share her soul with you.

## ।। ৰসায়ন বিভাগ।।

# Love in the Chemistry Lab

And see, this cold ice
That lives in the test tube
Is so in love
With the Bursen burrer
And coming near
It Exclaims in intense love :
O' flame-external flame mire
O' my rooring blue flame. my hot love
Oh see how I melt.
Whenever near you
'Oh, cool it', says the flame
It's just a phase
You're Passing through

# Famous Chemistry Scientists of India and their Contributions

From ancient to modern times, the contributions of Indian Scientists of Chemistry have been significant. In ancient India, Chemistry wass known as Rasayan Shastra or Rasantra or Rasatriya. In the early years after independence, Indian Chemists contributed immensely to what came to be called 'reverse engineering' and they perfected the market for the manufacture of cheap general drugs so much to that India has now came to be known as a pharmacy of the world' ranking 3rd in pharamceutical production.

**Development of Chemistry in India.**

Science and Technology in ancient and medieval India covered all the major branches of human knowledge and activities, including mathematics, astronomy, physics, cheminstry, medical science and Suregery.

Ancient India's contribution to science and technology included principles of chemistry that did not remain abstract but also found expression in practical activities like the distillation of perfumes, and Gramatic liquids, manufacturing of dyes and pigments and extraction of sugar.

**Indus Valley Ccivilisation (ICV) :** In pottery making during the IVC, chemical processes were carried out in which materials were mixed fired and moulded to achieve their objectives.

Residents of the IVC had access to gold and copper mining, and the area was possibly a source of semi-precious stones. This is seen in the jewellary recovered in the vicinity.

**Vedic age :** The chemical activities of this period were illuminated by the puranas and upanishads. The Indian chemists were skilled the casting metals, extracting metals from their areas, and melting metals.

**For example :** The Ramayana and the Mahabharata mention weapons with arrow heads coated with a variety of chemicals, including their knowledge of Alchemy.

Vaiseshika Darsana of Karada propourded the concept of the atom and its indivisibility and the law of cause and effect.

'Artha sastra' also describes the qualities of gold and silver.

**Gupta Empire :** Nagarjuna, the famous alchemist lived during this period. The use of mercury and iron is medicines indicates a deep knowledge and understanding of chemistry.

Due to the smiths knowledge of advanced metal technology, bronze images of the Buddha began to be produced and a large scale. The Mehraub Iron pillar stands free of rust and carrosion for centeries.

In Medieval India, gold making and elinir synthesis were the two main characteristics strams of alchemy.

The Rasvidya (Indian Alchemy tents) reveal the use of a variety of organic and inorganic substances.

**Famous Chemistry Scientists of India**

The achievements of Indian scientists have been recognized at the global level. These achievement will play a deserve role in India joining the list of developed countries.

Some prominent Indians who excelled is the field of chemistry are given below :

**Prafulla Chandra Ray (1881-1944)**

Profulla Chandra Ray was a chemist and industrialist who founded Bengal Chemicals and Phramaceutical (India's First Pharaceutical Company).

He is regarded as the Father of Chemical Science in India and he established the first Indian research school in chemistry.

He contributed to inorganic and organic retailes.

In 1895 he reported the first synthesis of the hitherto unknown mercurous ritrite, $Hg_2 (NO_2)_2$

Around 1914, he initiated work an organic thio campounds like thiols, thio ethers, and related species and their binding to metals

**Books :** A History of Hindu chemistry from the earliest times to the middle of sixteenth century (1902), life and experiece of a Bengali chemist (autobiaoraphy).

**Chintamani Nager Ramchandra Rao (1934)**

Professor C.N.R Rao is a well-known expert in structureal and solid state chemistry.

He has contributed significantly to chemical spectroscopy, molecular structure, surface chemistry and high temperature super conductivity.

His early research focused on the application of spectroscopic techniques study molecular structure.

He studied many chemically important issues using electronic and vibrational spectoscopy, including correlations between spectra and structural features, the effects of the environment, virbration analysis etc.

His research has paved the way for the creation of comprehensive models that explain the behaviour of numerous metal oxides and sulfides.

**Awards :** He is the winner of the first India science Award (2000), Padma Shree, Padma Vibhushan and Bharat Ratna (2014)

**Har Gobind Kharana (1922-2011)**

Har Kharana was a founder of chemical biology and a pioneer in molecular biology.

He was one of the first researchers to show the function of neucleotides in protein synthesis and helped to crack the genetic code.

**Shanti Swarup Bhatnagar (1894-1955)**

Shanti Swarup Bhatnagar played a significant part in the building of post independent S & T infrastructure and in the formulation of India's S & T policies.

He was the founder Director of the Council of Scientific and Industrial Research (CSTR) and the first chairman of the University Grants Commission (UGC). He did considerable work in applied and industrial chemistry.

The first industrial problem undertaken by him was the development of a process to current bagasse (peelings of sugar care) into food cake for cattle.

Best known for making waxodourless, he also discovered how to make the kerosere flame taller and larger thus heping multitudes of Indian households.

**Book :** 'Physical Principles and Applications of Magneto chemistry (Bhatanagar jointly with K. N. Mathur)

**Awards :** Order of the British Empire : Based on his significant contributions to both pure and applied chemistry, the British Government awarded Bhatnagar the order of the British Empire in 1936.

**Padma Bibhuson :** The 'Shanti Swarup Bhatnagar (SSB) Prize for Science & Technology' was instituted in his honour by the Council of Scientific and Industrial Research (CSIR) for notable and outstanding research in various fields of science.

**Dr. Raghunath Anant Mashelkar (1943)**

Dr. Raghunath Anant Mashekar is one of India's most eminent Scientists known for his contribution to Indian's National Chemical Laboratory and CSIR

Dr. Mashelkar's pioneering research in polymer science and engineering is covered in several research journals.

He is but known for his crusade against the US patents on turmeric and basmati rice.

Arguing that the healing properties of turmeric are well known as traditional knowledge in India, he fought a successful legal battle to revake the patent. This victory was so significat that it changed the way patents were classified, and earned him the maniker if the warrior of Haldighate.

**Awards :** Padmshri, Padma Bhushan and Padmar Vibhushan

First Indian to be elected a fellow

**Venkataraman Ramakrishnan (1952)**

Venkataraman Ramakrishnan is a Nobel Prize winning bio-chemist. His contribution includes work on the atomin structure of the ribosome.

He studied the structure of chromatin and histone, which aids in the understanding of how DNA is arranged in cells.

He determined the atomic structure of the 30s ribosomal ssubunit and then the structures of the whole ribosome in a variety of states and in complexes with various antibiotics.

He explained through the 3D technique how ribosomes react with different chemicals .

Nobel Prize in chemistry for his work on ribosomal structure and was knighted in 2012.

## ।। উদ্ভিদ বিজ্ঞান বিভাগ।।

# Slogans & Quotes

UTKARSH

**1. Short Poem on English lterature**

Words are larterns in the right
Stories give our hearts their light
Through every book, we learn a new,
The Past the world, ourselves, the truth

**2. Taglines/Slogans**

'English literature : The journey of a thousand worlds in a thousand words'
'Every book is a door, every reader, a traveller.'
'Literature is life, re-written with ink.'

**3. Fun and catchy section ideas**

Literary hero of the month : Shakespeare Jane Austen/ Dickens etc.
Quote to inspire. 'We read to know we are not alone.'– C. S. Lewis
Weekly challenge : Rewrite a famous in your own words!

**4. Short creative verse (Poster) style why literature?**

It Whispers the past,
It questions he row,
it dreams the future,
And teaches us how.

## ।। বাণিজ্য বিভাগ।।

# Tax ki Rani-Sita Raman

Reason behind sudder increase in taxes

**1. Government needs money to run the country**

The Government spends on roads, railways, defence, health, education, subsidies. To pay for those, it collects taxes from people and business.

**2. High spending after covid & welfare schemes**

During COVID, the Government spent a lot of free vaccines, nation and health. Big projects like infrastructure free food schemes, subsides need extra money– more taxes

**3. Reduce Borrowing**

If the Government doesn't collect enough taxes, it has to take loans which increase debt. To avoid too much debt, taxes are incresed.

**4. Inflation & Global Issue**

Prices of fuel imports and global instability increased cost of India. Extra taxes on petrol, diesel, alcohol, luxury item help manage this gap.

**5. Targeting Rich & Luxury consumption**

Many new taxes are on luxury goods, high and services and digital economy. More taxes = More money for development and to cover past spending

## ।। পদার্থ বিজ্ঞান বিভাগ।।


# Nature

**Sirjana Limbu**

Over the world, where we live
We are summounded by the Nature!
Where We feel happy and thrill,
Cause we're protected by the Nature Forever
Nature are the imortail provider
for the sake of every sigle!
Nature's are the sake of wealthnes
By the environment it sprinkle
It is fuel of greenary every where
And it provide happy spale!
I am the one who loves the Nature
Cause it with me every where


– Nature Lover.


## ।। প্ৰাণী বিজ্ঞান বিভাগ।।












## ।। ৰাজনীতি বিজ্ঞান বিভাগ।।



# মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’

দিশা গগৈ

সমাজৰ দাপোণস্বৰূপ সাহিত্য হৈছে প্ৰত্যেক ভাষাৰে একো একোটা নিজস্ব সম্পদ। এই সাহিত্যৰে এক উল্লেখযোগ্য শাখা হৈছে উপন্যাস। গদ্যৰ আকাৰে যিকোনো এটা বিষয়ক কেন্দ্ৰ কৰি ঔপন্যাসিকে সহজ-সৰল ৰূপত সকলোৰে বুজি পোৱাকৈ ৰচনা কৰে।

আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট সাহিত্যিক তথা ঔপন্যাসিক মৃণাল কলিতাদেৱৰ প্ৰথম উপন্যাসখন হ’ল ‘বকুল ফুলৰ দৰে’। এই উপন্যাসখনে ২০২১ চনৰ ডিচেম্বৰ মাহৰ ৩০ তাৰিখে সাহিত্য অকাডেমীৰ ‘শিশু সাহিত্য বঁটা’ লাভ কৰিবলৈ সক্ষম হৈছে। এই উপন্যাসখনে শিশুৰ লগতে সমাজৰ সকলো বয়সৰ লোকৰ মাজত সমাদৰ লাভ কৰিছে।

ঔপন্যাসিকগৰাকীয়ে অসীম নামৰ এজন কিশোৰক কেন্দ্ৰ কৰি বৰ্তমান সময়ৰ সকলো কিশোৰ-কিশোৰীৰ মানসিকতা প্ৰকাশ কৰিব বিচাৰিছে। এই সময়ত কিশোৰৰ মনৰ মাজত চলি থকা অন্তৰ্দ্বন্দ্ব উপন্যাসখনত সুন্দৰ ৰূপত বিকশিত হৈছে। এটি কিশোৰে কিদৰে দৰিদ্ৰতাৰ কবলত পৰি সময়তকৈ আগতে প্ৰাপ্তবয়স্ক লোকৰ দৰে চিন্তা-চৰ্চা কৰিবলগা হয়। সেই কথা কলিতাদেৱে অসীমৰ চৰিত্ৰটোৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰিছে। তদুপৰি নিৰ্মলৰ চৰিত্ৰটোৰ মাজেৰে এজন প্ৰকৃত বন্ধুৰ চিনাকি দিব বিচাৰিছে। অনুভৱ মাষ্টৰৰ মাজেৰে এজন শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰকাশ কৰা হৈছে।




এজন প্ৰকৃত বন্ধু আৰু এগৰাকী দায়িত্বশীল নিজকে যে এজন কিশোৰৰ জীৱনৰ বাট দেখুৱাব পাৰে, এই উপন্যাসখনে সুন্দৰকৈ উপস্থাপন কৰিছে। তদুপৰি সেই সময়ৰ সমাজ ব্যৱস্থাও উপন্যাসখনত প্ৰতিফলিত হৈছে। যেনে— মদ-ভাং আদি নিচামুক্ত দ্ৰব্যৰ প্ৰচলন। শেষত প্ৰবল আত্মবিশ্বাসৰ বলত জয়ী হোৱা অসীমৰ চৰিত্ৰটোৱে সম্পূৰ্ণ উপন্যাসখনৰে মুখ্য আকৰ্ষণ হৈ পৰিছে।

দৰিদ্ৰতাৰ কবলত পৰি এটি কিশোৰে লোৱা সিদ্ধান্ত আৰু মনোবলৰ প্ৰভাৱত সকলো পৰিস্থিতিৰ সন্মুখীন হ’ব পৰাকৈ থকা সাহস ঔপন্যাসিকে সুন্দৰকৈ প্ৰকাশ কৰিছে। এই উপন্যাসখন সকলো বয়সৰ লোকৰ বাবে গ্ৰহণযোগ্য। অসমীয়া উপন্যাস জগতৰ এক আপুৰুগীয়া সম্পদ মৃণাল কলিতাদেৱৰ ‘বকুল ফুলৰ দৰে’।



# কিতাপ পঢ়াৰ অনুভৱ

**চাৰু খাতুন**

বৰ্তমান মই এগৰাকী একাদশ শ্ৰেণীৰ ছাত্ৰী, প্ৰথমমানৰ পৰা একাদশ শ্ৰেণীলৈ বিগত এঘাৰটা বছৰ মই কেৱল পাঠ্যক্ৰমৰ কিতাপহে পঢ়িছোঁ। তাৰ বাহিৰে আন তেনেকুৱা একো বিশেষ কিতাপ মই পঢ়া নাই। নতুন নতুন কিতাপ পঢ়াত মোৰ কোনো আগ্ৰহ নাই। নাই নহয়, নাছিল। কিন্তু এতিয়া বৰ্তমান আগ্ৰহ নোহোৱা নহয়। কেইদিনমানৰ আগতে আমাৰ অসমীয়া বিষয় শিক্ষক এলিনা বাইদেৱে আমাৰ পাঠ্যপুথিত থকা এটা পাঠ 'কিতাপৰ কথা' পঢ়াইছিল। এই পাঠটো পঢ়াবলৈ যাওঁতে বাইদেৱে নিজে পঢ়া এখন কিতাপৰ উদাহৰণ দিছিল— 'সৰল জীৱন, সুখী জীৱন'। বাইদেৱে এই কিতাপখন পঢ়ি হেনো নিজৰ জীৱনতো কিছুমান সাল-সলনি আনিব পাৰিছিল, নিজৰ জীৱনটোক ভাল পাবলৈ শিকিছিল। লগতে অমাকো এই কিতাপখন পঢ়িবলৈ উপদেশ দিছিল। তেওঁৰ কথাখিনি শুনি মই

খুব প্রভাৱান্বিত হৈছিলো। সেইদিনাই ময়ো উপলব্ধি কৰিছিলোঁ কিতাপ পঢ়ি কিনো অনুভৱ হয়, কেনেকুৱানো লাগে ময়ো আমেজ লৈ চাম। কোনখন কিতাপ পঢ়িম ভাবি আছিলোঁ। তেনেতে মোৰ মনলৈ আহিল 'অগ্নিৰ ডেউকা'। এইখনেই এখন কিতাপ যিখন কিতাপ পঢ়াৰ পিচত কিতাপৰ প্ৰতি মোৰ আগ্ৰহ বাঢ়িল, কিতাপ পঢ়ি ভাল নোপোৱা মনোভাববো পৰিৱৰ্তন ঘটিল। এতিয়া আহো কিতাপখনলৈ।

'অগ্নিৰ ডেউকা' নাম শুনিয়েই অনুভৱ কৰিব পাৰি কিতাপখন কেনেকুৱানো হ'ব পাৰে। তাতে এই কিতাপখন মোৰ আটাইতকৈ প্ৰিয় ব্যক্তি, মোৰ জীৱনৰ অনুপ্ৰেৰণা ডঃ এ পি জে আব্দুল কালামদেৱৰ আত্মজীৱনী। ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, বিশ্বৰ এজন মিছাইল মানৱখ্যাত ডঃ আবুল পকিৰ জয়নাল আবদিন আব্দুল কালাম চমুকৈ ডঃ এ পি জে আব্দুল কালামৰ বৰ্ণাঢ্য আত্মকথা। ভাৰতৰ উপগ্ৰহ উৎক্ষেপণৰ প্ৰবাদপুৰুষ ডঃ কালামদেৱৰ এই 'অগ্নিৰ ডেউকা' নামৰ আত্মজীৱনীখনত তেখেতৰ বাল্যকাল, ছাত্ৰ জীৱন আৰু কৰ্মজীৱন— উপগ্ৰহ উৎক্ষেপণত তেখেতৰ আত্মনিয়োগৰ কাহিনী আদি সন্নিৱিষ্ট আছে। কালামদেৱে ল'ৰালিকালৰ পৰাই ৰামেশ্বৰমৰ এখন সৰু গাঁৱত সপৰিয়ালৰ সৈতে বাস কৰিছিল। সেই সময়ত তেওঁলোকৰ সমাজ ব্যৱস্থা, শিক্ষাব্যৱস্থা কোনেধৰণৰ আছিল, তেওঁৰ শিক্ষা জীৱন ক'ৰ পৰা আৰম্ভ হৈ কেনেকৈ শেষ হৈছিল এই সকলো কথা তেওঁৰ এই আত্মজীৱনীখনত বিৱৰি কোৱা আছে। এই জীৱনীখনত দুজন বিশেষ ব্যক্তিৰ কথাও তেওঁ উল্লেখ কৰিছে— এজন হৈছে তেওঁৰ পিতৃৰ অন্তৰংগ বন্ধু তথা ৰামেশ্বৰম মন্দিৰৰ ঘাই পুৰোহিত পন্থী লক্ষ্মণা শাস্ত্ৰী আৰু আনজন হৈছে ৰামেশ্বৰম বিদ্যালয়ৰ বিজ্ঞান শিক্ষক শুভ্ৰমণিয়ম আয়েৰ।

এই লোক দুজন যদিও ব্ৰাহ্মণ শাস্ত্ৰ লোক তথাপি সমাজৰ আন লোকৰ দৰে এওঁলোকৰ মনোভাব নাছিল। তেখেতৰ বাল্যকালৰ লগতে কৰ্মজীৱনৰ বিষয়ে এই আত্মজীৱনীখনৰ পৰা গম পোৱা যায়। কৰ্মত ব্ৰতী থকা কিছুমান মুহূৰ্তৰ ছবি কিতাপখনত সন্নিৱিষ্ট আছে। লগতে তেওঁ বাস কৰা ঘৰখন, পঢ়িবলৈ যোৱা পুথিভঁৰালটো, ৰামেশ্বৰমৰ ৰাস্তাটো, গধূলি নামাজ পঢ়িবলৈ যোৱা মছজিদটো এই সকলোবিলাকৰ ছবিও পোৱা যায়।

'অগ্নিৰ ডেউকা' এক সাৰ্থক আৰু অনুপম সৃষ্টি। এগৰাকী মহান স্বপ্নদ্ৰষ্টাৰ সুখে-দুখে আহৰণ কৰা নিজ ঠাইখনৰ পুৰুষ, প্ৰকৃতি আকাশ, বায়ুপানী আৰু কেঁচা মাটিৰ গোন্ধ কঢ়িয়াই লৈ ফুৰা জীৱন্ত কাহিনীৰ এক অনুকৰণীয় পশ্চাদৱলোকন।

কিতাপখনৰ এখন এখন পাত লুটিয়াই চোৱাৰ পাচত ভাবিলোঁ এজন ব্যক্তিয়ে দেশৰ মংগলৰ হকে নিজৰ জীৱনটোক কেনেকৈনো ইমান কৰ্মত ব্ৰতী ৰাখিব পাৰে যে তেওঁ তেওঁৰ নিজৰ বিয়াৰ তাৰিখো পাহৰি গ'ল।

মোৰ আটাইতকৈ প্ৰিয় ব্যক্তি এজনৰ জীৱনী জানি পৰম আনন্দ লাভ কৰিলোঁ, বহুতখিনি নজনা কথা শিকিলো লগতে জীৱনটোত আগুৱাই যাবলৈয়ো অনুপ্ৰেৰণা লাভ কৰিলোঁ।

'অগ্নিৰ ডেউকা' এক সাৰ্থক আৰু অনুপম সৃষ্টি। এগৰাকী মহান স্বপ্নদ্ৰষ্টাৰ সুখে-দুখে আহৰণ কৰা নিজ ঠাইখনৰ পুৰুষ, প্ৰকৃতি আকাশ, বায়ুপানী আৰু কেঁচা মাটিৰ গোন্ধ কঢ়িয়াই লৈ ফুৰা জীৱন্ত কাহিনীৰ এক অনুকৰণীয় পশ্চাদৱলোকন।

।। সাফল্য ।।




# মাছৰ কথাৰে
# এমুঠি পুথি
## এ ভেৰী ফিচি ট্রিপ

**সুদীপ্ত চেতিয়া**

*(ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ চলচ্চিত্র সমালোচনাত প্রথম স্থানপ্রাপ্ত)*

১৯৩৫ চনত জ্যোতিপ্রসাদ আগৰৱালাই জয়মতী চিনেমাৰে আৰম্ভ কৰা অসমীয়া চিনেমা উদ্যোগটোৱে আজিৰ তাৰিখলৈ প্রায় ৯০টা বছৰ অতিক্রম কৰিছে। বিগত দশককেইটাত বহু অসমীয়া চিনেমা নির্মাণ কৰা হৈছে যদিও খুব কমসংখ্যক চিনেমাইহে দর্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে তথা ব্যৱসায়িকভাৱে সফল হৈছে। চিনেমা এখন নির্মাণৰ প্রাথমিক কথাটোৱে হ'ল যে ই এক খৰচী মাধ্যম। তদুপৰি ইয়াত লাভ-লোকচানৰ কথাও জড়িত হৈ থাকে। অসমত চিনেমা নির্মাণৰ প্রাথমিক সুবিধা, পৰিৱেশ, বজাৰ আদি কাৰণত নির্মাতাই সদায় আপোচ কৰিবলৈ বাধ্য হয়। সেয়েহে বর্তমান সময়ত পৰিচালকসকলে বেছিভাগ দর্শকৰ পছন্দৰ একচনধর্মী দাক্ষিণাত্যৰ আৰ্হিৰ চিনেমা নির্মাণ কৰি আহিছে। বহুকেইখন এনে চিনেমাই কোটি টকাৰ ঘৰত ব্যৱসায় কৰিবলৈয়ো সক্ষম হৈছে। তাৰ মাজতো কম দর্শক আৰু সীমিত সুবিধাৰে কেইজনমান প্রতিভাশালী

পৰিচালকে কলাত্মক চিনেমা নিৰ্মাণ কৰি আহিছে। যি সুস্থ অসমীয়া চিনেমাৰ ধাৰাটো বৰ্তাই ৰাখিছে। এনে এগৰাকী নৱপ্ৰজন্মৰ পৰিচালক কুলনন্দিনী মহন্তই নিৰ্মাণ কৰা 'এমুঠি পুঠি' চিনেমাখন অন্যতম।

২০২২ চনত মুক্তি লাভ কৰা 'এমুঠি পুঠি' চিনেমাখনৰ জৰিয়তে পৰিচালক কুলনন্দিনী মহন্তই সমাজৰ কিছুমান বাস্তৱিক ঘটনাৰ ছবি এখন বৰ্ণনা কৰিছে। এই বৰ্ণনাৰ লগত প্ৰকৃতি দেৱী আৰু মৎস্যকৰ্মা দেৱতাৰ উপস্থাপনে চিনেমাখনক বিশেষ কৰি তুলিছে। এইক্ষেত্ৰত কাহিনীকাৰ ভাস্কৰ হাজৰিকা বিশেষভাৱে ধন্যবাদৰ পাত্ৰ। অসমীয়া চিনেমাত সাধাৰণতে চলি থকা গতানুগতিক কাহিনীবোৰৰ পৰা ফালৰি কাটি আহি তেওঁ কিছুমান নতুন কাহিনী দৰ্শকলৈ আগবঢ়াই দিছে। সেয়া পূৰ্বেও তেখেতৰ দ্বাৰা ৰচিত আৰু পৰিচালিত ছবি 'আমিষ' আৰু 'কথানদী'ত দেখা পোৱা গৈছে। এইবাৰো তেওঁ এমুঠি পুঠিত মাছ খাই ভাল পোৱা অসমীয়াৰ এখন প্ৰকৃত ছবি ফুটাই তুলিব বিচাৰিছে। অসমীয়া কলাত্মক চিনেমাৰ প্ৰতি নৱপ্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাত তেখেতৰ ভূমিকা অতি প্ৰশংসনীয়।

এটা পলৰীয়া যাত্ৰাক কেন্দ্ৰ কৰি 'এমুঠি পুঠি' চিনেমাখনৰ কাহিনীটোৰ ভেটি তৈয়াৰ কৰা হৈছে। তিনিটা জেনেৰেচনক প্ৰতিনিধিত্ব কৰা মূল তিনি চৰিত্ৰ, আইতাক, মাক আৰু জীয়েক। ছবিখনত আইতাকৰ লগত নাতিনীয়েকৰ বান্ধোন, মাকৰ লগত জীয়েকৰ মানসিক দূৰত্বৰ যোগেদি বাস্তৱবাদী আদৰ্শৰ প্ৰতিফলন দেখা গৈছে। মৃত্যু ওচৰত বুলি জনা আইতাকৰ শেষ সপোন এটা
আৰু নতুনত্বক প্ৰতিনিধিত্ব কৰা নাতিনীয়েকে বিশ্বায়নৰ জগতখনত দেখা ৰঙীন সপোনৰ সংযোগেৰে চিনেমাখন সজোৱা হৈছে। কৰ্তব্যপৰায়ণ পুলিচৰ চৰিত্ৰৰে সজোৱা মাকৰ চৰিত্ৰটো ছিংগল মাডাৰ এগৰাকীৰ পুৰুষৰ ওপৰত থকা ক্ষোভ, খং, হতাশাত ভোগা মানসিক অৱস্থাটো কিমান কঠোৰ, দমনমূলক হ'ব পাৰে তাকেই মেটাফৰ হিচাপে সজোৱা হৈছে বুলি ধৰি ল'ব পাৰি। আইতাকে লোকেল মাছ খাই ভালপোৱা মেটাফৰটোত থলুৱা সংস্কৃতিৰ লগত জীণ গৈ থকা এটা আদৰ্শৱান চৰিত্ৰৰ প্ৰতিনিধিত্ব দেখা গৈছে। তদুপৰি কাহিনীটোক চিনেমেটিক গতি প্ৰদান কৰিবলৈ যি দুটা গুৰুত্বপূৰ্ণ চৰিত্ৰ নিৰ্মাণ কৰা হৈছে সেই দুটা চৰিত্ৰ হ'ল— এজন ড্ৰাইভাৰ আৰু আনগৰাকী পৰিৱেশ পৰিস্থিতিত চুৰ হ'বলৈ বাধ্য হোৱা অবিবাহিত মহিলা। আইতাক আৰু নাতিনীয়েক কাহিলি পুৱা ঘৰৰ পৰা পলোৱা এটা নান্দনিক

অতীতাকৰ মৃত্যুৰ আয়োজনৰ বিৰল, দৃষ্টিনন্দন সুপৰিকল্পিত দৃশ্যৰ সংৰচনা 'এমুঠি পুঠি' চিনেমাখনৰ অভিনৱত্ব। এনে সুন্দৰ, নান্দনিক মৃত্যু উপস্থাপনৰ প্ৰতীকী ৰূপ অসমীয়া চিনেমাত আগেয়ে দেখা নাই।
এটা সুন্দৰ লং শ্বট। কুঁৱলীয়ে ঢকা এখন বৈ।

ফ্রেমত ছাঁ-পোহৰ আৰু কুমলীয়া ৰ'দৰ চিনেমাখনৰ অ'পেনিং চিকুৱেন্সটো সজোৱা হৈছে। আইতাক ঘৰৰ পৰা পলোৱা (এক অর্থত মুক্তি) আৰু নাতিনীয়েক ঘৰৰ পৰা পলোৱা (এক অর্থহীন সপোন, ভ্রম) এক আকাশ-পাতাল প্রভেদৰ মাজত তেওঁলোকক বিচাৰি উলিওৱাৰ সংকল্পৰে চিত্রায়ন হোৱা মাকৰ মানৱীয় অনুভূতি, পাৰিবাৰিক বান্ধোন এইবোৰেই চিনেমাখনৰ মূল কথা।

চিনেমাখনত পৰিচালকে অধিক-বাস্তৱবাদ, যাদুকৰী বাস্তৱবাদ তত্ত্বৰ প্রয়োগেৰে কেইটামান অতি মনোজ্ঞ, ৰসঘন চিকুৱেন্স নির্মাণ কৰিছে। যাক পাহৰিব নোৱাৰি। প্রকৃতি দেৱীৰ সেই অপূর্ব, অর্থপূর্ণ নতুন পৰিৱেশৰ চিকুৱেন্সটোৰ লগতে আইতাকৰ সপোন ফলিওৱাৰ মৃত্যুৰ যাত্রাটো। আইতাকৰ মৃত্যুৰ আয়োজনৰ বিৰল, দৃষ্টিনন্দন সুপৰিকল্পিত দৃশ্যৰ সংৰচনা 'এমুঠি পুঠি' চিনেমাখনৰ অভিনৱত্ব। এনে সুন্দৰ, নান্দনিক মৃত্যু উপস্থাপনৰ প্রতীকী ৰূপ অসমীয়া চিনেমাত আগয়ে দেখা নাই। এটা সুন্দৰ লং শ্বট। কুঁৱলীয়ে ঢকা এখন নৈ। এখন টুলুঙা নাও নৈৰ পানী ফালি আহি থকা বহু দূৰৈত ৰিণিকি ৰিণিকি দেখা গৈছে। লাহে লাহে নাওখন ওচৰ চাপি আহিছে। দেখা গৈছে— থলুৱা বাঁহৰ জাপি পৰিহিত ওদং গাৰে এজন খেতিয়কে। কিন্তু এইজন খেতিয়ক নহয়, মৎস্যকর্মা দেৱতা। সেই নাওখনতে উঠি মৎস্যকর্মা দেৱতাই নিজ হাতে ৰন্ধা এমুঠি পুঠিৰ সোৱাদ লৈ আইতাক সিপাৰলৈ যোৱাৰ এটা অধিক বাস্তৱিক কল্পনাৰ চিত্রায়ন এক গধুৰ বিষাদেৰে জীপাল ৰূপত পৰিচালকে চিত্রায়ন কৰিছে।

চিনেমাখনৰ প্রথমছোৱা অতি নাটকীয়, অলপ আমনিদায়ক। কিছু ইকন'মী হোৱাৰ বাবে কাহিনী দেখুওৱাৰ ষ্টাইলটো অলপ বেলেগ, জোৰদাৰ হোৱা হ'লে ভাল আছিল। অৱশ্যে চিনেমাখনৰ মাজভাগৰ পৰা কাহিনীটোৱে এটা সুন্দৰ গতি লৈছে। চকা বন্ধ জাতীয় সামাজিক সমস্যা এটাক নানি প্রাকৃতিক দুর্যোগ হৈ বাটত প্রকাণ্ড গছ পৰি বা ভূমিস্খলন হৈ পথ বন্ধ হোৱা দেখুওৱা হ'লে বেছি ভাল লাগিলহেঁতেন! বহুতো ছিকুৱেন্সত কিছু অভাৱ পৰিলক্ষিত হ'ল। যেনে চকা বন্ধৰ লোকেচনত কমেও ছয় সাতখন ৰৈ থকা গাড়ী লাগে। চকা বন্ধ দিয়া প্রতিবাদী মানুহখিনিৰ ভাব-ভংগিমাখিনিতো কিছু পৰিমাণে আপোচ কৰা পৰিলক্ষিত হ'ল। তদুপৰি চিনেমাখনত মাছৰ উজান উঠাৰ খবৰ নিউজ চেনেলবোৰে চিঞৰি চিঞৰি কোৱা, লোকেল মাছ কিনা-বেচাৰ বজাৰবোৰ দেখুওৱা ইত্যাদি দৃশ্যবোৰ নেদেখুওৱা হ'লে বিশেষ ক্ষতি নাছিল।



'এমুঠি পুঠি'ৰ অভিনয়ৰ কথা যদি এটা শব্দত ক'বলৈ যাওঁ, তেনে ক'ব লাগিব 'অপূর্ব'। আইতাকৰ ভূমিকা ৰূপায়ণ কৰা প্রতিটো চৌধুৰীৰ অতি সাৱলীল, জড়তাহীন অভিনয়ে গোটেই চিনেমাখনকে অন্য মাত্রা প্রদান কৰিছে। তেখেতৰ নেচাৰেল অভিনয়ৰ বাবেই চিনেমাখনৰ দুর্বল অংশবোৰো চাই থাকিব পাৰি। তদুপৰি মাকৰ চৰিত্র ৰূপায়ণ কৰা নিতালী দাসৰ অভিনয় চৰিত্রানুযায়ী খুবেই দুর্দান্ত, অৱশ্যে 'ৰুদ্রনীল'তো তেখেতৰ দুর্দান্ত অভিনয় দেখা পোৱা গৈছে। জীয়েকৰ চৰিত্র ৰূপায়ণ কৰা নৱাগত সৃষ্টি শর্মাই চৰিত্রটোৰ মর্যাদা অকণো হানি হ'বলৈ দিয়া নাই, খুবেই সুন্দৰ অভিনয় কৰিছে। অনাগত দিনত তেওঁৰ পৰা এনে সুন্দৰ অভিনয় চাবলৈ পাম বুলি আশা ৰাখিলোঁ। Luxury ড্রাইভাৰ (ৰুবুল বড়ো)ৰ অভিনয়ো একদম natural লাগিল। ৰাজভোগী গাহৰি বিচাৰি উলাই অহা Luxuryৰ চৰিত্রটোৱে হোজা অসমীয়া জনজাতীয় মানুহৰ প্রকৃত ছবি অভিনয়ো মানিবলগীয়া। মনীষা ভূঞাই 'বৰনদী ভটিয়াই', 'কথানদী' আৰু 'এমুঠি পুঠি' এই তিনিওখন চিনেমাত নিজ চৰিত্রৰ লগত একেবাৰে বিলীন হৈ গৈছিল। ছাব ইন্সপেক্টৰ চৰিত্র ৰূপায়ণ কৰা কেনি বসুমতাৰীৰ ছিৰিয়াছ আৰু কৌতুক মিহলি অভিনয়ে দর্শকক যথেষ্ট আমোদ দিছে। বিশেষকৈ কেনিৰ পাদটোৰ কথা দর্শকে কোনোপধ্যেই পাহৰিব নোৱাৰে। প্রকৃতি দেৱীৰ চৰিত্র ৰূপায়ণ কৰা লীমা দাসৰ শৰীৰী ভাষা, চকুৰ অভিব্যক্তি মন চুই যোৱা। সংলাপ ভেৰিয়েচন অতি বুকু স্পর্শী, খুবেই ক্লাছিক। মৎস্যকর্মা দেৱতাৰ চৰিত্রটোৰ সৈতে অর্ঘদীপ বৰুৱা যেন খাপ খাই পৰিছে। বিশেষ কোনো সংলাপ নাই যদিও, ভংগিমাসমূহ দেখি কোনোবাখিনিত দেৱতাক দেখা যেনেই অনুভৱ হয়। সঠিক অভিনেতা অভিনেত্রীৰ নির্বাচনৰ বাবে পৰিচালক কুলনন্দিনী মহন্ত প্রশংসাৰ যোগ্য।

আইফোনত দৃশ্যগ্রহণ কৰা এইখন প্রথমখন অসমীয়া চিনেমা। দুটামান Drone শ্ব'টো আছে, যিকেইটাই ছবিখনক আৰু ভাল লগা কৰি তুলিছে। সম্পাদনা (Editing)য়ো কম বাজেটৰ চিনেমা হিচাপে যথেষ্ট উন্নত হৈছে বুলিয়ে ক'ব লাগিব। চিনেমাখনৰ সংগীত, বিশেষকৈ আৱহ সংগীত অতি সুন্দৰভাৱে ব্যৱহাৰ কৰিছে, অলাগতিয়াল একো দিয়া নাই। বিশেষকৈ মৎস্যকর্মা দেৱতাৰ কেৰেক্টাৰ মিউজিকটোত দিয়া চীন দেশৰ লোকগীতৰ সুৰটোৱে সেই দৃশ্যটো চাই থাকোঁতে এটা বিস্ময়কৰ অনুভৱ দর্শকৰ মনলৈ আনি দিছে। বাকী থাকিল, পৰিচালকৰ কথা, নৱাগত পৰিচালক হিচাপে তেখেতৰ দুই-এটা সৰু-সুৰা খুঁত দেখা গৈছে যদিও কুলনন্দিনী মহন্তৰ পৰিচালনা সফল হৈছে বুলি ক'বই লাগিব। ৰহস্যময় দৃশ্যকেইটাৰ সংযোগেৰে চিনেমাখনক কোনোবাখিনিত তেওঁ যেন এটা সাধুকথালৈ ৰূপান্তৰ কৰিছে। লগতে নতুন চিন্তাৰে চিনেমা নির্মাণ কৰি অসমীয়া দর্শকক এটা ভিন্ন ধাৰাৰ লগত তেওঁ পৰিচয় কৰাইছে। চিনেমাই যে জীৱনৰ কাহিনীও বর্ণনা কৰিব পাৰে সেয়া তেওঁ কেমেৰাৰে ধৰি দর্শকলৈ আগবঢ়াই দিছে।

এমুঠি পুঠি চিনেমাখন, অসমীয়া দর্শকসকলে পাৰিলে এবাৰ হ'লেও চাব লাগে। অৱশ্যে এইখন বর্তমান কোনো OTT Platformত উপলব্ধ নাই। ময়ো তাহানিতে ৰিলিজ হোৱাৰ সময়তে চাইছিলোঁ। আশা কৰিম অনাগত দিনত চিনেমাখন OTT Platform সমূহত উপলব্ধ হ'ব। চিনেমাখন চোৱাৰ পিচত দর্শকসকলে ভাবিবলৈ বাধ্য হ'ব। গোটেই জীৱনটোত আমি বিচাৰি ফুৰা এমুঠি সুখৰ কথা আৰু নিশ্চিতভাৱে ক'ব যে এনেধৰণৰ নতুন চিন্তাধাৰাৰে নির্মাণ কৰা চিনেমাও আমাক লাগে। বিশেষকৈ মনো�ৰঞ্জনৰ লগতে ইয়াৰ জৰিয়তে দিয়া বার্তাই চিনেমাখনক এটা নতুন মাত্রা দিছে। এনেধৰণৰ চিন্তাৰে চিনেমা নির্মাণ কৰা কুলনন্দিনী মহন্তৰ দৰে আৰু নৰ প্রজন্মৰ পৰিচালক আগবাঢ়ি আহক আৰু ৰুচিশীল চিনেমাৰ ধাৰাটোক আগুৱাই নিয়ক, সেয়াই মোৰ আশা। মই আশাবাদী এদিন অসমীয়া চিনেমাৰ কথা সমগ্র বিশ্বতে চর্চা হ'ব, বিভিন্ন ভাষালৈ অসমীয়া চিনেমাৰ ডাবিং হ'ব, অসমীয়া চিনেমাৰ ৰিমেক হ'ব আৰু সেই দিন তেতিয়াহে আহিব যিদিনা 'এমুঠি পুঠি'ৰ দৰে আৰু অধিক অসমীয়া চিনেমা নির্মাণ হ'ব, নৱপ্রজন্মৰ পৰিচালকসকলে নতুন চিন্তাৰে চিনেমা নির্মাণ কৰিব, লগতে আমাৰ অসমৰ দর্শকেও আঁকোৱালি ল'ব। এইক্ষেত্রত পৰিচালক, প্রযোজকসকলে প্রচাৰৰ দিশটোতো যথেষ্ট পৰিমাণে কাম কৰিব লাগিব। প্রচাৰৰ অভাৱতো বহু সুন্দৰ সুন্দৰ অসমীয়া চিনেমাই দর্শকৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম নোহোৱা ইতিমধ্যে দেখিবলৈ পোৱা গৈছে। যি কি নহওক 'এমুঠি পুঠি' অসমীয়া চিনেমাৰ নতুন ধাৰাৰ বাবে এক আদর্শ হওক, যি অসমীয়া চিনেমা পৰিচালক, দর্শকসকলক এক নতুন ধৰণৰ চিনেমাৰ প্রতি আকৃষ্ট কৰিব আৰু অসমীয়া চিনেমা উদ্যোগটোক আগুৱাই নি সমগ্র বিশ্বৰ আগত এটা নতুন পৰিচয় দিব।

## ।। সম্পাদকৰ বিভাগীয় প্ৰতিবেদন।।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে আমাৰ সকলোৰে হেঁপাহৰ শদিয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰে পৰা আজিলৈকে যিসকলে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। শতফুল নগৰীৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত শদিয়া মহাবিদ্যালয়ত পঢ়িবলৈ পাই নিজকে সৌভাগ্য মানিছোঁ। জীৱনৰ বহু অভিজ্ঞতাৰ ভিতৰত শদিয়া মহাবিদ্যালয়ত পোৱা এই নেতৃত্বৰ যি অভিজ্ঞতা সেয়া মোৰ বাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাটো মোৰ অতিকৈ গৌৰৱৰ বিষয় আছিল। ইয়াৰ বাবে মই সমূহ শদিয়ানৰ ওচৰত চিৰঋণী। নিৰ্বাচনত জয়ী হৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কাম কৰাৰ এটা মন বান্ধি লৈছিলোঁ।

শপত গ্ৰহণ কৰি আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি শদিয়া মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনত সদায় মাত মাতি আহিছোঁ। শদিয়া মহাবিদ্যালয়খনক আগবাঢ়ি যোৱাত কিবা অকণমান অৰিহণা আগবঢ়াব পাৰি নেকি, তাৰ চেষ্টা অব্যাহত ৰাখিছিলোঁ।

শদিয়া মহাবিদ্যালয় ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে কৰা কেইটামান কামৰ খতিয়ান দাঙি ধৰিলোঁ—

১। প্ৰতিষ্ঠা দিনৰ পৰাই শদিয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ কক্ষ নাছিল; যিটো আমাৰ কাৰ্যকালত নিৰ্মাণ কৰা হৈছিল।

২। আমাৰ কাৰ্যকালতেই এটা সুন্দৰকৈ ছাত্ৰ জিৰণি কক্ষ নিৰ্মাণ কৰা হয়।

৩। শিৱসাগৰ জিলাৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত ২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত বিভিন্ন বিভাগত আমাৰ মহাবিদ্যালয়খনে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উক্ত অনুষ্ঠানত সাধাৰণ সম্পাদক হিচাপে কাম কৰিবলৈ পাই মই গৌৰৱবোধ কৰিছোঁ।

৪। ৩৯সংখ্যক 'প্ৰেৰণা ২০২৫' মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ সকলোৰে সহায়-সহযোগত অনুষ্ঠানভাগ সুন্দৰকৈ অনুষ্ঠিত হৈছিল।

৫। ১নং শদিয়া বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত বলীন চেতিয়া মহোদয়ক সাক্ষাৎ কৰি শদিয়া মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা অৱগত কৰাৰ লগতে মহাবিদ্যালয়খনত নেট, ক্ৰিকেট, ফিল্ড নিৰ্মাণ কৰিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰা হয়।

৬। ছাত্ৰ একতা সভাৰ তৰফৰ পৰা চপাখোৱা পৌৰসভাৰ পৌৰপতিক সাক্ষাৎ কৰি মহাবিদ্যালয়ৰ ৰালসমূহ ৰং কৰিবলৈ আবেদন জনোৱা হয়। বৰ্তমান এই কামটো আৰম্ভণি পৰ্যায়ত আছে।

৭। প্ৰতিবছৰৰ দৰে ২০২৫ বৰ্ষটোত সুন্দৰকৈ সকলোৰে সহযোগত সৰস্বতী পূজা অনুষ্ঠিত হয়।

৮। ২০২৫ বৰ্ষৰ নৱাগত আদৰণী সভাখন বৰ সুন্দৰভাৱে ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হয়।

সময় গতিশীল, সময় সলনি হৈছে দ্ৰুগতিত। গতিশীল সময়ে আমাৰ ইতিহাস, জীৱন-ধাৰণ প্ৰণালী আমাৰ সমাজ ব্যৱস্থাক পৰিৱৰ্তন সাধন কৰি কোনফালে ধাৱমান হৈছে আমি হয়তো সঠিককৈ ক'ব নোৱাৰিম। দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন এনেকৈ আমি আগবাঢ়ি গৈ আছোঁ। প্ৰায় এবছৰজোৱা কাৰ্যকালৰ অন্তিম পৰ্যায়ত উপনীত হৈ নিজকে ধন্য মানিছোঁ। এই যাত্ৰাত সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুসকল, কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সতীৰ্থবৃন্দ, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। এই যাত্ৰাৰ প্ৰতিজন সহযাত্ৰীলৈ মোৰ অন্তৰৰ পৰা কৃতজ্ঞতা জনালোঁ। ন ন অভিজ্ঞতাৰে পুষ্ট হৈ ন ন কথা শিকাৰ সুযোগ প্ৰদান কৰাৰ বাবে প্ৰত্যেকগৰাকী শদিয়ানলৈ অশেষ ধন্যবাদ। নিজৰ কাৰ্যকালৰ সময়ছোৱাত শদিয়া মহাবিদ্যালয় আৰু শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ কৰি মহাবিদ্যালয়খনক জিলিকাবলৈ অহৰহ চেষ্টা কৰিছিলোঁ। কিমানদূৰ সফল হ'ব পাৰিলোঁ তাৰ খতিয়ান আপোনাকেই দিব। মাথোঁ অজানিতে হোৱা যিকোনো ভুলৰ বাবে নিজৰেই এজন বুলি ক্ষমা কৰি দিব বুলি আশা ৰাখিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনৰ উন্নতি হওক আৰু অসমৰ এখন আগশাৰী মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হওক তাৰে কামনা কৰি সকলোলৈ মোৰ ফালৰ পৰা পুনৰ পৰম কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু শদিয়া মহাবিদ্যালয়

জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

**দেৱেন্দ্ৰনাথ গগৈ**

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা ২০২৪-২৫

# তর্ক আৰু আলোচনা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌বুলনিতে যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ শদিয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিল তেখেতসকললৈ মোৰ একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ। বৰ্তমান মহাবিদ্যালয়খনৰ সন্মানীয় অধ্যক্ষ মহোদয় ডঃ ভূপেন চুতীয়া ছাৰ আৰু তত্ত্বাৱধায়ক ডঃ দ্বীপেন্দ্ৰ কুমাৰ খনাল ছাৰৰ লগতে সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সতীৰ্থসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়খনত ২০২৪-২৫ বৰ্ষৰ তর্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা পদৰ দায়িত্বভাৰ গ্ৰহণ কৰি সেৱা আগবঢ়াবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছোঁ। পোন প্ৰথমে পদটোৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই বোকাখাতত অনুষ্ঠিত তর্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ পৰা দুজনকৈ প্ৰতিযোগী পঠিয়াই মোৰ দায়িত্বভাগৰ আৰম্ভণি কৰোঁ। তাৰ পিছতেই মহাবিদ্যালয়ত তর্ক সংক্ৰান্তীয় এক কৰ্মশালাৰো আয়োজন কৰোঁ।

২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক সপ্তাহ সমাৰোহত মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ সুকলমে অনুষ্ঠিত হৈ যোৱাৰ লগতে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা আৰু পুৰস্কৃত হোৱা সকলো প্ৰতিযোগীক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সকলোৰে উৎসাহিত যোগদানে মোক সঁচাই আনন্দিত কৰি তুলিছিল।

তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ লগতে অন্যান্য অনুষ্ঠানত অনুষ্ঠিত কবিতা আবৃত্তি, কুইজ আৰু তর্ক প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ পৰা কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আশা কৰোঁ এই সুযোগে প্ৰত্যেকগৰাকীকে অভিজ্ঞ কৰি তোলাৰ লগতে ব্যক্তিত্ব বিকাশত কিছু হ'লেও অৰিহণা যোগাইছে।

কার্যালয়টোত মোৰ কেৱল নিজা বিভাগতে যে দায়িত্ব পালন কৰিছিলোঁ তেনে নহয়, বাকী বিভাগসমূহৰ কাম-কাজতো সহায়ৰ হাত তথা দৃষ্টি নিক্ষেপ কৰিছিলো।

ছাত্ৰ একতা সভাৰ এবছৰীয়া যাত্ৰাটোৰ আদৰৰ এই আসনৰ মর্যাদা কিমানদূৰ ৰক্ষা কৰিব পাৰিছোঁ নাজানো। তথাপি সফলতাৰ গৌৰৱময় আনন্দ আৰু বিফলতাৰ কলংকিত যন্ত্ৰণা মূৰ পাতি ল'ম। যি কি নহওক যিবোৰ কৰিলোঁ সেয়া সামান্য আৰু যিবোৰ বৈ গ'ল সেয়া অসীম। ই মোৰ জীৱনৰ এক ডাঙৰ অভিজ্ঞতা। পৰৱর্তী সম্পাদকে মোৰ সীমাহীন কামবোৰ সম্পূর্ণ কৰিবলৈ চেষ্টা চলাই যাব বুলি আশা ৰাখিলোঁ।

সদৌ শেষত এই কার্যকালত যদি কিবা ভুল কৰিছোঁ তাৰ বাবে মই ক্ষমা বিচাৰিছো আৰু আশাৰ বন্তিস্বৰূপ শদিয়া মহাবিদ্যালয়ৰ সর্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু শদিয়া মহাবিদ্যালয়
জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
ধন্যবাদেৰে

**কৰিস্মিতা বুঢ়াগোহাঁই**
তর্ক আৰু আলোচনা বিভাগৰ সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২৪-২৫

# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে শদিয়া মহাবিদ্যালয়লৈ মোৰ শতকোটি প্ৰণাম। যিসকলৰ নিঃস্বাৰ্থ ত্যাগৰ ফলত তথা কলিজাৰ তেজেৰে শলিতা জ্বলাই অন্ধকাৰৰ পথবোৰ পোহৰাই দিলে, এবুকু সাহস দিলে সেইসকল মহান শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলিৰ শৰাই আগবঢ়াই প্ৰতিবেদন আৰম্ভ কৰিছোঁ।

প্ৰথম মহাবিদ্যালয়খনত সমাজ সেৱা সম্পাদক পদত সেৱা আগবঢ়াবলৈ পাই মই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰোঁ। মহাবিদ্যালয়ত সেৱা আগবঢ়োৱাত আৰু মোৰ কামসমূহত সহায়-সহযোগ আগবঢ়োৱা দাদা-বাইদেউ, বন্ধু-বান্ধৱী তথা ভাইটি-ভণ্টিলৈ একাঁজলি মৰম যাচিলোঁ।

সমাজসেৱা বিভাগৰ সম্পাদকৰ হৈ মহাবিদ্যালয়ৰ চৌহদ চাফাই কৰা, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিয়মানুৱৰ্তিতা বজাই ৰখাৰ লগতে এন এছ এছ টীমৰ লগত লগ লাগি স্বচ্ছতাৰ কিছুমান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহত স্বচ্ছতাৰ প্ৰতিযোগিতাৰে মহাবিদ্যালয়খনক স্বচ্ছ আৰু নিকা কৰি তোলাৰ বাবে অংশগ্ৰহণ কৰা সমূহ বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু শলাগৰ শৰাই আগবঢ়াইছোঁ।

ইয়াৰ পিছতে নৱাগতা আদৰণী সভা, সৰস্বতী পূজাত সমূহ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাই সহায়ৰ হাত আগবঢ়োৱাৰ বাবে সুকলমে ৰূপায়ণ হয় আৰু মোৰ কাৰ্যাৱলীত সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মোক সকলো দিশতে সহায় আৰু পৰামৰ্শ প্ৰদান কৰা শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰ, আৰু উপদেষ্টা ড° নকুল নেওগ ছাৰলৈ মোৰ ফালৰ ফৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ পৰা ২৫জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দল লৈ শিৱসাগৰ জিলাৰ নামতিৰ শ্বহীদ পিয়লি ফুকন কলেজত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত যুৱ মহোৎসৱত অংশগ্ৰহণ কৰাই মোৰ জীৱনৰ এক নতুন অভিজ্ঞতা।

ছাত্ৰ একতা সভাৰ আদৰৱ আসনৰ মৰ্যাদা মই ৰক্ষা কৰিব পাৰিলো নে নাই নাজানো। তথাপি মোৰ কাৰ্যকালত যিবোৰ কৰিলো সেয়া সামান্য আৰু যিবোৰ থাকি গ'ল সেয়া অসীম। পৰৱৰ্তী সময়ত আহিবলগা সমাজসেৱা সম্পাদকে মোৰ আধৰুৱা কামবোৰক পূৰ্ণতাৰ ৰূপ দিব বুলি আশাৰে বাট চাই ৰ'ম।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মোৰ অজানিতে ৰৈ যোৱা দোষ-ত্ৰুটিৰ ক্ষমা বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু শদিয়া মহাবিদ্যালয়
জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
ধন্যবাদেৰে

**অভিজিৎ বুঢ়াগোহাঁই**
সমাজসেৱা বিভাগৰ সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২৪-২৫

# সংগীত আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শদিয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় অধ্যাপকবৃন্দ আৰু প্ৰিয় সহপাঠীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিছোঁ।

মই ২০২৪-২৫ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক সম্পাদক হিচাপে ২০২৪-২৫ শিক্ষা বৰ্ষত অনুষ্ঠিত সংগীত আৰু সাংস্কৃতিক সংক্ৰান্তৰ সকলো কাৰ্যসূচীৰ পূৰ্ণাংগ প্ৰতিবেদন আগবঢ়াবলৈ পাই মই অত্যন্ত আনন্দিত আৰু গৌৰৱ অনুভৱ কৰিছোঁ।

আমাৰ মহাবিদ্যালয় কেৱল এক শিক্ষাৰ অনুষ্ঠান নহয়, ই শদিয়া অঞ্চলৰে এক প্ৰাচীন প্ৰতিষ্ঠান, যি শিক্ষাৰ লগতে সংগীত, সাহিত্য, সংস্কৃতি আৰু সামাজিক জীৱনৰ এক সংমিশ্ৰণস্থল। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবে খেলা-ধূলা শিক্ষাৰ লগতে সংগীত আৰু সংস্কৃতিয়ে বিশেষ ভূমিকা পালন কৰে।

**যুৱ মহোৎসৱ ঃ**

২০২৪-২৫ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা যুৱ মহোৎসৱত শদিয়া মহাবিদ্যালয়ৰ এটা ২৫জনীয়া দলে সংগীত আৰু সাংস্কৃতিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি শদিয়া মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰে। লগতে এই যুৱ মহোৎসৱত সংগীত আৰু সাংস্কৃতিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি দুটাকৈ বঁটা শদিয়া মহাবিদ্যালয়ে অৰ্জন কৰিবলৈ সক্ষম হওঁ।

এই যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি বৃহৎ সাফল্য অৰ্জন কৰিব নোৱাৰিলেও তাৰ বিপৰীতে বহুতো নজনা কথা অৰ্জন কৰিলোঁ। আশা কৰোঁ বিগত বৰ্ষসমূহত শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বৃহৎ সাফল্য অৰ্জন কৰিব।

**মহাবিদ্যালয় সপ্তাহ ঃ**

২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ৩৯সংখ্যক বাৰ্ষিক সপ্তাহ সমাৰোহ ২৮-০১-২০২৫ তাৰিখৰ পৰা ০১-০২-২০২৫ তাৰিখলৈ আয়োজন কৰা হয়। সেইমৰ্মে ২৯, ৩০ আৰু ১ ফেব্ৰুৱাৰীত সংগীত আৰু সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ আৰম্ভ কৰা হয়। সাংস্কৃতিক বিভাগৰ মুকলি বিহু, কৌতুক, ভেশছন, ঢোল বাদন, পেঁপাবাদন, বিহুৱতী প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য, সৌন্দৰ্য প্ৰতিযোগিতাৰ লগতে সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

**নৱাগত আদৰণি ঃ**

২০২৫ বৰ্ষৰ নৱাগত আদৰণী সভা ২২ আগষ্ট ২০২৫ তাৰিখে অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ জৰিয়তে শদিয়া মহাবিদ্যালয়ৰ সমূহ নৱাগতাসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী নীলাভ নীতাৰ গীতৰ শৰাই আগবঢ়োৱা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

শদিয়া মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক সম্পাদক হিচাপে মই শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, অধ্যাপকবৃন্দ, প্ৰিয় সহপাঠীৰ লগতে মোক সংগীত আৰু সাস্কৃতিক সম্পাদকৰ কার্যকালত বিশেষভাৱে দিহা-পৰামর্শ দি আগুৱাই নিয়াত ডº শাৰদী বড়া বাইদেউ, এলিনা শইকীয়া বাইদেউ আৰু ডº দীপজ্যোতি কলিতা ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত অজানিতে বৈ যোৱা দোষ-ত্ৰুটিৰ বাবে, অজানিতে কাৰোবাক মনত আঘাত দিয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰার্থনা বিচাৰিছো। সদৌ শেষত শদিয়া মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ সহায়-সহযোগিতা আৰু পৰামর্শৰ লগতে আগন্তুক বছৰত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক আৰু সংগীত পৰিৱেশ অধিক সমৃদ্ধ আৰু বিকশিত হোৱাৰ আশাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে
জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

**মনজিত গগৈ**
সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২৪-২৫

# ছাত্র জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌বুলনিতে যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ শদিয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিলে তেখেতসকললৈ মোৰ একাঁজলি শ্ৰদ্ধা জনাইছোঁ। বৰ্তমান আমাৰ শদিয়া মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সতীৰ্থসকল, সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰ পিছতে যিসকলৰ সহায়-সহযোগত ২০২৪-২৫ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰাৰ্থিত্ব আগবঢ়াই সুকলমে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ প্ৰতি মোক সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিলে সেইসমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাচিছোঁ।

২০২৪-২৫ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই পোনপ্ৰথমে ছাত্ৰ জিৰণি কোঠাটো নিৰ্মাণ কৰা হ'ল। তথাপি কিছু কিছু ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাৰ বাবে মই ভবাৰ দৰে সম্পূৰ্ণৰূপে জিৰণি কোঠাটো সজাই তুলিব নোৱাৰিলোঁ। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ তত্ত্বাৱধানত হোৱা প্ৰতিযোগিতাসমূহক সকলোৱে উৎসাহেৰে যোগদান কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকালত কিমানদূৰ সফল হ'লো নাজানো। কিন্তু এই কাৰ্যকালটো মোৰ বাবে স্মৃতি হিচাপে ৰৈ যাব। মোক মোৰ প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভণ্টী-ভাইটি সকলোলৈ ধন্যবাদ যাচিলো। সদৌ শেষত মোৰ এই কাৰ্যকালত যদি কিবা ভুল ৰৈ গৈছে তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে
জয়তু শদিয়া মহাবিদ্যালয়
জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
ধন্যবাদেৰে

**লিলেশ্বৰ ফুকন**
ছাত্ৰ জিৰণি কোঠা সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২৪-২৫

# অধ্যক্ষসকল

**শ্রীযুত কীর্তিচন্দ্র ফুকন** (প্রতিষ্ঠাপক) (০৬-০৯-১৯৮২ৰ পৰা ১৫০৩-২০০৩; ০১-০১-২০০৬ৰ পৰা ১৯-১১-২০১৪; ১৪-০৯-২০১৫ৰ পৰা৩১-১০-২০১৫)
**শ্রীযুত গিৰীশ চন্দ্র গগৈ** (ভাৰপ্রাপ্ত) (০১-০৪-২০০৩ৰ পৰা ৩১-১২-২০০৫)
**শ্রীযুত ঘনকান্ত দিহিঙীয়া** (ভাৰপ্রাপ্ত) (১৯-১১-২০১৪ৰ পৰা ১৩-০৯-২০১৫)
**ড° হৰগোবিন্দ বৰকাকতি** (ভাৰপ্রাপ্ত) (০১-১০-২০১৫ৰ পৰা ৩১-০৮-২০১৯)
**শ্রীযুত ব্রজেন বৰা** (ভাৰপ্রাপ্ত) (০১-০৯-২০১৯ৰ পৰা ৩০-০৯-২০২১)
**শ্রীযুত ব্রজেন শইকীয়া** (ভাৰপ্রাপ্ত) (০১-১০-২০২১ ৰ পৰা ১৩-১২-২০২১)
**ড° ভূপেন চুতীয়া** (১৪-১২-২০২১ৰ পৰা বর্তমানলৈকে)

# উপাধ্যক্ষসকল

ড° হৰগোবিন্দ বৰকাকতি
শ্রীযুত মহেন্দ্র বৰগোহাঁই
শ্রীযুত বুদ্ধিকান্ত মিশ্র
শ্রীযুতা ৰূপামণি চিৰিং (জানুৱাৰী, ২০২৬ৰ পৰা বর্তমানলৈ)

## ২০২৪-২৫ বর্ষৰ শদিয়া মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সদস্যসকল আৰু তত্ত্বাৱধায়কসকল

| | | |
|---|---|---|
| দেবেন্দ্রনাথ গগৈ | সাধাৰণ সম্পাদক | |
| নিৰঞ্জন দেউৰী | সভাপতি | |
| অপূর্ব বৰুৱা | উপ-সভাপতি | |
| ফিজা বেগম | সহঃ সাধাৰণ সম্পাদক | |
| মনজিত গগৈ | সংগীত আৰু সাংস্কৃতিক সম্পাদক | ড° শাৰদী বৰা |
| ৰবিতা সোণোৱাল | সাহিত্য আৰু আলোচনী সম্পাদক | এলিনা শইকীয়া |
| কৰিস্মিতা বুঢ়াগোহাঁই | তর্ক আৰু আলোচনা সম্পাদক | ড° দীপেন্দ্র কুমাৰ খনাল |
| ৰক্তিম সোণোৱাল | বহিঃ ক্রীড়া সম্পাদক | ড° দীপজ্যোতি কলিতা |
| গীতার্থ নেওগ | আন্তঃক্রীড়া সম্পাদক | ড° ৰাজীৱ খাটিৰড়া |
| অভিজিত বুঢ়াগোহাঁই | সমাজ সেৱা সম্পাদক | ড° নকুল নেওগ |
| বিষ্ণু কছাৰী | শৰীৰ চর্চা সম্পাদক | ৰূপম গগৈ |
| লিলেশ্বৰ ফুকন | ছাত্র জিৰণী কোঠা সম্পাদক | ড° জয় দয়াল মালি |
| চির্জনা লিম্বু | ছাত্রী জিৰণী কোঠা সম্পাদক | শিৰানী বৰুৱা |

# লেখক পৰিচিতি

**দিশা গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**নিকিতা আচার্য্য**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**সুনীতা বিশ্বকর্মা**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**তুলসা ঢুংগেল**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**অনাম ছেত্রী**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**নিলাক্ষী গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**পল্লবী সোণোৱাল**, *দ্বিতীয় ষান্মাসিক, ইতিহাস বিভাগ*
**প্রিয়ংকা শর্মা**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**প্রিয়লতা গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**জুলি চেতিয়া**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**কৰিস্মিতা বুঢ়াগোহাঁই**, *ষষ্ঠ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**ড° শাৰদী বৰা**, *সহকাৰী অধ্যাপিকা, পদার্থবিজ্ঞান বিভাগ*
**ড° ৰাজীৱ খাটিৰড়া**, *সহকাৰী অধ্যাপক, ৰসায়ন বিভাগ*
**সুমিতা থাওছেন**, *সহকাৰী অধ্যাপিকা, প্রাণীবিজ্ঞান বিভাগ*
**কৰণ গগৈ**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**জুপিতৰা গগৈ**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**জোনমণি দলে**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**জুনু চাংমা**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**প্রার্থনা দাস**, *চতুর্থ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**নিমিষা চেতিয়াপাত্র**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**আনন্দ প্রসাদ**, *চতুর্থ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**অংকিত দেব**, *ষষ্ঠ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**বৰষা গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**ৰণ্টু বুঢ়াগোহাঁই**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**ৰিমঝিম গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**ৰিম্পী বুঢ়াগোহাঁই**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**জানেকী ছেত্রী**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**শ্রীযুত ৰূপামণি চিৰিং**, *সহযোগী অধ্যাপিকা, অর্থনীতি বিভাগ (উপাধ্যক্ষা)*
**ৰবিতা সোণোৱাল**, *চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ*
**ৰাজকুমাৰ গগৈ**, *চতুর্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**সমুদ্র ফুকন**, *প্রথম ষান্মাসিক, সমাজতত্ত্ব বিভাগ*
**ৰিতুপর্ণা গগৈ**, *প্রথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**অদিতি গুৰুং**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**জিণ্টী সোণোৱাল**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**ড° নৱমল্লিকা**, *প্রশাসনিক কর্মচাৰী।*
**অসীম বুঢ়াগোহাঁই**, *চতুর্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**খনিকা বৰগোহাঁই**, *প্রথম ষান্মাসিক, সমাজতত্ত্ব বিভাগ,*
**দেৱজিত বুঢ়াগোহাঁই**, *চতুর্থ ষান্মাসিক, ইতিহাস বিভাগ*
**আস্থা গগৈ**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**জ্যোতিৰাজ গগৈ**, *চতুর্থ ষান্মাসিক, ইতিহাস বিভাগ*
**প্রভাত বুঢ়াগোহাঁই**, *চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ*
**মলয়া অধিকাৰী**, *ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*
**সুদীপ্ত চেতিয়া**, *ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ*
**অভিজিৎ বুঢ়াগোহাঁই**, *চতুর্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**মৌচম দুৱৰা**, *চতুর্থ ষান্মাসিক, অর্থনীতি বিভাগ*
**ককি চিৰিং**, *প্রথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*
**পিংকি আগৰৱালা**, *চতুর্থ ষান্মাসিক, প্রাণীবিজ্ঞান বিভাগ*
**গীতার্থ নেওগ**, *দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ,*
**প্রার্থনা বুঢ়াগোহাঁই**, *দ্বিতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ*
**মনজিত গগৈ**, *চতুর্থ ষান্মাসিক, সমাজততত্ত্ব বিভাগ*
**স্মৃতা গগৈ**, *দ্বিতীয় ষান্মাসিক, সমাজতত্ত্ব বিভাগ*
**সৃজনা লিম্বু**, *চতুর্থ ষান্মাসিক, পদার্থবিজ্ঞান বিভাগ*
**ড° দীপেন্দ্র কুমাৰ খনাল**, *সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।*
**কৃষ্ণমায়া নিৰলা**, *প্রথম ষান্মাসিক, অসমীয়া বিভাগ*
**ৰবিতা দেউৰী**, *দ্বিতীয় ষান্মাসিক, গণিত বিভাগ*
**চেনিধৰ কামান**, *চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ*
**চাৰু খাতুন**, *উঃমাঃ ১ম বর্ষ, বিজ্ঞান শাখা*
**জছেফিন পেৰমে**, *দ্বিতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ*

## ।। প্ৰকাশিত বাতৰি কাকতৰ কিয়দাংশ ।।

# শদিয়াত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত সভা

**প্ৰতিবেদক, শদিয়া, ২৩ জুন ঃ** আজি শদিয়া সমজিলাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সমজিলা আয়ুক্ত মানসজ্যোতি নাথৰ পৌৰহিত্যত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত Internship কেনেদৰে কৰা হয়, উক্ত কামৰ বাবে উপযুক্ততা কি লাগে, কোনটো কামত সময় কিমান লাগে, কিয় লাগে, কৰ্ম-সংস্থাপনৰ বাবে কি পঢ়িব বা কি কৰিব লাগে, ব্যৱসায় এটা কৰিবলৈ কোন দিশে যাব

## আত্মসুৰক্ষামূলক প্ৰশিক্ষণ প্ৰদান



*শদিয়া ঃ নিজা প্ৰতিবেদক, ২৭ ফেব্ৰুৱাৰী ঃ* শদিয়া মহাবিদ্যালয়ৰ Gender Sensitization Cum Women Cellৰ উদ্যোগত সংকল্প ঃ মহিলা সবলীকৰণ শাখাৰ আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগ, তিনিচুকীয়াৰ সহযোগত ৫ ফেব্ৰুৱাৰীৰ পৰা ... বিষয়াই। সাম্প্ৰতিক পৰিস্থিতিত নাৰী সবলীকৰণ, আত্মসুৰক্ষা আৰু শাৰীৰিক সক্ষমতাৰ প্ৰয়োজনীয়তা সম্বন্ধে বক্তব্য আগবঢ়ায় ক্ৰমে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঁ ভূপেন চুতীয়া, সংকল্প ঃ মহিলা সবলীকৰণ শাখাৰ বিষয়া দেবজিত বসুমতাৰী, Gender Sensitization Cum Women Cellৰ

## শদিয়া মহাবিদ্যালয়ত ড্ৰাগছ বিৰোধী সজাগতা সভা

শদিয়া ঃ নিজা প্ৰতিবেদক, ৭ ফেব্ৰুৱাৰী ঃ জনসংবাদ সামাজিক উন্নয়ন পৰিষদ, ভাৰত আৰু শদিয়া মহাবিদ্যালয়ৰ ড্ৰাগছ-ধঁপাত বিৰোধী কোষৰ উদ্যোগত আৰু শদিয়া মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু শদিয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংস্থাৰ সহযোগত অলপতে ড্ৰাগছ বিৰোধী এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখনৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঁ ভূপেন চুতীয়াই। বিশিষ্ট আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে শদিয়া উপ-জিলাৰ আৰক্ষী অধীক্ষক জগদীশ দাস, জনসংবাদ সামাজিক উন্নয়ন পৰিষদৰ অধ্যক্ষ ডাঃ সঞ্জয় চেত্ৰী আৰু চপাখোৱা স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক তথা শদিয়া মহাবিদ্যালয়ৰ নিচা মুক্তি ছাত্ৰাবাস সমিতিৰ পৰামৰ্শদাতা ডাঃ অমৰজ্যোতি শইকীয়া। আৰক্ষী অধীক্ষক জগদীশ দাসে ডাগছ পৰিহোধী [illegible]

## আত্মসুৰক্ষামূলক প্ৰশিক্ষণ প্ৰদান



*শদিয়া ঃ নিজা প্ৰতিবেদক, ২৭ ফেব্ৰুৱাৰী ঃ* শদিয়া মহাবিদ্যালয়ৰ Gender Sensitization Cum Women Cellৰ উদ্যোগত সংকল্প ঃ মহিলা সবলীকৰণ শাখাৰ আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগ, তিনিচুকীয়াৰ সহযোগত ৫ ফেব্ৰুৱাৰীৰ পৰা ২০ দিনীয়াকৈ শদিয়া মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত ছাত্ৰীসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বিষয়াই। সাম্প্ৰতিক পৰিস্থিতিত নাৰী সবলীকৰণ, আত্মসুৰক্ষা আৰু শাৰীৰিক সক্ষমতাৰ প্ৰয়োজনীয়তা সম্বন্ধে বক্তব্য আগবঢ়ায় ক্ৰমে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঁ ভূপেন চুতীয়া, সংকল্প ঃ মহিলা সবলীকৰণ শাখাৰ বিষয়া দেবজিত বসুমতাৰী, Gender Sensitization Cum Women Cellৰ আহ্বায়িকা তথা শদিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকা মঞ্জুলা

The Sentinel
*of this land, for its people*

## National Science Day observed in Tinsukia

OUR CORRESPONDENT

**TINSUKIA, Mar 1:** In a remarkable effort to inspire young minds, the Indian Army and Assam Rifles conducted a series of science lectures at Rashtrabhasha ME School, Jagun, and Adarsha Hindi Vidya... ploration, students were introduced to real-world applications of science and technology, emphasizing its role in defence, innovation, and national development. The interactive discussions aimed to inspire the next generation of scientists, ... Science Society, Sadiya Branch. The event began with a plantation programme in the college campus followed by the inauguration of Poster Presentation Competition by Dr Bhupen Chutia, Principal of Sadiya College, in the presence of Dr

## শদিয়া মহাবিদ্যালয়ত আলোচনা-সত্ৰৰ আয়োজন

**প্ৰতিবেদক, শদিয়া, ১৬ আগষ্ট ঃ** শদিয়া মহাবিদ্যালয়ত অহা ছেপ্টেম্বৰ মাহৰ ১০ আৰু ১১ তাৰিখে শিলংস্থিত ইণ্ডিয়ান কাউন্সিল ফ'ৰ ছ'চিয়েল ষ্টাডিজ বিছাৰ্চৰ উত্তৰ-পূৰ্বাঞ্চলীয় আঞ্চলিক কেন্দ্ৰৰ অনুদিত এক *৮ পৃষ্ঠাত*

অভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগ

## শদিয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ সম্পন্ন




**শদিয়া ঃ** নিজা প্ৰতিবেদক, ১৪ ছেপ্টেম্বৰ ঃ শদিয়া মহাবিদ্যালয়ত মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ অৰ্থ-সাহায্যত অলপতে দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-সত্ৰ অনুষ্ঠিত হয়। আলোচনা-সত্ৰৰ মূল বিষয় আছিল 'বিকশিত ভাৰতৰ বাবে ১৩ *পিটিলৈ*

The Sentinel
*of this land, for its people*

## Sustainable Lifestyle Workshop organized at Eco Club of Sadiya College

OUR CORRESPONDENT

**TINSUKIA, Feb 12:** The Eco Club of Sadiya College, in collaboration with Dept of Zoology and NSS Unit of Sadiya Col... ral speech and inaugurated the workshop. The technical session started with a talk by Dr Jai Dayal Mali, Assistant Professor, Dept of Zoology, Sadiya College, on Mis...

# সাফল্য

## ২০২৪-২৫ বর্ষৰ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্রীয় যুৱ মহোৎসৱত সাফল্য



গীতাঞ্জলি নেউপানে
দ্বিতীয় স্থান
ভজন প্রতিযোগিতা



চনম তামাং
দ্বিতীয় স্থান
ৰাভা সংগীত প্রতিযোগিতা



সুদীপ্ত চেতিয়া
প্রথম স্থান, চলচ্চিত্র সমালোচনা প্রতিযোগিতা

## ৰাষ্ট্রীয় পর্যায়ত অংশগ্রহণ




হাৰিয়ানাৰ ৰাষ্ট্রীয় একতা শিবিৰত অংশগ্রহণ
(মহাবিদ্যালয়ৰ ৰাষ্ট্রীয় সেৱা আঁচনিৰ কার্যকৰী বিষয়া ড° নকুল নেওগৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱকৰ ১১ জনীয়া দলটিৰ ডিব্রুগড় বিশ্ববিদ্যালয় অসমক প্রতিনিধিত্ব)

## শ্রেষ্ঠ নৱাগত আৰু নৱাগতা, ২০২৫



হৰি সোণোৱাল
শ্রেষ্ঠ নৱাগত

ককি চিৰিং
শ্রেষ্ঠ নৱাগতা

## ২০২৪-২০২৫ বর্ষৰ মহাবিদ্যালয় সপ্তাহ বিশেষ



লক্ষ্যজিৎ চিৰিং
শ্রেষ্ঠ খেলুৰৈ



স্বপ্না তামাং
মিচ শদিয়া কলেজ



গীতাঞ্জলি নেউপানে
শ্রেষ্ঠ গায়িকা



ৰবিতা সোণোৱাল
শ্রেষ্ঠ সাহিত্যিক



বিষ্ণু কছাৰী
মিষ্টাৰ শদিয়া কলেজ



প্রস্তুতি ৰৰা
শ্রেষ্ঠ বিহুৰতী

# বিভিন্ন অনুষ্ঠানত ছাত্র-ছাত্রীৰ অংশগ্রহণ



ডিঃবিঃ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্রহণৰ দৃশ্যাংশ



ডিঃবিঃ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্রহণৰ দৃশ্যাংশ



বৰগৰা মিৰি প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তীত অংশগ্রহণ কৰা মহাবিদ্যালয়ৰ দলটি




মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (১)



মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (২)



মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (৩)




মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (৪)




মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (৫)



মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (৬)



মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ (৭)

# মহাবিদ্যালয়ৰ NSS গোটৰ বিভিন্ন অনুষ্ঠানৰ আলোকচিত্ৰ



ৰাষ্ট্ৰীয় একতা শিবিৰত অংশগ্ৰহণ কৰা স্বেচ্ছাসেৱক দলটিৰ দিল্লী ভ্ৰমণৰ স্থিৰচিত্ৰ




NSS গোটৰ দ্বাৰা পৰিচালিত মুক্ত পুঁথিভঁৰাল উন্মোচনৰ মুহূর্ত




প্ৰতিপালিত গাঁৱত SWACHATA HI SEWA, 2024 পালনৰ মুহূর্ত



Eco Clubৰ সহযোগত আয়োজিত Solid Waste Management, Vermicomposting and Rain Water Harvestingবিষয়ক কৰ্মশালাৰ দৃশ্যাংশ



আন্তঃৰাষ্ট্ৰীয় জৈৱবৈচিত্ৰ দিৱস পালনৰ মুহূর্ত



শদিয়া আৰক্ষী জিলাৰ বিষয়ববীয়াৰ সৈতে NSS আৰু NCC গোটৰ দ্বাৰা হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা পালনৰ মুহূর্ত



প্ৰাধ্যাপক ডেভিদ কাৰ্দং, Programme Coordinator, NSS Cell, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সৈতে মহাবিদ্যালয় গোটৰ স্বেচ্ছাসেৱকৰ দলটিৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানৰ দৃশ্যাংশ

# কেন্দ্রীয় পুঁথিভঁৰালৰ লগত জড়িত কিছু দৃশ্যাংশ

## শ্ৰেষ্ঠ ব্যৱহাৰকৰ্তা বঁটা প্ৰদান



সঞ্জীৱনী বুঢ়াগোহাঁই, বিজ্ঞান শাখাৰ শ্ৰেষ্ঠ ব্যৱহাৰকৰ্তা



পৰিস্মিতা দেউৰী, বাণিজ্য শাখাৰ শ্ৰেষ্ঠ ব্যৱহাৰকৰ্তা



প্ৰবাল হাজৰিকা, কলা শাখাৰ শ্ৰেষ্ঠ ব্যৱহাৰকৰ্তা




বিশেষ বক্তৃতা অনুষ্ঠান আৰু শদিয়া আৰক্ষী জিলাৰ দ্বাৰা গ্ৰন্থদান অনুষ্ঠানৰ সমল ব্যক্তিঃ শ্ৰীযুক্তা অৰুণিমা ভূঞা




বিশেষ বক্তৃতা অনুষ্ঠান আৰু শদিয়া আৰক্ষী জিলাৰ দ্বাৰা গ্ৰন্থদান অনুষ্ঠানৰ দৃশ্যাংশ



গ্ৰন্থাগাৰিক দিৱস পালনৰ মুহূৰ্ত



কেন্দ্রীয় পুঁথিভঁৰালৰ অধ্যয়নকক্ষ




ভাৰতীয় সংবিধান


# ২০২৪-২৫ বর্ষত প্রকাশিত বিভাগীয় প্রাচীৰ পত্রিকা আৰু হাতেলিখা আলোচনী




বিমৃশা, অসমীয়া বিভাগ




CHEMREVOLUTION, ৰসায়ন বিভাগ



COMSIGHT, ৰাণিজ্য বিভাগ



পোহৰ, অর্থনীতি বিজ্ঞান বিভাগ



RENAISSANCE, ইংৰাজী বিভাগ



বিৱর্তনৰ দাপোন, ইতিহাস বিভাগ




INFINITY, গণিত বিভাগ



POLITICA, ৰাজনীতি বিজ্ঞান বিভাগ



MOTION, পদার্থ বিজ্ঞান বিভাগ



ZOOLOGICA, প্রাণীবিজ্ঞান বিভাগ




উৎকর্ষ কোষৰ দৈনিক প্রাচীৰ পত্রিকা 'আমাৰ কথকতা'



প্রজ্ঞানজ্যোতি
ৰাজনীতি বিজ্ঞান বিভাগ




সৃজনী
অসমীয়া বিভাগ




সেউজী
উদ্ভিদ বিজ্ঞান বিভাগ


# শিক্ষক-গ্রন্থগাৰিকৰ দ্বাৰা প্ৰকাশিত বিভিন্ন বিষয়ক গ্ৰন্থ




**Exploring Sadiya**
Editors : Manjula Baruah, Pranjit Nath





**Social Transformation in North-East India**
Editors : Pranjit Nath, Manjula Baruah





**NEP 2020**
Editors : Dr. Pranjit Nath,
Mrs. Manjula Baruah, Dr. Diplyoti Kalita





**Spectrum : A Multidisciplinary Research Book in Science (Vol-I)**
Editors : Dr. Jai Dayal Mali, Dr. Rajiv Khatioda
Dr. Ajay Sharma, Dr. Ujwal Pratim Saikia





**Charaiveti Charaiveti**
Co-Editor : Dr. Dipendra Kumar Khanal




**Reengineering of Libraries**
Editor : Manjula Baruah





**Foundation in Mathematics-I**
Co-Author : Dr. Ajay Sharma





**Bimreeshya**
Editors : Dr. Bhupen Chutia, Alina Saikia
Dr. Dipendra Kr. Khanal, Monmi Kalita


# পূৰ্বে প্ৰকাশিত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী




আলোচনী, দ্বিতীয় সংখ্যা, ২০০৪-০৫ বর্ষ
সম্পাদক ঃ কল্যাণজ্যোতি গগৈ




আলোচনী, পঞ্চম সংখ্যা, ২০১২-১৩
সম্পাদকঃ প্ৰকাশ গজুৰেল





স্ৰোতস্বিনী, ষষ্ঠ সংখ্যা, ২০১৪-১৫ বর্ষ
সম্পাদকঃ পংকজ গগৈ




শদিয়া মহাবিদ্যালয় আলোচনী, অষ্টম সংখ্যা, ২০১৫-১৬ বর্ষ
সম্পাদক ঃ জুবিন বুঢ়াগোহাঁই




স্ৰোতস্বিনী, নৱম সংখ্যা, ২০২১-২২ বর্ষ
তত্ত্বাৱধায়ক ঃ ড° দীপেন্দ্ৰ কুমাৰ খনাল
সম্পাদক ঃ মোহন দলে




স্ৰোতস্বিনী, দশম সংখ্যা, ২০২২-২৩ বর্ষ
তত্ত্বাৱধায়ক ঃ ড° ঋতুপর্ণা হাজৰিকা
সম্পাদক ঃ ধ্ৰুৱজ্যোতি হাজৰিকা




স্ৰোতস্বিনী, দশম সংখ্যা, ২০২৩-২৪ বর্ষ
তত্ত্বাৱধায়ক ঃ মনমী কলিতা, সম্পাদক ঃ মলয়া অধিকাৰী

## প্ৰাক্তন আলোচনী সম্পাদক-সম্পাদিকাৰ তালিকা

| | |
|---|---|
| ■ বম বাহাদুৰ চেত্ৰী | ১৯৯২-৯৩ |
| ■ কল্যাণজ্যোতি গগৈ | ২০০৪-০৫ |
| ■ ক্ষীৰোধৰ গগৈ | ২০০৭-০৮ |
| ■ প্ৰকাশ গজুৰেল | ২০১২-১৩ |
| ■ পংকজ গগৈ | ২০১৪-১৫ |
| ■ জুবিন বুঢ়াগোহাঁই | ২০১৫-১৬ |
| ■ মোহন দলে | ২০২১-২২ |
| ■ ধ্ৰুৱজ্যোতি হাজৰিকা | ২০২২-২৩ |
| ■ মলয়া অধিকাৰী | ২০২৩-২৪ |

# মহাবিদ্যালয় পৰিয়ালৰ ফটো




অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ একাংশ




অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কর্মচাৰীসকলৰ একাংশ




২০২৪-২৫ বর্ষৰ ছাত্র একতা সভাৰ বিষয়ববীয়াসকলৰ একাংশ

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কিয়দাংশ



শিল্পী দিৱস উদযাপনৰ মুহূর্ত



নৱাগত আদৰণি সভাত সমবেত সংগীত পৰিৱেশনৰ মুহূর্ত



গণৰাজ্য দিৱস উদযাপনৰ মুহূর্ত



আন্তর্জাতিক মাতৃভাষা দিৱস উদযাপনৰ মুহূর্ত



আত্মৰক্ষা কর্মশালাৰ সামৰণি অনুষ্ঠানৰ মুহূর্ত



যোগ কর্মশালাৰ সমল ব্যক্তি ৰেণু বৰুৱাৰ সৈতে অংশগ্রহণকাৰীসকল




উৎকর্ষ কোষৰ দ্বাৰা আয়োজিত হস্তশিল্প কর্মশালাৰ মুহূর্ত




উৎকর্ষ কোষৰ দ্বাৰা চলচ্চিত্র পৰিৱেশনৰ মুহূর্ত




ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালনৰ মুহূর্ত




ব'হাগী আদৰণি উদযাপনৰ মুহূর্ত




বহাগী আদৰণিৰ লগত সংগতি ৰাখি অনুষ্ঠিত শিল্পমেলাৰ দৃশ্যাংশ



স্বাধীনতা দিৱস উদযাপনৰ মুহূর্ত




হিয়াৰ আমঠু জুবিন গার্গৰ
শ্রদ্ধাঞ্জলি অনুষ্ঠান

# মহাবিদ্যালয় সংগীত

শতফুল...শতফুল...শতফুল...
শতফুল দেশৰে জ্ঞানৰ আলয়
শদিয়া মহাবিদ্যালয়
জ্ঞান শিখৰৰ প্রসৰিনী
কৃষ্টিৰ অভিনৱ মিলনজ্যোতি।।
৮২ৰ সূৰযৰ কোমল পৰশ
উচ্চ শিক্ষাৰ সৃষ্টিৰ সৰগ
কুণ্ডিল পাৰত জিলিকে আজি
জ্ঞান সাধনাৰ পূজাৰ আৰতি
কৃষ্টিৰ অভিনৱ মিলনজ্যোতি।।
শতফুল...শতফুল...শতফুল
শতফুল দেশৰে জ্ঞানৰ আলয়
শদিয়া মহাবিদ্যালয়।
ভাৰতৰ পূর্ব দিশত আজি
মিলন তীর্থই বজাই বাঁহী
জ্ঞান বিলোৱা প্রতিজ্ঞা আমাৰ
নাশ কৰিম অজ্ঞান আন্ধাৰ
কৃষ্টিৰ অভিনৱ মিলনজ্যোতি।।
শতফুল...শতফুল...শতফুল
শতফুল দেশৰে জ্ঞানৰ আলয়
শদিয়া মহাবিদ্যালয়।

কথা ঃ *শ্রীযুত হেমন্ত কুমাৰ দেউৰী*
*সহযোগী অধ্যাপক, অসমীয়া বিভাগ, শদিয়া মহাবিদ্যালয়*



...মোৰ গান হওক
কল্পনাবিলাসৰ বিপৰীতে এক
সত্য প্ৰসক্তিৰ ধ্যান
মোৰ গান হওক
বহু আস্থাহীনতাৰ বিপৰীতে এক
গভীৰ আস্থাৰ গান...

— ভূপেন হাজৰিকা

SADIYA COLLEGE, CHAPAKHOWA
শদিয়া মহাবিদ্যালয়, চপাখোৱা
ESTD. 1982

# SADIYA COLLEGE ANNUAL MAGAZINE

# SROTASWINI

১২

প্ৰচ্ছদ ঃ কৌশিক কিশলয়

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com

ISBN : 978-93-5860-316-3